# প্রত্যাহ্বান

খালী পৃষ্ঠা

# প্ৰত্যাহ্বান

গোপাল জালান

বিশাল প্ৰকাশন
গুৱাহাটী- ৭৮১০০৩

**PRATYAHBAN**
A collection of Assamese articles
written by Gopal Jalan and published by
Brajendra Nath Deka on behalf of Bishal Prakashan,
Upasana Bhawan, Rajgarh Link Road, Chandmari, Guwahati-3.
First Edition : July, 2017, Price : Rs. 120/- only

---

**প্ৰত্যাহ্বান**

**প্ৰকাশক**
ব্ৰজেন্দ্ৰ নাথ ডেকা
বিশাল প্ৰকাশন, গুৱাহাটী- ৩
দূৰভাষ ঃ ৭০০২২-৫২৩৯১

প্ৰথম প্ৰকাশ
**জুলাই, ২০১৭**

গ্ৰন্থস্বত্ব
© লেখকৰ দ্বাৰা সৰ্বস্বত্ব সংৰক্ষিত

বেটুপাত
**মনজিৎ মালাকৰ**

মূল্য ঃ **১২০ টকা**

**ISBN :**
978-93-82587-49-1

মুদ্ৰণ
**বিশাল অফছেট, গুৱাহাটী**

## উচৰ্গা...

*পিতৃ-মাতৃৰ চৰণত...*

খালী পৃষ্ঠা

# লেখকৰ একাষাৰ

প্ৰত্যাহ্বানৰ সমষ্টিয়ে হ'ল জীৱন। জন্মগ্ৰহণৰ পিছৰে পৰাই আৰম্ভ হয় প্ৰত্যাহ্বান। জীয়াই থকাৰ সংগ্ৰামত প্ৰত্যাহ্বান ছাঁটোৰ দৰে লাগি থাকে। জীৱনৰ প্ৰতিটো মুহূৰ্ততে সৃষ্টি হোৱা ঘাত-প্ৰতিঘাত, সমস্যাসমূহৰ অন্ত পেলাই আগুৱাই যোৱা গৰাকীয়েহে জীয়াই থকাৰ আনন্দ লাভ কৰে। এই সংসাৰত কেৱল খাই-বৈ থকাটোৱেই জীৱন নহয়। প্ৰকৃত জীৱনৰ আনন্দ উপভোগ কৰিব পাৰিলেহে জীৱনটো সাৰ্থক হয়। প্ৰত্যাহ্বান অবিহনে আকৌ জীয়াই থকাৰ আনন্দ নাথাকে।

সেয়েহে কেথেৰিন পালচিফাৰে কৈছে--'Life is a gift, accept it, enjoy it and be happy with it, life is a challenge, but challenges can alway be overcome.'

ঘৰৰ চাৰিবেৰৰ পৰা আৰম্ভ কৰি সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক, সাংস্কৃতিক আদি সকলো ক্ষেত্ৰতে থাকে প্ৰত্যাহ্বান। এই পৃথিৱীত কোনো লোকৰে সাফল্যৰ পথ উজু নহয়। সেন্দূৰীয়া আলিৰে খোজ কাঢ়িবলৈ হ'লে

প্ৰথমতে নেওচিব লাগিব প্ৰত্যাহ্বান। সেইবাবে উইলিয়াম আৰ্থাৰ ৱাৰ্ডে কৈছে— 'Optimists enrich the present, enhance the future, challenge the improeable and attain the impossible.' যিকোনো লোকে সাহসেৰে যুঁজি নিজৰ লক্ষ্যত উপনীত হ'বলৈ হ'লে প্ৰথমতে লাগিব আত্মবিশ্বাস। এই আত্মবিশ্বাসে যিকোনো পৰিস্থিতিৰ স'তে মোকাবিলা কৰিবলৈ শক্তি যোগায়। প্ৰত্যাহ্বানেহে এগৰাকী ব্যক্তিক সাহসী কৰি তোলে। সেইবাবে চি কুপাৰে কৈছে-- 'Courage comes  while we are facing challenges and because we are facing challenges! courage take our hand as we step us.'

আমাৰ দৈনন্দিন জীৱনত সচৰাচৰ সৃষ্টি হোৱা বিষয়সমূহক কেন্দ্ৰ কৰিয়েই এই গ্ৰন্থখন ৰচনা কৰা হৈছে। নিমিলা অংক মিলোৱাৰ দৰে বিভিন্ন সময়ত দৈনিক কাকত, সাদিনীয়া কাকত, আলোচনী আদিত প্ৰকাশ পোৱা প্ৰবন্ধ, নিবন্ধসমূহ একগোট খুৱাই ‘প্ৰত্যাহ্বান’ গ্ৰন্থখন ৰচনা কৰিলো। এইক্ষেত্ৰত মোক বহুকেইগৰাকী ব্যক্তিয়ে উৎসাহ যোগাইছে। বিশাল প্ৰকাশনৰ স্বত্বাধিকাৰ ব্ৰজেন্দ্ৰ নাথ ডেকাই মোক গ্ৰন্থখন প্ৰকাশৰ ক্ষেত্ৰত বিশেষভাৱে সহায় কৰাত তেওঁক ধন্যবাদ জ্ঞাপন কৰিছো। আশা কৰিছো পাঠক সমাজে মোৰ এই গ্ৰন্থখন আঁকোৱালি ল'ব। যদি লেখনিসমূহত ত্ৰুটি-বিচ্যুতি আছে তেতিয়া হ'লে সেইবোৰ পাঠক সমাজে আঙুলিয়াই দিলে পৰম কৃতাৰ্থ হ'ম।

**—গোপাল জালান**

# পাতনি

(এক)

সাংস্কৃতিক জগত, সমাজ সেৱা, ব্যৱসায়-বাণিজ্য সকলো ক্ষেত্ৰতে সাৱলীলভাৱে বিচৰণ কৰা গোপাল জালান এক বহুমাত্ৰিক ব্যক্তিত্বৰ অধিকাৰী লোক। এই বহুমাত্ৰিকতাৰ মাজত যি দুটা বিশেষ গুণৰ বাবে তেওঁ উজলি উঠিছে, সেই দুটা হ'ল-- সামাজিক পৰিৱৰ্তনৰ প্ৰতি তেওঁৰ এক তীব্ৰ সচেতন দৃষ্টি আৰু সমাজৰ সামগ্ৰিক মংগল কামনা। তেওঁৰ সামাজিক সচেতনাই যে অসমখনকে অকল সামৰি লৈছে তেনে নহয়; বৰঞ্চ ই দেশৰ ভৌগোলিক পৰিসীমা অতিক্ৰম কৰি বিশ্বৰ ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক সকলো ক্ষেত্ৰতে হোৱা পৰিৱৰ্তনকে সামৰি লৈছে। তেওঁ যদি ন-খোৱাৰ আনন্দক লৈ নষ্টালজিক হৈ পৰে, আনফালে আইছিছৰ উত্থানক লৈ হৈ পৰে উদ্বিগ্ন; অসম সাহিত্য সভাৰ বঁটা বিতৰণী অনুষ্ঠানৰ সন্দৰ্ভত তেওঁৰ যিদৰে নিজস্ব অভিমত আছে, সেইদৰে বৰ্তমান জনপ্ৰিয় হৈ পৰা ৰিয়েলিটী শ্ব' সম্পৰ্কতো তেওঁৰ আছে স্পষ্ট মতামত। তেওঁৰ সকলো মতামতৰ আঁৰত থকা স্বদেশৰ প্ৰতি প্ৰেম, সংস্কৃতিৰ প্ৰতি সন্মান আৰু বাস্তৱমুখী বিশ্লেষণে তেওঁৰ চুটি লেখাসমূহক চিন্তা-উদ্ৰেগকাৰী টিপ্পনীৰ ৰূপ দিছে।

(দুই)

ৰূপান্তৰ অবিহনে সমাজ স্থবিৰ আৰু মৃত্যুমুখী হৈ পৰিব; এফালে যদি ই চিন্তাৰ গতিশীলতা ৰোধ কৰি সমাজক অন্ধবিশ্বাসৰ বলি কৰি তুলিব;

আনফালে বিশ্বৰ বিভিন্ন প্ৰান্তৰত হোৱা পৰিৱৰ্তনৰ সৈতে তাল মিলাব নোৱাৰি একোখন বন্ধ চিন্তাৰ সমাজ নিঃচিহ্ন হৈ যাব। তিষ্ঠি থাকিবৰ বাবেই ৰূপান্তৰৰ প্ৰয়োজন; কিন্তু ৰূপান্তৰ হ'ব লাগিব সমাজৰ যুক্তিপূৰ্ণ চিন্তাৰ দ্বাৰা নিয়ন্ত্ৰিত, প্ৰভাৱান্বিত। ৰূপান্তৰৰ প্ৰতিটো পদক্ষেপৰ প্ৰস্তুতিয়েই সেয়েহে কঢ়িয়াই লৈ আহে একো একোটা প্ৰত্যাহ্বান। সেই প্ৰত্যাহ্বানৰ কিদৰে মুখামুখি হয়, তাৰ ওপৰতেই নিৰ্ভৰ কৰে ভৱিষ্যত। সেয়েহে ভবিষ্যতৰ সুৰক্ষাৰ স্বাৰ্থতে সমাজৰ সৰু-বৰ সকলো পৰিৱৰ্তনৰ প্ৰতিয়েই আমি হ'ব লাগিব সজাগ, উদাৰ হৈও আমাৰ দৃষ্টি হ'ব লাগিব বিজ্ঞানসন্মত আৰু সমাজৰ মংগলকামী। গোপাল জালানে এই পুথিখনত কৰি চিন্তাৰ এক সূচনা কৰিব বিচাৰিছে। তিনি কুৰিৰো অধিক চুটি লেখাৰে তেওঁ যেন সমাজখনৰ এক দীঘলীয়া সময়ৰ পৰিৱৰ্তনৰ এক স্কেটছ্ অংকন কৰাৰ লগতে সমাজৰ সামগ্ৰিক গতিৰ প্ৰতি পঢ়ুৱৈৰ দৃষ্টি আকৰ্ষণ কৰিববৈলে চেষ্টা কৰিছে। যিকোনো বিষয়ৰ ওপৰত তেওঁ প্ৰকাশ কৰা অভিমতৰ সৈতে আমি সহমত পোষণ কৰো নে নাই, সেইটো গুৰুত্বপূৰ্ণ নহয়; গুৰুত্বপূৰ্ণ হ'ল সেই বিষয়টো যে সমাজৰ সকলোৱে চিন্তা কৰিবলগীয়া এটা গুৰুত্বপূৰ্ণ বিষয়, সেই কথাৰ প্ৰতি সকলোৰে দৃষ্টি আকৰ্ষণ কৰা। এই ক্ষেত্ৰত গোপাল জালানে সাফল্য দাবী কৰিব পাৰে।

(তিনি)

ভৱিষ্যতেও সমাজত প্ৰতিনিয়ত এনে অজস্ৰ ঘটনা সংঘটিত হ'ব, যিবোৰে মানুহৰ ভৱিষ্যত নিৰ্মাণত, সমাজৰ ৰেহ-ৰূপ অংকন কৰাত কৰবাত নহয় কৰবাত এক নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰিব। আমি আশা কৰিম গোপাল জালানে ভৱিষ্যতেও এনে ঘটনাৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰি সময়ে সময়ে তীব্ৰভাৱে সমাজ সচেতন এনে লেখা লিখি থাকিব। চুটি, এনে সাংবাদিক ধৰ্মী লেখাবোৰেই এটা সময়ত হৈ পৰে সমাজৰ ৰূপান্তৰৰ ইতিহাসৰ প্ৰাথমিক উৎস।

**ফণীন্দ্ৰ কুমাৰ দেৱ চৌধুৰী**

# সূচী-পত্ৰ


- অকলশৰীয়া জীৱন ১৫
- কোন দিশে সংস্কৃতি ১৮
- পিঞ্জৰাবদ্ধ গৰম বন্ধৰ আনন্দ ২১
- পাকিস্তানতকৈ দুগুণ শক্তি আছে ভাৰতৰ ২৩
- জংকি-পানৈৰ নামত প্ৰেমৰ দিন পালন কৰিব নোৱাৰোনে ২৬
- অশ্লীল শব্দৰ প্ৰয়োগ আৰু পৰিৱৰ্তনৰ ঢৌ ২৮
- আমি কিমান স্বাস্থ্য সচেতন ৩১
- অভিশাপ নহয় বাৰ্ধক্য ৩৩
- ৰঙৰ উৎসৱত অপসংস্কৃতিৰ প্ৰভাৱ ৩৫
- অসম সাহিত্য সভাৰ বঁটা বিতৰণ আৰু কিছু ব্যক্তিগত অনুভৱ ৩৭
- হোৱাটছ এপ-ফেচবুক, বিবাহ বিচ্ছেদ ইত্যাদি ৩৯
- ৰাভা সংগীত ঃ কিছু সাময়িক চিন্তা ৪১
- উভতি নাহে কাবুলীৱালা ৪৩
- ভুলুণ্ঠিত মানৱতা ৪৫
- প্ৰতিৱেশীৰ দায়িত্ব ... ৪৮
- পত্ৰবন্ধু, এছ এম এছ আৰু ফেচবুক ৫০

- অসমৰ অৰ্থনৈতিক উন্নয়নৰ বাবে নৱ-প্ৰজন্মই কৰক ব্যৱসায় ৫২
- পোহৰৰ উৎসৰতো চীনৰ সামগ্ৰী ৫৫
- আন্তৰ্জাতিক সীমা বিবাদ ৫৯
- ভাতসাঁজ আৰু মাতৃৰ ভূমিকা ৬২
- আইছিছৰ উত্থানৰ আঁৰত কোন ৬৫
- বন ৰজাৰ জীৱন ৰক্ষা কৰক, হত্যা নহয় ৬৮
- স্বপ্নভংগ নৱবৰ্ষ ৭১
- সংকুচিত হ'ল মাঘৰ পথাৰ ৭৩
- হেৰাই গ'ল ন-খোৱাৰ আনন্দ ৭৫
- সত্য, আত্মা-পৰমাত্মা আৰু আধ্যাত্মিক ধ্যান-ধাৰণা ৭৭
- পিতৃ-মাতৃৰ অতিৰিক্ত চাপ কিয় ? ৮০
- কিয় কাশ্মীৰ অশান্ত ৮৩
- গোলকীয় উষ্ণতাৰ বাবে দায়ী কোন ৮৬
- হেৰাই গ'ল দুৰ্গা পূজাৰ মূৰ্তি চাবলৈ যোৱাৰ আনন্দ ৮৯
- বেলুচিস্তান আৰু পাকিস্তান ৯১
- সন্তানৰ বাবে পিতৃ-মাতৃয়ে অলপ সময় উলিয়াওক ৯৩
- যৌথ পৰিয়ালৰ ভাঙোন আৰু অধঃপতিত সমাজ ৯৬
- সোপাধৰা, পিছল মানুহ, ডাইনী আৰু অন্ধবিশ্বাস ৯৮
- শৰতৰ শেৱালিৰ সুৱাস ১০১
- দুৰ্গা পূজাৰ বেলুন, পিষ্টল আৰু অভিভাৱকৰ দায়িত্ব ১০৪
- বিশ্বাস-অন্ধবিশ্বাসৰ দোমোজাত সূৰ্যগ্ৰহণ-চন্দ্ৰগ্ৰহণ ১০৬
- নিঃশব্দ ঘাতক নে প্ৰতিভা বিকাশৰ মঞ্চ ৰিয়েলিটি শ্ব' ১০৮
- বনজ সম্পদ ধ্বংস নকৰিবলৈ সংকল্প লওক ১১১
- উদ্যোক্তাসকলেও পৰিধান কৰক অসমীয়া সাজ-পোছাক ১১৩
- ব'হাগ বিহুত ব্যৱহৃত কেইবিধমান উদ্ভিদ ১১৬
- বসন্তৰ বলিয়া বা ১১৮
- তাঁতশালখন ১২০
- পৰিৱৰ্তিত ৰূপত বিহু ১২২

■ ধৰ্মই সমাজত শান্তি স্থাপন কৰে, ধ্বংস নহয় ১২৪
■ মে’ দিৱস ১২৬
■ কিমান দিন চলি থাকিব ডাইনীৰ সন্দেহত হত্যা ১২৮
■ সংস্কৃতি সংৰক্ষণ ১৩০
■ অতন্দ্ৰ প্ৰহৰীৰ ভূমিকাত বিৰোধী দল ১৩২
■ বিশ্ব পৰিবেশ দিৱস ১৩৪
■ শ্ৰৱণ কুমাৰৰ মাতৃভক্তি আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ১৩৭
■ অম্বুবাচী মেলা হওক কুম্ভমেলা ১৩৯
■ ভ্ৰাম্যমাণৰ জনকলৈ একাঁজলি শ্ৰদ্ধাঞ্জলি ১৪১
■ দলং, ঐতিহ্যমণ্ডিত স্থানত নামফলকত সংক্ষিপ্ত বৰ্ণনা ১৪৩
■ নৈশ বাছ নে ট্ৰাক ১৪৫
■ জীৱ-জন্তুৰ সুৰক্ষাত শিশুৰ ভূমিকা ১৪৭
■ সুধাকণ্ঠলৈ মৰণোত্তৰভাৱে আগ বঢ়াওক ‘ভাৰতৰত্ন’ ১৪৯
■ সমাজৰ চিত্ৰ অংকনত মূকাভিনয়ৰ ভূমিকা ১৫২
■ মহাবীৰ লাচিতৰ নামত দিয়া হওক ৰাষ্ট্ৰীয় পৰ্যায়ত বঁটা ১৫৪
■ সোণোৱালী শইচে ভৰা ১৫৬
পথাৰখন আৰু মহিলাসকলৰ ভূমিকা
■ প্ৰতিবন্ধী মানে সমাজৰ বোজা নহয় ১৫৮
■ সুধাকণ্ঠৰ সৃষ্টিৰাজি শৃংখলিতভাৱে সংৰক্ষণ কৰা হওক ১৬২
■ বাৰ্ষিক উৎসৱ নহয় অভিশপ্ত ৩০ অক্টোবৰ ১৬৪

খালী পৃষ্ঠা

# অকলশৰীয়া জীৱন

আধুনিক জীৱনত অকলশৰীয়া জীৱন কটোৱা লোকৰ সংখ্যা অভাৱনীয়ভাৱে বৃদ্ধি পাবলৈ ধৰিছে। মানুহৰ মাজত থাকিও, সমাজত জনসংখ্যা বৃদ্ধি হোৱা সত্ত্বেও এতিয়া বহুতো লোকে অকলশৰীয়া জীৱন অতিবাহিত কৰিবলগীয়া হৈছে। ই মানৱ জীৱনৰ বাবে অভিশাপ নে আশীৰ্বাদ সিও হৈছে এক বিতৰ্কিত বিষয়। কাৰণ একাকীত্ব জীৱন কটোৱা লোকে যিমান সৃষ্টি কৰিছে তাতকৈ প্ৰাণ হানি হৈছে বেছি ভাগৰ। কোনো মানুহেই অকলশৰীয়া জীৱন কটাব নিবিচাৰে। মানুহ যিহেতু সমাজপ্ৰিয়, গতিকে সদায় অকলশৰে থকাটোও সম্ভৱ নহয়। ভাৰতীয় সমাজ ব্যৱস্থাত যেতিয়ালৈকে যৌথ পৰিয়ালৰ প্ৰচলন আছিল তেতিয়ালৈকে একাকীত্ব কটোৱা লোকৰ সংখ্যা আছিল তেনেই নগণ্য। পিছে যৌথ পৰিয়াল ব্যৱস্থাৰ বিলুপ্তিৰ পাছতে এনে সমস্যাত আক্ৰান্ত লোকৰ সংখ্যা অভাৱনীয়ভাৱে বৃদ্ধি পাবলৈ ধৰিছে। এতিয়া একাকীকত্বৰ চিকাৰ হৈ আত্মহত্যা কৰাৰ ঘটনা তেনেই সাধাৰণ হৈ পৰিছে। পশ্চিমীয়া দেশসমূহৰ কথাতো ক'বই নালাগে। ইউৰোপ আদি দেশত যিমানেই 'প্ৰৌঢ়ালয়' বা 'অ'ল্ড এজ হোম' নাথাকক

কিয় এনে ব্যৱস্থাই কিন্তু কোনো এজন লোকৰ মনত শান্তি দিব নোৱাৰে। এনে গৃহত অসংখ্য সমবয়সীয়া লোকৰ মাজত থাকিও তেওঁলোকৰ বেছিভাগেই পিছে একাকীকত্বৰ চিকাৰ হয়। মানুহৰ মাজত যিমানেই নাথাকক কিয়, যিমানেই কাম কৰা মানুহে সকলো কাম কৰি নিদিয়ক কিয়, ঘৰৰ সদস্যৰ দৰে মৰম-চেনেহ কেতিয়াও নাপায়। বেমাৰ-আজাৰ হ'লে পৰিয়ালৰ সদস্যসকলে যিদৰে সেৱা-শুশ্ৰূষা কৰিব, আনে সেয়া নকৰে। কোনো মানুহেই মৰম-চেনেহ, ভালপোৱা আদি মায়াৰপৰা মুক্ত নহয়। মায়াৰে আবৰা এই পৃথিৱীখনত কোনো লোকেই মায়া-মোহৰ পৰা আঁতৰি থাকিব নোৱাৰে।

সাধাৰণতে অকলশৰে থাকিলে একাকীকত্ব হিচাপে গণ্য কৰা হয়; কিন্তু কেতিয়াবা লগত সংগী থাকিলেও একাকীকত্বৰ চিকাৰ হোৱা দেখা যায়। একাকীকত্ব হ'ল এক মানসিক অৱস্থা, য'ত পৰিৱেশ তথা পাৰিপাৰ্শ্বিকতাৰ পৰা এজন লোক সম্পূৰ্ণৰূপে বিচ্ছিন্ন হৈ পৰে। এনে ব্যক্তি চাৰিওফালে সকলো থাকিলেও সেইবোৰৰ পৰা বিচ্ছিন্ন হৈ পৰে। কাৰো স'তে যোগাযোগ নাথাকে। মনত এনে ভাব হয় যেন কোনোৱে তেওঁৰ কথা নুশুনে, গুৰুত্ব নিদিয়ে। কোনোৱেই যেন তেওঁৰ মনৰ মানুহজন বা মানুহগৰাকী নহয়। সকলো লোকেই তেওঁৰ মনত স্বাৰ্থপৰ হৈ পৰে। একেবাৰে ওচৰত থকা লোকজনো হৈ পৰে অচিনাকি সদৃশ। বিপদে-আপদে তেওঁৰ ওচৰত থিয় দিয়া লোকৰ অভাৱ বুলি ভাবিবলৈ ধৰে। খং-অভিমান কৰিবলৈ যেন কোনোৱেই নাই। নিজকে অসহায়, তুচ্ছ বুলি ভাবে। যেতিয়াই এনেবোৰ ধাৰণাই মনত বাহ লয় তেতিয়াই তেওঁ পাৰিপাৰ্শ্বিক অৱস্থাৰ পৰা বিচ্ছিন্ন হ'বলৈ ধৰে।

একাকীকত্বৰ সংগী হোৱা লোকসকল সাধাৰণতে সন্দেহ প্ৰৱণ হৈ পৰে। এনে সন্দেহে ব্যক্তিগৰাকীক ক'ৰ পৰা ক'লৈ লৈ যায় তাক অনুমান কৰিব নোৱাৰি। এটা সুস্থ জীৱনৰ পৰা মানসিক ভাৰসাম্যহীন পৰ্যায়লৈ নিয়াৰ আশংকা থাকে। এনে অৱস্থাত পুৰণা বন্ধু-বান্ধৱীৰ স'তেও সম্পৰ্ক নোহোৱা হৈ পৰে। মনোবিজ্ঞানীসকলৰ মতে, কোনোবা এজন লোক অকলশৰে থাকিলেই যে একাকীকত্বৰ চিকাৰ হ'ব তেনে নহয়। বিজ্ঞানী, চিত্ৰশিল্পী, সাহিত্যিকসকলে দিনৰ অধিকাংশ সময় অকলে থাকিয়েই সৃষ্টি

কৰ্মৰ স'তে জড়িত হৈ থাকে। বহিঃজগতৰ স'তে প্ৰায়ে সম্পৰ্ক নাইকিয়া হৈ পৰে। কিন্তু তেওঁলোকে মুঠেই এনে সমস্যাত আক্ৰান্ত নহয়।

একাকীকত্ব এক মানসিক ৰোগ বুলি আগতেই উল্লেখ কৰা হৈছে। ইয়াৰ আঁৰত থাকে বহুতো কাৰণ। চিকাগো বিশ্ববিদ্যালয়ৰ মনোৰোগ বিশেষজ্ঞ জন কেছিঅ'ই এই প্ৰসংগত উল্লেখ কৰিছে যে একাকীকত্বৰ আঁৰত বংশগত প্ৰভাৱ থকাৰ উপৰি পাৰিপাৰ্শ্বিক প্ৰভৱো মন কৰিবলগীয়া। যেতিয়া একাকীকত্বত ভোগা মানুহৰ মাজত থাকিবলগীয়া হয় তেতিয়া মনত এনে ধৰণৰ সমস্যাই গা কৰি উঠিবলৈ এখন উপযুক্ত ক্ষেত্ৰ লাভ কৰে। যেতিয়া কোনো এজন লোক দীৰ্ঘদিন ধৰি মানুহৰ মাজৰ পৰা আঁতৰত থাকিবলগীয়া হয় তেতিয়া লাহে লাহে এনে সমস্যাই গা কৰি উঠে। তদুপৰি সৰুৰে পৰাই যদি শিশুটিক আন লগ-সমনীয়াৰ পৰা আঁতৰত ৰাখি কেৱল কেৰিয়াৰ গঢ়াৰ যন্ত্ৰ হিচাপে গঢ়ি তোলা হয় তেতিয়া পৰৱৰ্তী সময়ত এনে সমস্যাৰ সৃষ্টি হোৱাৰ আশংকা থাকে। অতি আপোনজনৰ স'তে বিচ্ছেদ ঘটিলেও এনে হয়। কোনো কাৰণত মানসিক অৱসাদত ভুগিলেও এনে হ'ব পাৰে।

# কোন দিশে সংস্কৃতি

সমাজ এখনৰ ছবি ফুটি উঠে সংস্কৃতিৰ মাজেদি। সমাজখনৰ প্ৰকৃত স্বৰূপ এই সংস্কৃতিৰ মাজতে বিচাৰি পোৱা যায়। ইয়াক চালিকা শক্তি বুলিও কোৱা হয়। সভ্যতা-সংস্কৃতিক অৱলম্বন কৰিয়ে সমাজখন চলি থাকে। অনাদি অনন্ত কালৰ পৰাই এই ধাৰা অব্যাহত আছে। সংস্কৃতিক কোনো এটা নিৰ্দিষ্ট পৰিসীমাৰ মাজত আৱদ্ধ কৰি ৰাখিব নোৱাৰি। সংস্কৃতিৰ বিনিময় সেইবাবে সম্ভৱ। এখন দেশ, একোটা বৃহৎ অঞ্চল, একোখন মহাদেশৰ সভ্যতা-সংস্কৃতিৰ স'তে আন এখন দেশ, মহাদেশৰ লোকে সততে পৰিচয় হ'বলৈ বিচাৰে। এটা অঞ্চলৰ সংস্কৃতিৰ স'তে আন এটা অঞ্চলৰ সংস্কৃতিৰ পাৰ্থক্য থাকিলেও তাৰ মাজত কিছু কিছু ক্ষেত্ৰত সাদৃশ্যও দেখা যায়। ইয়াৰ মূলতে হ'ল দৃষ্টিভঙ্গী। সামাজিক দৃষ্টিভঙ্গীৰ বাবেই এনে সাদৃশ্য পৰিলক্ষিত হয়। সংস্কৃতি হ'ল বোৱতী নৈ। এই নৈখনৰ গতি কোনোৱে অৱৰুদ্ধ কৰিব নোৱাৰে। অৱশ্যে এনে গতিয়ে কেতিয়াবা সোঁত সলনি নকৰাও নহয়। মূল অংশৰ পৰা ফালৰি কাটি আহিলেও ই পিছে স্বকীয়তা নেহেৰুৱায়। স্বকীয় ৰূপত প্ৰবহমান হৈ থকা সংস্কৃতি সদায় সকলোৰে চৰ্চাৰ বিষয় হয়। বহুতো অঞ্চলত আজিও

সংস্কৃতিত আধুনিকতাৰ আঁচোৰ পৰা নাই। যিদৰে চলি আহিছে, তেনেদৰেই আছে।

সময়ৰ পৰিৱৰ্তনৰ লগে লগে সংস্কৃতিৰো পৰিৱৰ্তন হয়। হোৱাতো অস্বাভাৱিক বিষয় নহয়। পোছাক-পৰিচ্ছদৰ পৰা আৰম্ভ কৰি নাটক, গীত-মাত, সাহিত্য, থলুৱা সংস্কৃতি আদি সকলোতে পৰিৱৰ্তন দেখা যায়; কিন্তু এনে পৰিৱৰ্তনে যদি সংস্কৃতিৰ মূল গাঁথনিটো সোলোক-ঢোলোক কৰে তেতিয়াহ'লে তেনে পৰিৱৰ্তন কাম্য নহয়। তদুপৰি নিজৰ সংস্কৃতিক হেয় জ্ঞান কৰি বা অৱহেলা কৰি আনৰ সংস্কৃতিক আঁকোৱালি ল'লে সেয়া দুয়োটা অঞ্চলৰ সংস্কৃতিৰ বাবে হ'ব নেতিবাচক। কাৰণ এনে ধৰণৰ মানসিকতাই সংস্কৃতিৰ উপাদানসমূহ ধ্বংস কৰাৰ আশংকা থাকে। নিজৰটো আঁকোৱালি লৈ আনৰ সংস্কৃতিৰ স'তে সহাৱস্থান কৰি আগ বাঢ়ি গ'লেহে সেয়া সকলোৰে বাবে গ্ৰহণযোগ্য হয়।

সমাজত সংস্কৃতিক আঁকোৱালি লোৱাৰ পৰিৱৰ্তে বিজতৰীয়া সংস্কৃতিক আগস্থান দিয়া লোকৰ এতিয়া অভাৱ নাই। এনে লোকে পিছে সমাজত সদায় বিশৃংখল পৰিৱেশ সৃষ্টিতহে অৰিহণা যোগায়। যিহেতু সংস্কৃতিক সমাজৰ দাপোন বুলি কোৱা হয়, সেয়েহে এই দাপোনত প্ৰতিফলিত প্ৰতিটো কাৰ্যই হ'ব লাগিব সৰ্বগ্ৰহণযোগ্য। সংস্কৃতিৰ ধ্বজ্জাবাহক সকলোৰো কোনো নিৰ্দিষ্ট পৰিসীমা নাথাকে। নাথাকে কোনো জাতি, ধৰ্ম, বৰ্ণ, ভাষা। সমাজখনক এক কৰি ৰখাত সংস্কৃতিৰ ধ্বজ্জাবাহকসকলৰ ভূমিকা গুৰুত্বপূৰ্ণ। এওঁলোকৰ লক্ষ্য সীমাৰ পৰিধি পাৰ হৈ আনটো সীমাত সুবাস বিলোৱা। উদাৰহণৰ স্বৰূপে ভাৰত-পাকিস্তানৰ সাংস্কৃতিক বিনিময়ৰ কথাকে উল্লেখ কৰিব পাৰি। দুয়োখন দেশৰ মাজত সীমান্তত অহৰ্নিশে যুদ্ধসদৃশ পৰিৱেশৰ সৃষ্টি হৈ থাকিলেও সংস্কৃতিৰ বিনিময়ো পিছে সমানেই চলি আছে। বিশেষকৈ উৎসৱ-পাৰ্বন আদিৰ সময়ত এই ধাৰা অব্যাহত আছে। বলিউডৰ ছবি প্ৰদৰ্শন হয় পাকিস্তানৰ ছবি গৃহত। তেনেদৰে পাকিস্তানী গজল গায়কে কণ্ঠদান কৰে ভাৰতীয় ছবিত। এওঁলোকৰ গীতেও কোটি কোটি ভাৰতীয়ৰ হৃদয় চুই গৈছে। গতিকে ক'ব পাৰি সংস্কৃতিৰ কোনো সীমা নাই। অৱশ্যে সংস্কৃতিক বিকৃত কৰা লোকৰ সংখ্যাও এতিয়া কম নহ'ব। সংস্কৃতিক বিজতৰীয়া

সংস্কৃতিলৈ পৰ্যবসিত কৰা লোকৰে ভৰি পৰিছে সমাজখন। তেনে লোকসকলে যে কেৱল নিজৰ সংস্কৃতিৰ ক্ষতিসাধন কৰে তেনে নহয়, আনৰ সংস্কৃতিকো কবৰস্থ কৰে। এনে লোকৰ মানসিকতা বুজি পোৱাটো কঠিন। কেতিয়া, কেনেকৈ গতি কৰে তাৰ ঠিকনা নাথাকে। কেৱল সুযোগ বিচাৰিয়ে থাকে। এনে লোকৰ লক্ষ্য সমাজত অপসংস্কৃতিৰ পয়োভৰ ঘটাই মুনাফা লাভ কৰা। যিসকলে নিজৰ সংস্কৃতিকে চিনি নাপায় বা তেনে সংস্কৃতিৰ মাজত থাকি ডাঙৰ-দীঘল হৈয়ো পৰিচয় দিবলৈ কুণ্ঠাবোধ কৰে, গতিকে এনে লোকে আনৰ সংস্কৃতিক ভৰিৰে মোহাৰিবলৈও বেছি সময় নালাগে।

আজিকালি নৱ-প্ৰজন্মৰ মাজত অপসংস্কৃতিয়ে গা কৰি উঠিবলৈ ধৰিছে। নিজৰ সভ্যতা-সংস্কৃতিৰ পৰিৱৰ্তে আনৰ সংস্কৃতি গ্ৰহণ কৰাতহে গুৰুত্ব আৰোপ কৰা দেখা যায়। ইয়াৰ বাবে দায়ী কিন্তু পিতৃ-মাতৃ। বহুতো পিতৃ-মাতৃয়ে নিজৰ সংস্কৃতিৰ বিষয়ে সন্তানক জনোৱাৰ পৰিৱৰ্তে আনৰ সংস্কৃতিৰ কথাহে বেছিকৈ কয় বা সেই বিষয়ে জ্ঞান দিয়ে। ফলত এসময়ত তেওঁলোকে নিজকে চিনি নোপোৱা হয়। এওঁলোকে দোদুল্যমান অৱস্থাত থাকি যায়।

# পিঞ্জৰাবদ্ধ গৰম বন্ধৰ আনন্দ

এতিয়া শৈশৱ আহত। শৈশৱৰ আনন্দ যেন লাহে লাহে শিশুসকলে পাহৰি যাবলৈ ধৰিছে। একো একোটা যান্ত্রিক পুতলা সদৃশ হৈ পৰিছে আজিৰ শিশু। পিতৃ-মাতৃ, অভিভাৱকৰ উচ্চাকাংক্ষাই শিশুৰ শৈশৱৰ আনন্দ ম্লান কৰিবলৈ ধৰিছে। এতিয়া শিশুৰ মনত পিতৃ-মাতৃয়ে অনাহকতে অস্বাস্থ্যকৰ প্ৰতিযোগিতাৰ ভাব সুমুৱাই দিছে। পিঠিত দাঙিব নোৱাৰা গধূৰ কিতাপৰ টোপোলা তুলি দি দামী শীত-তাপ নিয়ন্ত্রিত গাড়ীত তুলি স্কুললৈ নি গৌৰৱবোধ কৰা পিতৃ-মাতৃ তথা অভিভাৱকসকলৰ শিশুটিৰ শৈশৱৰ আনন্দৰ কথা যেন পাহৰি গৈছে। এতিয়া প্ৰায়ভাগ শিশোৱে একো একোটা মানসিক ৰোগী সদৃশ হৈ পৰিছে। সেয়েহে পাহৰি গৈছে গৰমৰ বন্ধৰ আনন্দ।

দুই দশকমান আগলৈকে গৰম বন্ধকলৈ ছাত্ৰ-হাত্ৰীসকল আছিল উৎসুক। অন্ততঃ গৰম বন্ধৰ দিন কেইটাত স্কুললৈ যাব নালাগে। লগ সমনীয়াৰ স'তে এইকেইদিন খেলা-ধূলা কৰাৰ লগতে মামাৰ ঘৰলৈ ফুৰিবলৈ যোৱাটো আছিল প্ৰত্যেকৰে লক্ষ্য। আলহীৰ ঘৰলৈ গৈ লগ-সমনীয়াৰ স'তে সময় অতিবাহিত কৰি আনন্দ উপভোগ কৰিবলৈ এমাহমান আগৰে পৰাই প্ৰস্তুতি। পথাৰত মাছ ধৰাৰ আনন্দ। পৰিয়ালৰ কোনো সদস্যৰ স'তে মাছ ধৰিবলৈ যোৱা

অথবা খেতিপথাৰত জলপান দিবলৈ ওলোৱাৰ কথা ভাবিছিল প্ৰায়ভাগ ছাত্ৰ-ছাত্ৰীয়ে । গৰম বন্ধৰ আগদিনাখন বিদ্যালয় ছুটিৰ সময়ত 'অৰ্ধ ছুটী' ঘোষণা কৰি জিৰণিতে ঘৰলৈ আহিবলৈ দিয়াৰ সময়খিনি আছিল সুকীয়া। তদুপৰি লগ সমনীয়াৰ স'তে ঘৰলৈ আহোতে চোলা-পেণ্টত চিয়াঁহী ছটিওৱা আজি শিশুৰ বাবে সাধুকথা হৈ পৰিছে। কথাবোৰ সকলোৰে সাঁথৰ সাঁথৰ লাগে। এতিয়া কোনো ছাত্ৰ-ছাত্ৰীয়ে এনেদৰে চিয়াঁহী ছটিয়াই ঘৰলৈ ওভতিবলৈ অভিভাৱকে সুযোগেই নিদিয়ে। এনেদৰে চাপ প্ৰয়োগৰ ফলত আশাহত হৈছে শিশুসকল। শিশুমনে বিচৰা সকলোবোৰ কথাৰ পৰাই তেওঁলোকক আঁতৰাই ৰখা হৈছে। আজিকালি গ্ৰীষ্মকালীন শিবিৰৰ আয়োজন কৰা হয়। শিশুসকলক বিভিন্ন ধৰণৰ কাম-কাজত ব্যস্ত ৰখা হৈছে। দিনৰ দিনটো ব্যস্ততাৰ মাজত থাকি এমাহ সময় অতিবাহিত কৰাৰ পাছত আকৌ বিদ্যালয়লৈ যাবলৈ প্ৰস্তুত হয়। গৰম বন্ধৰ সময়ছোৱাত কৰ্মশালা, গ্ৰীষ্মকালীন শিৱিৰ আয়োজনৰ দ্বাৰা শিশুসকল কিমান উপকৃত হৈছে সেয়া সকলোৰে জ্ঞাত। এই সময়খিনিত অন্ততঃ শিশুসকলক মুকলি মনেৰে খেলা-ধূলা কৰা আৰু ফুৰিবলৈ সুযোগ দিয়া উচিত। তেতিয়াহে শিশুটিৰ মানসিক বিকাশ হ'ব। শিশুসকলে মুকলি মনেৰে খেলা-ধূলা, ফুৰা চকাৰ মাজেৰে শাৰীৰিক-মানসিক বিকাশ সাধন কৰিব পাৰে। চাপৰ মাজত থাকিলে বিকাশ অসম্ভৱ।

আজিকালি শিশুসকলৰ মাজত অপৰাধ প্ৰৱণতা বৃদ্ধি পাবলৈ ধৰিছে। দৃশ্য সংবাদ মাধ্যমৰ লগতে ছপা মাধ্যমেও পৰোক্ষভাৱে এই কাৰ্যত উদ্‌গনি দিয়ে। যিকোনো ঘটনা প্ৰকাশ কৰিলে ইয়াৰ ইতিবাচক-নেতিবাচক প্ৰভাৱ পৰে। কিছুমান নেদেখুৱালগীয়া দৃশ্য বা ঘটনা বৰ্ণনা কৰাৰ ফলত শিশুটিৰ মনত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। গৰম বন্ধৰ সময়ত এটি শিশুৱে কেনেদৰে শাৰীৰিক-মানসিক বিকাশ সাধন কৰিব পাৰে সেইবোৰ বিষয় প্ৰচাৰ কৰিবলৈ বা আলোচনা কৰিবলৈ কাৰোৰেই যেন আহৰি নাই। কেৱল গ্ৰীষ্মকালীন শিৱিৰৰ আয়োজন কৰি ফটো প্ৰকাশ কৰিলে শিশুৰ প্ৰকৃত বিকাশ নঘটে। গৰমৰ বন্ধক গৰম বন্ধ হিচাপেই উপভোগ কৰিবলৈ দিয়ক। পিতৃ-মাতৃয়ে শিশুৰ কথাতো গুৰুত্ব দিয়ক। ক

# পাকিস্তানতকৈ দুগুণ শক্তি আছে ভাৰতৰ

পাকিস্তানে ভাৰতলৈ টোঁৱাই সাজু কৰি ৰাখিছে শতাধিক ক্ষেপণাস্ত্ৰ। ভাৰতৰ সামৰিক আক্ৰমণ প্ৰতিহত কৰিবলৈ পাকিস্তানৰ এই ৰণচালিৰ বিষয়ে মাৰ্কিন কংগ্ৰেছৰ প্ৰতিবেদনত প্ৰকাশ পোৱাৰ পাছতে বিষয়টোক লৈ ভাৰতত চৰ্চা হৈছে। ইতিমধ্যে ভাৰতৰ চিৰবৈৰী ৰাষ্ট্ৰখনে ১১০-১৩০ টা পাৰমাণৱিক বিস্ফোৰক শীৰ্ষক ৱাৰহেডসহ ক্ষেপণাস্ত্ৰ সাজু কৰিছে। পাকিস্তানৰ পূৰ্ণ পৰ্যায়ৰ প্ৰতিৰোধমূলক তৎপৰতাই দেশখনৰ সামৰিক নীতিৰ দুমুখীয়া স্থিতি আকৌ এবাৰ প্ৰমাণ কৰিলে। সন্ত্ৰাসবাদীৰ ঘাটিৰূপে খ্যাত পাকিস্তানত কেইবাটাও সন্ত্ৰাসবাদী আৰু জেহাদী সংগঠনে শিবিৰ স্থাপনৰ বিষয়ে স্পষ্ট তথ্য ভাৰতে যোগান ধৰাৰ পাছতো পাকিস্তানে এই ক্ষেত্ৰত নেতিবাচক স্থিতিহে গ্ৰহণ কৰি আহিছে। পাকিস্তান চৰকাৰে ভাৰতৰ অভিযোগ খন্দন কৰিলেও দেশখনৰ দুমুখীয়া স্থিতিৰ বিষয়ে বিশ্ববাসীয়ে জানিবলৈ আৰু বাকী নাই। এফালে শান্তি স্থাপনৰ বাবে প্ৰস্তাৱ আগ বঢ়ায়, আনফালে ভাৰতলৈ টোৱাই সাজু কৰিছে ক্ষেপণাস্ত্ৰ। মাৰ্কিন কংগ্ৰেছৰৰ প্ৰতিবেদন প্ৰকাশ পোৱাৰ পাছতো কিন্তু পাকিস্তানে ইয়াৰ প্ৰতিক্ৰিয়া প্ৰকাশ নকৰাটোৱে ৰহস্যৰ সৃষ্টি কৰিছে।

পাকিস্তানে যিমানেই ভাৰতলৈ ক্ষেপণাস্ত্ৰ টোঁৱাই নাথাকক কিয়, এতিয়াও ভাৰতৰ স'তে ফেৰ মাৰিব পৰাকৈ অস্ত্ৰ মজুত নাই। ভাৰতৰ তুলনাত পাকিস্তানৰ পাৰমাণৱিক অস্ত্ৰ বহুত কম। জল-স্থল, আকাশ মাৰ্গৰে আক্ৰমণ কৰিব পৰা সম্পূৰ্ণ শক্তি পাকিস্তানৰ থকা বুলি পাক চৰকাৰে দাবী কৰি আহিলেও পৰিসংখ্যাই ইয়াৰ বিপৰীত ছবি এখনহে প্ৰতিফলিত কৰে। ১৯৪৭, ১৯৬৬ আৰু ১৯৭১ চনত পাকিস্তানে ভাৰতক আক্ৰমণ কৰিলেও আটাইকেইখন যুদ্ধতেই পাকিস্তান পৰাজিত হৈছিল। তাৰ পাছতে পাকিস্তানে পাৰমাণৱিক অস্ত্ৰ ক্ৰয়ৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰিবলৈ ধৰিলে। এই দেশখনৰ একমাত্ৰ লক্ষ্য ভাৰত।

ভাৰতৰ হাতত আছে ক্ষেপণাস্ত্ৰ প্ৰতিৰোধী নাগ, মিলন, ৯-এম ১১৩ কনকাৰ্হ ৩ ইউবিৰ ইনভাৰ আৰু চিত্ৰলজি এম ক্ষেপণাস্ত্ৰ। দেশখনত আছে এছল্ট ৰাইফল বি১ ইনছাছ, আই এম আই তেভৰট্টাৰ- ২১, এম ১৬ ৰাইফল, টি ৯১ এছল্ট ৰাইফল, একে ১০৩ আৰু একে এম। ৰকেট লাঞ্চাৰ আৰ পিঅ'-এ চেল, পিনাকা এম বি আৰ এল নামৰ মাল্টিপল ৰকেট লাঞ্চাৰো ভাৰতৰ হাতত মজুত আছে। মাইন প্ৰতিৰোধী গাড়ী হ'ল--- আদিত্য। টেংক সমূহ হ'ল--- অৰ্জুন এম বি টি, টি-৯০ ভীষ্ম, টি-৭২ অজেয়, বিয়মপি-২ শৰৎ আদি। তদুপৰি নামিকা, হাউৎজাৰ-১৫৫ এম এম নামৰ এণ্টি টেংক মিছাইল লাঞ্চাৰ। বেলিষ্টিক ক্ষেপণাস্ত্ৰসমূহৰ ভিতৰত অন্যতম হ'ল— ব্ৰহ্মছ, নিৰ্ভয়, ত্ৰিশুল, প্ৰহাৰ, পৃথ্বি-১, পৃথ্বি-২, পৃথ্বি-৩, অগ্নি-১, অগ্নি-২, অগ্নি-৩ অগ্নি-৪, অগ্নি-৫, আৰু অগ্নি-৬, শৌৰ্য ইত্যাদি। দেশখনৰ সামৰিক বাহিনীৰ হাতত মজুত আছে 'আকাশ' নামৰ মাটিৰ পৰা আকাশলৈ নিক্ষেপ কৰিব পৰা ক্ষেপণাস্ত্ৰ। যুদ্ধৰ সময়ত ব্যৱহাৰ কৰিব পৰা যি কেইখন হেলিকপ্টাৰ মজুত আছে সেইকেইখন হ'ল--- ৰুদ্ৰ, লাইট কমবেট হেলিকপ্টাৰ, ধ্ৰুৱ, চিতা, লাঞ্চাৰ, চেতক আৰু চেতনা দ্ৰোণবিধ হ'ল-- 'প্ৰশান্ত'। এইবোৰৰ উপৰি ভাৰতৰ হাতত মজুত আছে— ১৭৮৫ খন এয়াৰ ক্ৰাফট, ১৮৪ খন যুদ্ধ নৌ-জাহাজ, ২ খন এয়াৰ ক্ৰাফট কেৰিয়াৰ, ১৭ খন চাবমেৰিণ, ১৫ টা ফ্ৰিগেট, ১১ টা ডেষ্ট্ৰয়াৰ, ২৪ খন কৰভেট, ৬৪৪৫ টা বহনযোগ্য কামান, বহুলাখ মেচিনগান, ৭ খন ৱাৰফেয়াৰ ক্ৰাফট, ৩২খন পেট্ৰ'ল ক্ৰাফট। অতি সম্প্ৰতি

ভাৰতত সক্ৰিয় সেনাৰ সংখ্যা হ'ল— ১৩ লাখ ২৫ হেজাৰ। তদুপৰি দেশখনৰ অতিৰিক্ত সেনাৰ সংখ্যা হ'ল-- ২১ লাখ ৪৩ হেজাৰ। ভাৰতৰ এই বিশাল অস্ত্ৰৰ বিপৰীতে পাকিস্তানৰ সংখ্যা নগণ্য। পাকিস্তানৰ এছল্ট ৰাইফল এম ১৬, এম ৪, এ ১, হেকলাৰ এণ্ড কক জিত, এক ৫৬ একে ৮১। মেচিনগান হ'ল--- অৰ্পিড লাইট, এম ই, এমজি ৩, এফ এম এম জি। তদুপৰি গ্ৰেনেড লান্সাৰ হ'ল— এম কে ১৯, মাইফৰ এমজি এল, আৰ পি জি ২৯ৰ উপৰি টেংক আছে টেংক আল খাদিল, আল খাদিল ২ আৰু আল জাৰাৰ মজুত আছে। মাল্টিপল ৰকেট লান্সাৰৰ ভিতৰত পাকিস্তানৰ হাতত আছে কে আৰ এল ১২২, আজাহাৰ। ড্ৰোণ হ'ল-- বুৰাক, ইউকাৰ, শাহপাৰ। এণ্টি টেংক মিছাইল হ'ল-- বখতাৰ। তদুপৰি পাকিস্তানৰ হাতত মজুত আছে ৮৪৭ খন এয়াৰ ক্ৰাফট, ২৬৩ খন হেলিকপ্টাৰ ৩১২৪ টা টেংক, ৩২৬৩ টা বহনযোগ্য কামান, ৭৪ খন ক্ৰেফট আৰু ১২ খন পেট্ৰ'ল ক্ৰাফট। পাকিস্তানৰ বৰ্তমানলৈকে এয়াৰ ক্ৰাফট কেৰিয়াৰ ডেষ্ট্ৰয়াৰ আৰু কৰভেট নাই। দেশখনৰ সক্ৰিয় সেনা ৬ লাখ ১৭ হেজাৰ। অতিৰিক্ত সেনা হ'ল--- ৫ লাখ ১৫ হেজাৰ। গতিকে এই পৰিসংখ্যাৰ পৰাই সহজে অনুমান কৰিব পাৰি সামৰিক ক্ষেত্ৰত ভাৰততকৈ পাকিস্তান কিমান দুৰ্বল। আন্তৰ্জাতিক সমীক্ষক তথা বিশেষজ্ঞ একাংশৰ মতে পাকিস্তানে ইমানবোৰ অস্ত্ৰ থকা বুলি দাবী কৰিলেও সিমানবোৰ মজুত আছেনে নাই সেয়া সন্দেহৰ আৱৰ্তত। পাকিস্তানৰ বন্ধু দেশ চীনৰ পৰা বিভিন্ন সময়ত ভাৰতে ভাবুকি লাভ কৰিলেও দুয়োখন দেশৰ বিৰুদ্ধে যুঁজ দিব পৰা শক্তি এতিয়া ভাৰতৰ হাততেই মজুত আছে। তথাপি শান্তিপ্ৰিয় ভাৰতে এই অস্ত্ৰসমূহৰ ব্যৱহাৰৰ ক্ষেত্ৰত সদায় সতৰ্ক হৈ আহিছে। অনাহকত যুদ্ধৰ বাবে আগ্ৰহী নহয় ভাৰত। ভাৰতৰ ধৈৰ্য আৰু সহনশীল ক্ষমতা বিশ্ববাসীৰ সন্মুখত প্ৰদৰ্শন কৰিয়েই সদায় যুদ্ধৰ বিৰোধিতা কৰিছে।

# জংকি-পানৈৰ নামত প্ৰেমৰ দিন পালন কৰিব নোৱাৰোনে

১৪ ফেব্ৰুৱাৰী মানেই প্ৰেমৰ দিন। এই দিনটো সমগ্ৰ বিশ্বতেই পালন কৰা হয় ছেইণ্ট ভেলেণ্টাইনক স্মৰণ কৰিবলৈ। প্ৰেমৰ পূজাৰী ভেলেণ্টাইনে জীৱনৰ সকলো বাদ দিও প্ৰেমক এৰিব পৰা নাছিল। কাৰণ তেওঁৰ বাবে আছিল প্ৰেম স্বৰ্গীয় বিষয়। কিছু বছৰ আগলৈকে এই দিনটো অসমত সিমান জনাজাত নাছিল; কিন্তু ইণ্টাৰনেটে বিশ্বখনক এখন গাঁৱলৈ পৰ্যৱসিত কৰাৰ পাছত ভেলেণ্টাইন ডে'ৰ প্ৰসাৰ আৰু প্ৰচাৰ অধিক হৈ পৰিল। যদিও নৱ প্ৰজন্মই ভেলেণ্টাইন ডে' পালনৰ নামত পাগল হৈ পৰে তথাপি অধিকাংশই নাজানে এই দিনটোৰ অৰ্থ। এই দিনটোৰ পৱিত্ৰতা ৰক্ষা কৰিব নজনা নৱ প্ৰজন্মৰ বাবে যেন ভেলেণ্টাইন ডে' হ'ল প্ৰেমিক-প্ৰেমিকাই পৰস্পৰে লগ ধৰি এঠাইত বহি দিনটো উপভোগ কৰা, দামী দামী উপহাৰ আদান-প্ৰদান কৰা, জীৱনটোৰ চৰম মুহূৰ্ত উপভোগ কৰা ইত্যাদি। পৃথিৱীত কোনো সংস্কৃতিয়েই বেয়া নহয় যদিহে ইয়াৰ সঠিক ব্যৱহাৰ কৰে; কিন্তু কোনো এটা দিৱস বা উৎসৱৰ বিষয়ে একো নজনাকৈ পালন কৰিব গ'লেই লাগে বিপদ। ভেলেণ্টাইন ডে' পালনৰ ক্ষেত্ৰতো অতি সম্প্ৰতি এনে ধৰণৰ ছবি এখনেই দেখিবলৈ পোৱা যায়। বিগত কেইবছৰমানৰ পৰা সংস্কৃতিৰ নামত অপসংস্কৃতিৰ

বীজ সিঁচিবলৈ চেষ্টা কৰা প্ৰেমিক-প্ৰেমিকাসকলৰ বিৰুদ্ধে সৰৱ হৈ উঠিছে বিভিন্ন দল-সংগঠন। এই দল সংগঠনসমূহে কেৱল অসমতেই নহয়, সমগ্ৰ ভাৰততে অপসংস্কৃতি প্ৰতিৰোধ কৰিবলৈ চেষ্টা অব্যাহত ৰাখিছে। ইয়াকে কেন্দ্ৰ কৰি বিভিন্ন ঠাইত বিক্ষিপ্ত ঘটনাও সংঘটিত হৈছে। এই দল-সংগঠনসমূহৰ মতে আমি আনৰ সংস্কৃতিক আঁকোৰালি ল'বলৈ গৈ নিজৰ সংস্কৃতিক পাহৰি যাওঁ কিয়? ভেলেণ্টাইনতকৈও ভাৰতত দুৰ্দান্ত প্ৰেমিক-প্ৰেমিকাৰ জীৱনগাথা পঢ়িবলৈ পাওঁ। প্ৰেমক স্বৰ্গীয় ৰূপ দিবলৈ এই প্ৰেমিক-প্ৰেমিকাসকলে জীৱন উৎসৰ্গা কৰিছিল। ছেলিম-আনাৰকলি, জংকি-পানৈৰ কাহিনী কোনো গুণেই ছেইণ্ট ভেলেণ্টাইনতকৈ কম নহয়; কিন্তু আজিৰ প্ৰজন্মক যদি এইসকল ভাৰতীয় প্ৰেমৰ পূজাৰীৰ কথা সোধা হয় তেতিয়াহ'লে তেওঁলোকে অজ্ঞতা প্ৰকাশ কৰে। ছেলিম-আনাৰকলি, জংকি-পানৈৰ প্ৰেম কাহিনী শুনিলে ইয়াৰ স্বৰ্গীয় ৰূপৰ ছবিখন প্ৰতিফলিত হয়। যেতিয়াৰে পৰাই তেওঁলোকৰ মনত প্ৰেমৰ কলি প্ৰস্ফুটিত হৈছিল তেতিয়াৰে পৰাই মৃত্যুৰ আগমুহূৰ্তলৈ ইয়াক স্বৰ্গীয় বিষয়ৰূপেই ৰাখিছিল। ইজনে সিজনক জনমে জনমে লগ পোৱাৰ সংকল্পৰে একেলগে মৃত্যুবৰণো কৰিছিল। এওঁলোকক হত্যা কৰা হৈছিল কেৱল প্ৰেমৰ বাবে।

ইতিহাসে ঢুকি নোপোৱা দিনৰে পৰাই প্ৰেমক কেন্দ্ৰ কৰি ৰচিত হৈছে বহুতো কাহিনী। প্ৰতিখন দেশতেই আছে ভেলেণ্টাইনৰ প্ৰেমৰ দৰে অলেখ কাহিনী। কিছুমান কাহিনী আজিও অপ্ৰকাশিত ৰূপতেই আছে। আনহাতে, যিবোৰ প্ৰকাশ পাইছে সেইবোৰৰ প্ৰচাৰো সীমিত। আমাৰ জংকি-পানৈৰ প্ৰেমক যদি বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰিব পাৰিলোহেঁতেন, তেনেহ'লে হয়তো বিশ্ববাসীয়ে ইয়াৰো এটি দিন পালন কৰিলেহেঁতেন। ভেলেণ্টাইন ডে' পালন কৰাত আমাৰ কাৰো দ্বিমত নাই; কিন্তু আমি আমাৰ সংস্কৃতিক আওকাণ কৰি পালন কৰাটো মানি ল'ব নোৱাৰো। আমাৰ দেশতো পালিত হওক ছেলিম-আনাৰকলিৰ প্ৰেমৰ দিন। জংকি-পানৈৰ প্ৰেমকো আমি সকলোৰে অমৰৰূপ দিবলৈ ভেলেণ্টাইন ডে'ৰ দৰে এটা বিশেষ দিন পালন কৰিব নোৱাৰো কিয়? নিজৰ অমূল্য সম্পদ, কাহিনীক ভৰিৰে মোহাৰি আনৰ সংস্কৃতিক আঁকোৰালি লোৱাৰ নিশ্চয় কোনো যুক্তি থাকিব নোৱাৰে।

# অশ্লীল শব্দৰ প্ৰয়োগ আৰু পৰিৱৰ্তনৰ ঢৌ

শব্দ প্ৰয়োগৰ ক্ষেত্ৰত সকলোৰে সতৰ্কতা অৱলম্বন কৰা উচিত। কাৰণ শব্দৰ ব্যৱহাৰ উপযুক্ত নহ'লে কেতিয়াবা যিকোনো সময়তে বিপদ ঘটিব পাৰে। ভাষা প্ৰয়োগৰ বেলিকা যদি মুখত লেকাম নাইকিয়া হয় তেতিয়াহ'লে ইয়াৰ অৰ্থও বিপৰীতধৰ্মী হোৱাৰ আশংকা থাকে। ভাষা ব্যৱহাৰৰ বাবেই মানুহক অন্য জীৱৰ পৰা পৃথক দৃষ্টিভংগীৰে চোৱা হৈছে। ইয়াৰ ব্যৱহাৰে মানুহক 'জীৱশ্ৰেষ্ঠ' হোৱাৰ সুযোগ দিছে। মানুহে ভাব বিনিময়ৰ বাবে শব্দৰ প্ৰয়োগ কৰে। সেইবাবে শব্দ প্ৰয়োগ কৰোতে সাৱধান হ'বই লাগিব। কেতিয়াবা শব্দৰ প্ৰয়োগ উপযুক্ত নোহোৱা বাবে আনৰ মনত আঘাত হানে। প্ৰত্যেক প্ৰাণীয়ে বিভিন্ন শব্দৰ মাধ্যমেৰে নিজৰ মনৰ ভাব বিনিময় কৰে। পোহনীয়া জীৱ-জন্তুৰ শব্দ আমি বুজি নাপাওঁ বাবেই সেইবোৰত গুৰুত্ব নিদিওঁ। সাধাৰণতে যিবোৰ শব্দ বুজি পোৱা যায় সেইবোৰৰ ব্যৱহাৰ উপযুক্ত হোৱা উচিত।

কথোপকথনৰো থাকে সৌন্দৰ্য। সকলো মানুহেই কথা কয়; কিন্তু কিছুমানৰহে কথা শুনি ভাল লাগে। কেতিয়াবা কিছুমান মানুহৰ কথা শুনাৰ পাছত ঘণ্টাৰ পাছত ঘণ্টা কৈ থাকিলেও শুনি থাকিবলৈ মন যায়। ইয়াৰ বিপৰীতে কিছুমানে মুখখন মেলিলেই সেই স্থান ত্যাগ কৰিবলৈ চেষ্টা কৰে। যিসকল ব্যক্তিৰ কথাৰ চাতুৰ্য আছে তেওঁলোক সমাজত বেছ জনপ্ৰিয় ব্যক্তি হিচাপে পৰিচিত হৈ পৰে। এগৰাকী ব্যক্তিৰ আচাৰ-ব্যৱহাৰৰ অন্যতম পৰিচয় হ'ল ভাষা। কথা-বতৰা, ভাৱ-ভংগিমা, মনৰ ইচ্ছা আদি প্ৰকাশিত হয় ভাষাৰ মাধ্যমেদি। এই ভাষা সুললিত নে ৰূঢ় হ'ব সেয়া নিৰ্ভৰ কৰে শব্দ প্ৰয়োগৰ ওপৰত। কথাৰে যিদৰে মৰম ভাব জগাই তুলিব পাৰি তেনেদৰে অপমানো কৰিব পাৰে। শব্দৰ, যিদৰে প্ৰয়োগ আছে তেনেদৰে অপপ্ৰয়োগো হয়। কিছুমানে এই অপপ্ৰয়োগ জানি-বুজি কৰে আৰু আন কিছুমানে নাজানিও কৰা দেখা যায়। দুয়োটা ক্ষেত্ৰতেই ফলাফল কিন্তু একেই। অশ্লীল শব্দ, গালি-গালাজ আদি কেতিয়াবা বন্ধু-বান্ধৱীৰ স'তে 'শ্বেয়াৰ' কৰে। তেতিয়া ই উপভোগৰ বিষয় হৈ পৰে; কিন্তু সেইখিনিকে যদি সমাজৰ আন লোকৰ সন্মুখত প্ৰয়োগ কৰা হয় তেতিয়াহ'লে ই হৈ পৰে সমস্যাৰ উৎস। অশ্লীল শব্দই আধুনিক লোকসকলৰ মাজত থকা মনোভাব প্ৰকাশ কৰে।

ভাষাৰ আধুনিকীকৰণ হৈছে। অৰ্থাৎ আগতে যিবোৰ শব্দ ব্যৱহাৰ হোৱা নাছিল অতিসম্প্ৰতি ব্যাপকভাৱে ব্যৱহাৰ হৈছে। নিষিদ্ধ শব্দবোৰেই যেন এতিয়া বাক্য এটা প্ৰকাশ কৰোতে বেছিকৈ প্ৰয়োগ কৰা হয়। ই কেৱল যে এটা অঞ্চলৰ সমস্যা তেনে নহয়, প্ৰায়ভাগ দেশতেই এই ছবিখন ফুটি উঠিছে। অশ্লীল শব্দ ব্যৱহাৰৰ আঁৰত ব্যক্তিগৰাকীৰ মানসিকতা, প্ৰকৃতি, শিক্ষণ, কৃষ্টি-সভ্যতাৰ প্ৰভাৱ থাকে। এইখিনিতে এটা কথা স্পষ্ট কৰি দিয়াটো ভাল হ'ব যে সমাজৰ পৰিৱৰ্তনৰ সমান্তৰালভাৱে কথিত বা লিখিত ভাষাৰো কিছু সাল-সলনি হৈছে। দৈনন্দিন জীৱনত প্ৰয়োগ কৰা এই অশ্লীল শব্দবোৰে এতিয়া অভিধানত স্থান লাভ কৰিছে। অভিধানত থকা শব্দ কেতিয়াও ব্যৱহাৰৰ অনুপযোগী নহয়। কাৰণ অভিধান হ'ল একো একোতা জাতিৰ অংগ আৰু ভাষা প্ৰয়োগৰ অন্যতম উৎস। ভাষাৰ আধুনিকীকৰণে সমাজৰ কিমান উপকাৰ সাধন কৰিছে সেয়াও এক বিচাৰ্য বিষয়। আজিকালি অশ্লীল

শব্দ প্ৰয়োগ হৈ পৰে সাহসী মনৰ পৰিচায়ক। নৱ প্ৰজন্মৰ মাজত এনে শব্দ ব্যৱহাৰৰ প্ৰৱণতা বৃদ্ধি পাইছে। আজিকালি কোনো সংকোচবোধেই নকৰে। জ্যেষ্ঠজনৰ সন্মুখতো যিকোনো শব্দৰ প্ৰয়োগ কৰিবলৈ লজ্জাবোধ নকৰে। বহুতে আনৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ অথবা নিজৰ অস্তিত্ব জাহিৰ কৰিবলৈকে এনেবোৰ শব্দৰ প্ৰয়োগ কৰে। কিছুমান লোকে আকৌ এনেবোৰ শব্দ প্ৰয়োগ কৰি আনৰ মনত কষ্ট দি অথবা নিজে ইয়াৰ জৰিয়তে আনন্দ লাভ কৰা দেখা যায়। আনক মনোকষ্ট দিয়া বা আনন্দ উপভোগ কৰাতো বহুতৰে অভ্যাসলৈ পৰ্যৱসিত হয়। এনেধৰণৰ শব্দ প্ৰয়োগ কৰাৰ পাছত কিছুমানে অনুশোচনাত দগ্ধ হয় যদিও ইয়াৰ ব্যৱহাৰ পিছে পৰৱৰ্তী সময়তো কৰা দেখা যায়। মনত ৰখা উচিত কথাৰে মন মুহিব পৰাতো এক প্ৰকাৰ তপস্যা সদৃশ বিষয়।

# আমি কিমান স্বাস্থ্য সচেতন

আমি স্বাস্থ্য সচেতননে? —এই প্ৰশ্নটো মনত উদয় হ'লেই আনুষংগিক বহুত প্ৰশ্নই ভুমুকি মাৰে। মনত বিভিন্ন প্ৰশ্ন উদয় হোৱা স্বাভাৱিক কথা। সমাজৰ কেইজন লোকে দিনটোৰ ভিতৰত আধা ঘণ্টা সময় নিজৰ শৰীৰটোৰ কথা ভাবে। নিশ্চয় এই তালিকাত ৯০ শতাংশ লোকেই অন্তৰ্ভুক্ত হ'ব। যদি আমি সকলোৰে স্বাস্থ্য সচেতন তেতিয়াহ'লে চিকিৎসকৰ ওচৰলৈ যোৱা লোকৰ সংখ্যা বৃদ্ধি পাইছে কিয়? এইখিনিতে উল্লেখ কৰিব খুজিছো যে স্বাস্থ্য সচেতন মানেই যে কেৱল ভালদৰে খাদ্য গ্ৰহণ কৰাটোকে সূচায় তেনে নহয়। শৰীৰটোক কেৱল খাদ্যৰ যোগান দিলেই স্বাস্থ্য সচেতনতা সূচায় বুলি ভবা লোকৰ সংখ্যাও কম নহ'ব; কিন্তু আমাৰ শৰীৰটোক কেৱল খাদ্যৰ যোগান ধৰিলেই সুস্থ হৈ থাকে নে? নিশ্চয় নাথাকে। কাৰণ এটি শৰীৰ সুস্থ হৈ থাকিবলৈ শাৰীৰিক-মানসিক অৱস্থাৰ মাজত ভাৰসাম্য ৰক্ষা হ'বই লাগিব। শৰীৰ-মন দুয়োটা সুস্থ হৈ থাকিলেহে সুস্থ বুলি কোৱা হয়। সচেতন হ'লে এগৰাকী ব্যক্তি সুস্থ হৈ থকাত বিশেষ সমস্যাৰ সৃষ্টি নহয়।

আমি কেতিয়াবা ভাবি চাওঁনে— দিনটোৰ ভিতৰত কি কি খাদ্য খোৱা উচিত? দিনটোত প্ৰয়োজনতকৈ কিমান অতিৰিক্ত খাদ্য গ্ৰহণ কৰিছো? আমাৰ শৰীৰটোক সদায় এক নিৰ্দিষ্ট পৰিমাণৰহে খাদ্যৰ প্ৰয়োজন। এই পৰিমাণতকৈ বেছি অথবা কম হ'লেই শৰীৰটোৰ বিসংগতি আৰম্ভ হয়। এইখিনিতে উল্লেখ কৰিব লাগিব যে এই পৃথিৱীত যিমান মানুহ আনহাৰে থাকি মৃত্যুমুখত পৰিছে

তাতকৈ বেছিৰ মৃত্যু হৈছে অতিৰিক্ত খাদ্য গ্ৰহণৰ ফলত। অতিৰিক্ত খাদ্য গ্ৰহণৰ ফলত শৰীৰত বিভিন্ন ধৰণৰ উপাদান জমা হ'বলৈ ধৰে। বিশেষকৈ চৰ্বি, কোলেষ্টেৰল আদি জমা হয়। এইবোৰ শৰীৰত অতিৰিক্ত পৰিমাণে জমা হোৱা মানেই বিপদ। যিমানেই চৰ্বি জমা হয় যিমানেই মেদবহুল হয়। মেদবহুলতাৰ সৃষ্টি হ'লে যদিহে শৰীৰৰ অতিৰিক্ত চৰ্বিখিনি হ্ৰাস কৰা নহয় তেতিয়াহ'লে হৃদৰোগ, ডায়েবেটিছ, হাৰ্ট এটেক আদি হোৱাৰ আশংকা বৃদ্ধি পায়। ভাৰতত বিগত দুটা দশকত মেদবহুল শিশুৰ সংখ্যা অস্বাভাৱিকভাৱে বৃদ্ধি পাইছে। সেয়েহে কম বয়সতে ডায়েবেটিছ, হৃদৰোগত আক্ৰান্ত হৈছে। আগতে যিবোৰ বেমাৰ বয়স্ক লোকৰ হোৱা দেখা গৈছিল অতিসম্প্ৰতি সেইবোৰ কণ কণ ল'ৰা-ছোৱালীৰো হ'বলৈ ধৰিছে। ফলত এটি ৰুগীয়া শৰীৰ লৈয়েই জীৱন-যাপন কৰিবলগীয়া হৈছে। উদাহৰণ স্বৰূপে ডায়েবেটিছৰ কথাকে উল্লেখ কৰিব পাৰি। যদি কোনো এজন লোকৰ ডায়েবেটিছ ৪০ বছৰত আৰম্ভ হয়, তেতিয়াহ'লে তেওঁৰ চকু, হৃদৰোগৰ সমস্যা ৫৫-৬০ বছৰ মানৰ পৰা আৰম্ভ হ'ব; কিন্তু যদি ১০ বছৰতেই এটি শিশু ডায়েবেটিছত আক্ৰান্ত হয় তেনেহ'লে তেওঁৰ ২০-২৫ বছৰমানতেই এনে সমস্যাই গা কৰি উঠিব। গতিকে কম বয়সতে আক্ৰান্ত হোৱাৰ পৰিণতি কিমান ভয়াৱহ হ'ব পাৰে সেয়া সহজেই অনুমেয়। যদি সৰুৰে পৰাই পৰিয়ালৰ লোকসকল সচেতন হয় আৰু সন্তানকো সতৰ্ক হ'বলৈ পৰামৰ্শ আগ বঢ়ায়, তেনেহ'লে নিশ্চয় এনে ৰোগ প্ৰতিৰোধ হ'ব। দামী খাদ্য খোৱা মানেই স্বাস্থ্য সচেতন ব্যক্তি বুলি ক'ব নোৱাৰি।

নিয়মীয়াকৈ শৰীৰ চৰ্চা কৰাৰো অভ্যাস গঢ়ি তুলিব লাগে। কাৰণ আজিকালি কৰ্ম ব্যৱস্থাৰ বাবে প্ৰায়ভাগ লোকৰে কায়িক শ্ৰম নোহোৱা হৈছে। কাম-বন নকৰি খাই-বৈ থকাটোৱে জীৱন নহয়। এনেদৰে জীৱন নিৰ্বাহ কৰা মানেই শৰীৰটো হৈ পৰে ৰোগৰ ভাণ্ডাৰ। বিভিন্ন ৰোগে গা কৰি উঠিবলৈ এখন উপযুক্ত ক্ষেত্ৰ লাভ কৰে। কায়িক শ্ৰম কৰিলে মানুহৰ সামাজিক মৰ্যাদা হ্ৰাস পায় বুলি ভবাটো অমূলক। পৰিশ্ৰম কৰিলেহে সুস্থ হৈ থাকিব পাৰি। কায়িক শ্ৰম কৰিলে শৰীৰত অতিৰিক্ত উপাদান যেনে চৰ্বি, কোলেষ্টেৰল আদি জমা হ'বলৈ সুযোগ নাপায়। গতিকে সকলোৱে কায়িক শ্ৰম কৰাৰ ওপৰত গুৰুত্ব প্ৰদান কৰা উচিত।

# অভিশাপ নহয় বাৰ্ধক্য

আমাৰ সমাজত বাৰ্ধক্যক অভিশাপ হিচাপে গণ্য কৰা হয়। জীৱনলৈ বাৰ্ধক্যৰ আগমন মানে জীৱনটো শেষ হৈ যোৱা বুলি ভাবে। ভাৰতীয় সমাজব্যৱস্থাই এনে ধাৰণাৰ সৃষ্টি কৰিছে। বাৰ্ধক্যৰ চিকাৰ হোৱা লোকসকলক সমাজত স্থান দিয়া নহয়। আনহে নালাগে পৰিয়ালৰ সদস্যসকলেও এনে মানসিকতা গ্ৰহণ কৰে। ল'ৰা-ছোৱালী, বোৱাৰীৰ বাবে বৃদ্ধ পিতৃ-মাতৃ হৈ পৰে বোজা সদৃশ। কিছুমানে বৃদ্ধ লোকক সমাজৰ আৱৰ্জনা বুলিও কোৱা শুনিবলৈ পোৱা যায়; কিন্তু বৃদ্ধ লোকসকল জানো সঁচাকৈয়ে বোজা? এই প্ৰশ্নটোৰ উত্তৰ বিভিন্নজনে ভিন্নভাৱে দিয়াটো স্বাভাৱিক।

বাৰ্ধক্য অভিশাপ নে সেয়া সামাজিক দৃষ্টিভংগীৰ ওপৰতো ভালেখিনি নিৰ্ভৰ কৰে। এই প্ৰসংগত আমি প্ৰাচ্য-পাশ্চাত্যৰ মাজত থকা পাৰ্থক্যৰ বিষয়ে উল্লেখ কৰিবই লাগিব। পাশ্চাত্যৰ দেশসমূহত যিবোৰ বৃদ্ধ আলয় আছে সেইবোৰেই দেশসমূহৰ বৃদ্ধ লোকৰ প্ৰতি থকা দৃষ্টিভংগী দাঙি ধৰে। সাধাৰণতে ইউৰোপৰ দেশসমূহত ৬০ বছৰৰ পাছৰ লোকসকলক এক সুকীয়া দৃষ্টিভংগীৰে চোৱা হয়। এই দেশসমূহত সদায় কৰ্মক্ষম লোকসকলকহে প্ৰাধান্য দিয়ে। যিসকল লোক কাম কৰিবলৈ অক্ষম বা দুৰ্বল হয় তেওঁলোকৰ পৰা দেশে বিশেষ সেৱা লাভ কৰিব নোৱাৰে। সেইবাবে বৃদ্ধ আলয়সমূহত এনে লোকক ৰখাৰ ওপৰত চৰকাৰে গুৰুত্ব প্ৰদান কৰে। এই দেশসমূহত ব্যক্তিগত আয়তকৈ দেশৰ লাভ-লোকচানৰ ওপৰত গুৰুত্ব প্ৰদান কৰে। ইয়াৰ বিপৰীতধৰ্মী ছবি এখন ভাৰতত ফুটি উঠে। ভাৰতত ঘৰৰ মুৰব্বীজনক সদায় এক বিশেষ স্থানত

বহুওৱা হয়। যৌথ পৰিয়ালৰ যিজন জ্যেষ্ঠ লোক থাকে তেওঁকেই পৰিয়ালটোৰ মুৰব্বী বুলি আখ্যা দিয়া হয়। তেওঁ যি পৰামৰ্শ দিয়ে অথবা কোনো সমস্যাৰ সৃষ্টি হ'লে গ্ৰহণ কৰা সিদ্ধান্তই চূড়ান্ত বুলি বিবেচনা কৰা হয়। তেওঁৰ নিৰ্দেশ সাধাৰণতে কোনোৱে অমান্য কৰিবলৈ সাহস নকৰে। তেওঁৰ বয়সৰ ওপৰত গুৰুত্ব দিয়া নাযায়। ভাৰতীয় সংস্কৃতিয়ে আমাক যি শিক্ষা দিছে সেই শিক্ষাই বৃদ্ধালয় স্থাপনত বাধা দিয়ে। সুৰুচিবোধ সম্পন্ন, সুস্থ চিন্তাশীল ব্যক্তিয়ে পিতৃ মাতৃ, ককা-আইতাক একাষৰীয়া কৈ নাৰাখে। পৰিয়ালৰ আন দহজনৰ দৰে তেওঁকো সদায় সুখ-আনন্দৰ মাজতে ৰাখিবলৈ চেষ্টা কৰে।

অতি সম্প্ৰতি বিশেষকৈ যৌথ পৰিয়াল ভাঙি একক পৰিয়ালে স্থান অধিকাৰ কৰাৰ পাছত বৃদ্ধ পিতৃ-মাতৃ, ককা-আইতাৰ প্ৰতি থকা মনোভাৱো সলনি হ'ল। হোৱাটো স্বাভাৱিক কথা, কাৰণ আজিৰ ল'ৰা-ছোৱালীয়ে ককা-আইতাকৰ স'তে ফুৰিবলৈ যোৱা, গৰমৰ দিনত চোতালত ঢাৰিত বহি সাধু শুনাৰ দিনবোৰ যেন অতীত হ'ল। এই অতীততৰ মাজত বৰ্তমানৰ সুৱাস বিচৰা লোকৰ অভাৱ। মনবোৰো যেন সংকীৰ্ণ হৈ পৰিছে। বহুতো লৰা-ছোৱালীয়ে বুজিয়ে পোৱা নাই ককা-আইতাৰ মৰম, স্নেহ। তদুপৰি একাংশ ল'ৰা-ছোৱালীয়ে মাক নতুবা দেউতাকৰ পৰা পৃথকে থাকি দৈনন্দিন জীৱন যাপন কৰিবলৈ ধৰিছে। ল'ৰা-ছোৱালীয়ে পিতৃ-মাতৃৰ প্ৰতি এনেধৰণৰ আচৰণ কৰাৰ ফলত নাতি-নাতিনীয়েও উপযুক্ত ব্যৱহাৰ নকৰে। পৰিয়ালৰ বাবে যেন বৃদ্ধ-বৃদ্ধাসকল আৱৰ্জনা স্বৰূপহে। প্ৰয়োজন হ'লে দলিয়াই দিওঁতেও বেছিপৰ নালাগে। কথাই প্ৰতি ডাবি-ধমকি দিয়া পৰিলক্ষিত হয়। তেওঁলোকৰ খোৱা-বোৱাৰ বাবেই যেন ঘৰখনত অশান্তিৰ বীজ অংকুৰিত হৈছে। আনকি কিছুমানে ঘৰৰ পৰা বহুদূৰলৈ নি ৰাজপথত এৰি থৈ আহিবলৈও কুণ্ঠাবোধ নকৰে। হাড় কঁপোৱা শীত, প্ৰচণ্ড গৰমৰ মাজতো অকলশৰে ৰাজপথত এৰি থৈ অহাটো কেতিয়াও সুস্থ মানসিকতাৰ পৰিচায়ক বুলি ক'ব নোৱাৰি। অনবৰতে কেটেৰা-জেঙেৰা মাত মাতিলে বৃদ্ধ-বৃদ্ধাৰ মনটো সেমেকি উঠে। ফলত পৰিয়ালৰ পৰা মৰমৰ মাতষাৰ পোৱাৰ আশা বুকুত বান্ধি এদিন এই পৃথিৱীৰ পৰা বিদায় লয়।

# ৰঙৰ উৎসৱত অপসংস্কৃতিৰ প্ৰভাৱ

ৰঙৰ উৎসৱ হোলী বা ফাকুৱা। বসন্ত উৎসৱ হোলীত সকলোৱে অংশগ্ৰহণ কৰে। জাতি-ধৰ্ম বৰ্ণ-ভাষা নিৰ্বিশেষে এই উৎসৱত ভাগ লয়। ভাৰতৰ বিভিন্ন ঠাইত উদ্‌যাপিত বসন্তকালীন উৎসৱসমূহৰ ভিতৰত হোলীয়ে একমাত্ৰ ৰঙীন উৎসৱ। ৰঙৰ মেলা হয় হোলীত। ভগৱান শ্ৰীকৃষ্ণই বসন্তকালত গোপীসৱৰ স'তে আনন্দত মতলীয়া হৈ হোলী খেলিছিল। হোলী খেলবিধ কেতিয়াৰ পৰা আৰম্ভ হৈছিল সেই বিষয়ে নিশ্চিত তথ্য পোৱা নাযায়। অসমত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে এই খেলবিধৰ, উৎসৱৰ কথা বৰ্ণনা কৰাৰ তথ্য পোৱা যায়। হিন্দু ধৰ্মাৱলম্বী লোকসকলে হোলী উৎসৱত মতলীয়া হয়। কেৱল ৰঙৰ উৎসৱ হিচাপে পৰিচিত হোলীত সকলোৱে পৱিত্ৰভাৱেৰে অংশ লয়। আজিকালি বোকা খেলা, ৰঙৰ নামত বিভিন্ন ধৰণৰ ৰাসায়নিক দ্ৰব্য মিহলি কৰা ৰং ব্যৱহাৰ কৰা হয়। ইয়াৰ ফলত পৱিত্ৰতা ৰক্ষা হোৱাৰ পৰিৱৰ্তে ধৰ্মীয় অনুভূতিত আঘাত হনাহে পৰিলক্ষিত হয়।

হোলীত মূলতঃ ভগবান শ্ৰীকৃষ্ণৰ গুণানুকীৰ্তন কৰিবলৈ গীতসমূহ ৰচনা কৰা হৈছে। অসমীয়া সংস্কৃতিত হোলী গীতসমূহে এক বিশেষ স্থান অধিকাৰ কৰি আহিছে। নামনি অসমৰ বৰপেটাত হোলী গীতসমূহ যিদৰে সুৰ লগাই গোৱা হয় সেয়া নুশুনাজনে কল্পনাই কৰিব নোৱাৰে ইয়াৰ আকৰ্ষণীয় ৰূপ। ডেকা-বুঢ়া সকলোৱে হোলী গীতত অংশগ্ৰহণ কৰে। যিসকলে এই গীত গায় তেওঁলোকে যেন ভগৱান শ্ৰীকৃষ্ণৰ স'তে একাত্ম হৈ পৰে। প্ৰভুৰ চৰণত

সমৰ্পণ কৰিহে যেন গীত গায়। এই গীতৰ লয়ত পুলকিত হয় দেহ-মন। অমিয় ভক্তিধাৰা যেন সৰগৰ পৰা নামি আহে, এই সুধা পান কৰিবলৈ যেন সকলো উদগ্ৰীৱ। অসমৰ বিভিন্ন ঠাইত হোলী উৎসৱ পালন কৰা হয় যদিও মূলতঃ বৰপেটা, বটদ্ৰৱা আদিত ইয়াৰ স্বতঃস্ফূৰ্ত ৰূপ দেখিবলৈ পোৱা যায়। সত্ৰসমূহৰ আশে পাশে থকা অঞ্চলত ইয়াৰ প্ৰভাৱ মন কৰিবলগীয়া।

ইতিহাসে ঢুকি নোপোৱা দিনৰে পৰাই পালন কৰি অহা এই পৱিত্ৰ উৎসৱত এতিয়া যেন ইয়াৰ পৱিত্ৰতা নোহোৱা কৰিছে একাংশ দুষ্ট চক্ৰই। ৰঙৰ নামত চাৰিওফালে বজাৰত মেলি দিছে শৰীৰৰ ছালৰ বাবে অপকাৰী বা অনিষ্টকাৰী বিভিন্ন ধৰণৰ ৰং। এনে ৰং ব্যৱহাৰ কৰাৰ পাছত বিভিন্ন ৰোগত আক্ৰান্ত হোৱাও দেখা যায়। এনে অসাধু বেপাৰীক যদি আমি এতিয়াই সময় থাকোতে বাধা নিদিও তেতিয়াহ'লে সংস্কৃতিৰ পৰিৱৰ্তে বিজতৰীয়া সংস্কৃতিয়েহে খোপনি পুতিব।

অতীতত প্ৰকৃতিৰ বুকুৰ পৰা লাভ কৰা বিভিন্ন উপাদানেৰে ৰং প্ৰস্তুত কৰিছিল। ইয়াৰ ৰঙৰ লগতে সুৱাসে মানুহৰ মন-প্ৰাণ পুলকিত কৰিছিল। এই উৎসৱৰ প্ৰস্তুতি বহু দিন আগৰ পৰাই চলিছিল। এতিয়া পিছে প্ৰাকৃতিক উপাদানৰ পৰিৱৰ্তে বিভিন্ন ধৰণৰ ৰাসায়নিক পদাৰ্থহে ব্যৱহাৰ কৰা দেখা যায়। এনে কৰাটো অনুচিত। আমি সকলোৱে বিজতৰীয়া সংস্কৃতিক প্ৰতিহত কৰিবই লাগিব। হোলী খেলাৰ সময়ত সকলোৱে কিছুমান বিষয়ৰ ওপৰত গুৰুত্ব প্ৰদান কৰা উচিত। কোনবোৰ দিশত গুৰুত্ব প্ৰদান কৰিব---

- প্ৰাকৃতিক ৰং ব্যৱহাৰ কৰাৰ ওপৰত গুৰত্ব প্ৰদান কৰিব লাগে।
- বিভিন্ন ধৰণৰ ৰাসায়নিক দ্ৰব্য ব্যৱহাৰ কৰাৰ পৰা আঁতৰি থকাটোৱে মংগলজনক।
- ফাকুহে ব্যৱহাৰ কৰিব। বোকা দলিওৱা সংস্কৃতিৰ বিৰুদ্ধে সকলোৱে মাৰবান্ধি থিয় হ'ব লাগে।
- যদি কোনোবাই বিশেষ কাৰণত ফাকু ব্যৱহাৰ নকৰে বা ল'বলৈ অস্বীকাৰ কৰে, তেনে ব্যক্তিক বলপূৰ্বক দিয়াটো অনুচিত।
- যদিহে শ্বাস-প্ৰশ্বাসজনিত কোনো সমস্যা আছে, তেনেহ'লে খেলাৰ পূৰ্বে চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ কৰিব লাগে।

# অসম সাহিত্য সভাৰ বঁটা বিতৰণ আৰু কিছু ব্যক্তিগত অনুভৱ

অসমত বসবাস কৰা প্ৰতিগৰাকী ব্যক্তিৰে অসম সাহিত্য সভাৰ প্ৰতি আছে দুৰ্বলতা। অসমীয়া জাতিৰ ৰাজহাড়স্বৰূপ সাহিত্য সভাই জন্মলগ্নৰে পৰা সাহিত্য জগতৰ লগতে অসমৰ বিভিন্ন জ্বলন্ত সমস্যা সমাধানৰ ক্ষেত্ৰত আগভাগ লৈ আহিছে। আন অনুষ্ঠানতকৈ সাহিত্য সভাক সকলোৱে এক পৃথক দৃষ্টিভংগীৰে চায়। সকলোৰে অন্তৰত সাহিত্য সভাৰ প্ৰতি থকা ভালপোৱা ভাবৰ বাবে ইয়াৰ প্ৰসাৰৰ ক্ষেত্ৰত দায়বদ্ধ বুলি ভাবে। অসম সাহিত্য সভা হ'ল এখন উমৈহতীয়া মঞ্চ, য'ত সকলোৱে অংশগ্ৰহণৰ সুবিধা লাভ কৰিব পাৰে। সাহিত্য সভায়ো অসমৰ প্ৰতিটো কোণতে যাতে ইয়াৰ প্ৰভাৱ সমভাবে ৰাখিব পাৰে সেই উদ্দেশ্য আগত ৰাখিয়েই অধিৱেশনসমূহ বিভিন্ন ঠাইত অনুষ্ঠিত কৰে। সকলোকে একতাৰ দোলেৰে বান্ধি কাৰ্য সম্পাদন কৰিবলৈ আৰু সাহিত্য জগতলৈ বিশেষ বৰঙণি আগ বঢ়োৱা ব্যক্তিসকলক স্বীকৃতি প্ৰদান কৰিবলৈ বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰি আহিছে। সাহিত্য সৃষ্টিৰ ক্ষেত্ৰত নীৰৱে বৰ্তি হোৱা বিশিষ্ট সাহিত্যিকসকলক স্বীকৃতি প্ৰদান কৰিবলৈ আগ বঢ়োৱা বঁটা অথবা সন্মান প্ৰদান অনুষ্ঠানত ৰাইজৰ সঁহাৰিও উল্লেখনীয়।

অসম সাহিত্য সভাই প্ৰৱৰ্তন কৰা 'বাসুদেৱ জালান সোঁৱৰণি বঁটা' অনুষ্ঠানটোৰ স'তে মই জড়িত আছিলো। কাৰণ মোৰ পিতৃৰ নামতেই এই বঁটাটো আগবঢ়োৱা হৈছে। বাসুদেৱ জালান উচ্চ শিক্ষিত নহ'লেও অসমীয়া সাহিত্যৰ প্ৰতি আকৃষ্ট আছিল। সাহিত্য চৰ্চা কৰা ব্যক্তিসকলৰ স'তে সু-সম্পৰ্ক আছিল। ২০১৬ত বাসুদেৱ জালান সোঁৱৰণি বঁটা প্ৰদান কৰা হ'ল মিচিং ভাষাৰ অন্যতম লিপি প্ৰণেতা, গৱেষক, সু-সাহিত্যিক নাহেন্দ্ৰ পাডুনক। শিৱসাগৰত এই অনুষ্ঠানটোৰ আয়োজন কৰা হৈছিল যোৱা ২০১৬ৰ ২৮ ফেব্ৰুৱাৰীত। অসম সাহিত্য সভাৰ উদ্যোগত অনুষ্ঠিত বঁটা প্ৰদান অনুষ্ঠানটোত উপস্থিত থাকে সাহিত্য সভাৰ সভাপতি ডাঃ ধ্ৰুৱজ্যোতি বৰা, প্ৰাক্তন সভাপতি ইমৰান শ্বাহ, সাহিত্যিক ড° অনিল শইকীয়াৰ লগতে কে'বাজনো বিশিষ্ট ব্যক্তি। উক্ত অনুষ্ঠানটোত পাডুনক লগ পাই খুব ভাল লাগিল। সহজ-সৰল, অতি নম্ৰ ব্যক্তিগৰাকীক এবাৰ লগ পোৱাৰ পাছত কোনোৱে পাহৰিব নোৱাৰে। অগাধ জ্ঞানৰ গৰাকী হোৱা সত্বেও নিৰহংকাৰী পাডুন। তেওঁৰ কথা শুনিলে শুনি থাকিবৰ মন যায়। ভাষাত ফুটি উঠে তেওঁৰ সহজ-সৰল মনটো। ভাষণ প্ৰসংগত পাডুনে ক'লে যে যি দায়বদ্ধতা লৈ তেওঁ সাহিত্য সৃষ্টিত নিয়োজিত সেই দায়বদ্ধতাৰ প্ৰতি সদা সচেতন। বঁটা লাভৰ বাবে কেতিয়াও সাহিত্য সৃষ্টি কৰা নাই বুলি পাডুনে উল্লেখ কৰি কয় যে তেওঁ সৃষ্টিৰ প্ৰতিহে দায়বদ্ধ। ভাষাৰ উন্নতিৰ বাবে গৱেষণা কৰিবই লাগিব। সেইবাবে অসমীয়া ভাষা সাহিত্যৰ লগতে মিচিং সমাজ-সংস্কৃতিৰ উন্নতিৰ বাবে অহৰহ কাম কৰি আছে। ১৯৪১ চনৰ ১৯ মাৰ্চত ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰৰ ৰিগাবি গাঁৱত জন্মগ্ৰহণ কৰা পাডুনে ফিল'বাৰী প্ৰাথমিক বিদ্যালয়ত শিক্ষাৰ আদিপাঠ লাভ কৰিছিল। গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অসমীয়া বিভাগত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰা পাডুনে পৰৱৰ্তী সময়ত নীৰৱে সাহিত্য সেৱাত ব্ৰতী হয়।

সাহিত্য সভাই এনেধৰণৰ বঁটা প্ৰদান অনুষ্ঠান গুৱাহাটীতে আবদ্ধ নাৰাখি ৰাজ্যখনৰ আন আন ঠাইত আয়োজন কৰাৰ ফলত বহুতেই সাহিত্য সভাৰ স'তে জড়িত হোৱাৰো সুযোগ লাভ কৰিছে। সাহিত্য সভাৰ এনে পদক্ষেপ প্ৰশংসনীয়। অসমৰ এই বৃহৎ অনুষ্ঠানটোৰ এনে প্ৰচেষ্টা অব্যাহত থাকক। আমি সকলোৱে সহায়-সহযোগিতা আগ বঢ়োৱাতো আমাৰ কৰ্তব্য।

# হোৱাটছ এপ-ফেচবুক বিবাহ বিচ্ছেদ ইত্যাদি

সকলোৰে জীৱনত সমস্যা থাকে। দাম্পত্য জীৱনত সমস্যা থকাটো স্বাভাৱিক। দুখন হৃদয় এক হোৱা বুলি ক'লেও দৰাচলতে বাস্তৱ জীৱনত পতি-পত্নীয়ে কিছুমান সমস্যাৰ সন্মুখীন হয়। এইবোৰ সমস্যাৰ অধিকাংশই হ'ল ব্যক্তিগত। পুৰুষ-মহিলাৰ সমস্যাৰ প্ৰকৃতি ভিন্ন। সংসাৰ চলোৱাৰ ক্ষেত্ৰত এগৰাকী মহিলাই যি সমস্যাৰ সন্মুখীন হয়, পুৰুষজনৰ আকৌ বেলেগ হোৱা দেখা যায়। যদি ইজনে-সিজনৰ সমস্যা বুজিবলৈ চেষ্টা নকৰে তেতিয়াহ'লে ই পৰৱৰ্তী সময়ত জটিল ৰূপ ধাৰণ কৰে। এৰা-ধৰাৰ মাজেদি সমস্যা সমাধানৰ চেষ্টা নকৰিলে কেতিয়াবা এইবোৰ পায়গৈ আদালতৰ মজিয়া; কিন্তু আদালতত যদিও সমস্যাৰ সমাধান কৰিবলৈ চেষ্টা কৰা হয়, বাস্তৱত পিছে এনে নিৰ্দেশনাই দুয়োগৰাকীকে মানসিক পীড়া দিয়ে। কাৰণ এজনৰ স'তে সংসাৰ গঢ়াৰ পাছত যদি এৰি থাকিবলগীয়া হয় তাতকৈ মানসিক যন্ত্ৰণা আন একো হ'ব নোৱাৰে। সন্মুখত পৰস্পৰক দেখিও নেদেখা ভাও ধৰিবলগীয়া পৰিস্থিতিৰো সৃষ্টি হোৱা দেখা যায়। যদিহে সন্তান থাকে তেন্তে এনে সন্তানক লৈ দুয়ো পক্ষই প্ৰতিটো ক্ষণতে সমস্যাৰ সৃষ্টি কৰে। সন্তানৰ মনত পিতৃ-মাতৃ সমান গুৰুত্বপূৰ্ণ ব্যক্তি। পুত্ৰ সন্তানে মাকক আৰু কন্যা সন্তানে দেউতাকৰ স'তে মুকলিভাৱে আলোচনা কৰে; কিন্তু শিশু অৱস্থাত কোনো কথাই জ্ঞাত নহয় বাবে পিতৃ-মাতৃৰ বিচ্ছেদক লৈ মনোকষ্টত ভোগে। পিতৃ-মাতৃৰ বিচ্ছেদ

ঘটিলে। সেই লৈ দোদুল্যমান অৱস্থাত থাকে। আনকি কিছুমান শিশুৱে এনে অৱস্থাৰ পৰা নিজকে উদ্ধাৰ কৰিব নোৱাৰা হয়। মনত গভীৰ সাঁচ বহুওৱা বিষয়টোৱে পৰৱৰ্তী সময়ত শিশুটিৰ মানসিক বিকাশত ব্যাঘাত জন্মায়। ফলত সলনি হয় জীৱনৰ গতিপথ। কেতিয়াবা হঠাতে হিংস্ৰ হৈ উঠে, মনত সৃষ্টি হয় অপৰাধবোধ। সমাজত এনে ধৰণৰ শিশুৱে যিকোনো অপৰাধমূলক কাৰ্য সম্পাদন কৰিব পাৰে। পাছত এনে শিশুক নিয়ন্ত্ৰণ কৰাটো একপ্ৰকাৰ অসম্ভৱ হৈ পৰে। সেইবাবে পিতৃ-মাতৃয়ে বিচ্ছেদৰ পূৰ্বে সন্তানৰ কথা ভাবি চাব লাগে।

কিছুমান দম্পতীৰ মাজত প্ৰতিটো ক্ষণতে সৰু-সুৰা কথাক লৈয়ে হাই-কাজিয়া লাগি থাকে। কোনো এগৰাকীয়ে নিজ স্থিতিৰ পৰা আঁতৰি যাব নোখোজে। আঁকোৰগোজ মনোভাবৰ বাবে ইজনে সিজনক দোষ জাপি দিয়ে। ফিৰিঙতিৰ পৰা খাণ্ডৱ দাহ হোৱাৰ দৰে পৰিস্থিতিৰ সৃষ্টি হয়; কিন্তু এজনে যদি বিষয়টোৰ পৰা আঁতৰি থাকে তেতিয়াহ'লে সমস্যাৰ সৃষ্টি নহ'ব।

ভাৰতীয় সংস্কৃতিত বিবাহ বিচ্ছেদৰ ঘটনা দুই-তিনি দশক আগলৈকে যিমান আছিল, এতিয়া তাৰ দহ গুণ বৃদ্ধি পাইছে। অতি সম্প্ৰতি বিবাহ বিচ্ছেদৰ  কাৰণ হৈ পৰিছে ম'বাইল ফোন। মোবাইলত উপলব্ধ ইণ্টাৰনেট সেৱাৰ বাবে আজিকালি এনে ধৰণৰ ঘটনা বৃদ্ধি পাবলৈ ধৰিছে। হোৱাটছ এপ, ফেচবুক আদিৰ জৰিয়তে এতিয়া অবৈধ প্ৰেম, অবৈধ সম্পৰ্ক ৰক্ষা কৰা পুৰুষ-মহিলাৰ অভাৱ নাই। অনবৰতে ফেচবুক, হোৱাটছ এপ আদিত ব্যস্ত হৈ থাকিলে মনটো আনফালে ঢাল খোৱাটো স্বাভাৱিক কথা। মনটো সলনি হয় প্ৰতি ক্ষণত। এজনৰ ছবি এখন অনবৰতে চাই থকা, মনৰ ভাৱ শব্দৰে বিনিময় কৰি থাকিলে দুয়োজনেই পৰস্পৰৰ ওচৰ চাপে। এসময়ত হিতাহিত জ্ঞান হেৰুৱাই নিজৰ অস্তিত্বৰ কথা পাহৰি যায়। আনকি বিবাহিত পুৰুষ-মহিলাই নিজৰ সন্তানক গৌণ কৰি অবৈধ প্ৰেমত লিপ্ত হৈ অসামাজিক কাম কৰে। লাহে লাহে এওঁলোক সমাজৰ পৰা বিচ্ছিন্ন হ'বলৈ ধৰে। এনে সম্পৰ্কই যেতিয়া আমুৱাই তেতিয়া সংঘটিত হয় অঘটন। হত্যা, হত্যাৰ চেষ্টা, নিৰুদ্দেশৰ ঘটনাৰ আঁৰত এইবোৰ কাৰকেও ভূমিকা গ্ৰহণ কৰি আছে। গতিকে সকলোৱে সাৱধান হ'বৰ হ'ল।

# ৰাভা সংগীতঃ কিছু সাময়িক চিন্তা

কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ অমৰ সৃষ্টি ৰাভা সংগীতৰ প্ৰসাৰ যিদৰে হ'ব লাগিছিল সেয়া বৰ্তমানলৈকে হৈ উঠা নাই। ৰাভা সংগীত কেৱল এটা সীমিত পৰিসৰৰ মাজতে সীমাবদ্ধ হৈ আছে। সম্প্ৰতি ৰাভা সংগীতৰ চৰ্চাও হ্ৰাস পাইছে। নৱ প্ৰজন্মৰ মাজত ৰাভা সংগীতৰ চৰ্চা কিমান হৈ আছে সেয়া ব্যাখ্যাৰ নিশ্চয় প্ৰয়োজন নাই। নৱপ্ৰজন্মৰ মাজত যে কেৱল ৰাভা সংগীতেই চৰ্চা নোহোৱাকৈ আছে তেনে নহয়, সমান্তৰালভাৱে ৰাভাৰ নামো চৰ্চা নোহোৱা হ'বলৈ ধৰিছে। অসমৰ প্ৰাতঃস্মৰণীয় শিল্পীগৰাকীৰ বিষয়ে নৱপ্ৰজন্মৰ প্ৰায়ভাগেই জ্ঞাত নহয়। আনকি ৰাভা সংগীত পৰিৱেশন কৰোতাৰো বহুতেই নাজানে সেই অমৰ গীতসমূহৰ ৰচক বিষ্ণুপ্ৰসাদ ৰাভা বুলি। অৱশ্যে এনেদৰে লিখিলে কোনোবাই হয়তো প্ৰশ্ন উত্থাপন কৰিব পাৰে যে এইগৰাকী মহান শিল্পীৰ বিষয়ে চৰ্চা নোহোৱাকৈ ২০ জুনত 'ৰাভা দিৱস' আৰু 'ৰাভা সংগীত প্ৰতিযোগিতা'সমূহ অনুষ্ঠিত হৈ আহিছেনে? নিশ্চয় তেনেকৈ কোৱাতো স্বাভাৱিক কথা; কিন্তু বাস্তৱ ক্ষেত্ৰত এই ছবিখন স্পষ্ট নহয়।

মহান শিল্পীগৰাকীয়ে ৰচনা কৰা কবিতাসমূহে পৰৱৰ্তী পৰ্যায়ত গীতৰ ৰূপ ল'লে। প্ৰতিগৰাকী অসমীয়া লোকেই আদৰি ল'লে এই গীতসমূহ। গীতসমূহৰ স্বকীয় বৈশিষ্ট্যই সকলোকে আকৰ্ষণ কৰিব পাৰিছে; কিন্তু এই

ধাৰাটোত যেন ক'ৰবাত এটা বিজুতি ঘটিছে। সেইবাবে নৱপ্ৰজন্মৰ চিন্তাধাৰাৰ গীত আৰু ৰাভা সংগীতৰ মাজত ব্যৱধানৰ সৃষ্টি হৈছে। এই ব্যৱধানে সম্প্ৰতি গুৰুতৰ ৰূপ ধাৰণ কৰিছে। সংগীতানুষ্ঠানসমূহতো কাচিৎহে এটা-দুটা ৰাভা সংগীত পৰিৱেশন কৰা শুনিবলৈ পোৱা যায়। আনকি বহুতো বিদ্যালয়ৰ বাৰ্ষিক প্ৰতিযোগিতাতো এই সংগীত অন্তৰ্ভুক্ত নকৰা বুলি অভিযোগ উত্থাপিত হৈছে। সেয়েহে আমি বিষয়টো গুৰুত্বসহকাৰে লোৱা উচিত। কাৰণ এনে গতিত চলি থাকিলে ৰাভাৰ গীতসমূহ নৱপ্ৰজন্মৰ মাজত একেবাৰে এলাগী হৈ পৰাৰ আশংকা আছে।

বিষ্ণু ৰাভা আছিল এটি অনুষ্ঠান। এই অনুষ্ঠানটোৰ এটা অংশহে তেওঁৰ কবিতা অৰ্থাৎ ৰাভা সংগীত। ৰাভাৰ কবিতাসমূহে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ কণ্ঠত প্ৰাণ পাই উঠাত সোণত সুৱগা চৰিছে; কিন্তু এনে গীত পৰৱৰ্তী পৰ্যায়ত মাত্ৰ কেইগৰাকীমান শিল্পীয়েহে কণ্ঠত নিগৰাই ৰাখিছে। এইকেইগৰাকী শিল্পীৰ পাছত আন কোনো শিল্পীয়ে এইক্ষেত্ৰত আগ-ভাগ লোৱা পৰিলক্ষিত হোৱা নাই। যদিহে আন কোনো শিল্পীয়ে ৰাভাৰ গীতসমূহ পুনৰ কণ্ঠত নিগৰাবলৈ আগ বাঢ়ি নাহে তেতিয়াহ'লে নৱ প্ৰজন্মৰ বাবে ই তেনেই অচিনাকি হৈ পৰিব। এই গীতৰ সম্প্ৰসৰণ আৰু অধিক হ'ব লাগিব। অসমীয়া সংস্কৃতি চহকী কৰা ৰাভা সংগীতৰ ক্ষেত্ৰখনৰ পৰিসৰ বৃদ্ধি কৰাৰ যথেষ্ট থল আছে। মাথো আমি কোনোৱে এইক্ষেত্ৰত গুৰুত্ব দিয়া নাই। সময় থাকোতেই পদক্ষেপ গ্ৰহণ কৰিব.লাগিব। ৰাভা সংগীতৰ বিষয়ে ভালদৰে অধ্যয়ন কৰিবলৈ এখন ৰাভাৰ ৰচনাৱলী তথা সৃষ্টি সম্পৰ্কে ব্যাখ্যা থকা আৰু অধিক গ্ৰন্থৰ প্ৰয়োজন। ৰাভা সংগীতক লৈ যিমান আলোচনা-বিলোচনা হ'ব লাগিছিল বিগত সময়ত তাৰ অৰ্ধেকো হোৱা নাই। ৰাভাৰ সৃষ্টি সম্পৰ্কে অধ্যয়নৰ বাবে এটি সংগ্ৰহালয়ৰ প্ৰয়োজন। মহান শিল্পীগৰাকীক নৱ প্ৰজন্মৰ মাজত প্ৰতিষ্ঠিত কৰিবলৈ হ'লে ৰাভা গীতকেই যথেষ্ট বুলি ক'লে অত্যুক্তি কৰা হ'ব। সেয়েহে এই গীতৰ সমান্তৰালভাৱে তেওঁৰ ৰচনাসমূহ উপযুক্তভাৱে নৱপ্ৰজন্মৰ মাজত উপস্থাপন কৰিব লাগিব। এইক্ষেত্ৰত সংশ্লিষ্ট বিভাগৰ লগতে ৰাইজৰ সহযোগিতাৰ প্ৰয়োজন। আমি অসমীয়া সংস্কৃতিক বিশ্বদৰবাৰত প্ৰতিষ্ঠা কৰিবলৈ হ'লে এইসকল মহান শিল্পীক নৱপ্ৰজন্মৰ মাজত চিনাকি কৰাই দিবই লাগিব।

# উভতি নাহে কাবুলীৱালা

নাট্য জগতত শূন্যতাৰ সৃষ্টি কৰি চিৰদিনৰ বাবে আমাৰ মাজৰ পৰা বিদায় ল'লে 'কাবুলীৱালা' খ্যাত মহানন্দ শৰ্মাই। অসমৰ নাট্য জগতত এসময়ত আলোড়নৰ সৃষ্টি কৰা এইগৰাকী অভিনেতাৰ জীৱন বন্তি নিৰ্বাপিত হোৱাৰ লগে লগে পৰিসমাপ্তি ঘটিল এটা বৰ্ণিল অধ্যায়ৰ। ভ্ৰাম্যমাণ নাট্য জগতৰ ধ্বজ্জাবাহক মহানন্দ শৰ্মা কেৱল অভিনেতাই নাছিল, এগৰাকী সফল নাট্যকাৰ, সমাজ সংগঠকৰূপেও খ্যাতি অৰ্জন কৰিছিল। ১৯৩৫ চনত নলবাৰী জিলাৰ পানীগাঁৱত জন্মগ্ৰহণ কৰা মহানন্দ শৰ্মাই নলবাৰী মহাবিদ্যালয়ৰ পৰা আই এ পৰীক্ষাত উত্তীৰ্ণ হৈছিল। তেওঁ ছাত্ৰাৱস্থাৰ পৰাই অভিনয় জগতৰ স'তে জড়িত আছিল। ১৯৫৬ চনত তেওঁ ড° ভূপেন হাজৰিকাৰ স'তে কলিকতালৈ গৈ বাংলা যাত্ৰা দলত বলিষ্ঠ অভিনয়ৰে দৰ্শকক আপ্লুত কৰিবলৈ সক্ষম হৈছিল। ভ্ৰাম্যমাণ থিয়েটাৰৰ জন্মলগ্নৰপৰাই জড়িত হৈ পৰা মহানন্দ শৰ্মাই সাফল্যৰ বাবে কোনোদিনে পিছলৈ উভতি চাব লগা হোৱা নাছিল। প্ৰথমটো ভ্ৰাম্যমাণ নাট্যদল 'নটৰাজ চিনে থিয়েটাৰ'ত অভিনয় কৰা শৰ্মাই পৰৱৰ্তী সময়ত সুৰদেৱী যাত্ৰা পাৰ্টি (পাছত থিয়েটাৰ), পূৰ্বজ্যোতি থিয়েটাৰ, অপৰূপা থিয়েটাৰ, কহিনুৰ থিয়েটাৰ, হেঙুল থিয়েটাৰ, শংকৰদেৱ থিয়েটাৰ, ৰাজতিলক থিয়েটাৰ, থিয়েটাৰ ভাগ্যদেৱীত অভিনয় কৰিছিল। ১৯৮৮-৮৯ চনত তেওঁ প্ৰযোগৰাকীা কৰা 'অপৰূপা থিয়েটাৰ'খনে দৰ্শকৰ বিপুল সঁহাৰি লাভ কৰিবলৈ সক্ষম হৈছিল। 'কাবুলীৱালা' নাটকখনৰ অভিনয় আজিও দৰ্শকৰ মনত সজীৱ হৈ আছে। 'কাবুলীৱালা' নাটকখনৰ উপৰি তেওঁ অভিনয় কৰি দৰ্শকৰ প্ৰশংসা

বুটলিবলৈ সক্ষম হোৱা নাটক কেইখন আছিল--- ক্লিওপেট্রা, ধ্ৰুৱতৰা, নবীন মাষ্টৰ, চন্দ্ৰ গ্ৰহণ, মায়া মৃগ, অলংকাৰ, সৰু বোৱাৰী, অগ্নি বাহাদুৰ ছেত্ৰী, কয়দী, পূজাৰ ফুল আদি। শতাধিক নাটকত অভিনয় কৰা শৰ্মাই সমান্তৰালভাৱে ছবিতো মনপৰশা অভিনয় কৰিছিল।

মঞ্চ জগতত বৰ্তমানলৈকে যিকেইগৰাকী অভিনেতাই দৰ্শকৰ মনত সাঁচ বহুৱাবলৈ সক্ষম হৈছে সেইসকলৰ ভিতৰত অন্যতম আছিল মহানন্দ শৰ্মা। তেওঁ সঁচা অৰ্থত আছিল এগৰাকী বলিষ্ঠ মঞ্চ অভিনেতা। অভিনয় বলিয়া ল'ৰাজনে যে এদিন মঞ্চ জগতত নিজৰ নাম সোণোৱালী আখৰেৰে লিপিবদ্ধ কৰিব পাৰিব তাৰ প্ৰমাণ ছাত্ৰাৱস্থাতে পোৱা গৈছিল। কোনো আনুষ্ঠানিক প্ৰশিক্ষণ নোলোৱাকৈয়ে এইগৰাকী অভিনেতাই যি সফলতা অৰ্জন কৰিবলৈ সক্ষম হৈছিল, অতি কমসংখ্যক অভিনেতাইহে এনে সাফল্য অৰ্জন কৰিবলৈ সক্ষম হয়। অভিনয়ৰ সমান্তৰালভাৱে থিয়েটাৰ প্ৰযোজনা, পৰিচালনা আদি কৰাটো উজু কাম নহয়। এনে কঠিন কাৰ্যকো সম্ভৱ কৰিছিল মহানন্দ শৰ্মাই। তেওঁ আছিল সহজ-সৰল ব্যক্তি। ব্যক্তিগত জীৱনত সদায় বিতৰ্কৰ পৰা আঁতৰি থকা এইগৰাকী অভিনেতাৰ অভিনয় জীৱনতো নাছিল কোনো বিতৰ্ক। কেৱল নাটক আৰু অভিনয়ক লৈয়ে তেওঁ ব্যস্ত আছিল। কোনে কি কৰিছে তালৈ ভ্ৰূক্ষেপ নাছিল। মঞ্চত দৰ্শকক নতুন নতুন সোৱাদ দিয়াই আছিল একমাত্ৰ চিন্তা আৰু লক্ষ্য। বাস্তৱক হৃদয়সংগম কৰি অভিনয় কৰা বাবে মহানন্দ শৰ্মাৰ অভিনয় নিখুঁত হৈছিল। সহশিল্পীসকলৰ স'তেও তেওঁ সৌহাৰ্দ্যপূৰ্ণ ব্যৱহাৰ কৰিছিল। কনিষ্ঠগৰাকীক শিক্ষা আৰু প্ৰেৰণা দিয়াটো আছিল তেওঁৰ অন্যতম বৈশিষ্ট্য। কাৰো স'তে মনোমালিন্য হোৱাৰ বিষয়ে আজিলৈকে শুনা নাযায়। নৱাগত অভিনেতা-অভিনেত্ৰীক মনে-প্ৰাণে ভাল পোৱা শৰ্মাই বিভিন্ন সময়ত দিহা-পৰামৰ্শ দিছিল। ভ্ৰাম্যমাণ থিয়েটাৰৰ মঞ্চৰ মহীৰূহ মহানন্দ শৰ্মাই মঞ্চৰ নাটকক দিছিল এক নতুন গতি। এই গতিৰে পৰৱৰ্তী সময়তো বহুতো অভিনেতা-অভিনেত্ৰীয়ে খোজ পোলাবলৈ সক্ষম হৈছে; কিন্তু এইসকল অভিনেতা-অভিনেত্ৰীয়ে পৰৱৰ্তী সময়ত মহানন্দ শৰ্মাক পাহৰি পেলালে। তেওঁলোকে নাজানে মহানন্দ শৰ্মাই ভ্ৰাম্যমাণ থিয়েটাৰ জগতলৈ আগবঢ়োৱা মহান অৱদানৰ কথা।

# ভূ-লুণ্ঠিত মানৱতা

২০১৬ত কামৰূপ জিলাৰ ছয়গাঁৱৰ এটি দুৰ্ভগীয়া পৰিয়ালৰ চাৰিটি শিশুৱে ৰাজপথেৰে দুডাল বাঁহেৰে সাঙী বান্ধি চোঁচৰাই নিছিল মাতৃৰ মৃতদেহ। সভ্য সমাজক নজ্জানত কৰা এই ঘটনাটোৰ ছবিখন সংবাদ মাধ্যমযোগে প্ৰচাৰ হোৱাত এটা কথাই প্ৰমাণ কৰিলে ভোগবাদী সমাজখন এতিয়া হৃদয়হীন লোকেৰে ভৰি পৰিছে। এযোৰ ভাল পোছাক, এখন দামী গাড়ীত উঠি যোৱা লোকৰ সংখ্যা বৃদ্ধি পালেও বিপদৰ সময়ত সহায়ৰ হাত আগ বঢ়োৱা লোকৰ সংখ্যা আঙুলিৰ মূৰত লেখিব পৰা বিধৰ। ছয়গাঁৱৰ মাকেলি নিবাসী বাবুল দাসৰ পত্নী কল্পনা দাসৰ অচিন ৰোগত মৃত্যু হোৱাৰ পাছত মানুহৰ দুৱাৰে দুৱাৰে গৈ মাতৃৰ মৃত্যুৰ সংবাদ দিছিল যদিও অতি দুখীয়া পৰিয়ালটোৰ এই বিপদৰ সময়ত সহায় কৰিবলৈ কোনো আগবাঢ়ি নাহিল। দৰিদ্ৰ হোৱা বাবেই যেন সমাজৰ তথাকথিত সভ্য লোকসকলে সহায়ৰ হাত আগ বঢ়াবলৈ ওলাই অহা নাছিল। তেওঁলোকৰ শুভ্ৰ পোছাকত ক'ৰবাত যেন দাগ লাগিব। আনকি ভাড়া ঘৰৰ

মালিকেও তেওঁলোকক সহায় কৰিবলৈ ওলাই অহা নাছিল বুলি অভিযোগ কৰিছে ১০ বছৰীয়া বৰপুত্ৰ হৃদয়ে। এপইচাও ঘৰত নথকা বাবে এমা-ডিমা শিশুকেইটিয়ে মাতৃৰ মৃতদেহৰ ওচৰত কান্দি কান্দি আছিল। পিতৃ ৰোগাক্ৰান্ত হোৱা বাবে কণমানি ল'ৰা ছোৱালীকেইটিয়ে মাতৃৰ মৃতদেহৰ, ওচৰত কান্দি থকাৰ বাহিৰে গত্যন্তৰ নাছিল। কেৱল সিমানেই নহয়, মৃতদেহ সৎকাৰৰ বাবে ৰাইজক কাকূতি-মিনতি কৰিও সঁহাৰি নাপালে। কোনোবাই কাৰোবাক বেয়া পালেও মৃত্যুৰ পাছত সেইবোৰ ধৰি নাথাকে। কাৰণ মৃত্যু হ'ল অন্তিম সত্য। কাৰোবাৰ স'তে জীৱিত কালত শত্ৰুতা বা বেয়া পোৱা ভাব থাকিলেও মৃত্যুৰ লগে লগে এইবোৰৰ সমাপ্ত হয়। শত্ৰুকো বিপদৰ সময়ত পানী আৰু জুই দিয়ে। তেনে স্থলত দুখীয়া হ'ল বুলিয়েই এই পৰিয়ালটোক কোনোৱে সহায়ৰ বাবে আগবাঢ়ি নাহিল কিয়? এই প্ৰশ্নটোৱে স্বাভাৱিকতে সকলোৰে মনত হেজাৰ হেজাৰ প্ৰশ্নৰ উদ্ৰেক ঘটাইছে।

আজি মানৱতা ভূলুণ্ঠিত। যান্ত্ৰিক সমাজখনত যেন আনৰ বাবে ভাবিবলৈ কাৰোৱে আহৰি নাই। সভ্যতাৰ উচ্চ শিখৰত উপনীত হোৱা বুলি আমি যিমানেই চিঞৰ-বাখৰ নকৰো কিয়, এনেধৰণৰ ঘটনাই প্ৰমাণ কৰে কেৱল ভাল পোছাক পিন্ধিলে, এটা প্ৰাসাদোপম অট্টালিকা, বিলাসী গাড়ী থাকিলেই মানুহ হ'ব নোৱাৰে। মানুহ আৰু পাষান হৃদয়ৰ লোকৰ মাজত পাৰ্থক্য নাথাকে। আধুনিক সমাজখনত আজি সকলোৱে শিক্ষিত হৈছে। ধনৱন্ত লোকৰো এতিয়া অভাৱ নাই। পিছে পৱিত্ৰ হৃদয়ৰ লোকৰহে অভাৱ। আনৰ দুখনত দুখ কৰিবলৈ আহৰি নাই। কবি চন্দ্ৰকুমাৰ আগৰৱালাই কবিতাত লিখিছে, 'আনৰ কাৰণে কান্দিব জানিলে কান্দোনতো সুখ আছে।' বাক্যশাৰীৰ মৰ্মাৰ্থ বুজা লোকৰ এতিয়া অভাৱ। যোগ্য, ভোগ্য, বসুন্ধৰাই যেন সকলোকে গ্ৰাস কৰিছে। প্ৰতিযোগিতাৰ দৌৰত মানৱতা হৈ পৰিছে এটি অৰ্থহীন শব্দ। চৌদিশে কেৱল অৰ্থ সংগ্ৰহৰ প্ৰতিযোগিতা। অথচ এই অৰ্থ সংগ্ৰহ কৰি কৰিছে কি? কোনোবাই মাটি কিনিছে, ঘৰ সাজিছে, বেংকত জমা থৈছে, নিশা অপৰাধ জগতখনত খোপনি পুতিছে অথবা বিলাসী ভ্ৰমণ কৰিছে। পিছে এইবোৰ কৰিও বহুতে অশান্তিৰ মাজেৰে দিন

অতিবাহিত কৰিবলগীয়া হৈছে। ভোগবাদে মানুহৰ মনত যিদৰে অশান্তিৰ বীজ ৰোপণ কৰিছে তেনেদৰে আমাৰ মাজৰ পৰা সুখো কাঢ়ি নিছে।

শিশু এটিয়ে কান্দি থকা দেখিলে ওচৰত থকা লোকৰ মৰম ওপজে। সহায় কৰিবলৈ আগ বাঢ়ি আহে। কাৰণ নিৰ্বোধ শিশুৰ বাবে নাই কোনো জাতি, ধৰ্ম অথবা নিৰ্দিষ্ট এখন ঘৰ। বোকোচাত যিয়ে তুলি লয় তাৰ মৰমতে আবদ্ধ হয়। সেইবাবে অচিন লোক এজনে শিশু এটিৰ হাতত চকলেট দিলেই আপোন পাহৰা হৈ চুমা দিয়ে, কোচত উঠি আনন্দ প্ৰকাশ কৰে। তেনেস্থলত ছয়গাঁৰৰ শিশুকেইটিলৈ কাৰো মৰম নোপজিল কিয়? মানৱ সভ্যতাই চৰম পৰ্যায়ত উপনীত হোৱাৰ সময়তো আমাৰ সমাজত দৰিদ্ৰ লোকসকল অস্পৃশ্য হৈ থকাটোৱে আকৌ এবাৰ প্ৰমাণ কৰিলে জাত-পাত, জাত্যভিমান, সংকীৰ্ণ মনোভাব আৰু যান্ত্ৰিক জীৱনত মানৱতা মূল্যহীন হৈ পৰা এটি শব্দ। ঘঁৰিয়ালৰ চকুপানী টোকা লোকসকলে বিপদৰ সময়ত নহয়, সুযোগ বুজি ব্যক্তিগত স্বাৰ্থ বা লাভালাভৰ বাবেহে ভুমুকি মাৰে।

# প্ৰতিৰেশীৰ দায়িত্ব ...

এজন ব্যক্তি জীয়াই থাকিবলৈ যিদৰে এটি সুস্থ ঘৰুৱা পৰিৱেশৰ প্ৰয়োজন তেনেদৰে প্ৰতিৰেশীৰ সহযোগিতাও সমানেই গুৰুত্বপূৰ্ণ। এগৰাকী ভাল প্ৰতিৰেশী অবিহনে এটি পৰিয়ালে সুস্থ পৰিৱেশ কামনা নকৰাই ভাল। ঘৰখনৰ প্ৰতিগৰাকী সদস্যৰ প্ৰতি যিদৰে সকলোৱে দায়বদ্ধ তেনেদৰে প্ৰতিৰেশীৰ প্ৰতি হোৱাটোও বাঞ্ছনীয়। সাধাৰণতে সমাজত আন ব্যক্তিসকলতকৈ প্ৰতিৰেশীৰ স'তে সু-সম্পৰ্ক ৰক্ষা কৰাটো অধিক গুৰুত্বপূৰ্ণ বিষয়। কাৰণ বিপদে-আপদে আমি প্ৰতিৰেশী বা চুবুৰীয়াগৰাকীৰ পৰাহে সহায়-সহযোগিতা পাওঁ। প্ৰতিৰেশীক কোৱা হয় বিপদৰ বন্ধু। এই বন্ধুৱে নিশা দুপৰতো কিবা বিপদ হ'লে সহায় কৰিবলৈ আগ বাঢ়ি আহিব; কিন্তু প্ৰতিৰেশীৰ স'তে যদি সু-সম্পৰ্ক নাথাকে তেতিয়াহ'লে নিশা কিয়, দিন দুপৰতো সহায়ৰ হাত আগ নবঢ়ায়। প্ৰতিটো ক্ষণতেই উত্তেজিত কৰি ৰাখিবলৈ চেষ্টা কৰে।

প্ৰতিৰেশী শব্দটোৱে কিছুমানক শংকিত কৰে। বিশেষকৈ যিসকলে সদায় প্ৰতিৰেশীৰ পৰা কেৱল তিক্ততা লাভ কৰে তেওঁলোকৰ বাবে মূৰৰ কামোৰণি হয়। এনে লোক ঘৰৰ ওচৰতে থাকিলেও হেজাৰ হেজাৰ মাইল দূৰত থকাৰ দৰেই হয়। সাধাৰণতে প্ৰতিৰেশীৰ স'তে থকা সু-সম্পৰ্কত ফাট

মেলে ভূমি বিবাদক কেন্দ্ৰ কৰি। ঘৰৰ চৌহদৰ সীমাই হওক, খেতিপথাৰৰ সীমা যিকোনো কাৰণতে এনে বিবাদৰ সূত্ৰপাত ঘটে। এই বিবাদে দুয়োজনক ক'ৰ পৰা ক'লৈ লৈ যায় তাক অনুমান কৰিব নোৱাৰি। আনকি কেতিয়াবা মৃত্যু পৰ্যন্ত হোৱাৰ আশংকা থাকে। অৱশ্যে সকলো সময়তেই যে সংঘাতেই থাকে তেনে নহয়, কেতিয়াবা প্ৰেমৰ সম্পৰ্কও পড়ি উঠে। আনকি দুয়োটা পৰিয়ালে বৈবাহিক সম্পৰ্কও স্থাপন কৰে। এনে বান্ধোন স্থায়ী হৈ পৰে। দুয়োটা বিষয় নিৰ্ভৰ কৰে প্ৰতিৱেশী পৰিয়াল দুটাৰ সদস্যসকলৰ স্বভাৱ-চৰিত্ৰ, প্ৰকৃতিৰ ওপৰত। ভাল স্বভাৱে মিলন ঘটোৱাৰ বিপৰীতে বদ্ স্বভাৱে দুয়োটা পৰিয়ালক পৃথক কৰে। আনকি কেতিয়াবা কেতিয়াবা মুখ নেদেখাকৈ সুউচ্চ বেৰ দিয়াও দেখা যায়। গতিকে প্ৰতিৱেশীয়ে জীৱন গঢ়িবও পাৰে আৰু ধ্বংস কৰোতেও বেছি পৰ নালাগে।

প্ৰতিৱেশীৰ কোনো নিৰ্দিষ্ট সংজ্ঞা নাই। ঘৰৰ একেবাৰে ওচৰৰ পৰিয়ালক প্ৰতিৱেশী হিচাপে গণ্য কৰা হয়; কিন্তু কিছুমান পৰিয়ালৰ ঘৰৰ ওচৰত কোনো লোক নাথাকে। বৃহৎ পৰিসৰৰ ঘৰৰ চৌহদৰ ওচৰত কোনো নথকা লোকসকলে পিছে প্ৰতিৱেশী শব্দটোৰ অৰ্থ কেনেদৰে বুজিব? সেইবাবে আমি প্ৰতিৱেশী শব্দটো দুটা অৰ্থত ব্যৱহাৰ কৰিব পাৰো। কিছুমান লোকে নতুন ঠাইত মাটি ক্ৰয় কৰাৰ আগতে সেই মাটি ডোখৰৰ ওচৰে-পাঁজৰে কেনে পৰিয়ালে বসবাস কৰি আছে সেই বিষয়ে ভালদৰে জানি লয়। কাৰণ ঘৰ এটা সজা হয় স্থায়ীভাৱে। সেই ঘৰৰ ওচৰে-পাঁজৰে যদি একোটা আমনি বা অশান্তি দিয়া পৰিয়াল থাকে তেনেহ'লে ভৱিষ্যতে প্ৰতিটো ক্ষেত্ৰত অশান্তিৰ সন্মুখীন হ'ব লাগিব। অৱশ্যে তাৰ মাজতেই বহুতৰ হিচাপ-নিকাচত খেলিমেলিৰ সৃষ্টি হয়। কেতিয়াবা সৎ ব্যক্তি তথা ভাল পৰিয়াল প্ৰতিৱেশী হয়। আন কেতিয়াবা ইমান অভদ্ৰ ব্যক্তি লগ পায় যে বহুতেই নিজ গৃহ এৰি আন ঠাইলৈ যাবলৈ বাধ্য হয় প্ৰতিৱেশীৰ অভদ্ৰ আচৰণৰ বাবে।

# পত্ৰবন্ধু, এছ এম এছ আৰু ফেচবুক

বন্ধুত্বৰ এনাজৰীডাল শক্তিশালী আৰু মনৰ ভাব আদান-প্ৰদানৰ ক্ষেত্ৰত পত্ৰৰ ভূমিকা গুৰত্বপূৰ্ণ। ইতিহাসে ঢুকি নোপোৱা দিনৰে পৰাই পত্ৰৰ আদান-প্ৰদানৰ যোগেদি বহুতো সম্পৰ্ক জীয়াই ৰখা হৈছে। ভাৰতৰ ভূখণ্ডৰ ভিতৰত ৰজা-মহাৰজাসকলৰ মাজতো সম্পৰ্ক ৰক্ষা হৈছিল। সকলো সম্পৰ্ক ৰক্ষাৰ মূলতে আছিল পত্ৰ। তেতিয়া এই পত্ৰই বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। ইয়াৰ বহিৰে অন্য উপায়ো নাছিল। এই চিঠিখনক লৈ আছিল দীৰ্ঘদিনীয়া প্ৰতীক্ষা। চিঠিৰ ভিতৰত কি লিখা থাকে তাকে লৈ যেন উৎসুকতাৰ অন্ত নাই। চিঠিৰ জৰিয়তে বহুতো বন্ধুত্ব জীয়াই ৰখাৰ উদাহৰণ পোৱা যায়। আনকি কোনোদিনে নেদেখাকৈও কেৱল পত্ৰৰ জৰিয়তেই পৰস্পৰৰ স'তে মনৰ ভাব, জীৱনৰ সকলো ঘটনা-পৰিঘটনাৰ বিনিময় কৰে। সুখত সুখী, দুখত দুখী হয়। জীৱন যুঁজত জয়ী হোৱাৰ মন্ত্ৰণা দিয়ে। চিঠিখনে বহুতো লোকৰ জীৱনৰ গতিপথ সলনি কৰি দিয়াৰো উদাহৰণ পোৱা যায়। পত্ৰ বন্ধুৰ ধাৰণাটো কোনে কেনেকৈ আৰম্ভ কৰিছিল সেই বিষয়ে স্পষ্ট তথ্য পোৱা নাযায়।

পত্ৰবন্ধুৰ মাজত নাথাকে কোনো বিনিময় বা উদ্দেশ্য। মাথোঁ কিছুমান বিষয়হে দুয়ো পত্ৰৰ জৰিয়তে বিনিময় কৰে। থাকে কাৰোবাৰ ব্যক্তিগত জীৱনৰ সমস্যা, সামাজিক ক্ষেত্ৰত সন্মুখীন হোৱা সমস্যা, পঢ়াৰ সমস্যা, পাৰিবাৰিক

সমস্যা ইত্যাদি। আমাৰ বহুতৰে মনত ভ্ৰান্ত ধাৰণা আছে যে পত্ৰ বন্ধুৰ জৰিয়তে বিপৰীত লিংগৰ স'তেহে ভাব বিনিময় কৰে। অৱশ্যে কিছুমান ল'ৰা-ছোৱালীয়ে পত্ৰবন্ধুৰ জৰিয়তে চিনাকি হৈ পৰৱৰ্তী সময়ত সেই পৱিত্ৰ সম্পৰ্কক প্ৰেমলৈ পৰ্যৱসিত কৰাৰ উদাহৰণো নথকা নহয়। দুই-এজনে এনে কাৰ্য কৰিলে বুলিয়ে সকলোকে সাঙুৰিব নোৱাৰি। যিকোনো ক্ষেত্ৰতে ভাল-বেয়া দুটা দিশ থাকে। বিষয়টো কোনে কেনেদৰে লৈছে সেইটোহে ডাঙৰ কথা। ঊষা-অনিৰুদ্ধৰ প্ৰেমৰ মাজত সখী চিত্ৰলেখাই এগৰাকী ডাকোৱালৰ ভূমিকা গ্ৰহণ কৰিছিল। তেওঁ পিছে সময়ত দুয়োৰে বাবে পত্ৰবন্ধুৰো ভূমিকা লৈছিল।

এতিয়া পিছে বন্ধুত্বৰ মাজত পত্ৰ বন্ধু শব্দটো নাই। ফেচবুক, এছ এম এছে গুৰুত্বহীন কৰিছে এই ধাৰণাটোক। কাৰোবাৰ স'তে বন্ধুত্ব গঢ়ি উঠে, 'মিছড ক'ল', 'ক্ৰ'ছ কানেকচন', ভুলকৈ আন নম্বৰলৈ মেছেজ প্ৰেৰণৰ ক্ষেত্ৰত। অৱশ্যে ইয়াৰ অধিকাংশই এনেধৰণৰ ঘটনা জানি-বুজিয়েই সংঘটিত কৰিছে। গতিকে কেনেবাকৈ যদি এই প্ৰক্ৰিয়াৰে বন্ধুত্ব গঢ়িও উঠে তেতিয়াহ'লে ইয়াৰ স্থায়িত্ব কম হয়। তদুপৰি এনে ধৰণৰ লোকে স্বাৰ্থৰ বাবেহে বন্ধুত্ব গঢ়ি তোলাত গুৰুত্ব দিয়ে। এনেদৰে বন্ধুত্ব গঢ়িলে পদে পদে বিপদ হোৱাৰহে আশংকা থাকে। আজি-কালি এনেদৰে বন্ধুত্ব গঢ়া লোকৰ অভাৱ নাই। ফলত নিতৌ সংঘটিত হ'বলৈ ধৰিছে অপৰাধজনিত ঘটনা। আগ-গুৰি নোহোৱাকৈ অথবা একো নজনাকৈ কাৰোবাৰ স'তে বন্ধুত্ব গঢ়াৰ পৰিণতি কিমান ভয়াৱহ হ'ব পাৰে তাৰেই প্ৰতিফলন ঘটিছে শেহতীয়া ঘটনাৱাজিত। এটা মিছড ক'ল বা এছ এম এছৰ ঘটনা অতি কম সময়ৰ ভিতৰতে প্ৰেমলৈ পৰ্যৱসিত হয়। আনকি এসপ্তাহৰ ভিতৰত পলাই যোৱা, অপহৰণ, ধৰ্ষণ কৰি হত্যা কৰা, পৰকীয়া প্ৰেমৰ সম্পৰ্ক গঢ়ি উঠাও দেখা যায়। মাত্ৰ কেইদিনমানৰ চিনাকিতে সিও নেদেখাকৈয়ে কেৱল ম'বাইল ফোনৰ জৰিয়তে কথোপকথন হোৱা চিনাকিত প্ৰেমৰ সম্পৰ্ক গঢ়ি তুলি বিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ ফলত সংঘটিত হ'বলৈ ধৰিছে ধৰ্ষণ, বলাৎকাৰ, হত্যা, হত্যাৰ চেষ্টা, অপহৰণৰ দৰে জঘন্য ঘটনা। আগতে পত্ৰবন্ধুৰ ক্ষেত্ৰত এনেধৰণৰ ঘটনা লাখৰ ভিতৰত এটাহে সংঘটিত হৈছিল। এতিয়া পিছে হেজাৰৰ ভিতৰত ৯০০টাই এনে ঘটনাৰ স্বীকাৰ হোৱা দেখা যায়।

# অসমৰ অৰ্থনৈতিক উন্নয়নৰ বাবে নৱ-প্ৰজন্মই কৰক ব্যৱসায়

অসমত ব্যৱসায়ৰ ক্ষেত্ৰত প্ৰচুৰ সম্ভাৱনা আছে। প্ৰাকৃতিক সম্পদৰে ভৰপূৰ অসম ৰাজ্যত ব্যৱসায়-বাণিজ্যৰ ক্ষেত্ৰত এখন বহল পৰিসৰ থকাৰ পাছতো কিন্তু ইয়াৰ প্ৰসাৰ হোৱা নাই। অৰ্থনৈতিকভাৱে ৰাজ্যখন যিমান শক্তিশালী হ'ব লাগিছিল তাৰ অৰ্ধেকো হোৱা নাই। ইয়াৰ কাৰণ বুলি যদি প্ৰশ্ন উত্থাপন হয়, তেতিয়াহ'লে বিভিন্নজনে বিভিন্ন ব্যাখ্যা আগ বঢ়াব। একাংশৰ মতে অসমত ব্যৱসায়-বাণিজ্যৰ বাবে এখন উপযুক্ত ক্ষেত্ৰতৰ অভাৱ। আন একাংশৰ দৃষ্টি আকৌ কেন্দ্ৰীয় চৰকাৰে ইমান দিনে অসমক গুৰুত্ব প্ৰদান নকৰাৰ বাবে এনে হোৱা বুলি ব্যাখ্যা আগবঢ়াব। কাৰণ যিয়েই ব্যাখ্যা নকৰক কিয় ব্যৱসায়-বাণিজ্যৰ ক্ষেত্ৰত এতিয়াও একাংশ যুৱক-যুৱতী আগ্ৰহী নহয়। তেওঁলোক কেৱল চাকৰিমুখী হৈছে। সমাজব্যৱস্থাত চাকৰিয়াল লোকক প্ৰাধান্য দিয়া হয় বাবে আজিকালি সকলোৱে চাকৰিমুখী হোৱা দেখা যায়। আনহাতে, আমাৰ শিক্ষা পদ্ধতিটো এনেদৰে প্ৰস্তুত কৰা হৈছে যে পঢ়া সমাপ্ত হোৱাৰ

পাছতহে এটা চাকৰিৰ বাবে পথ মুকলি হয়। অন্য পথলৈ যাব নোৱাৰে; কিন্তু পৃথিৱীত কোনো শিক্ষা ব্যৱস্থাই এজন শিক্ষিত লোকক আন এটা ক্ষেত্ৰত প্ৰৱেশত বাধা দিয়া নাই। ডাক্তৰ, ইঞ্জিনিয়াৰ হৈও ব্যৱসায় কৰা লোক আমাৰ সমাজতে আছে। বিজ্ঞান শাখাৰ স্নাতকোত্তৰ ডিগ্ৰীধাৰীয়েও ব্যাকৰণ লিখিছে। ক'লা শাখা অধ্যয়ন কৰিও ব্যৱসায়ত উন্নতিৰ জখলা বগোৱা লোক আমাৰ সমাজতে আছে। বাণিজ্য শাখাৰ ছাত্ৰ-ছাত্ৰীয়েও সাহিত্য চৰ্চা কৰা দেখা যায়। অথবা আৰক্ষী বিভাগত চাকৰি কৰিছে। গতিকে ব্যৱসায়ত মনোনিৱেশ কৰাৰ ক্ষেত্ৰত শিক্ষা কেতিয়াও অন্তৰায় হ'ব নোৱাৰে।

'বাণিজ্যে বসতে লক্ষ্মীঃ', অৰ্থাৎ ব্যৱসায়-বাণিজ্যতহে লক্ষ্মীদেৱীয়ে বাস কৰে। ব্যৱসায় কৰা লোকসকলক যে অশিক্ষিত বা চাকৰি নাপাই এই ক্ষেত্ৰত প্ৰৱেশ কৰিছে তেনে নহয়, উচ্চ শিক্ষা লাভ কৰিও চৰকাৰী চাকৰিলৈ আশা পালি নাথাকি ব্যৱসায়-বাণিজ্যৰে আত্মনিৰ্ভৰশীল হোৱা লোকৰ সংখ্যাই অধিক।

ব্যৱসায়ীসকল এদিনতে ধনী নহয়, দীৰ্ঘদিন ধৰি ব্যৱসায় কৰাৰ পাছতহে লাভৰ মুখ দেখে। সপোনতহে এজন লোকে আলাউদ্দিনৰ চাকিৰে সফল ব্যৱসায়ী হ'ব পাৰে; কিন্তু বাস্তৱত এয়া সম্ভৱ নহয়। ব্যৱসায়ত উন্নতি কৰিবলৈ হ'লে ধৈৰ্যৰ প্ৰয়োজন। গতিকে নৱ প্ৰজন্ময়ো ধৈৰ্যৰে মনোনিৱেশ কৰিলেহে উন্নতিৰ শীৰ্ষস্থানত উপনীত হ'ব পাৰিব। অসমত ব্যৱসায়ৰ ক্ষেত্ৰত প্ৰচুৰ সম্ভাৱনা আছে। ক্ষুদ্ৰ উদ্যোগৰ পৰা আৰম্ভ কৰি বৃহৎ বৃহৎ উদ্যোগ স্থাপনৰ বাবে সম্ভাৱনা থকা সত্ত্বেও ৰাজ্যখন ব্যৱসায়-বাণিজ্যত আগবাঢ়িব পৰা নাই। দেশ, ৰাজ্য আৰু সমাজ এখনৰ উন্নয়ন নিৰ্ভৰ কৰে অৰ্থনৈতিক অৱস্থাৰ ওপৰত। অৰ্থনৈতিকভাৱে শক্তিশালী দেশ বা ৰাজ্য এখনক সকলোৱে সমীহ কৰে। এই কথা ভাবিয়েই অসমৰ আজিৰ প্ৰজন্মই ব্যৱসায়-বাণিজ্যত মনোনিৱেশ কৰা উচিত। অসমত যদি এটা গামোচা বোৱা বা প্ৰস্তুত কৰা উদ্যোগ স্থাপন কৰে তেনেহ'লে কিমান লোকে পেটৰ ভাতমুঠি মোকলাব পাৰিব এবাৰ ভাবি চাওকচোন। জাপি, বাঁহ-বেতৰ আচবাবৰ সমাদৰ সকলোতে আছে। গতিকে এইবোৰ ব্যৱসায়িক ভিত্তিত প্ৰস্তুত কৰি বিদেশলৈ অথবা বহিঃৰাজ্যলৈ ৰপ্তানি কৰা হয় তেনেহ'লে ৰাজ্যখনে কিমান ধন পালেহেঁতেন। কেৱল সেয়াই

নহয়, কাঁহ শিল্পৰ প্ৰসাৰৰ বাবে ব্যৱসায় কৰা লোকৰ সংখ্যা তেনেই তাকৰীয়া। কাঁহৰ পৰা প্ৰস্তুত কৰা বাচন-বৰ্তনে সকলোতে সমাদৰ লাভ কৰে। গতিকে এইবোৰৰ যদি যথাযথ উন্নতি সাধন কৰা হয় তেতিয়াহ'লে ব্যৱসায়ীজনৰ লগতে ৰাজ্যখনৰ অৰ্থনৈতিক অৱস্থা কিছু পৰিমাণে হ'লে শক্তিশালী হ'লহেঁতেন।

সমগ্ৰ বিশ্বতেই চৰকাৰী খণ্ডতেই হওক অথবা ব্যক্তিগত খণ্ডতেই নহওক কিয় সকলোতে চলিছে চাটাই অভিযান। আনকি বহুতো বৃহৎ বৃহৎ কোম্পানীয়ে কৰ্মচাৰীক স্বেচ্ছাই অৱসৰ ল'বলৈ বাধ্য কৰোৱা ঘটনাও সংঘটিত হৈছে। কিন্তু ব্যৱসায়-বাণিজ্যৰে আত্মনিৰ্ভৰশীল হ'লে এনে আশংকা নাথাকে। লোকজন আত্মনিৰ্ভৰশীল হোৱাৰ লগতে আন দহজনক কৰ্মসংস্থাপনো দিব পাৰে। সেইবাবে অসমৰ থলুৱা উদ্যোগসমূহ পুনৰুজ্জীৱিত কৰি ৰাজ্যখনৰ অৰ্থনৈতিক অৱস্থা শক্তিশালী কৰিবলৈ নৱ-প্ৰজন্মই ওলাই অহা উচিত।

# পোহৰৰ উৎসৱতো চীনৰ সামগ্ৰী

পোহৰৰ উৎসৱ দ্বীপান্বিতা এতিয়া পাষ্টিক আৰু প্ৰদূষণৰ উৎসৱলৈহে পৰ্যৱসিত হৈছে। এনে অস্বাস্থ্যকৰ পৰিৱেশ এটি গঢ়ি তোলাত ইন্ধন যোগাইছে চীনা সামগ্ৰীয়ে। বিগত দুটামান বৰ্ষত দ্বীপান্বিতাৰ সময়ত বজাৰ ভৰি পৰিছে চীনত প্ৰস্তুত কৰা পাষ্টিকৰ চাকি, মমবাতি, কলগছ, আতচবাজী, বোমাৰে। কিন্তু এইবোৰ দেখি মনত এনে এটি ভাব হয় যেন পোহৰৰ উৎসৱকো মানুহে পণ্য কৰি পেলালে। ইতিহাসে ঢুকি নোপোৱা দিনৰে পৰাই দ্বীপান্বিত উৎসৱ পালন কৰি অহা হৈছে। কলগছত বাঁহৰ কাঠি মাৰি প্ৰজ্বলন কৰা মাটিৰ চাকিৰ পোহৰৰ সৌন্দৰ্য আন ক'তো বিচাৰি পোৱা নাযায়। মিঠাতেলৰ চাকি চাৰিওফালে জ্বলিলে দূৰৰ পৰা প্ৰত্যক্ষ কৰি যি অনাবিল আনন্দ উপভোগ কৰা হয় সেয়া প্লাষ্টিকৰ চাকিত কোনোদিনে প্ৰতিফলিত নহয় আৰু হ'বও নোৱাৰে।

দ্বীপান্বিতাত চাকিৰ পোহৰে যে কেৱল সৌন্দৰ্য বৃদ্ধি কৰে তেনে নহয়, সমান্তৰালভাৱে বহুতো শস্যক ৰোগৰ পৰা ৰক্ষা কৰে। এই চাকিৰ জুইত

ধাননি পথাৰৰ লগতে শস্যত থকা পোক-পৰুৱা জাহ যায়। শস্যডৰা ভাল হয়। দ্বিপান্বিতাক সংস্কৃতিৰ প্ৰতীক হিচাপে গণ্য কৰা হৈছে। পৌৰাণিক উপাখ্যানসমূহেও এই কথাকেই সোঁৱৰাই দিয়ে। প্ৰভু ৰামচন্দ্ৰই লংকা জয় কৰি অযোধ্যালৈ ওভতাৰ দিনা প্ৰজাসকলে তেওঁক আদৰিবলৈ পদূলি মুখত বন্তি প্ৰজ্বলন কৰাৰ অৰ্থ এইটোৱে আছিল যে প্ৰজাসকলে দুষ্কৃতিকাৰী বিনাশ

হোৱাত সুখী হৈছিল। আনহাতে, আন বহুতো পৌৰাণিক উপাখ্যানো পোৱা যায়। উপাখ্যান যিয়েই নহওক কিয়— সকলোতে কিন্তু দুৰ্নীতি বিনাশ হোৱাটোৱে প্ৰতিফলিত হৈছে। এতিয়া এই পৰম্পৰাত একাংশ অসাধু ব্যৱসায়ীয়ে আঘাত হানিবলৈ চেষ্টা চলাইছে। পৰম্পৰা ধ্বংস কৰিবলৈ চেষ্টা চলোৱাসকলকৰ লক্ষ্য পিছে ব্যৱসায় সম্প্ৰসাৰণ কৰা। যিকোনো উপায়েৰে ব্যৱসায় সম্প্ৰসাৰিত কৰি এবাৰ যদি কেনেবাকৈ মানুহৰ মনত সোমাব পাৰে তেন্তে আৰু কথা নাই। এফালৰ পৰা গোগ্ৰাসে গিলিব পাৰিব।

ইতিমধ্যে চীনা সামগ্ৰীৰে ভৰি পৰিছে ৰাজ্যখন বজাৰ। প্লাষ্টিক চাকি, মমবাতি, কলগছবোৰে পৰোক্ষভাৱে প্ৰদূষণ কৰাতহে সহায় কৰে। এই পেলনীয়া সামগ্ৰীয়ে মাটিৰ উৰ্বৰা শক্তি ধ্বংস কৰিছে। এইবোৰ প্লাষ্টিকৰ সামগ্ৰী যেতিয়া খেতিপথাৰত উপচি পৰে সেইবোৰে শস্য উৎপাদনতো ব্যাঘাত জন্মায়। এইবোৰ প্লাষ্টিকৰ সামগ্ৰীয়ে মাটিৰ গুণাগুণ নষ্ট কৰে। এই বিষয়ে কিন্তু কোনোৱে এবাৰো ভাবি নাচায়। এনে ধৰণৰ সৰু-সুৰা কথাত আমি যদিও গুৰুত্ব নিদিও তথাপি পৰোক্ষভাৱে চীনে অসমৰ অৰ্থনীতিতো আঘাত হানিছে।

দ্বীপান্বিতৰ আগমনৰ লগে লগে অসমৰ বিভিন্ন ঠাইত মৃৎ শিল্পীসকল ব্যস্ত হৈ পৰে মাটিৰ চাকি, কলগছকে আদি কৰি বিভিন্ন ধৰণৰ দ্বীপান্বিতাত ব্যৱহৃত সামগ্ৰী প্ৰস্তুত কৰাত। মাজুলী, বৰপেটা, নলবাৰী, কামৰূপ, শোণিতপুৰ, দৰং, গোৱালপাৰা, ধুবুৰী আদি জিলাত সবাতোকৈ বেছি মাটিৰ সামগ্ৰী উৎপাদন হয়। এই থলুৱা মৃৎ শিল্পীসকলে প্ৰস্তুত কৰা সামগ্ৰীসমূহ উন্নতমানৰ। এইবোৰ সামগ্ৰী দেখিলেই অনুমান কৰিব পাৰি। তদুপৰি অসমৰ বিভিন্ন ঠাইত বিশেষকৈ বৰপেটা, নলবাৰীৰ থলুৱা লোকসকলে নিৰ্মাণ কৰা আতচবাজী, ফটকা আদিৰো আছে এক সুকীয়া আসন বৰপেটাৰ আতচবাজী বুলি ক'লৈই সকলোৱে প্ৰত্যক্ষ কৰিবলৈ আগ্ৰহী হয়। নলবাৰীৰ দৌলাশালতো

অনুৰূপ ছবি এখন ফুটি উঠে। ইয়াৰ স'তে জড়িত হৈ আছে বহুতো লোক। কৰ্মসংস্থান লাভ কৰি থকা এইসকল লোকৰ পেটৰ ভাতমুঠিলৈ আশংকা কঢ়িয়াইছে চীনৰ সামগ্ৰীয়ে।

অসমত সম্প্ৰতি বৰ্তি থকা সৰু সৰু উদ্যোগসমূহৰ ভিতৰত অন্যতম হ'ল আতচবাজী প্ৰস্তুত কৰা উদ্যোগ। ৰাজ্যখনৰ কে'বাঠাইত এনে উদ্যোগ প্ৰতিষ্ঠা হৈছে। বিজ্ঞাপন অবিহনে ৰাইজৰ মাজত সমাদৰ লাভ কৰিছে এই উদ্যোগসমূহত প্ৰস্তুত কৰা আতচবাজী, ফটকাই। ই উনতমানৰ বাবে সকলোৱে বিচাৰে হাতত পাবলৈ। একেদৰে মৃৎ শিল্পক লৈও অসমবাসীয়ে গৌৰৱ কৰে। কাৰণ ৰাজ্যখনৰ বিভিন্ন ঠাইত প্ৰস্তুত কৰা মাটিৰ বাচন-বৰ্তন, সা-সামগ্ৰীৰ মান আন ৰাজ্যত প্ৰস্তুত কৰা সামগ্ৰীবোৰতকৈ বহুত উন্নতমানৰ। ইয়াৰ আছে এক সুকীয়া বৈশিষ্ট্য। মাটিৰ বাচনসমূহ আগতে যে কেৱল পূজাৰ সামগ্ৰী হিচাপে গ্ৰহণ কৰিছিল তেনে নহয়, দৈনন্দিন প্ৰয়োজনীয় সামগ্ৰী হিচাপেও ব্যৱহাৰ কৰিছিল। মাটিৰ ফিল্টাৰ, চৰু, পানী জমা কৰি ৰখা হাণ্ডি বা ডাঙৰ পাত্ৰ, গাখীৰ জমা কৰিবলৈ ব্যৱহাৰ কৰা পাত্ৰ আদিৰো আছিল এক বিশেষ আসন। এইবোৰত ৰখা খাদ্য খোৱা বাবে মানুহৰ পেটৰ অসুখৰ লগতে আন বহুতো ৰোগৰ পৰা হাত সাৰিব পৰাটো সম্ভৱ হৈছিল। অসমীয়া শিল্পীৰ এই চানেকিবোৰলৈ সম্প্ৰতি প্ৰত্যাহ্বান আহি পৰিছে। এই প্ৰত্যাহ্বান সৃষ্টি কৰিছে সস্তীয়া চীনা সামগ্ৰীয়ে। অতি নিম্নমানৰ এনে সামগ্ৰীসমূহৰ মূল্য তুলনামূলকভাৱে কম হোৱা বাবে সকলোৱে এইবোৰকে ক্ৰয় কৰিব বিচাৰে। সস্তীয়া আৰু স্বাস্থ্যৰ বাবে হানিকাৰক চীনা সামগ্ৰীসমূহে কেৱল এখন বৃহৎ বজাৰেই সৃষ্টি কৰা নাই, সমান্তৰালভাৱে চৰম হতাশা আৰু মৃত্যুমুখী কৰিছে। অতিসম্প্ৰতি এইসকল শিল্পী আৰু আতচবাজী ব্যৱসায়ীৰ পৰিয়ালৰ অৱস্থা পানীত হাঁহ নচৰা অৱস্থা হৈছে।

দ্বীপান্বিতাৰ বাবে দুমাহ-তিনিমাহমান আগৰে পৰাই কুমাৰসকলৰ ব্যস্ততাৰ অন্ত নাই। কিছুবছৰ আগলৈকে মাজুলীৰ পৰা এনেধৰণৰ আকৰ্ষণীয় চাকিৰ লগতে আন সামগ্ৰী ৰাজ্যখনৰ বিভিন্ন ঠাইলৈ নি বিক্ৰী কৰা হৈছিল। বিশ্বৰ বৃহত্তম নদী দ্বীপটোৰ কে'বাখনো গাঁৱৰ ৰাইজে আজোককাৰ বৃত্তিটো খামুচি ধৰি আছে। অৱশ্যে খহনীয়াই অঞ্চলটোত ভয়াবহ ৰূপ ধাৰণ কৰাত এতিয়া

নাৰেৰে মাটিৰ সামগ্ৰী বিক্ৰী কৰিবলৈ বণিকসকল ওলোৱা দৃষ্টি অতীত হ'ল। তদুপৰি উক্ত অঞ্চলটোত চীনত নিৰ্মিত সামগ্ৰী উপলব্ধ হোৱাত যি দুই-এজনে বৃত্তিটোৰ স'তে জড়িত হৈ আছে তেওঁলোকৰ অৱস্থাও পানীত হাঁহ নচৰাৰ লেখীয়া হৈছে। এইসকল পৰিয়ালে চকুপানী টুকিয়েই দিন অতিবাহিত কৰিবলগীয়া হৈছে। নলবাৰীৰ হীৰাপাৰাত এতিয়া মৃৎ শিল্পীসকলৰ মাজত হাহাকাৰ অৱস্থাৰ সৃষ্টি হৈছে। ইতিমধ্যে গাঁও দুখনৰ নৱ-প্ৰজন্মৰ মাজত এই শিল্পটো এলাগী হৈ পৰিছে। অনিহা জন্মাৰ মূলতে হ'ল এনে সামগ্ৰীৰ চাহিদা আছে যদিও সম্প্ৰতি চীনা সামগ্ৰীয়ে প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছে। যুগ যুগ ধৰি এই শিল্পটোত ব্ৰতী হোৱা একাংশ শিল্পীয়ে অনিচ্ছা সত্বেও বৃত্তিটো এৰিবলৈ বাধ্য হৈছে। বৃত্তিটো এওঁলোকে এৰিবও নোৱাৰা বেৰিবও নোৱাৰা অৱস্থা হৈছে। পৰিয়ালক পোহপাল দিবলৈ পুৰাৰে পৰা অশেষ কষ্ট কৰি আহিছে যদিও ৰজাঘৰীয়া সাহায্য নোপোৱাত এওঁলোকৰ পৰিয়াললৈ অমানিশা নামি আহিছে। একেধৰণৰ প্ৰতিচ্ছবি ফুটি উঠিছে ধুবুৰী, তেজপুৰ আদিৰ মৃৎ শিল্পীসকলৰ। তেওঁলোকে চীনৰ সস্তীয়া সামগ্ৰীৰ দৰে নিম্নমানৰ সামগ্ৰী প্ৰস্তুত কৰিব নোৱাৰে। কাৰণ এইসকল শিল্পীয়ে নিজৰ সৃষ্টি কৰ্মক বেপৰোৱা নকৰে। এসাঁজ খাই এসাঁজ লঘোনে থাকিলেও পৰম্পৰাত আঘাত হানিবলৈ ইচ্ছুক নহয়।

বৰপেটা, নলবাৰীৰ আতচবাজীৰ উদ্যোগৰ স'তে জড়িত লোকসকলৰ ক্ষেত্ৰতো একে ধৰণৰ ছবি ফুটি উঠিছে। অতি উচ্চমানৰ আতচবাজী, ফটকাৰ বজাৰখনতো চীনৰ আতচবাজীৰ আধিপত্য। নিম্নমানৰ চীনৰ আতচবাজী কম দামত পোৱা যায় বাবে গ্ৰাহকেও এনে সামগ্ৰীবোৰ ক্ৰয় কৰাত ইয়াৰ পৰোক্ষ প্ৰভাৱ পৰিছে বৰপেটা, নলবাৰীৰ আতচবাজীৰ বজাৰখনত। গতিকে চীনৰ আগ্ৰাসন প্ৰতিৰোধ কৰিবলৈ আমি থলুৱা বজাৰখনৰ ওপৰত গুৰুত্ব প্ৰদান কৰিবই লাগিব। নহ'লে অসমৰ অৰ্থনীতিত ইয়াৰ প্ৰভাৱ পৰিব। ধনী হ'ব চীন, ভাগি পৰিব অসমৰ অৰ্থনীতি।

# আন্তৰ্জাতিক সীমা বিবাদ

দুখন দেশৰ মাজত আন্তৰ্জাতিক সীমা নিৰ্ধাৰণ কৰা হয়। এই সীমাই দুয়োখন দেশৰ ভৌগলিক সীমা নিৰ্ধাৰণ কৰে। ইতিহাসে ঢুকি নোপোৱা দিনৰে পৰাই সমগ্ৰ বিশ্বতে এই ধাৰা অব্যাহত আছে; কিন্তু সকলো দেশৰ মাজত এনে আন্তৰ্জাতিক সীমা থাকিলেও বিগত তিনি-চাৰি দশকত সৰ্বাধিক চৰ্চিত হৈছে ভাৰত চীনৰ মাজত থকা মেক-মোহন লাইনৰ লগতে ভাৰত-পাকিস্তান, পশ্চিম জাৰ্মানী-পূব জাৰ্মানী, উত্তৰ কোৰিয়া-দক্ষিণ কোৰিয়াৰ মাজত থকা সীমা বিবাদ।

উত্তৰ কোৰিয়া আৰু দক্ষিণ কোৰিয়াৰ মাজত সীমা বিবাদক লৈ চলা যুদ্ধখন দীঘলীয়া। ১৯৫৩ চনৰ 'কোৰিয়ান আৰ্মিষ্টিক এগ্ৰিমেণ্ট' অনুসৰি কোৰিয়াৰ যুদ্ধৰ অৱসান ঘটিলেও পৰৱৰ্তী সময়ত দুয়োখন দেশৰ মাজত শীতল যুদ্ধ চলিয়েই থাকিল। ১৯৫৩ চনৰ ৩০ আগষ্টত ৰাষ্ট্ৰসংঘ আৰু আমেৰিকা যুক্তৰাষ্ট্ৰ উমৈহতীয়া প্ৰচেষ্টাত 'নডাৰ্ন লিমিট লাইন' অংকন কৰা হৈছিল। ফেল্ল' চীবাই আঁকা পশ্চিম সাগৰত অংকন কৰা এই সীমাৰ স্থিতিক ১৯৭৩ত উত্তৰ কোৰিয়াই প্ৰত্যাহ্বান জনায়। পৰৱৰ্তী সময়ত দক্ষিণ কোৰিয়াই

ইয়াৰ বিৰোধিতা কৰাত দুয়োখন দেশৰ মাজত আৰম্ভ হয় শীতল যুদ্ধ। সম্প্ৰতি এই যুঁজখনৰ অৱসান ঘটা নাই। দৰাচলতে দুয়োখন দেশৰ ৰাজনৈতিক নেতাসকলে এই যুঁজখনক লৈয়ে দেশত ৰাজনীতি চলাই আছে। একাংশ নেতাই এই যুঁজখনৰ অৱসান ঘটাবলৈ অহর্নিশে চেষ্টা চলাই আছে যদিও আন একাংশ নেতাই আকৌ এই কার্যত বিধি-পথালি দি আছে। আনহাতে, এই শীতল যুঁজখনত দুয়োখন দেশৰ সেনাপ্ৰধানেও শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিবলৈ গৈ আত্মসমৰ্পণ কৰিব খোজা নাই। এইক্ষেত্ৰত দক্ষিণ কোৰিয়াৰ ভূমিকা কিছু নৰম হ'লেও উত্তৰ কোৰিয়াই আক্ৰমণাত্মক ভূমিকা গ্ৰহণ কৰা পৰিলক্ষিত হৈছে।

১৯৮৯ চনলৈকে বাৰ্লিন ৱাল'খনেও পূব জাৰ্মানী আৰু পশ্চিম জাৰ্মানীৰ মাজত থকা শত্ৰুতাৰ কথা সোঁৰৰাই দিছিল। ১৯৬১ চনত জাৰ্মান ডেম'ক্ৰেটিক ৰিপ্লাবিকে (পূব জাৰ্মানী) 'বাৰ্লিন ৱাল'খন নিৰ্মাণ কৰিছিল। দ্বিতীয় বিশ্বযুদ্ধৰ পাছত দেশখন দুটুকুৰা (পূব-পশ্চিম জাৰ্মানী) হোৱাত পূব জাৰ্মানীয়ে পশ্চিম জাৰ্মানীৰ ওপৰত আধিপত্য বিস্তাৰ কৰিবলৈ সকলো প্ৰকাৰৰ শক্তি প্ৰদৰ্শন কৰিছিল। এসময়ত দুয়োখন দেশৰ সম্পৰ্ক অহিনকুল আছিল। সুযোগ পালেই এখন দেশে আনখন দেশৰ ওপৰত জপিয়াই পৰিছিল। আশী দশকৰ শেষৰ ফালে পূব জাৰ্মানী আৰু পশ্চিম জাৰ্মানীৰ নেতাসকলে বিষয়টো ৰাজনৈতিকভাৱে সমাধান কৰিবলৈ আগবাঢ়ি আহিল। সেইমৰ্মে ১৯৮৯ চনত 'বাৰ্লিন ৱাল'ৰ বিলোপ কৰা হ'ল। দুয়োখন দেশ একগোট হোৱাত বিশ্বত জাৰ্মানী শক্তিশালী ৰূপত অৱতীৰ্ণ হ'বলৈ সুযোগ লাভ কৰিলে। ৰাজনৈতিক ক্ষেত্ৰৰ পৰা আৰম্ভ কৰি ক্ৰীড়া, সংস্কৃতি, অৰ্থনীতি আদি সকলো ক্ষেত্ৰতেই জাৰ্মানীয়ে শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিবলৈ সক্ষম হ'ল। ডেৰ দশক আগলৈকে পূব জাৰ্মানী আৰু পশ্চিম জাৰ্মানীয়ে পৃথকে পৃথকে দ্য গ্ৰেটেষ্ট শ্ব অন দ্য আৰ্থ, ৰূপে খ্যাত অলিম্পিকত অংশগ্ৰহণ কৰিলেও দেশ দুখনৰ প্ৰদৰ্শন আছিল আশাব্যঞ্জক। পিছে দুয়োখন দেশে যেতিয়াৰে পৰা এক হৈ অলিম্পিকত অংশগ্ৰহণ কৰিলে তেতিয়াৰে পৰা পদকৰ সংখ্যা বৃদ্ধি পালে। অতীতৰ শক্তিশালী জাতিটোৱে পুনৰ অধিক শক্তিশালী ৰূপত মূৰ দাঙিবলৈ সক্ষম হ'ল মাত্ৰ 'বাৰ্লিন ৱাল'ৰ বিলোপেৰে।

ভাৰত-পাকিস্তানৰ সীমা বিবাদৰ দৰে ভাৰত-চীনৰ সীমা বিবাদো দীৰ্ঘদিন ধৰি চৰ্চিত হৈ আহিছে। পাকিস্তানে কাশ্মীৰ দখল কৰিবলৈ চেষ্টা চলোৱাৰ দৰে চীনেও অৰুণাচল দখল কৰিবলৈ ১৯৬২ চনৰ পৰাই চেষ্টা চলাই আহিছে। ভাৰত-চীনৰ মেক-মোহন আন্তৰ্জাতিক সীমা বিবাদো সময়ে সময়ে চৰ্চা হৈ আহিছে। চীনে ইতিমধ্যে অৰুণাচল প্ৰদেশক চীনৰ মানচিত্ৰত অন্তৰ্ভুক্ত কৰিছে। আনকি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে চীন ভ্ৰমণ কৰাৰ সময়তো চীনৰ সংবাদ মাধ্যমত দেশখনৰ মানচিত্ৰত অৰুণাচল প্ৰদেশক অন্তৰ্ভুক্ত কৰাৰ বিষয়ে ভাৰতৰ সংবাদ মাধ্যমত বাতৰি প্ৰকাশ পাইছিল। মোদীৰ চীন ভ্ৰমণৰ সময়ত এনে বাতৰি পৰিৱেশন কৰি প্ৰধানমন্ত্ৰীয়ে দেশখনৰ স'তে সম্পৰ্ক গঢ়ি তুলিব খোজা প্ৰচেষ্টাত ব্যাঘাত জন্মোৱাৰ চেষ্টা চলাইছিল। ইতিমধ্যে চীনে হিমালয়লৈকে ৰে'লপথ নিৰ্মাণৰ লগতে সুচল পথ নিৰ্মাণ কৰি ভাৰতক একপ্ৰকাৰ প্ৰত্যাহ্বান জনাইছে। চীনে হিমালয়ত হেলিপেড নিৰ্মাণ কৰাটো ভাৰতৰ বাবে শংকাৰ কাৰণ হৈ পৰিছে।

ইপিনে, ভাৰত-পাকিস্তানৰ সীমা বিবাদৰ কথাটো ক'বই নালাগে। কাশ্মীৰ সীমান্তত যুদ্ধ-বিৰতিৰ চুক্তি পাক সেনাই বিগত সময়তছোৱাত কিমানবাৰ উলংঘন কৰিছে তাৰ হিচাপ নাই। তদুপৰি যেতিয়াই ভাৰত-পাক আলোচনাৰ দিন স্থিৰ কৰা হয়, তেতিয়াই পাকিস্তানী সেনাই ভাৰতৰ ওপৰত আক্ৰমণ আৰম্ভ কৰে। পাকিস্তানে কাশ্মীৰ দখলৰ বাবে অহৰ্নিশে চেষ্টা চলাই আহিছে। ইতিমধ্যে কে'বাখনো আলোচনা বাতিল হৈছে একমাত্ৰ পাক সেনাৰ ষড়যন্ত্ৰত। কাৰণ পাক সেনাই ভাৰত বিৰুদ্ধে তিনিবাৰ সমুখ সমৰত অৱতীৰ্ণ হৈ আটাইকেইখনতে পৰাস্ত হোৱাৰ গ্লানি পাহৰিব পৰা নাই।

# ভাতসাঁজ আৰু মাতৃৰ ভূমিকা

সন্তানক লালন-পালন কৰাত পিতৃ-মাতৃৰ সমানেই দায়িত্ব। স্বাৱলম্বী নোহোৱালৈকে সন্তানৰ দায়িত্ব পিতৃ-মাতৃয়ে গ্ৰহণ কৰাটো আমাৰ সমাজৰ পৰম্পৰা। এই পৰম্পৰা আজিও অব্যাহত আছে; কিন্তু মাজতো এতিয়া কিছু কিছু ক্ষেত্ৰত পৰিৱৰ্তন দেখা যায়। বিশেষকৈ সন্তানক লালন-পালন কৰোতে এনে পৰিৱৰ্তন স্পষ্ট হৈ পৰিছে। শিশু এটি ভূমিষ্ঠ হোৱাৰ সময়ত মাতৃ দুগ্ধ খাই প্ৰাণ ৰক্ষা কৰে। কিছুমানৰ জন্মৰ সময়তে মাতৃৰ মৃত্যু হয়। এনে সন্তানে আন মাতৃৰ গাখীৰ খাই জীয়াই থকাৰ উদাহৰণো আমাৰ সমাজখনতে আছে। শিশুটিয়ে পৃথিৱীৰ পোহৰ দেখাৰ সময়ত শৰীৰটোৰ বাবে প্ৰয়োজনীয় খাদ্যখিনি মাতৃ দুগ্ধৰ ৰূপতে লাভ কৰে। গতিকে প্ৰথমখিনি গাখীৰ খোৱাৰ পাছতে খাদ্য গ্ৰহণ প্ৰক্ৰিয়াও মাতৃৰ জৰিয়তেই আৰম্ভ হয়। পৃথিৱীৰ পোহৰ দেখাৰ পাছতে প্ৰথমে মাতৃকেই পায় সন্তানে। সেইবাবে পিতৃৰ তুলনাত মাতৃৰ পৰা অলপ হ'লেও বেছি আদৰ পায়।

আমাৰ সমাজখন পুৰুষপ্ৰধান। সেইবাবে প্ৰায়সংখ্যক মহিলাই ঘৰৰ চাৰিবেৰৰ মাজত আবদ্ধ থাকিয়েই কাম-কাজ পৰিচালনা কৰে। ঘৰৰ প্ৰায়ভাগ দায়িত্ব মহিলাগৰাকীৰ ওপৰতে পৰে। সন্তানৰ আপদাল কৰাৰ পৰা আৰম্ভ কৰি খাদ্য প্ৰস্তুত, বজাৰ-সমাৰৰ হিচাপ আদি মহিলাগৰাকীয়েই কৰিবলগীয়া হয়। ঘৰৰ বাহিৰৰ কামখিনি সাধাৰণতে পুৰুষজনেই সম্পাদন কৰে। সেইবাবে পুৰুষসকলে ঘৰুৱা কাম-কাজত বেছি সময় ব্যস্ত থাকিব নোৱাৰে। তথাপি তাৰ মাজে মাজে ঘৰুৱা কাৰ্য সম্পাদন নকৰাকৈও নাথাকে। পত্নীয়ে স্বামীৰ কষ্ট লাঘৱ কৰিবলৈ সন্তানৰ লালন-পালন কৰে। ল'ৰা-ছোৱালীয়ে কেনে খাদ্য খাব বা খুৱাব, কেনে খাদ্য খালে শৰীৰৰ উন্নতি হ'ব ইত্যাদি বিষয়ক লৈ প্ৰায়সংখ্যক মাতৃয়ে দিনটো ব্যস্ত থাকে। বিদ্যালয়লৈ পঠিওৱাৰ সময়ত প্ৰথমতে সন্তানক ভাত বা ৰুটী প্ৰস্তুত কৰি দিয়ে। বিদ্যালয়ত টিফিনত কি খাব তাৰো হিচাপ তেৱেঁই ৰাখে। তাৰ পাছত ঘৰলৈ আহিলে সন্তানটিয়ে কি খাব বা কি খাই ভাল পায় সেয়া প্ৰস্তুত কৰাত ব্যস্ত হৈ পৰে। আবেলি, সন্ধিয়া আৰু নিশা কি খুৱাব ইত্যাদি ইত্যাদি। গতিকে দিনটোৰ বেছিভাগ সময় সন্তানৰ খোৱা-বোৱাক লৈয়ে ব্যস্ত থাকে মাতৃয়ে। পিতৃয়ে কৰ্মক্ষেত্ৰলৈ ওলাই যোৱাৰ পাছত ঘৰখনত থাকেগৈ মাতৃ। তদুপৰি সন্তানৰ কিবা অসুখ-বিসুখ হ'লেও পিতৃতকৈ মাতৃৰহে চিন্তা বেছি। অসুখ হ'লে সন্তানক কি খাদ্য খুউৱাব বা কেনে খাদ্য খালে ৰুচি আহিব সেয়াও মাতৃগৰাকীয়েই চিন্তা কৰে। সম্‌তানে খাই ভাল পোৱা খাদ্যবোৰ মাতৃয়েহে গম পায়। কেতিয়াবা কোনো কাৰণত সন্তান ক্ষীণাই গ'লে মাকৰ চিন্তাৰ অন্ত নাথাকে। কি কি খুৱাব তাকে লৈয়ে ব্যস্ত হৈ পৰে। ক'ৰবালৈ গ'লে কি কি খাইছে, দিনত কিবা খোৱা হৈছে নে নাই, কিয় নাখালে ইত্যাদি প্ৰশ্নৰ লৈ মাতৃ ব্যস্ত হয়। কাৰণ নিজে ভালদৰে খাই-বৈ থাকি সন্তানে যদি একো মুখত নিদিয়ে তেতিয়া মাকে মনোকষ্ট পায়। একেদৰে মাতৃয়ে যদি ক'ৰবালৈ ফুৰিবলৈ যায় তেনেহ'লে ঘৰত খোৱা বস্তু আদি সন্তানৰ বাবে উপলব্ধ কৰি থৈ যায়। ইয়াৰ পৰাই অনুমান কৰিব পাৰি এগৰাকী মাতৃয়ে সন্তানৰ খোৱা-বোৱাত কিমান গুৰুত্ব দিয়ে।

সন্তানৰ স্বাস্থ্য ৰক্ষাৰ ক্ষেত্ৰত মাতৃতকৈ আন কোনো লোকেই শ্ৰেয় হ'ব নোৱাৰে। প্ৰতিগৰাকী ভাৰতীয় মহিলাই পাকঘৰৰ কামত কম-বেছি পৰিমাণে

জড়িত। ৰান্ধনী ঘৰৰ কাম কৰি বেয়া পোৱা কমসংখ্যক মহিলাইহে ৰন্ধা-বঢ়া কৰি বেয়া পায়। ৰন্ধাটো প্ৰায়সংখ্যকৰেই হবি। তাতোকৈ ডাঙৰ কথা হ'ল কোনে কিমান সুন্দৰকৈ ৰান্ধিব পাৰে তাৰেই অঘোষিত প্ৰতিযোগিতা চলে। সমান্তৰালভাৱে সন্তানৰ স্বাস্থ্যও ৰক্ষা হয়।

সৰুতে সন্তানক মাকে খাদ্য খুৱাই দিয়ে। যদি কেতিয়াবা খুৱাই নিদিযে তেতিয়াহ'লে সন্তানে ঠেহ পাতে। মুখ ওফন্দাই নোখোৱাৰ বাহানা বনায়। কেতিয়াবা সন্তানে অভিমান দেখুৱাবলৈ কান্দি কাটি অস্থিৰ হয়। সন্তানে লঘোণ পৰিব বুলিয়ে মাকেও সযতনে খাদ্য খুৱাবলৈ আৰম্ভ কৰে। আনকি সন্তানৰ সকলো কথাকেই মানি লয়। সন্তানে বিচৰা ধৰণেই অতিৰিক্ত খাদ্যও খুৱাবলৈ যত্নপৰ হয়। মাকে মৰমেৰে মূৰত হাত বুলাই খাবলৈ দিলে এগৰাহ বেছিকৈ খায়। সেইবাবে সন্তানে খোৱাৰ ক্ষেত্ৰত মাতৃৰ ভূমিকা গুৰুত্বপূৰ্ণ বুলি কোৱা হয়।

খাদ্য গ্ৰহণ নকৰিলে সন্তানে যিমান কষ্ট পায়, তাতকৈ বেছি মনোকষ্ট অনুভৱ কৰে মাতৃয়ে। সেইবাবে ঘৰখনত যদি সন্তানক ভালদৰে খোৱাৰ অভ্যাস গঢ়ি তুলিব লাগে তেনেহ'লে মাতৃয়ে সৰুৰে পৰাই এই ক্ষেত্ৰত আগ-ভাগ ল'ব লাগিব। ঘৰখনত এনে পৰিৱেশ গঢ়ি তোলাতো সকলোৰে কৰ্তব্য। সকলোৱে যদি ঘৰখনতে এনে পৰিৱেশ গঢ়ি তুলিব পাৰে তেনেহ'লে সন্তানৰ স্বাস্থ্য ৰক্ষা হ'ব। স্বাস্থ্য ৰক্ষা হ'লে দেশৰ সুনাগৰিকৰ জন্ম হ'ব। সুনাগৰিকে দেশ এখনক উন্নতিৰ পথত আগুৱাই নিব পাৰে। গতিকে মাতৃৰ ভূমিকা পৰোক্ষভাৱে দেশ গঢ়াৰ স'তেও জড়িত।

# আইছিছৰ
# উত্থানৰ আঁৰত কোন

বিশ্বত্ৰাস ইছলামিক ষ্টেট বা আইছিছৰ উত্থানৰ আঁৰত আছে কোন? ইমান দিনে ইছলামিক মৌলবাদী সংগঠনটোৱে বিশ্বৰ বিভিন্ন প্ৰান্তত ধ্বংসযজ্ঞ চলোৱাৰ উপৰি ছ'চিয়েল মিডিয়াযোগে নৃশংস ছবি প্ৰচাৰ কৰি অহা আইছিছ কিমান ভয়াবহ হ'ব পাৰে তাৰ প্ৰমাণ স্পষ্ট হ'ল ইউৰোপৰ সৌন্দৰ্য নগৰীৰূপে চিহ্নিত পেৰিছত চলোৱা আক্ৰমণত। দ্বিতীয় বিশ্বযুদ্ধৰ পাছত প্ৰথমবাৰৰ বাবে ফ্ৰান্সত জৰুৰীকালীন অৱস্থা ঘোষণা কৰিবলৈ বাধ্য হোৱাৰ কাৰণ হ'ল আইছিছৰ তাণ্ডৱ। মৌলবাদী সংগঠনটোৰ শক্তি আৰু পৰিকল্পনাক লৈ এতিয়া সকলোৰে মাজত চলিছে চৰ্চা। এই মৌলবাদী শক্তিৰ আঁৰত কোন থাকিব পাৰে সেয়া এতিয়াও স্পষ্ট হোৱা নাই যদিও ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিনে ২০১৬ত জি-২০ সদস্য ৰাষ্ট্ৰৰ সন্মিলনত যি মন্তব্য আগ বঢ়াইছে সেয়াই এটা কথা স্পষ্ট কৰিছে যে আইছিছৰ উত্থানৰ আঁৰত কে'বাখনো শক্তিশালী ৰাষ্ট্ৰৰ হাত আছে। তুৰ্কীৰ এণ্টালইয়াত জি-২০ সন্মিলনত ৰাছিয়াৰ ৰাষ্ট্ৰপতিগৰাকীয়ে কৈছে যে কুখ্যাত সন্তাসবাদী সংগঠনটোক পুঁজিৰ যোগান ধৰি আহিছে জি-২০ সন্মিলনত অংশগ্ৰহণ কৰা একাংশ ৰাষ্ট্ৰই। অৱশ্যে কোন কেইখন ৰাষ্ট্ৰই আইছিছক পুঁজিৰ যোগান ধৰি সন্ত্ৰাস বিয়পোৱাত আগ-ভাগ

লৈছে, নাম প্ৰকাশৰ পৰা বিৰত থাকে। এই সংগঠনটোৱে বিশ্বৰ ৪০খন দেশৰ পৰা পুঁজি লাভ কৰি থকা বুলি পুটিনে স্পষ্টভাৱে প্ৰকাশ কৰাৰ পাছত বিষয়টোৱে জটিল ৰূপ ধাৰণ কৰিছে। কাৰণ যিকেইখন ৰাষ্ট্ৰই জি-২০ সন্মিলনত অংশগ্ৰহণ কৰিছে সেই কেইখনৰ ভিতৰত যদি এই সন্ত্ৰাসবাদী সংগঠনটোক পুঁজিৰ যোগান ধৰি আহিছে তেনেহ'লে ই কেৱল সেই দেশকেইখনৰ শত্ৰুপক্ষৰ দেশৰ বাবেই নহয়, সময়ত পুঁজি যোগান ধৰা দেশৰ বাবেও হ'ব বিপদৰ কাৰণ। এসময়ত আমেৰিকাই স্বাৰ্থসিদ্ধিৰ বাবে বিন লাডেনৰ সৃষ্টি কৰা বুলি প্ৰায়েই অভিযোগ উত্থাপিত হৈছিল। পিছত এইজন সন্ত্ৰাসবাদীয়েই আমেৰিকাৰ বুকুত চলাইছিল ধ্বংসযজ্ঞ। আনকি লাডেনক হত্যা কৰিবলৈকে এই দেশখনে বছৰি কোটি কোটি টকা ব্যয় কৰিবলগীয়া হৈছিল। কিমান মিলিয়ন ডলাৰ ব্যয় হৈছিল তাৰ হিচাপ নাই। তাচ পাতৰ দৰে খহি পৰিছিল বিশ্ব বাণিজ্য কেন্দ্ৰ। কঁপি উঠিছিল পেণ্টাগন। পাছত যেনিবা আমেৰিকাই নিজেই লাডেনক হত্যা কৰিবলৈ আগভাগ ল'বলগীয়া হৈছিল। লাডেনৰ নেতৃত্বতেই সন্ত্ৰাসবাদী আৰু মৌলবাদী সংগঠনসমূহে যে গঢ় লৈ উঠিছিল তাত কাৰো সন্দেহ নাই। কেৱল ধৰ্মৰ ভিত্তিত সন্ত্ৰাসবাদৰ জন্ম দিয়া লাডেনৰ মৃত্যু হ'লেও সন্ত্ৰাসবাদীজনৰ অনুৰাগী বহুতো থাকি গ'ল।

সন্ত্ৰাসবাদী অথবা মৌলবাদী সংগঠনসমূহে যে তৃতীয় শক্তিৰ ছত্ৰছায়াতে সমগ্ৰ বিশ্বতে সন্ত্ৰাস চলাই আছে তাত কাৰো সন্দেহ নাই। কিয়নো এই সংগঠনসমূহৰ সদস্যসকলে যিবোৰ মাৰণাস্ত্ৰ ব্যৱহাৰ কৰিছে সেইবোৰ উন্নত ৰাষ্ট্ৰতেই প্ৰস্তুত কৰা। তদুপৰি এইবোৰ ব্যয়সাপেক্ষ। কিছুমান ৰাষ্ট্ৰত এনেধৰণৰ মাৰণাস্ত্ৰ নিৰাপত্তাৰক্ষীৰ হাততো নাথাকে। আনকি কিছুমানৰ সামৰিক শক্তি শক্তিশালী কৰিবলৈ ইচ্ছা প্ৰকাশ কৰাৰ পাছতো একমাত্ৰ অৰ্থাভাৱৰ বাবে ক্ৰয় কৰিব পৰা নাই। তেনেস্থলত সন্ত্ৰাসবাদীৰ হাতলৈ এইবোৰ মাৰণাস্ত্ৰ আহিল ক'ৰ পৰা? কোনে যোগান ধৰিলে? এই সন্ত্ৰাসবাদীহঁতক কোনে প্ৰশিক্ষণ দিলে? এনেধৰণৰ প্ৰশ্নৰ উদ্ৰেগ নিশ্চয় সকলোৰে মনত হয়; কিন্তু এইবোৰ উত্তৰ জানো কাৰোবাৰ হাতত আছে।

মধ্যপ্ৰাচ্যৰ দেশসমূহত আইছিছৰ উত্থান মন কৰিবলগীয়া। কিয়নো, ইয়াৰ পৰাই বিশ্বৰ বিভিন্ন দেশলৈ সৰবৰাহ হয় খাৰুৱা তেল। ৰাছিয়াৰ ৰাষ্ট্ৰপতি

পুটিনেও এই ক্ষেত্ৰত সন্দেহ প্ৰকাশ কৰি উল্লেখ কৰিছে যে তেলৰ অবৈধ ব্যৱসায়ে আইছিছ্‌ৰ বিপুল পৰিমাণৰ ধন আহৰণৰ উৎস হৈ পৰিছে। কম মূল্যতে আহৰণ কৰিলৈ একাংশ দেশে এই মৌলবাদী সংগঠনটোৰ পৃষ্ঠপোষকতা কৰাৰ আশংকা নুই কৰিব নোৱাৰি। কাৰণ ইৰাক-ইৰানৰ যুদ্ধৰ সময়ত এখন দেশে শিখণ্ডীৰ ভূমিকা গ্ৰহণ কৰিছিল। ৰাষ্ট্ৰসংঘত ভেটো প্ৰয়োগ কৰিব পৰা দেশখনে ইতিমধ্যে বিভিন্ন দেশৰ পৰা তেল সংগ্ৰহৰ বাবে সময়ে সময়ে নাটক নকৰাও নহয়। গতিকে পুটিনৰ সন্দেহ মিছাও নহয়। ইপিনে, জেহাদীৰ ঘাটি হৈ পৰিছে বেলজিয়াম। এক কোটি দহ লাখ জনসংখ্যাৰে পৰিপূৰ্ণ দেশখনত আইছিছ্‌ৰ পৰা আৰম্ভ কৰি আন কে'বাটাও সংগঠনৰ সদস্যই খোপনি পুতিছে। মৌলবাদীসকলে বৰ্তমানলৈকে বেলজিয়ামত বিশেষ আঘাত হনা নাই যদিও ইয়াৰ পৰাই বহুকেইটা সন্ত্ৰাসবাদী আৰু মৌলবাদী সংগঠনে বিশ্বৰ আন দেশৰ সন্ত্ৰাসবাদীৰ স'তে হাত মিলাই ত্ৰাসৰ সৃষ্টি কৰি আহিছে। গতিকে কোনখন দেশে কি স্বাৰ্থত কাৰ বিৰুদ্ধে সন্ত্ৰাসবাদী সংগঠনসমূহক ব্যৱহাৰ কৰিছে সেয়া সময়েহে উত্তৰ দিব। এনে সন্ত্ৰাসবাদৰ দ্বাৰা কোনখন দেশৰ কি লাভ হৈছে বা হ'ব সেয়া কোৱাটো কঠিন যদিও এনে কাৰ্যই পিছে মানৱ জাতিৰ অপূৰণীয় ক্ষতিসাধন কৰিছে।

# বন ৰজাৰ জীৱন
# ৰক্ষা কৰক, হত্যা নহয়

ভাৰতৰ বিভিন্ন ঠাইত ২০১৬ বৰ্ষৰ জানুৱাৰীৰ পৰা অক্টোবৰলৈকে ৭৮টা বাঘ নিধন হৈছে। এই সংখ্যা নৰেশ্বৰত বৃদ্ধি পাইছে যদিও প্ৰকৃত সংখ্যা প্ৰকাশ পোৱা নাই। বিভিন্ন সময়ত ৰাইজে যাঠি-জোং, চোৰাং চিকাৰীৰ গুলী তথা অন্য ধৰণে বাঘ নিধন কৰা হৈছে। বন্য প্ৰাণীবিধৰ আক্ৰমণৰ গইনা লৈ একাংশই নিধন কৰিছে। ১০ মাহত ৭৮টা বাঘ নিধন হোৱাতো সকলোৰে বাবে এক চিন্তনীয় বিষয়। কিয়নো বিভিন্ন কাৰণত বাঘ নিধন হ'লেও ইয়াৰ সংখ্যা অধিক বৃদ্ধি পোৱা নাই। ২০১৬ৰ গণনা মতে, বিশ্বত ৩,৮৯০টা বাঘ আছে। ইয়াৰে ৭০ শতাংশ বাঘৰ বসতি স্থান হ'ল ভাৰত। ২০১০ত বিশ্বত ৩,২০০টা বাঘ আছিল। আনহাতে, ২০১৪ত ভাৰতত বাঘৰ সংখ্যা আছিল ২,২০০টা। এই তথ্য প্ৰকাশ কৰিছে "ৱৰ্ড ৱাইল্ড লাইফ ফাণ্ডে'। বিভিন্ন দেশত ইতিমধ্যে এই বন্য প্ৰাণীবিধ সংৰক্ষণৰ বাবে পৰিকল্পনা গ্ৰহণ কৰিছে। বাইল্ড লাইফ ফাণ্ডৰ তথ্য অনুসৰি সম্প্ৰতি ৰাছিয়াত ৪৩৩টা, নেপালত ২০০টা, মালয়েছিয়াত ২৫০টা, ইন্দোনেছিয়াত ৩৭০টা বাঘ আছে। ইয়াৰ পৰাই অনুমান কৰিব পাৰি বিশ্বজুৰি থকা বাঘৰ সংখ্যা।

ভাৰতৰ বিভিন্ন ৰাজ্যৰ ভিতৰত মধ্যপ্ৰদেশত সৰ্বাধিক বাঘ নিধনৰ ঘটনা সংঘটিত হৈ আহিছে। দৰাচলতে চোৰাং বেপাৰীয়ে বাঘৰ বিভিন্ন অংগ-প্ৰত্যংগৰ আন্তঃৰাষ্ট্ৰীয় ব্যৱসায়ৰ স'তে জড়িত থাকে বাবে হত্যা কৰে। ইয়াৰ অংগ-প্ৰত্যগ বিক্ৰী কৰি আন্তৰ্জাতিক চোৰাং বজাৰত কোটি কোটি টকা অৰ্জন কৰি আহিছে। চীন, ম্যানমাৰ, নেপাল আদি দেশত এনে চোৰাং ব্যৱসায় দীৰ্ঘদিন ধৰি চলি আছে। এইক্ষেত্ৰত বিভিন্ন উগ্ৰপন্থী সংগঠনৰ হাত নথকা নহয়। অতি সম্প্ৰতি ভাৰতত বাঘৰ মৃত্যু হোৱা ঘটনা সংঘটিত হৈছে। ই সকলোৰে বাবে চিন্তনীয় বিষয়। উল্লেখ্য যে ২০১০ৰ পাছত চলিত বৰ্ষটোতে সৰ্বাধিক বাঘৰ মৃত্যু হৈছে। অৱশ্যে এটা কথা ঠিক যে সকলোবোৰ বাঘৰ চোৰাং চিকাৰী অথবা উত্তেজিত ৰাইজৰ হাতত মৃত্যু হোৱা নাই। ইয়াৰ কিছুমান দুৰ্ঘটনাজনিত কাৰণতো মৃত্যু হৈছে, ৰাষ্ট্ৰীয় উদ্যানৰ মাজেদি যোৱা ঘাইপথেদি বাঘ পাৰ হৈ যাওঁতে গাড়ীৰ খুন্দাত নিহত হোৱাৰ উপৰি কিছুমান আকৌ খেদি খেদিয়ে হত্যা কৰিছে।

পৃথিৱীত এতিয়া যে বাঘৰ সংখ্যাই হ্ৰাস পাবলৈ ধৰিছে তেনে নহয়, আন বহুতো প্ৰাণীৰ অস্তিত্ব বিপন্ন হৈ পৰিছে। এসময়ত পৃথিৱীৰ বুকুৰ পৰা দৈত্যকায় ডাইনছৰ নিশ্চিহ্ন হৈ গৈছিল। কে'বাশ বছৰৰ পাছত হয়তো বাঘৰ অৱস্থাও তেনে যে নহ'ব সেয়া নিশ্চয়কৈ ক'ব নোৱাৰি। বাঘৰ সংৰক্ষণৰ বাবে কেৱল শ্ল'গান দিলেই নহ'ব, ইয়াৰ বাবে প্ৰয়োজন দৃঢ় পদক্ষেপৰ। বিগত কিছুদিন ধৰি অসমৰ বিভিন্ন প্ৰান্তত নাহৰফুটুকী, ঢেঁকীয়াপতীয়া বাঘৰ উপদ্ৰৱ চলিছে। ইতিমধ্যে কে'বাটাও বাঘক হানি-খুঁচি হত্যা কৰিছে ৰাইজে। ২০১৬ বৰ্ষতে যোৰহাটত বন বিষয়াৰ সন্মুখতে একাংশ উত্তেজিত ৰাইজে হানি-খুচি হত্যা কৰাৰ ঘটনাও সংঘটিত হৈছে। মানুহ কিমান নৃশংস হ'ব পাৰে তাৰেই এক ছবি প্ৰকাশিত হৈছে। যিসকলে বন্য প্ৰাণীৰ সুৰক্ষাৰ বাবে দৰমহা উপভোগ কৰি আছে তেওঁলোকে জন্তুৰ সুৰক্ষাত ব্যৰ্থ হৈছে।

বনাঞ্চল হ্ৰাস পোৱাৰ ফলত এতিয়া বনৰজা উপস্থিত হৈছে ৰাজপথত। বাঘৰ বিচৰণৰ বাবে প্ৰয়োজন জংঘলৰ। অটব্য অৰণ্যত ৰাজহ গাঁও স্থাপন হোৱাৰ লগতে বনাঞ্চল গুচি জনাঞ্চল হোৱাত বনৰজাৰো গত্যন্তৰ নোহোৱা হ'ল। বাঘ দেখাৰ লগে লগে মানুহৰ হৈ-চৈ লাগে, স্বাভাৱিক কথা; কিন্তু

একাংশ লোকে বাঘ হত্যা কৰি বন্য উল্লাস প্ৰদৰ্শন কৰে। বাঘ ওলালে ৰাইজে প্ৰথমতে টিভি চেনেলক মাতি আনি বাঘটোক আক্ৰমণ কৰে। অৱশ্যে একাংশ বন বিষয়াৰো এই ক্ষেত্ৰত গাফিলতি নোহোৱা নহয়। তেওঁলোক সময়মতে ঘটনাস্থলীত উপস্থিত নহয়। ফলত ৰাইজ ক্ষুব্ধ হৈ পৰে। সকলোৰে দায়িত্ব নিষ্ঠা সহকাৰে পালন কৰা উচিত। এই ক্ষেত্ৰত দুটা পক্ষই পৰস্পৰক দোষাৰোপ কৰাতকৈ সচেতন বন্য প্ৰেমী তথা বনকৰ্মী বিষয়া হিচাপে বাঘৰ সুৰক্ষাৰ বাবে পদক্ষেপ গ্ৰহণ কৰা উচিত। বানপানী বা প্ৰাকৃতিক দুৰ্যোগৰ সময়ত যেতিয়া এনে বন্য প্ৰাণীয়ে ওখ স্থানৰ সন্ধান কৰে তেতিয়া তেনে অসহায় প্ৰাণীক হত্যা কৰা অনুচিত। ই আইন বিৰোধী কাৰ্যও। আনহাতে, বাঘৰ ছাল, নখৰ লগতে বিভিন্ন অংগ-প্ৰত্যংগৰ ব্যৱসায়ত জড়িতৰ সন্ধান পালে বন বিভাগক অৱগত কৰা উচিত। তেনে কৰিলে বাঘ নিধন বহুলাংশে হ্ৰাস পাব। বন্য প্ৰাণী হত্যাৰ বিৰুদ্ধে আমি সজাগ হ'ব লাগিব। সমাজৰ প্ৰতিটো স্তৰতে ৰাইজক বন্য প্ৰাণী হত্যাৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিবলৈ বুজনি দিব লাগিব। সজাগতা সভা, তথ্য চিত্ৰ, দেৱাল লিখনৰ জৰিয়তে ৰাইজক সজাগ কৰিব পাৰিলে বন্য প্ৰাণী-হত্যা বহুলাংশে হ্ৰাস পাব। তদুপৰি ৰাইজে বন বিভাগৰ বিৰুদ্ধে ক্ষোভ উজাৰিবলৈ গৈ বন্য প্ৰাণীক হত্যা কৰাৰ বিৰুদ্ধেও ৰাইজক সচেতন কৰিব লাগিব। বন বিষয়া-কৰ্মীৰ গাফিলতিৰ বিৰুদ্ধে ৰাইজ সজাগ হওক। এনে বিষয়া-কৰ্মীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ বাবে ৰাইজে দাবী জনাওক।

# স্বপ্নভংগ নৱবৰ্ষ

২০১৬ত আৰু এটা নতুন বছৰৰ আৰম্ভণি হ'ল। অৰ্থাৎ বহুতো ঘটনা বহুল আন এটা পুৰণি বৰ্ষৰ পৰিসমাপ্তি। নতুন বছৰ মানে সংকল্প; কিন্তু এই সংকল্পসমূহ আমি বছৰটোৰ ভিতৰত পালন কৰো নে নকৰো সেয়া কেতিয়াবা ভাবি চাওঁনে? অন্ততঃ ৩১ ডিচেম্বৰৰ দিনটোত। সমগ্ৰ বিশ্বতে এই দিনটোত নতুন বছৰ উদ্‌যাপনৰ নামত যি অনুষ্ঠানৰ আয়োজন কৰা হয় তথা অৰ্থ ব্যয় কৰা হয় সেয়া কে'বাখনো দুখীয়া দেশৰ বাৰ্ষিক ব্যয়ৰ সমান হয়গৈ। এইবোৰ কথা পিছে কোনোৱে ভাবি নাচায়। নতুন বছৰৰ পৰিকল্পনাৰ কথাটো নতুন বটলত পুৰণি মদ ভৰোৱাৰ লেখীয়া। বটলৰ ভিতৰৰ মদখিনি নতুনে নে পুৰণি সেয়া পৰীক্ষা নকৰাকৈ মদ্যপান কৰা লোকৰ লেখীয়া নতুন সংকল্প বিষয়টো।

সময়ৰ নতুন পুৰণি বুলি কথা নাথাকে। এটা পল পাৰ হোৱা মানে সেই পল পুৰণি হোৱা। সময়ক আমি নতুন পুৰণিৰ জোখেৰে জুখিবলৈ চেষ্টা কৰাতকৈ তাৰ সদ্ব্যৱহাৰ কৰাহে উচিত। নতুন বছৰ উদ্‌যাপনৰ নামত সময়

ব্যয় কৰাটো দৰাচলতে অৰ্থহীন। আমি সকলোৱে এনে মানসিকতাৰ সলনি কৰিবই লাগিব। কিমান উদ্‌যাপন কৰিব নতুন বছৰৰ উৎসৱ। বছৰ আহি থাকিব, গৈ থাকিব। সময় বাগৰাৰ লগে লগে বয়সো বাঢ়িব। পৃথিৱীৰ বয়স বাঢ়িলেও গুৰুত্ব হ্ৰাস পোৱা নাই। অগ্নিকুণ্ডৰ পৰা শিল হ'বলৈ কোটি-কোটি বছৰ লাগিছে। মাটিৰ সৃষ্টি হ'বলৈ কিমান হেজাৰ বছৰ লাগিছে তাৰ হিচাপ নাই। ভূ-বিজ্ঞানীসকলে হোজাৰ-হেজাৰ বছৰ লগা বুলি অনুমানহে কৰিছে। সঠিকভাৱে কোনোৱে ক'ব পৰা হোৱা নাই। আনকি আধুনিক বিজ্ঞানৰ বিস্ময় ষ্টিফেন হকিন্সৰ দৰে বিজ্ঞানীয়ে 'কৃষ্ণ গহ্বৰ' সম্পৰ্কে নিজে আগবঢ়োৱা তথ্য নিজেই সলনি কৰিবলৈ বাধ্য হৈছে। সৌৰজগতৰ পৰা 'প্লুটো' গ্ৰহটো নৱগ্ৰহৰ পৰা বাদ দিয়া হ'ল। কাৰণ মহাকাশ বিজ্ঞানীসকলে বহুতো পৰীক্ষা নিৰীক্ষাৰ অন্তত প্লুটোতকৈ আৰু বহুগুণ ডাঙৰ গ্ৰহৰ সন্ধান লাভ কৰিলে। এতিয়া নাছাৰ মহাকাশ বিজ্ঞানীসকলে পৃথিৱীৰ দৰে গ্ৰহৰো সন্ধান লাভ কৰা বুলি দাবী কৰিছে। মহাজাগতিক ঘটনাসমূহ দৃশ্যমান হ'ল বিগত এটা দশকত। প্ৰাকৃতিক ঘটনাসমূহ সংঘটিত হৈয়ে আছে। মানুহৰ বাবে এইবোৰ নতুন ঘটনা হ'লেও প্ৰকৃতিৰ বাবে নহয়। ইয়াত নতুনত্ব বুলি কিবা আছে জানো? নিশ্চয় নাই। গতিকে আমাৰ বাবেও নতুন বছৰ বুলি বিশেষ জাকজমকতা আয়োজনৰ প্ৰয়োজন নাই। প্ৰতিটো দিনেই নতুন বুলি ভাবিবলৈ শিকক।

সময়ৰ গতি যিহেতু পাখিলগা কাঁড়, সেয়েহে সময়ৰ স'তেহে খোজ মিলাব লাগে।

# সংকুচিত হ'ল মাঘৰ পথাৰ

মাঘৰ পথাৰখন আজি সংকুচিত হৈছে। ভোগালী বিহুৰ আনন্দতো যেন আগৰ সেই মাদকতা নাই। গতানুগতিকভাৱে ভোগালী বিহুত অংশ লৈছে। মেজি জ্বলাবলৈ মেজিৰ চৌদিশে মানুহৰ যেন অভাৱ। মানুহ থাকিও 'লগভাত' খাবলৈ কাৰোৱে আহৰি নাই। আগতে উৰুকাৰ নিশা ৰাইজে একেলগে গাঁৱৰ কোনো এঠাইত ভোজভাত খাইছিল। সেই আনন্দ আছিল সুকীয়া। ৰাইজে ভেদা-ভেদ, উচ্চ-নীচ সকলো পাহৰি এসাঁজ একেলগে খোৱাৰ বাবে পুৱাৰে পৰা ৰাজহুৱা পুখুৰী, বিলত মাছ মৰা, খৰি সংগ্ৰহ কৰা আৰু ক'ত কিমান ব্যস্ততাৰ অন্ত নাথাকে। বিলত কোনে কিমান ডাঙৰ মাছ ধৰিব পাৰে তাৰেই চলে অঘোষিত প্ৰতিযোগিতা। ডাঙৰ মাছ ধৰিব পৰাজনে ইয়াকে লৈ গৌৰৱবোধো কৰে। আনকি ৰাজহুৱা ভাৱে প্ৰদৰ্শনৰো কিছুমান ঠাইত ব্যৱস্থা কৰা হয়। একেসময়তে সৰু সৰু ল'ৰা-ছোৱালীয়ে নৰা টনাত ব্যস্ত হয়। আহাৰ গ্ৰহণৰ সময়ত বহিবলৈ ব্যৱস্থা কৰে। উৎসৱমুখৰ পৰিৱেশক লৈ ব্যস্ততাৰ অন্ত নাই। মহিলাসকল ব্যস্ত হয় পিঠা-পনা প্ৰস্তুতত।

ভোগালী বিহু মানেই নাৰিকল পিঠা, তিলৰ পিঠা, নাৰিকল-তিলৰ লাডু আদি বনাবলৈ এসপ্তাহমান আগৰে পৰা গৃহিণীসকল সাজু হয়। এই সময়ত ঢেঁকীৰ শব্দই গাঁওখন ৰজনজনাই যায়। প্ৰতিটো পৰিয়ালতে ঢেঁকীৰ শব্দই পৰিৱেশটোক এক নতুন মাত্ৰা প্ৰদান কৰে। ঢেঁকীৰ শব্দ বহু আঁতৰলৈকে যায়। কিছুমান ঠাইত কেবাটাও পৰিয়ালৰ মহিলা লগ লাগি একেলগে পিঠাগুড়ি

খুন্দি ভগাই লয়। অর্থাৎ মহিলাসকলে পৰম্পৰা ৰক্ষা কৰিবলৈকে পাৰস্পৰিক সহযোগিতা আগ বঢ়ায়। এনে ধৰণৰ পৰম্পৰা ৰক্ষা পিঠাগুড়ি খুন্দাৰ লগতে আলহী-অতিথিকো আদৰিবলৈ গৃহিণীসকল সাজু হয়। অসমৰ প্ৰায়বোৰ ঠাইতে একেধৰণৰ পৰম্পৰা ৰক্ষাৰ মানসিকতা আজিও দেখা যায়। অৱশ্যে আধুনিকতাৰ ধামখুমীয়াৰ মাজত আজি ঢেঁকীৰ শব্দ প্ৰায়ে শুনিবলৈ পোৱা নাযায়। একাংশ মহিলাই আকৌ ঢেঁকীত গৰক দিবলৈ আগ্ৰহী নহয়। এনে কৰিলে নিজৰ সন্মান লাঘৱ হ'ব বুলি ভাবে। এনে ধৰণৰ মহিলাই পিঠা-পনা ঘৰতে প্ৰস্তুত কৰাতকৈ বজাৰৰ পৰা পেকেটত থকা পিঠা, লাডু আদি ক্ৰয় কৰি ভাল পায়। তথাপি পৰৰ পিঠাৰে বিহু পতা মহিলাৰ সংখ্যা কিন্তু বৰ বেছি নহয়। ভোগালী বিহুত প্ৰায়ভাগ মহিলাই নিজহাতে পিঠা-পনা প্ৰস্তুত কৰি পৰিয়ালৰ আন সদস্যক খুৱাব নোৱাৰিলে আত্মসন্তুষ্টি লাভ কৰিব নোৱাৰে।

উৰুকাৰ নিশা ডেকাসকলে উজাগৰে থাকি অ'ৰ বাৰীৰ, তাৰ বাৰীৰ জেওৰা ভাঙি পিছদিনা গৃহস্থৰ গোৱাল-গালি খোৱাৰ পৰা পৰিত্ৰাণ নাপায়। গৃহস্থৰ গোৱাল-গালি শুনি বহুতে মেজি পুৰাবলৈকে যাবলৈ ভয় কৰে। এতিয়া পিছে জেওৰা ভাঙিবলৈকে পোৱা নাযায়। একোটা বাঁহৰ দামো বহু বৃদ্ধি পালে। আনহাতে, পুৰা জেওৰা দিবলৈ হাজিৰা মানুহ পাবলৈ টান। নিশা উজাগৰে থকাসকলে এতিয়া জেওৰা চুৰি কৰিবলৈ গৈ সময় নষ্ট কৰাতকৈ ফেচবুক, হোৱাটছ এপ, মদ্যপান কৰিয়ে ব্যস্ত থকাৰ মানসিকতাই সকলো দৃশ্যপট সলনি কৰিছে। আজি আৰু আগৰ সেই উৰুকাৰ দিন নাই। বস্তু-বাহানিৰ দাম আকাংশলংঘী হোৱাৰ উপৰি পিঠা-পনা প্ৰস্তুত কৰিবলৈ চাউল আদিৰ অভাৱ। বজাৰত দেখাত এইবোৰ উভৈনদী যেন লাগিলেও মূল্যবৃদ্ধিয়ে সকলোৰে মনত নিৰাশাৰ সৃষ্টি কৰিছে।

মাহ-কৰৈ প্ৰস্তুত কৰিবলৈ ইয়াৰ উপাদানসমূহ বজাৰত পোৱা যায় যদিও বহুতে প্ৰস্তুত কৰিবলৈ আগ্ৰহী নহয়। চুঙাপিঠা পুৰিবলৈ নৰা আৰু কলগছ কোনে সংগ্ৰহ কৰিব? চুঙা পিঠা পুৰিবলৈ চোতালৰো অভাৱ। বহুতে চোতাল কি সেয়া জ্ঞাত নহয়। তথাপি আমি ভোগালী বিহুটিক কঙালী হ'বলৈ নিদিওঁ। ভোগৰ পৰম্পৰা যিকোনো প্ৰকাৰে জীয়াই ৰাখিবই লাগিব।

# হেৰাই গ'ল ন-খোৱাৰ আনন্দ

আমাৰ সমাজত কিছুমান উৎসৱ আছিল যিবোৰ প্ৰধানতঃ ভোগকেন্দ্ৰিক পৰ্ব। এইবোৰৰ ভিতৰত অন্যতম হ'ল 'ন-খোৱা উৎসৱ'। ঠাই বিশেষে এইবিধ উৎসৱক ন-লগোৱা পৰ্ব বা উৎসৱ হিচাপেও জনা যায়। আই লখিমীক পথাৰৰ পৰা ভঁৰাললৈ আদৰি অনাৰ পাছত মৰণা মাৰি আজৰি হোৱাৰ সময়তে কৃষকৰ ঘৰত আয়োজন কৰা হয় 'ন-খোৱা উৎসৱ'। ইষ্ট-কুটুম্বৰ স'তে ন-ধানৰ পৰা প্ৰস্তুত কৰা চাউল, কোমোৱা, শাক-পাচলি, তেজাল হাঁহ, পুখুৰীৰ মাছ, পাৰ চৰাইৰ জোল খোৱাটোৱে এই উৎসৱৰ উদ্দেশ্য। ওচৰ চুবুৰীয়াকো এই উৎসৱলৈ নিমন্ত্ৰণ কৰা হয়। কিছুমান ঠাইত সমূহীয়াভাৱে ন-লগোৱা পৰ্বৰ আয়োজন কৰা হয়। যোৰহাটৰ ঐতিহাসিক মালৌ পথাৰত ন-খোৱা পৰ্বত হেজাৰ হেজাৰ ৰাইজে অংশ লয়। দৰং, কামৰূপ, নলবাৰী, বৰপেটা, বঙাইগাঁও, গোৱালপাৰা, শোণিতপুৰ আদি জিলাৰ বিভিন্ন ঠাইত আজিও এনে উৎসৱৰ প্ৰচলন আছে।

ন-লগোৱা বা ন-খোৱা উৎসৱৰ পৰম্পৰা কেতিয়াৰে পৰা চলি আহিছে সেই বিষয়ে সঠিকভাৱে কোৱাটো টান। কাৰণ কৃষিৰ স'তে জড়িত উৎসৱ সমূহ প্ৰধানতঃ কৃষকসকলৰ দুখ-কষ্টৰ লাঘৱ কৰিবলৈ আয়োজন কৰি অহা

হৈছে। হাড়ভঙা পৰিশ্ৰম কৰি কৃষকে সোণোৱালী শইচ ভঁৰালত থোৱাৰ পাছতহে মনটোৱে শান্তি পায়। উৎপাদন ভাল হ'লে কৃষকৰ মনত আনন্দই আনন্দ। সেই সময়তে পৰিয়ালৰ আটাইকেইগৰাকী সদস্যৰ লগতে আলহী-অতিথিৰ স'তে এসাঁজ আনন্দৰে খাবলৈ ঘৰত মিলিত হয়। সকলোৱে মহা আনন্দমনে আহাৰ গ্ৰহণ কৰে। গৃহিণীয়ে প্ৰস্তুত কৰা সুস্বাদু খাদ্য গ্ৰহণ কৰি সকলোৱে পেট পূৰাই লয়। এই সময়ত সাধাৰণতে শাক-পাচলিৰ পৰা আৰম্ভ কৰি হাঁহ আদি সু-স্বাদু হয়। তদুপৰি বতৰো এনেধৰণৰ আহাৰ গ্ৰহণৰ অনুকূল হয়। যদি পুৰণা কোনো ৰোগ নাথাকে তেতিয়াহ'লে হাঁহ আদি খোৱাত বাধা নাথাকে। ৰাজহুৱাভাৱে আয়োজন কৰা এনে উৎসৱৰ ক্ষেত্ৰত কিছুমান নিয়ম নথকা নহয়। খাদ্য গ্ৰহণৰ পূৰ্বে বয়োজ্যেষ্ঠজনৰ পৰা আশীৰ্বাদ গ্ৰহণ কৰে।

নখোৱা আদি উৎসৱ ক্ৰমাৎ নোহোৱা হ'বলৈ ধৰিছে। পাহৰণিৰ গৰ্ভত বিলীন হোৱা বুলিয়ে ক'ব পাৰি। কি কাৰণে হ্ৰাস পালে? —এই প্ৰশ্নটোৰ উত্তৰ উজু নহয়। কিয়নো এটা বা দুটা কাৰকৰ বাবে এনেধৰণৰ উৎসৱ লোপ পোৱা নাই। বহুতো কাৰকৰ বাবে এনে হৈছে। প্ৰথমতে চোতালৰ অভাৱ। আজিকালি কৃষকৰ ঘৰতেই চোতালৰ অভাৱ পৰিলক্ষিত হয়। যৌথ পৰিয়াল ভাঙি একক পৰিয়ালৰ সৃষ্টিৰ সমান্তৰালভাৱে একোটা পৰিয়ালৰ মাটি সম্পত্তি ভাগ-বটোৱাৰা হ'ল। সৰু সৰু পৰিয়াল সৃষ্টিৰ সমান্তৰালভাৱে ডাঙৰ ডাঙৰ চোতালৰ আকৃতিও ক্ষুদ্ৰ হ'ল। তদুপৰি এই পৰিয়ালসমূহৰ ভিতৰত এঘৰ বা দুঘৰেহে কৃষি কাৰ্য কৰাৰ পৰম্পৰা ৰক্ষা কৰি থাকিল। দ্বিতীয়তে, যিমানেই ল'ৰা-ছোৱালী ককা-আইতাৰ মৰম-চেনেহৰপৰা আঁতৰি যাবলৈ ধৰিলে সিমানেই এনেধৰণৰ উৎসৱ-পাৰ্বণ আদিৰ কথাও নজনা হ'ল। কাৰণ এইবোৰৰ কথা ক'বলৈ প্ৰায়ভাগ পিতৃ-মাতৃৰে আহৰি নাই। তৃতীয়তে, সংকীৰ্ণ মানসিকতাৰ বাবে এতিয়া সামাজিকভাৱে পালন কৰা উৎসৱ বিশেষকৈ গাঁও বিশেষে আয়োজিত উৎসৱসমূহ বিলোপ পালে। একাংশই আয়োজনৰ বাবে আগ বাঢ়ি আহিলেও, আন একাংশই আকৌ বাধা প্ৰদান কৰে। চতুৰ্থতে, কৃষিভূমি সংকুচিত হৈ আহিছে। কৃষিভূমিত উদ্যোগ, কাৰখানা স্থাপিত হোৱাত সমীপৱৰ্তী পথাৰৰ খেতিৰ উৎপাদন কম হয়। কষ্ট অনুপাতে উৎপাদন নহ'লে কৃষকে ন-খোৱা উৎসৱৰ আয়োজন কৰে কেনেকৈ?

# সত্য, আত্মা-পৰমাত্মা আৰু আধ্যাত্মিক ধ্যান-ধাৰণা

মানুহ আধ্যাত্মিক ধ্যান-ধাৰণাৰ পৰা মুক্ত নহয়। বিজ্ঞানে মানুহক সভ্যতাৰ চৰম শিখৰত উপনীত কৰালেও কোনোৱে আধ্যাত্মিক চিন্তা-চৰ্চাৰ পৰা নিজকে আঁতৰাই আনিব পৰা নাই। কাৰণ বিজ্ঞানে যিমানেই বৈজ্ঞানিক দৃষ্টিভংগীৰে বিভিন্ন বিষয় ব্যাখ্যা নকৰক কিয়, এইবোৰ পিছে হেজাৰ হেজাৰ বছৰ পূৰ্বেই ধৰ্মীয় দৃষ্টিকোণৰ পৰা অন্য ধৰণে ব্যাখ্যা আগ বঢ়াইছে। জীৱৰ প্ৰথম সৃষ্টি হৈছে নে উদ্ভিদৰ? কণীৰ সৃষ্টি প্ৰথমে হৈছেনে চৰাইৰ সৃষ্টি? যদি কণীৰ প্ৰথম সৃষ্টি হৈছিল তেতিয়াহ'লে ই আহিল ক'ৰ পৰা? কাৰণ পক্ষীয়েহে কণী পাৰে। এইবোৰ কথাৰ কোনো উত্তৰ নাথাকে। থাকে মাথোঁ যুক্তি। এজনে আগ বঢ়োৱা যুক্তি আনজনে খণ্ডন কৰি নতুন ব্যাখ্যা আগ বঢ়ায়। এনে যুক্তিৰো অন্ত নাই। সেইবাবে কোনো মানুহে আধ্যাত্মিক দৃষ্টিকোণৰ পৰা সম্পূৰ্ণৰূপে মুক্ত নহয়। হ'বও নোৱাৰে।

মানুহৰ শৰীৰ আৰু আত্মা দুটা পৃথক বিষয় হ'লেও এটাক বাদ দি

আনটো অস্তিত্বহীন। অৰ্থাৎ যদি শৰীৰ পৰা আত্মা ওলাই যায় তেনেহ'লে শৰীৰটোৰ কোনো মূল্য নাথাকে। দুয়োটাৰ মিলনেই হ'ল মানৱ। মানৱতা অবিহনে মানৱ জীৱন মূল্যহীন। নৈতিকতাই মানুহক পূৰ্ণ মানৱলৈ পৰ্যৱসিত কৰে। য'ত নৈতিকতা নাই তাত শৰীৰ-আত্মাৰো মূল্য নাথাকে।

মন প্ৰশান্ত হ'লে সকলো ঠিকে-ঠাকে থাকে। মানুহৰ মনটোৰ মহিমা বুজা টান। ক্ষণে তুষ্ট, ক্ষণে ৰুষ্ট। কেতিয়া কোনফালে ঢাল খাব ক'ব নোৱাৰি। মনক নিয়ন্ত্ৰণ কৰিব পাৰি একমাত্ৰ সংযমৰ দ্বাৰা। এই সংযম ৰক্ষা কৰিব পাৰি আধ্যাত্মিক ধ্যান-ধাৰণাৰে। যিসকল লোক আত্মবিশ্বাসী নহয় তেওঁলোকে ভগৱানকো বিশ্বাস কৰিবলৈ টান পায়। প্ৰতিটো ক্ষেত্ৰতে কেৱল নেতিবাচক মনোভাবেহে গা কৰি উঠে। নেতিবাচক চিন্তা-চৰ্চাই মানুহক সত্যৰ সন্ধান দিব নোৱাৰে। সত্যৰ অন্বেষণ কৰিব নোৱাৰালৈকে জীৱনে পূৰ্ণতা নাপায়। এইখিনিতে প্ৰশ্ন হয়-- সত্য কি? সত্যৰ কোনো নিৰ্দিষ্ট সংজ্ঞা নাই, নাই কোনো সৰ্বসন্মত গ্ৰহণযোগ্য তথ্য। সত্যৰ বাবে প্ৰথমতে মনটো শুদ্ধি কৰিব লাগিব। শুদ্ধ মনেৰেহে সত্যৰ সন্ধান কৰাটো সম্ভৱ। সত্যই মানুহক প্ৰশান্তিৰ পথ মুকলি কৰি দিয়ে। কিন্তু সত্যৰ স্থান ক'ত? ইয়াক পোৱা যায় ক'ত? সত্য সৰ্বত্ৰ বিৰাজমান। বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টিৰ মূলতেই হ'ল সত্য। বিশ্ব ব্ৰহ্মাণ্ডৰ ধূলিকণাৰ পৰা আৰম্ভ কৰি গ্ৰহ-নক্ষত্ৰলৈ সকলোবোৰ সত্যৰ ওপৰতে প্ৰতিষ্ঠিত বিজ্ঞানে বিশ্বব্ৰহ্মাণ্ড সম্পৰ্কে ব্যাখ্যা আগ বঢ়ালেও কিন্তু প্ৰকৃত সত্যৰ আজিলৈকে সন্ধান দিব পৰা নাই। প্লুটোক সৌৰজগতৰ নটা গ্ৰহৰ অন্যতম হিচাপে শ শ বছৰ মানি আহিলেও মহাকাশ বিজ্ঞানীসকলেই এদিন এই গ্ৰহটোক সৌৰজগতৰ নটা গ্ৰহৰ পৰা বিলোপ কৰে। কাৰণ সত্য এইটোৱে যে এই গ্ৰহটোতকৈও অধিক ডাঙৰ গ্ৰহ বিশ্বব্ৰহ্মাণ্ডত আছে।

সমাজত শান্তি প্ৰতিষ্ঠা হয় সমন্বয়ৰ জৰিয়তে। সমাজত বিভিন্ন ধৰ্মাৱলম্বী লোকে বসবাস কৰে। প্ৰতিটো ধৰ্মৰ লোকে এখন সমাজত শান্তিৰে বসবাস কৰিব পাৰিছে এটা ধৰ্মৰ লোকে আন ধৰ্মাৱলম্বী লোকক শ্ৰদ্ধা, সন্মান কৰা হেতুকে। ইয়াৰ আঁৰত আধ্যাত্মিক চিন্তাধাৰাৰ প্ৰভাৱ গুৰুত্বপূৰ্ণ। আধ্যাত্মিকতাৰ ক্ষেত্ৰত ধৰ্মক কোনোৱে উলাই কৰিব নোৱাৰে। আত্মা-পৰমাত্মাৰ মিলনৰ বাবে বহুতে তপস্যাত বহে। পাহাৰৰ শিখৰত তপস্যাত মগ্ন হয়। অৰণ্যলৈ

যায় ভগৱানক বিচাৰি। ইষ্টদেৱৰ দৰ্শন লাভৰ বাবে কঠোৰ তপস্যাত নিমগ্ন হয়। প্ৰচণ্ড শীত, তাপ, হিংস্ৰ জন্তুৰ আক্ৰমণ, ভূত-প্ৰেতলৈ শংকা নকৰি কেৱল নিজৰ লক্ষ্যত উপনীত হ'বলৈ আগবাঢ়ে, লক্ষ্য সত্য। আধ্যাত্মিকতাৰ পৰিসৰৰ মাজত নিজকে নতুন ৰূপত চাবলৈ বিচৰা লোকৰ সংখ্যা পিছে তাকৰীয়া।

আধ্যাত্মিক পৰিসৰৰ মাজত থাকি জীৱন-যাপন কৰা লোকসকলৰ জীৱন চক্ৰও হয় মসৃণ। পোৱাখিনিক লৈয়ে তেওঁলোক সন্তুষ্ট থাকে। নোপোৱাখিনিৰ বাবে নাথাকে কোনো খেদ। আশা থাকিলেও উচ্চাকাংক্ষী নহয়। আনৰ অপকাৰ কৰিবলৈ নিবিচাৰে। সমাজৰ দহজন লোকৰ উপকাৰ সাধিবলৈ অহৰ্নিশে চেষ্টা চলায়। সকলোকে আপোন কৰি ল'ব পাৰে। মনত নাথাকে কপটতা। সকলো মানুহেই আপোন, সকলো ঠাই ঘৰসদৃশ। পৰৰ কাৰণে কান্দিব জানে, হাঁহিবও পাৰে।

সাগৰ-মহাসাগৰৰ গভীৰতা যিমান তাতকৈ অধিক গভীৰ আধ্যাত্মিক চিন্তা-চৰ্চা। সেইবাবে বহুতে এনে ধ্যান-ধাৰণাৰ মাজত সোমাব নোখোজে। কিছুমানে চেষ্টা কৰিও ব্যৰ্থ হয়। ইয়াক আয়ত্তহে কৰিব পাৰি। ই কণ্ঠস্থ কৰা বিষয়ো নহয়। গভীৰতাৰ মাজত যদি কোনোবা সোমাই পৰে তেতিয়াহ'লে আৰু পিছুৱাই আহিব নোৱাৰে। ইয়াৰ গুৰুত্ব ৰসপান কৰাজনেহে জানে। আধ্যাত্মিক দিশৰ ধ্যান-ধাৰণা কোনোৱে কাৰো ওপৰত জাপি দিব নোৱাৰে। যদিহে উপলব্ধি কৰিব পাৰে তেতিয়াহে ইয়াক আয়ত্ত কৰিব পাৰে। নিজক চিনিবলৈ হ'লে আত্মোপলব্ধিৰ প্ৰয়োজন। নিজকে চিনি পোৱাৰ পাছতহে আধ্যাত্মিকতাৰ প্ৰতি আকৃষ্ট হ'ব পাৰে। সেইবাবে কোৱা হয় আত্মা-পৰমাত্মাৰ মিলনৰ বাবে তপস্যাৰ প্ৰয়োজন।

পৃথিৱীৰ প্ৰতিটো বস্তুৱে ৰহস্যময়। কিছুমানৰ ৰহস্য মানুহে ভেদ কৰিবলৈ সক্ষম হৈছে যদিও আন কিছু বিষয় আজিও ৰহস্যময়ী হৈয়ে আছে। এই ৰহস্য কেতিয়া ভেদ হ'ব তাৰো নিশ্চয়তা নাই। ৰহস্যৰ মাজত থাকিয়েই আমি জীৱন নিৰ্বাহ কৰিব লাগিব। এয়াই জীৱন। এয়াই সত্য।

# পিতৃ-মাতৃৰ অতিৰিক্ত চাপ কিয় ?

সন্তানৰ ওপৰত পিতৃ-মাতৃয়ে চাপ প্ৰয়োগৰ ফলত আজি বহুতো ল'ৰা-ছোৱালীয়ে অকালতে এই পৃথিৱীৰ পৰা বিদায় লৈছে। কিছুমান বিপথে পৰিচালিত হৈছে। কিছুমান প্ৰতিভাই ধ্বংসমুখী ৰূপ লৈছে। মুঠৰ ওপৰত সন্তানৰ ওপৰত অত্যধিক চাপে প্ৰতিটো ক্ষেত্ৰতে পেলাইছে নেতিবাচক প্ৰভাৱ। নেতিবাচক প্ৰভাৱৰ ফলত প্ৰতিটো খোজতে সন্তানে উজুটি খাবলগীয়া হৈছে। পিতৃ-মাতৃয়ে পিছে কিহৰ কাৰণে সন্তানৰ ওপৰত অতিৰিক্ত চাপৰ সৃষ্টি কৰিছে তাৰ কোনো উত্তৰ নাই। আনক দেখি বহুতে কোনো কাৰণ নোহোৱাকৈয়ে অত্যধিক চাপৰ সৃষ্টি কৰিছে। অস্বাস্থ্যকৰ প্ৰতিযোগিতাই কেৱল সন্তানৰেই নহয়, নিজৰো সমানে ক্ষতিসাধন কৰা দেখা যায়। প্ৰতিযোগিতাৰ দৌৰত প্ৰথম স্থান লাভ নকৰিলেই যেন সন্তানৰ ভৱিষ্যৎ অন্ধকাৰ হ'ব তেনে মানসিকতাই গা কৰি উঠিছে।

পখিলা খেদা বয়সৰ পৰাই আজিকালি শিশুটিয়ে পিঠিত সহিব নোৱাৰা কিতাপৰ বেগ ওলোমাই ল'ব লাগে। পুৱা বিছনা ত্যাগ কৰাৰ পাছত সাজু হয় বিদ্যালয়লৈ যাবলৈ। নাকে-মুখে এসোপা খাদ্য সোমোৱাই বিদ্যালয়লৈ

গৈ আবেলি ঘৰলৈ ওভতে। ভাগৰে জুৰুলা কৰা শিশুটি ইয়াৰ পাছতে যাব লাগে টিউচনলৈ। সন্ধিয়া পঢ়া টেবুলত বহাৰ লগে লগে বহুতো নিদ্ৰাদেৱীৰ কোলাত পৰি যায়। চিলমিলীয়া টোপনিৰ মাজে মাজে সৰস্বতী দৰ্শন। ইয়াৰ মাজতে পিতৃ-মাতৃয়ে পঢ়া কোঠালৈ আহি সন্তানক নপঢ়া বাবে ধমক দিয়ে। পিতৃ-মাতৃৰ গালি-গালাজ খাই অলপ সময় পঢ়ি বিছনাত উঠিবৰে সময় হয়। শনিবাৰ, ৰবিবাৰে বন্ধৰ সময়ত গানৰ বিদ্যালয়, ক্ৰীড়াংগণ, সাঁতোৰ, ব্যায়ামাগাৰ (জিম) আদিলৈ যাব লাগে। আনৰ সন্তানে খেলিব, গান গাব, গতিকে নিজৰ সন্তানকো তাত নাম লগাই দিবই লাগিব। সন্তানৰ ইমানবোৰ বিষয় আয়ত্ব কৰিব পৰা ক্ষমতা আছে নে নাই তালৈ কোনো ভ্ৰূক্ষেপ নাই। মুঠতে সন্তান আনতকৈ এখোজ আগ বাঢ়ি যাব লাগে, তেনে মানসিকতাই গঢ় লৈ উঠিছে। পিতৃ-মাতৃয়ে মনত ৰখা উচিত প্ৰত্যেকৰে আয়ত্ত কৰিব পৰা ক্ষমতা সমান নহয়। কিছুমানৰ বেছি, কিছুমানৰ কম। গতিকে নিজৰ সন্তানৰ কিমান ক্ষমতা সেয়া ভালদৰে বুজি লৈহে এনে কৰিব লাগে। বেলুন এটা যিমানেই নুফুলাওক কিয় অতিৰিক্ত বায়ু সোমালে সি এসময়ত ফাটি যায়। প্ৰত্যেকৰে একোটা নিৰ্দিষ্ট পৰিমাণৰ বহন ক্ষমতা থাকে। যেতিয়া এই ক্ষমতাতকৈ অতিৰিক্ত বোজা বহন কৰিবলগীয়া হয় তেতিয়াই ব্যাঘাত জন্মে।

কি কাৰণে পিতৃ-মাতৃৰ মনত এনে মানসিকতাই গঢ় লৈ উঠিছে? ইয়াৰ আঁৰত আছে বহুতো কাৰণ। টিভি চেনেলত প্ৰদৰ্শিত বিভিন্ন প্ৰতিযোগিতা ইয়াৰ অন্যতম কাৰণ। কে'বাটাও ৰাষ্ট্ৰীয় পৰ্যায়ৰ চেনেলে বিভিন্ন ধৰণৰ শ্ব' অনুষ্ঠিত কৰাৰ পাছত এইবোৰত অংশগ্ৰহণ কৰি পিতৃ-মাতৃৰ সুনাম কঢ়িওৱাৰ লগতে 'গ্লেমাৰাছ' হৈ পৰাটো প্ৰায়ভাগেই বিচাৰে। আনকি এনেধৰণৰ শ্ব'ত অংশগ্ৰহণৰ বাবে অধ্যয়ন আধাতে সমাপ্ত কৰাৰো উদাহৰণ আছে; কিন্তু যিসকলে এনেধৰণৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি সফল হ'ব নোৱাৰে তেওঁলোকৰ পৰৱৰ্তী সময়ত কেনে পৰিস্থিতিৰ সৃষ্টি হয় এবাৰ পিতৃ-মাতৃয়ে ভাবি চাইছেনে? অসমৰ পৰা অংশগ্ৰহণ কৰি কে'বাগৰাকী গায়ক-গায়িকাই ৰাষ্ট্ৰীয় পৰ্যায়ৰ শ্ব'ত সাফল্য অৰ্জন কৰি পৰৱৰ্তী সময়ত তেওঁলোকৰ নাম-গোন্ধেই নাইকিয়া হৈ পৰিল। ৰিয়েলিটি শ্ব'ত সাফল্য অৰ্জন কৰিলেই সফলতাৰ উচ্চ শিখৰত উপনীত হোৱা নুসূচায়। সাফল্যৰ পথ ইমান মসৃণ হোৱাহেঁতেন

সকলোৱে যিকোনো কাম কৰিয়েই সফল হ'লহেঁতেন। ইয়াৰ বাবে প্ৰয়োজন সাধনাৰ। পিতৃ-মাতৃৰ অতিৰিক্ত চাপে এই সাধনাৰ পৰা সন্তানক বাৰে বাৰে পিছল খুৱায়।

পৰীক্ষাৰ আগে আগে সন্তানৰ ওপৰত ফলাফল ভাল কৰিব লাগিব বুলি অতিৰিক্ত চাপ প্ৰয়োগ কৰে। দিনে-নিশাই টেবুলৰ কাষত বহি থাকিব লাগে বুলি এনে এক পৰিস্থিতিৰ সৃষ্টি কৰায়— য'ত সন্তানে উৰাদিহ নাপাই নল'বলগীয়া সিদ্ধান্ত গ্ৰহণ কৰিবলৈ বাধ্য হয়। আনকি আত্মহত্যাৰো পথ বাছি লয়। সন্তানে এনে চৰম সিদ্ধান্ত গ্ৰহণৰ পাছত পিতৃ-মাতৃৰ লগতে পৰিয়ালৰ অৱস্থা কেনে হয় সেয়া সহজে অনুমেয়। চাপৰ ফলত এটা পৰিয়ালৰ ভৱিষ্যত ধূলিসাৎ হোৱাতকৈ সন্তানক চাপবিহীনভাৱে অধ্যয়নৰ লগতে আন ভালপোৱা কাম কৰিব দিলেহে সুফল পোৱা যায়। চাপে শাৰীৰিক-মানসিক ভাৰসাম্যত ব্যাঘাত জন্মায়। এই ব্যাঘাতৰ ফলত বিভিন্ন ধৰণৰ মানসিক ৰোগে গা কৰি উঠে। মানসিক ৰোগে শাৰীৰিক ৰোগৰ সৃষ্টি কৰে।

# কিয় কাশ্মীৰ অশান্ত

অশান্ত কাশ্মীৰক লৈ চৰ্চাৰ অন্ত নাই। ভাৰত পাকিস্তানৰ মাজত চিৰবৈৰী ভাৱৰ উৎসই হ'ল কাশ্মীৰ। স্বাধীনতা লাভৰ সময়ত বৃটিছে ধৰ্মৰ ভিত্তিত পাকিস্তানৰ সৃষ্টি কৰি যি সংঘাতৰ বীজ ৰোপণ কৰিছিল তাৰ ফল আজিও দুয়োখন দেশে ভুগি আছে। অৱশ্যে পাকিস্তানতকৈ ভাৰতে বেছি কুফল লাভ কৰিছে। বৃটিছে দেশ বিভাজনৰ সময়ত জম্মু আৰু কাশ্মীৰ সুকীয়া ৰাজ্য হোৱা বাবে বিষয়টোৰ মীমাংসা কৰিব পৰা নাছিল। সেই সময়ত ৰজা হৰি সিঙে ৰাজ্য সুৰক্ষিত কৰিবলৈ ভাৰতৰ সহায় বিচাৰিছিল। চৰ্দাৰ বল্লভ ভাই পেটেলৰ সাহসী সিদ্ধান্তইহে ৰক্ষা কৰিছিল কাশ্মীৰ। তেতিয়াৰে পৰাই পাকিস্তানৰ লক্ষ্য হৈ পৰে কাশ্মীৰ। পাকিস্তানে কাশ্মীৰৰ এটা অংশত আধিপত্য বিস্তাৰ কৰি শাসন চলাইছে। এই ভূখণ্ডক কোৱা হয় 'পাক অধিকৃত কাশ্মীৰ' বা পি অ' কে। পাকিস্তানে যিদৰে কাশ্মীৰত মানৱ অধিকাৰ ভংগ হোৱা বুলি অভিযোগ তুলি আহিছে, তেনেদৰে ভাৰতেও পি অ' কেত মানৱতা ভূ-লুণ্ঠিত হোৱাৰ অভিযোগ উত্থাপন কৰিছে। শেহতীয়াভাৱে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পাকিস্তানৰ উত্তৰ দিশৰ প্ৰদেশ বেলুচিস্তানত মানৱ অধিকাৰ ভংগ হোৱাৰ অভিযোগ আন্তৰ্জাতিক পৰ্যায়ত উত্থাপন কৰাৰ পাছত শ'লঠেকত

পৰিছে পাকিস্তান। চুবুৰীয়া ৰাষ্ট্ৰখনে বেলুচিস্তানত জনসাধাৰণৰ ওপৰত নিৰ্বিচাৰে অত্যাচাৰ চলাই হেজাৰ হেজাৰ নিৰীহ লোকক হত্যা কৰাৰ তথ্য প্ৰকাশ পোৱাৰ পাছত পাকিস্তানে এতিয়া কাশ্মীৰত মানৱ অধিকাৰ ভংগ হোৱা বিষয়টো উত্থাপন কৰিব নোৱাৰা হৈছে। প্ৰধানমন্ত্ৰী মোদীৰ এই কৌশলী অভিযোগ আন্তৰ্জাতিক পৰ্যায়ত কাশ্মীৰতকৈ বেলুচিস্তানক অধিক প্ৰাধান্য দিয়াইছে।

কাশ্মীৰত পাকিস্তানী সন্ত্ৰাসবাদীয়ে পাক চৰকাৰ তথা ইণ্টাৰ ছাৰ্ভিচেছ ইণ্টেলিজেন্স অৱ পাকিস্তান (আই এছ আই)ৰ সহযোগত সন্ত্ৰাসবাদী কাৰ্যকলাপ দীৰ্ঘদিনৰ পৰা চলাই আহিছে। ভাৰতে এই অভিযোগ উত্থাপন কৰিলেই পাকিস্তানে ইয়াক খণ্ডন কৰে। আই এছ আয়ে মুজাহিদীনক সহায়ৰ হাত আগবঢ়াই কাশ্মীৰক অস্থিৰ কৰিবলৈ চেষ্টা চলাই থকাটো সকলোৰে জ্ঞাত। প্ৰথম অৱস্থাত পাকিস্তানে এই কথা অস্বীকাৰ কৰিলেও প্ৰাক্তন ৰাষ্ট্ৰপতি পাৰভেজ মুশ্বাৰফে এটা টেলিভিছনত দিয়া সাক্ষাৎকাৰত এইবুলি উল্লেখ কৰিছে যে ১৯৯০ৰ পৰাই পাকিস্তানে কাশ্মীৰত অস্থিৰ অৱস্থাৰ সৃষ্টি কৰিবলৈ সন্ত্ৰাসবাদী সংগঠনসমূহক প্ৰশিক্ষণ দি আহিছে। ধনৰ যোগান ধৰাৰ লগতে পাক সেনাই এনে প্ৰশিক্ষণত আগ-ভাগ লোৱা বুলিও মুশ্বাৰফে মন্তব্য কৰিছে। তেতিয়াৰ পৰা ২০০৯ লৈকে ৩,৪০০ টা নিৰুদ্দেশ সম্পৰ্কীয় গোচৰ ৰুজু হৈছে। জম্মু আৰু কাশ্মীৰ বিধানসভাত দিয়া তথ্য অনুসৰি ৪৭ হেজাৰ লোকৰ মৃত্যু হৈছে। ইয়াৰ ভিতৰত আছে সাত হেজাৰ আৰক্ষীৰ লোক। অৱশ্যে ভাৰত পাকিস্তানৰ মাজত মন্থৰ গতিত চলা আলোচনাৰ পাছত বিচ্ছিন্নতাবাদী সম্পৰ্কীয় ঘটনা হ্ৰাস পাইছে।

১৯৮৭ৰ পৰা ২০০৪ৰ ভিতৰত বিচ্ছিন্নতাবাদী কাশ্মীৰী নেতাৰ সংখ্যাও বৃদ্ধি পায়। এই ২৫ বছৰৰ ভিতৰত বিচ্ছিন্নতাবাদী আৰু নিৰাপত্তাৰক্ষীৰ মাজত সংঘটিত হৈছে সৰ্বাধিক ঘটনা। 'চেকুলাৰ পাৰ্টি'ৰ মুৰব্বী শ্বেইখ আব্দুল্লাৰ মৃত্যুৰ পাছত তেওঁৰ পুত্ৰ ফাৰুখ আব্দুল্লাই জম্মু আৰু কাশ্মীৰৰ মুখ্যমন্ত্ৰীৰ দায়িত্ব গ্ৰহণ কৰে। কিন্তু ১৯৮৭ত অনুষ্ঠিত নিৰ্বাচনৰ সময়ত আব্দুল্লাই কংগ্ৰেছৰ স'তে মিলি শাসনভাৰ দখল কৰিলেও দলতেই পৰাজিত নেতাই সৃষ্টি কৰে বিচ্ছিন্নতাবাদী শক্তিৰ। ৰাজ্যখনত সশস্ত্ৰ বিচ্ছিন্নতাবাদী শক্তিয়ে গা কৰি উঠে।

পাকিস্তানে এনে শক্তিক সমৰ্থন কৰাৰ লগতে অৰ্থ, অস্ত্ৰ, আৰু প্ৰশিক্ষণ দিবলৈ আৰম্ভ কৰে। ২০০৪ত সন্ত্ৰাসবাদীয়ে দুবাৰকৈ পাকিস্তানৰ প্ৰাক্তন ৰাষ্ট্ৰপতি জেনেৰেল মুশ্বাৰফক হত্যাৰ বাবে প্ৰচেষ্টা চলোৱাৰ পাছত চৰকাৰে সন্ত্ৰাসবাদীৰ বিৰুদ্ধে কঠোৰ স্থিতি গ্ৰহণ কৰে। পৰৱৰ্তী ৰাষ্ট্ৰপতি আছিফ আলী জাৰ্ডাৰীয়েও একে নীতিয়ে গ্ৰহণ কৰে যদিও এই ক্ষেত্ৰত আই এছ আইৰ স্থিতি কোনোদিনেই স্পষ্ট নহ'ল। বহিঃ শক্তিয়ে জম্মু আৰু কাশ্মীৰক অশান্ত কৰি ৰাখিবলৈ অহৰহ চেষ্টা অব্যাহত ৰাখিছে যদিও ভাৰত চৰকাৰেও পৰ্যাপ্ত নিৰাপত্তাৰক্ষী প্ৰেৰণ কৰি ইয়াৰ প্ৰত্যুত্তৰ দি আহিছে।

এতিয়া হিজবুল মুজাহিদীনে কাশ্মীৰত সেনাৰ বিৰুদ্ধে আক্ৰমণ অব্যাহত ৰাখিছে। ২০১২ৰ ৩ আগষ্টত লস্কৰ ই তৈবাৰ কমাণ্ডাৰ অবু হানজুলাহৰ নেতৃত্বত নিৰীহলোকৰ ওপৰত আক্ৰমণ চলাই হত্যা কৰিছিল। পাছত নিৰাপত্তাৰক্ষীৰ ওপৰত আক্ৰমণ চলোৱাত উত্তৰ কাশ্মীৰৰ কুপৱাড়া জিলাৰ এখন গাঁৱত সংঘৰ্ষত সন্ত্ৰাসবাদী নেতাজনৰ মৃত্যু হয়।

ইপিনে, ভাৰতীয় সেনাই প্ৰকাশ কৰা তথ্য অনুসৰি ২০১৪ত কমেও ৭০ জন কাশ্মীৰী যুৱকে সন্ত্ৰাসবাদী সংগঠনত যোগ দিয়ে। ইয়াৰ অধিকাংশই লকস্কৰ ই-তৈবাত যোগ দিয়াৰ সন্দেহ প্ৰকাশ কৰা হৈছে। বেছিভাগেই ২০০৮ৰ মুম্বাই আক্ৰমণত জড়িত। আনকি ডক্টৰেট ডিগ্ৰীধাৰী আৰু স্নাতকোত্তৰ ডিগ্ৰীলাভ কৰা যুৱকেও উগ্ৰপন্থী সংগঠনত যোগদান কৰিছে।

পাকিস্তানে পৰোক্ষভাৱে সন্ত্ৰাসবাদীক আশ্ৰয়, অৰ্থ, প্ৰশিক্ষণ দিয়া বুলি ভাৰতে অভিযোগ তুলি আহিলেও বিশ্ব বাণিজ্য কেন্দ্ৰ আৰু পেণ্টাগনত অল-কায়দাই আক্ৰমণ চলোৱাৰ আগলৈকে কোনো ৰাষ্ট্ৰই গুৰুত্ব প্ৰদান কৰা নাছিল। ২০০৬ত বিবিচিয়ে প্ৰকাশ কৰা তথ্যমতে, পাকিস্তানে সন্ত্ৰাসবাদী সংগঠনক নিষিদ্ধ কৰা সত্বেও সন্ত্ৰাসবাদীয়ে কাশ্মীৰত প্ৰৱেশৰ চেষ্টা অব্যাহত ৰাখিছে। ২০১১ত আমেৰিকাৰ ফেডাৰেল ব্যুৰ' অৱ ইন্‌ভেষ্টিগেচন (এফ বি আই)-এ আই এছ আয়ে কাশ্মীৰত সন্ত্ৰাসবাদী আৰু বিচ্ছিন্নতাবাদী সংগঠনক সহায়ৰ কথা উল্লেখ কৰে। আমেৰিকাৰ আদালতত এফ বি আয়ে এই তথ্য দাঙি ধৰাৰ পাছত পাকিস্তানৰ মুখা খোল খায়। ইয়াৰ পাছতে বিভিন্ন দেশে পাকিস্তানক সন্ত্ৰাসবাদীক আশ্ৰয় দিয়া ৰাষ্ট্ৰ হিচাপে ঘোষণা কৰে।

# গোলকীয় উষ্ণতাৰ বাবে দায়ী কোন

মানৱ জাতিৰ বাবে অতিসম্প্ৰতি প্ৰত্যাহ্বান হৈ পৰিছে গোলকীয় উষ্ণতা। বিশ্বৰ উন্নত দেশ বিশেষকৈ উদ্যোগিক ক্ষেত্ৰত আগ বঢ়া দেশসমূহৰ বিজ্ঞানীসকলে আগ বঢ়োৱা তথ্য মতে একবিংশ শতিকাত গোলকীয় উষ্ণতা ০.৩ৰ পৰা ১.৭ ডিগ্ৰী চেলছিয়াছলৈ বৃদ্ধি পাইছে। 'ইণ্টাৰ-গৱৰ্নমেণ্টেল পেনেল অন ক্লাইমেট চেঞ্জ' সংক্ষেপে আইপিচিচিৰ তথ্য অনুসৰি ২০১৪ত প্ৰায়ভাগ দেশৰ বিজ্ঞানীসকলে গোলকীয় উষ্ণতা বৃদ্ধিৰ ক্ষেত্ৰত ৯৫ শতাংশ মানুহেই দায়ী বুলি উল্লেখ কৰিছে। ২০১৫ৰ পেৰিছ চুক্তি অনুসৰি প্ৰতিখন দেশৰ প্ৰতিনিধিয়ে গোলকীয় উষ্ণতা ১.৫ ডিগ্ৰী ফাৰেনহাইটকৈ বৃদ্ধি হ'বলৈ নিদিয়ে বুলি প্ৰতিজ্ঞা কৰিছিল। কাৰণ যিদৰে উত্তাপ বৃদ্ধি হ'বলৈ ধৰিছে সেইদৰে বৃদ্ধি হৈ থাকিলে এদিন জীৱকুললৈকে শংকা আহি পৰিব। ২০১৩ৰ ১০ জুলাইত আমেৰিকা যুক্তৰাষ্ট্ৰৰ কেলিফ'ৰ্নিয়াৰ গ্ৰীনলেণ্ড ৰচত সৰ্বাধিক উষ্ণতা ৫৬.৭ ডিগ্ৰী চেলছিয়াছলৈ বৃদ্ধি পাইছিল। ভৱিষ্যতে পৃথিৱীৰ আন দেশতো যে এনে। পৰিস্থিতিৰ সৃষ্টি নহ'ব তাৰ কোনো নিশ্চয়তা নাই।

এতিয়া ৰাজ্যবাসী প্ৰচণ্ড গৰমত অস্বস্তিৰে সময় অতিবাহিত কৰিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হৈছে। ইতিমধ্যে উত্তাপ ৩৮ ডিগ্ৰী চেলছিয়াছ পাইছেগৈ। দুই দশক আগলৈকে অসমত ইমান গৰম নাছিল। বিশেষকৈ গ্ৰামাঞ্চলত উত্তাপ স্বাভাৱিক হৈ আছিল। এতিয়া পিছে উত্তাপে সকলোকে দহিব ধৰিছে। অসমত সেউজীয়া পাহাৰসমূহ অন্তৰ্ধান হ'ল। গছ-গছনিসমূহ এফালৰ পৰা তহিলং হ'ল। কিছুমান বনাঞ্চলত পুৰণি গছ নোহোৱা হ'ল। জলাশয়সমূহ পুতি অট্টালিকা নিৰ্মাণ কৰাৰ পাছত কিছু পৰিমাণে হ'লেও অঞ্চলবিশেষে উত্তাপ বৃদ্ধি পালে। ৰৌদ্ৰপ্ৰদাহৰ বাবে মৃত্যু হোৱাৰ ঘটনা আমাৰ ৰাজ্যত সংঘটিত হৈছে। এনেবোৰ ঘটনা সংঘটিত হোৱা সত্ত্বেও আমি কিন্তু বিষয়টোত গুৰুত্ব প্ৰদান কৰা নাই। বিশ্ব স্বাস্থ্য সংস্থাৰ এটি শেহতীয়া তথ্য মতে, ২০৩০ লৈ বিশ্বত বছৰি দুই লাখ ৫০ হেজাৰ লোকৰ মৃত্যু হ'ব কেৱল গোলকীয় উষ্ণতা সম্পৰ্কীয় ৰোগত আক্ৰান্ত হৈ। পুষ্টিহীনতা, মেলেৰীয়া, ডায়েৰীয়া আদি ৰোগৰ ফলত এই লোকসকলৰ মৃত্যু হ'ব। তদুপৰি ছানষ্ট'ক বা ৰৌদ্ৰপ্ৰদাহত আক্ৰান্তৰ সংখ্যাও অস্বাভাৱিকভাৱে বৃদ্ধি পাব। ইয়াৰ প্ৰমাণ অসমতে দেখা যায়। এতিয়া ৰাজ্যখনৰ বিভিন্ন ঠাইত ৰৌদ্ৰপ্ৰদাহৰ ফলত মৃত্যু হোৱাৰ বাতৰি প্ৰচাৰ হৈছে। আগতে প্ৰখৰ ৰ'দতো কৃষকসকলে পথাৰত খেতি কৰিছিল। কোনো সমস্যাই নাছিল। এতিয়া পিছে দুপৰীয়া কাম কৰাতো বাদেই পুৱাও বেছি সময় পথাৰত থাকিব নোৱাৰা অৱস্থাৰ সৃষ্টি হৈছে। পথাৰতে ঢলি পৰে কৃষক। বিশ্ব স্বাস্থ্য সংস্থাৰ তথ্য অনুসৰি অহা ১৫ বছৰৰ ভিতৰত জলবায়ুৰ পৰিৱৰ্তনৰ ফলত ৩৮ হেজাৰ বয়স্ক লোকৰ মৃত্যু ঘটিব। পুষ্টিহীনতাত চিকাৰ হৈ মৃত্যুমুখত পৰিব ৯৫ হেজাৰ লোক। তদুপৰি মেলেৰিয়াত ৬০ হেজাৰ আৰু ডায়েৰীয়াত ৪৮ হেজাৰ লোক আক্ৰান্ত হৈ চিৰদিনৰ বাবে মৃত্যুৰ কোলাত ঢলি পৰিব। গতিকে এনেধৰণৰ সমস্যাৰ পৰা হাত সাৰিবলৈ আমি সকলোৱে সজাগ হ'ব লাগিব।

গোলকীয় উষ্ণতাৰ বাবে পৃথিৱীত দুৰ্ভিক্ষৰ প্ৰাদুৰ্ভাৱ ঘটাৰো আশংকা নুই কৰিব নোৱাৰি। 'গ্ৰীন হাউছ' গেছৰ বাবে পৃথিৱীৰ উত্তাপ বৃদ্ধি হৈছে। ই এল নাইনোৰ বাবে উপকূলীয় অঞ্চলসমূহত গৰম বতাহ বৈছে। এণ্টাৰ্কটিকাত প্ৰকাণ্ড আকাৰৰ বৰফ গলিছে। একো একো টুকুৰা বৰফ ছিংগাপুৰৰ সমান

হ'ব। ইতিমধ্যে বিশ্বৰ দহখন বাণিজ্যিক চহৰ পানীত ডুব যোৱাৰ আশংকা প্ৰকাশ কৰিছে বিশ্ব স্বাস্থ্য সংস্থাই। এটা কথা ঠিক যে গোলকীয় উষ্ণতা বৃদ্ধিৰ ক্ষেত্ৰত যিবোৰ কাৰক চিহ্নিত হৈছে ইয়াৰ অধিকাংশই পিছে মানৱসৃষ্ট। গৰমৰপৰা পৰিত্ৰাণ পাবলৈ ব্যৱহাৰ কৰা এয়াৰ কুলাৰ, ৰেফিজাৰেটৰ, এয়াৰ ফ্ৰেচনাৰ আদি যন্ত্ৰৰ পৰা এবিধ গেছ নিৰ্গত হয়। ইয়ে বায়ুমণ্ডল প্ৰদূষিত কৰাত গ্ৰীষ্মপ্ৰবাহ বৃদ্ধি পাবলৈ ধৰিছে।

গোলকীয় উষ্ণতা বা উত্তাপ প্ৰতিৰোধৰ বাবে যদি মানৱ জাতিয়ে নাভাবে, তেন্তে এদিন জীৱকুল জীয়াই থকাতো প্ৰত্যাহ্বান হৈ পৰিব। সকলোৰে গছপুলি ৰোৱক। বনজ সম্পদ ৰক্ষা কৰিব লাগিব। সকলোবোৰ ব্যৱহাৰ বিশেষকৈ গাড়ী-মটৰৰ পৰা নিৰ্গত ধোৱা, এ চি, ৰেফিজাৰেটৰ, জেনেৰেটৰ, লাইট, পাংখা, আদিৰ ব্যৱহাৰ সীমিত কৰিব লাগিব। পাঁচ জুনত সমগ্ৰ বিশ্বতে 'বিশ্ব পৰিৱেশ দিৱস' পালন কৰিলেই নহ'ব। যেতিয়ালৈ বিশ্ববাসী সতৰ্ক নহয় তেতিয়ালৈকে কেৱল উষ্ণতা বৃদ্ধিয়েই নহয়, সমান্তৰালভাৱে আন বহুতো সমস্যাই গা কৰি উঠিব।

# হেৰাই গ'ল দুৰ্গা পূজাৰ মূৰ্তি চাবলৈ যোৱাৰ আনন্দ

দুৰ্গা পূজা আহিলে সকলোৰে মন-প্ৰাণ আনন্দৰে ভৰি পৰে। কাৰণ দুৰ্গা পূজা চাবলৈ যোৱাৰ মাজতে লুকাই থাকে অনাবিল আনন্দৰ উৎস। মা-দেউতা, লগ-সমনীয়াৰ স'তে পূজা চাবলৈ গৈ বেলুন, হুইচেল, পুতলা-পিস্তলৰ লগতে আন বস্তু কিনাৰ মজাই বেলেগ। পিছে দুৰ্গা পূজাৰ আনন্দ কেৱল সেই চাৰিদিনতে সীমাবদ্ধ নাথাকে। এই প্ৰক্ৰিয়া আৰম্ভ হয় এমাহমান আগৰে পৰাই। বিশেষকৈ গ্ৰামাঞ্চলত এমাহমান আগৰে পৰাই মূৰ্তি চাবলৈ সৰু সৰু ল'ৰা-ছোৱালীৰ ভিৰ হয়। ঘৰৰ পৰা দৌৰি দৌৰি গৈ মূৰ্তি চাই মনত ৰং পালে আন সকলো কথা পাহৰি যায়। কেতিয়াবা কেতিয়াবা মা-দেউতাই যাবলৈ বাধা দিলে মনত ক্ষোভৰ সৃষ্টি হয়। ভাত নোখোৱাৰ ঠেহ পাতে। চাবলৈ যাবলৈ অনুমতি দিয়াৰ লগে লগে মুখৰ বৰণ সলনি হ'বলৈ ধৰে। নোপোৱা বস্তু এটা পোৱাৰ পাছত যেন যুদ্ধহে বিজয়ী হৈছে। আজিকালি যেন আগৰ সেই আনন্দ বিচাৰি পোৱা নাযায়। বাহিৰলৈ ল'ৰা-ছোৱালীক অকলে ওলাবলৈ দিব নোৱাৰা পৰিস্থিতি এটিৰ সৃষ্টি হৈছে। দিন দুপৰতে অপহৰণ, হত্যা, বলাৎকাৰ, দুৰ্ঘটনা, মাৰপিটৰ ঘটনা সংঘটিত হ'বলৈ ধৰিছে।

আন বিষয়তো বাদেই হত্যাও হৈ পৰিছে তেনেই সাধাৰণ ঘটনা। শিশুকো নিৰ্মমভাৱে দিন দুপৰতে হত্যা কৰি পথৰ দাঁতিত পেলাই যোৱাৰ দৰে নৃশংস হত্যাকাণ্ড সংঘটিত হোৱাৰ উদাহৰণ বহুতো ওলায়ে থাকে। সেইবাবে পিতৃ-মাতৃয়ে সন্তানক পূজা চাবলৈ অকলে যাবলৈ নিদিয়ে। আনকি এই চিনাকি ঠাইডোখৰো হৈ পৰে অচিনাকি সদৃশ। প্ৰতিটো মুহূৰ্ততেই যেন বিপদ। ফলত সৰু সৰু ল'ৰা-ছোৱালীবোৰৰ মন শিলৰ দৰে কঠিন হ'বলৈ ধৰিছে। লাহে লাহে প্ৰায়ভাগেই আত্মকেন্দ্ৰিক হৈ পৰিছে। আগতে আত্মকেন্দ্ৰিক মনোভাব বয়স বৃদ্ধিৰ সমান্তৰালভাৱে সৃষ্টি হৈছিল; কিন্তু অতি সম্প্ৰতি পৰিস্থিতিয়ে এনেৰূপ ধাৰণ কৰিছে যে ল'ৰা-ছোৱালীয়ে আত্মকেন্দ্ৰিক হ'বলৈ বাধ্য হৈছে। দোষ সিহঁতৰ নহয়, সমাজব্যৱস্থাৰ। আমাৰ সমাজখনত এতিয়া সংকীৰ্ণ মনৰ লোকৰে আধিপত্য।

একাংশ লোকে এতিয়া ধৰ্মৰ নামত এনে এক পৰিস্থিতিৰ সৃষ্টি কৰে য'ত কেৱল প্ৰতিটো মুহূৰ্ততে থাকে আশংকা। এনেহ'লে তেওঁলোক লাভান্বিত হয়। ধৰ্মক অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰি অপ্ৰীতিকৰ ঘটনাৰ সৃষ্টিৰে মুনাফা লাভ কৰিবলৈ চেষ্টা কৰাসকলে এবাৰো ভাবি নাচায় তেওঁলোকৰ ল'ৰা-ছোৱালীও একাকীত্বৰ চিকাৰ হৈছে। এদিন তেওঁলোকৰ সন্তানেও পিতৃ-মাতৃৰ পৰা আঁতৰি যাব। তেতিয়া ঘৰখন হৈ পৰিব এটা মহাশূন্য। এই মহাশূন্যৰ মাজত থাকিলে চকু মুদিব লাগিব। তেতিয়া কোনোবাই কাৰোবাৰ হিচাপ ৰাখিব জানো? গতিকে শিশুসকলক আনন্দ লাভৰ পৰা যেন কোনোৱে বঞ্চিত নকৰে।

পিতৃ-মাতৃ, অভিভাৱকেও সন্তানক দুৰ্গা পূজাৰ মূৰ্তি চাবলৈ যাব দিয়ক। মুকলি মনেৰে খেলিব, ফুৰিব দিয়ক। তেতিয়াহে সন্তানৰ শৈশৱ ঘৰৰ চাৰিবেৰৰ মাজত অকলে অতিবাহিত নহ'ব। মনত ৰাখিব শৈশৱতে যদি মনটো সংকীৰ্ণ হৈ পৰে তেতিয়াহ'লে পৰৱৰ্তী সময়ত তেওঁলোকৰ পৰা আমি কি আশা কৰিব পাৰো সেয়া সহজেই অনুমেয়। বীজ ভাল হ'লেহে গছৰ ফল সুস্বাদু হ'ব। কেৱল বীজ ভাল হ'লেই নহ'ব, মাটিখিনিও সাৰুৱা হোৱাৰ প্ৰয়োজন। সাৰ, পানী পালে গছ সোনকালে ডাঙৰহৈ ফল দিব। সন্তানৰ বেলিকাও সেই একেই প্ৰতিচ্ছবি ফুটি উঠে।

# বেলুচিস্তান আৰু পাকিস্তান

পাকিস্তানৰ বেলুচিস্তান প্ৰদেশক লৈ ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৰা মন্তব্যৰ পাছতে বিষয়টোৱে চুবুৰীয়া ৰাষ্ট্ৰখনক কঁপাই তুলিছে। পাকিস্তানৰ চাৰিখন প্ৰদশেৰ ভিতৰত বেলুচিস্তানৰ জনগণে বিগত ৬৯ বছৰত পাক চৰকাৰৰ শোষণ, বঞ্চনা আৰু অমানৱীয় অত্যাচাৰৰ সন্মুখীন হ'বলগীয়া হৈছে। খৰ্ব হৈছে মানৱ অধিকাৰ। প্ৰদেশখনৰ জনসাধাণৰক পাক চৰকাৰে ইতৰ জন্তুৰ দৰে ব্যৱহাৰ কৰি প্ৰতিটো ক্ষেত্ৰতে হেঁচা প্ৰয়োগ কৰি ৰাখিছে। শেহতীয়াভাৱে পাকিস্তানৰ প্ৰধানমন্ত্ৰী নৱাজ শ্বৰিফৰ উচতনিত কাশ্মীৰত যি অশান্ত পৰিস্থিতিৰ সৃষ্টি হৈছে তাৰ প্ৰত্যুত্তৰ হিচাপে ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এইবাৰ বেলুচিস্তানক অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰি সকীয়নি দিয়ে। বেলুচিস্তান প্ৰদেশৰ বাসিন্দাসকলে নৰক যন্ত্ৰণাৰ মাজেৰে দিন অতিবাহিত কৰিবলগীয়া হোৱাৰ বিষয়ে প্ৰধানমন্ত্ৰী মোদীয়ে বিস্ফোৰণ ঘটোৱাৰ পাছত নিদ্ৰাহৰণ হৈছে পাকিস্তানৰ প্ৰধানমন্ত্ৰী শ্বৰিফৰ। ইতিমধ্যে উক্ত প্ৰদেশখনৰ বহুতো নেতা, সংগঠন, দল আদিয়ে প্ৰধানমন্ত্ৰী মোদীক এনে যন্ত্ৰণাৰ পৰা মুক্তি দিবলৈ বিষয়টো ৰাষ্ট্ৰসংঘৰ মজিয়াত উত্থাপন কৰিবলৈ অনুৰোধ জনাইছে। ১৫ আগষ্টত লালকিল্লাত প্ৰধানমন্ত্ৰী মোদীয়ে ৰাষ্ট্ৰক উদ্দেশ্যি দিয়া ভাষণত এই কথা ব্যক্ত কৰে।

প্ৰধানমন্ত্ৰী মোদীৰ ৰণকৌশলত আছে এক সুকীয়া বৈশিষ্ট্য। বিগত ৭০ বছৰত যিটো বিষয় কোনো এগৰাকী প্ৰধানমন্ত্ৰীয়ে কল্পনা কৰিব পৰা নাছিল সেয়া মোদীয়ে উত্থাপন কৰাৰ লগে লগে সমগ্ৰ বিশ্বতেই চৰ্চা লাভ কৰিছে বেলুচিস্তানে। বালোচ উইমেন ফ'ৰামৰ অধ্যক্ষ নায়েলা কাদ্ৰিয়ে মোদীক

সমৰ্থন জনাই অহা ছেপ্টেম্বৰত ৰাষ্ট্ৰসংঘৰ অধিৱেশনত এই বিষয়টো উত্থাপন কৰিব বুলি আশা প্ৰকাশ কৰে। বালোচ নেচনেল ম'ভমেণ্টেও ভাৰতৰ স্থিতিক সমৰ্থন জনাইছে। সংগঠনটোৰ প্ৰতিনিধি হালাল হাইদৰ বালোচে কয় যে বেলুচিস্তানৰ জনসাধাণৰ চিন্তা-চৰ্চা ভাৰতীয় লোকৰ স'তে একে। বেলুচিস্তানৰ স্বাধীনতা আন্দোলনক ভাৰতে সমৰ্থন জনাবলৈ একাধিকবাৰ বহুতো সংগঠনে আহ্বান জনাই আহিছে। প্ৰদেশখনৰ জনসাধাৰণে সদায় গণতন্ত্ৰত বিশ্বাসী যদিও পাকিস্তানে জন্মলগ্নৰে পৰাই সন্ত্ৰাসবাদী, মৌলবাদী সংগঠনক সমৰ্থন দি আহিছে। আনকি দেশখনৰ চৰকাৰ তথা সেনা বাহিনীৰ ছত্ৰছায়াতে সন্ত্ৰাসবাদী নেতাই দেশখনত সুৰক্ষিত হৈ মুক্তভাৱে চলাচল কৰিব পাৰিছে বুলি সংগঠনটোৱে অভিযোগ তুলিছে।

বেলুচিস্তান প্ৰদেশখন পাকিস্তানে স্বাধীনতা লাভ কৰাৰ পূৰ্বে এখন স্বাধীন ৰাজ্য আছিল। বেলুচিস্তানৰ বিষয়টো জম্মু আৰু কাশ্মীৰৰ দৰে। প্ৰদেশখন পাকিস্তানৰ দক্ষিণ-পশ্চিম প্ৰান্তত অৱস্থিত। কুৱেট্টা হ'ল প্ৰদেশখনৰ ৰাজধানী উত্তৰ-পশ্চিমফালে পাঞ্জাব আৰু জনবসতি অধ্যুষিত অঞ্চল, দক্ষিণ-পূবফালে সিন্ধ, দক্ষিণফালে আৰব সাগৰ, পশ্চিমত ইৰান আৰু উত্তৰফালে আফগানিস্তান অৱস্থিত। ৩৪৭,১৯০ বৰ্গ কিলোমিটাৰ ভূখণ্ডই আৱৰি থকা প্ৰদেশখনত ২০১১ৰ লোকপিয়ল অনুসৰি জনসংখ্যা হ'ল ১৩,১৬২,২২২ জন। এই লোকসকলৰ অধিকাংশই হ'ল বালোচ, পাঠান আৰু ব্ৰাহুইছ। তদুপৰি হাজাৰা, পাঞ্জাবী আদি লোকেও বসবাস কৰে।

পাকিস্তানে ১৯৪৮ত বেলুচিস্তান দখলৰ পাছৰে পৰা সুদীৰ্ঘ ৬৮ বছৰ বালোচসকলে স্বাধীনতা লাভৰ বাবে চেষ্টা চলাই আছে। ১৯৪৮ৰ উপৰি। ১৯৫৮-৫৯, ১৯৭৩-৭৭, ২০০৪-২০১২ আৰু ২০১২ৰ পৰা বৰ্তমানলৈকে বালোচৰ স্বাধীনতা বিচৰাসকলে পাকিস্তানৰ বিৰুদ্ধে বিদ্ৰোহ কৰিছে। বহুতো বিদ্ৰোহী নেতাক হত্যা কৰা হৈছে। তদুপৰি বালোচ বিচ্ছিন্নতাবাদীসকলক পাক সেনাই সময়ে সময়ে হত্যা কৰি আহিছে। তেওঁলোকৰ মানৱ অধিকাৰ কৰ্মীও পাক সেনাৰ বৰ্বৰতাৰ পৰা আঁতৰি থাকিব পৰা নাই। আনকি ৰাষ্ট্ৰসংঘত ভাষণ দিবলৈ যোৱা মানৱ অধিকাৰ কৰ্মীকো কৰাছী বিমানবন্দৰৰ পৰা বিগত বৰ্যত ওভতাই নিয়া হৈছিল পাক চৰকাৰৰ নিৰ্দেশত।

# সন্তানৰ বাবে পিতৃ-মাতৃয়ে অলপ সময় উলিয়াওক

২০১৬ত মহানগৰীত এটি শিশু অপহৰণৰ ঘটনাই ৰাজ্যজুৰি কঁপাই গ'ল। ঘৰত কাম-বন কৰা মহিলা এগৰাকীয়ে অপহৰণ কৰাৰ পাছতে আৰক্ষীৰ তৎপৰতাত শিশুটি উদ্ধাৰ হ'ল। এই ঘটনাত জড়িত মহিলাগৰাকীসহ ছজন অপহৰণকাৰী গ্ৰেপ্তাৰ হোৱাৰ লগে লগে উন্মোচিত হ'ল ৰাজ্যজুৰি সক্ৰিয় হৈ থকা অপহৰণকাৰী চক্ৰৰ কথা। সুপৰিকল্পিতভাৱে ঘৰৰ পৰাই এটি শিশু অপহৰণ কৰা কাৰ্যই সকলোকে স্তম্ভিত কৰিছে। কিছু বছৰ আগলৈকে আমি হিন্দী চিনেমাত যিবোৰ অপহৰণ, হত্যা, ডকাইতিৰ লগতে আন অপৰাধজনিত ঘটনাৰ কৌশল দেখিবলৈ পাইছিলো অতিসম্প্ৰতি সেইবোৰ বাস্তৱত প্ৰতিফলিত হ'বলৈ ধৰিছে। এই কাৰ্যই এটা কথা প্ৰমাণ কৰিলে যে এতিয়া শিশুটিও ঘৰখনতেই সুৰক্ষিত নহয়। কিন্তু ইয়াৰ বাবে দায়ী কোন?

এতিয়া প্ৰায়সংখ্যক পিতৃ-মাতৃৰেই হাতত সময় নাই। অজস্ৰ ধন-সম্পত্তিৰ গৰাকী হোৱাৰ সপোন ৰচা বাবে সময়ৰ অভাৱ। প্ৰতিযোগিতাৰ যুগত নিজকে

সকলোৰে আগত ৰাখিবলৈ অহৰ্নিশে ব্যস্ততা। আনকি বহুতে ঠিকমতে খোৱা-বোৱা কৰিবলৈ সময় নাপায়। সন্তানক সময় দিব নোৱাৰে। প্ৰতিগৰাকী সন্তানে বিচাৰে পিতৃ-মাতৃৰ স'তে অধিক সময় অতিবাহিত কৰিবলৈ সিহঁতৰ সকলো সমস্যাই পিতৃ-মাতৃৰ আগত ব্যক্ত কৰিব খোজে। মৰম-চেনেহৰ মাজতেই শিশুটি ডাঙৰ-দীঘল হ'ব বিচাৰিলেও পিতৃ-মাতৃয়ে পৰ্যাপ্ত সময় দিব নোৱাৰে। পিতৃ-মাতৃৰ স'তে খেল ধেমালি কৰা, ফুৰিবলৈ যোৱা, একেলগে ভাত খাবলৈ ভাল পায়। এনে পৰিৱেশৰ মাজত থাকিয়ে পঢ়া-শুনা, খোৱা-বোৱা কৰিলে শিশুৰ শাৰীৰিক-মানসিক বিকাশ হয়। শিশুটিক সদায় মৰমৰ মাজত ডুবাই ৰাখিব লাগে; কিন্তু আমি অভিভাৱক, পিতৃ-মাতৃয়ে জানো সন্তানক পৰ্যাপ্ত সময় দিব পাৰিছো?

আজিকালি চহৰাঞ্চলতেই হওক অথবা গ্ৰামাঞ্চলতেই নহওক কিয় সকলোতে একেই প্ৰতিচ্ছবি। কাৰো সময় নাই, আহৰি নাই। সন্তানৰ নামত মাহিলি দৰমহা দি 'বনকৰা মহিলা', 'বনকৰা ল'ৰা', 'বনকৰা মানুহ' ৰাখিছে। বজাৰৰ পৰা মোনা ভৰাই ভালে-বেয়াই খাদ্য আনি দিছে। ব্যক্তিগত খণ্ডৰ বিদ্যালয়ত লাখ লাখ টকা ব্যয় কৰি সন্তানক নামভৰ্তি কৰি দিয়াৰ মানসিকতাই গা কৰি উঠিছে। শ্বপিং মললৈ গৈ ৰঙচঙীয়া পোছাক কিনি দিছে। পঢ়ুৱাবলৈ টিউচন দিছে। এইবোৰ কৰিয়ে প্ৰায়ভাগ পিতৃ-মাতৃ তথা অভিভাৱকে কৰ্তব্য সম্পাদন কৰিছে। পিতৃ-মাতৃয়ে এইখিনি কৰিলেই কৰ্তব্য শেষ হোৱা বুলি ভাবে। কিন্তু সন্তানে কি খাইছে, কি কৰিছে, ক'লৈ গৈছে বিদ্যালয়লৈ গৈ শ্ৰেণীকোঠাত উপস্থিত হৈছে নে, বনকৰা তিৰোতা, বনকৰা মানুহৰ গতি-বিধি আদি কেতিয়াবা লক্ষ্য কৰে জানো? পিতৃ-মাতৃয়ে পুৱা কামলৈ ওলাই যোৱাৰ সময়ত 'কামকৰা বাই' অথবা 'কাম কৰা ল'ৰা'ৰ হাতত সন্তানক তুলি দিয়ে। অৰ্থাৎ কামকৰা মহিলাগৰাকী অথবা ল'ৰাজনেই দিনটো (মালিকৰ) সন্তানক চম্ভালিব লাগিব। ঘৰৰ সমস্ত বোজা বনকৰা মহিলা বা ল'ৰাজনৰ ওপৰত জাপি দি মাহেকৰ মূৰত কেইটামান টকা ব্যয় কৰাটো যেন এতিয়া তথাকথিত ফেশ্বন হৈ পৰিছে।

আজি-কালি মহানগৰীতেই হওক অথবা চহৰাঞ্চলতেই হওক পিতৃ-মাতৃৰ স'তে আহিলেও শিশুটিক পাছে পাছে মোনা দাঙি লৈ যোৱা 'বনকৰা মহিলা' অথবা 'কামকৰা আপা/আপী'ৰ হাততে দিয়ে। বজাৰ কৰোতে অথবা ফুৰিবলৈ

গ'লে শিশুটি পিতৃ-মাতৃৰ হাতত ধৰিলে যেন সমাজখনত তেওঁলোকক দুখীয়া মানুহ বুলি ক'ব অথবা সামাজিক মৰ্যাদা লাঘৱ হ'ব তেনে মনোভাব প্ৰকট হৈ পৰে। সন্তানে হাতত ধৰি গ'লে সমাজত সন্মান হানি হ'ব বুলি ভবা পিতৃ-মাতৃ, অভিভাৱকে কিন্তু 'কামকৰা বাই'ৰ হাতত শিশুটিয়ে ধৰি গ'লে লজ্জাবোধ নকৰে।

আমি সকলোৱে যেন এতিয়া তথাকথিত আধুনিকতাৰ মাজত ডুব গৈছো। ধন-দৌলতৰ বাবে অথবা অস্বাস্থ্যকৰ প্ৰতিযোগিতাত অৱতীৰ্ণ হৈ ধন ঘটিবলৈ গৈ নিজৰ কৰ্তব্য পাহৰি পেলাইছো। আনৰ হাতত সন্তান পালনৰ (যদিও নিজেই সমস্ত ব্যয় বহন কৰে) দায়িত্ব এৰি দিয়াৰ পৰিণতি কেনে হ'ব পাৰে সেয়া ৰাজ্যখনৰ বিভিন্ন ঠাইত সংঘটিত ঘটনাপ্ৰৱাহত প্ৰতিফলিত হৈছে। সামান্য অসাৱধানতাৰ বাবে কেনে ধৰ্ষণৰ ঘটনা সংঘটিত হ'ব পাৰে সেয়া আমি সকলোৱে প্ৰত্যক্ষ কৰিছো। 'কামকৰা বাই', 'বনকৰা মানুহ', 'বনকৰা আপা/আপী' ৰাখক কোনো কথা নাই। কিন্তু সন্তানক সিহঁতৰ হাতত এৰি দিয়াৰ মানসিকতা এৰিবৰ হ'ল। কেৱল টকা-পইচা ব্যয় কৰি সন্তানক পালন কৰাটোৱে আমাৰ দায়িত্ব নহয়। সন্তানক সময় দিব। পৃথিৱীত আটাইতকৈ ব্যস্ত মানুহজনেও ঘৰখনৰ বাবে, সন্তানৰ বাবে অলপ সময় উলিয়াব পাৰে। সময়ৰ অভাৱ নাই যদিহে প্ৰয়োজনতকৈ অধিক ধন ঘটাত অস্বাস্থ্যকৰ প্ৰতিযোগিতা নাথাকে। অলপ সময়ে সন্তানৰ ভৱিষ্যৎ গঢ়িব পাৰিব।

# যৌথ পৰিয়ালৰ ভাঙোন আৰু অধঃপতিত সমাজ

কিছু বছৰ আগলৈকে আমাৰ সমাজত যৌথ পৰিয়াল আছিল। ভাই-ককাই মিলি একেটা পৰিয়ালতে আছিল। প্ৰায়সংখ্যক পৰিয়ালৰ সদস্যসকলৰ মাজত সদ্ভাৱ থকাৰ লগতে সম্পৰ্কবোৰৰ মাজত ফাট মেলা নাছিল। বৰদেউতা, খুৰাৰ সঅতে সম্পৰ্কও অটুট আছিল। ল'ৰা-ছোৱালীবোৰ মাজত নিয়মানুৱৰ্তিতা আছিল। পৰিয়ালৰ সদস্যসকলৰ বাবে কিছুমান বিশেষ নিয়মো পালন কৰিবলগীয়া হৈছিল। ঘৰৰপৰা বাহিৰলৈ ল'ৰা-ছোৱালী ওলাই গ'লেও প্ৰতিটো ক্ষেত্ৰতে সতৰ্ক হ'বলগীয়া হৈছিল। অসামাজিক কাম-কাজত লিপ্ত হোৱাৰ আগতে হেজাৰবাৰ চিন্তা কৰিবলগীয়া হৈছিল, কাৰণ পৰিয়ালৰ লোকে দেখিব বুলি ধাৰণা কৰিছিল। গধূলি ককা-আইতাৰ স'তে নাতি-নাতিনীয়ে খেলা কথাবোৰ এতিয়া ইতিহাস হ'ল। ককা-আইতা, খুৰা-খুৰী, বৰদেউতা-বৰমা আদিৰ মৰমৰপৰা যেন এতিয়া ল'ৰা-ছোৱালীবোৰ বঞ্চিত হৈছে। দুই-এটা পৰিয়ালৰ মাজত এই সম্পৰ্কবোৰ বৰ্তি আছে যদিও প্ৰায়ভাগৰে এনে সম্পৰ্ক কেৱল বাহ্যিকভাৱেহে বৰ্তি আছে। যৌথ পৰিয়ালৰ বিলোপ হোৱাৰ লগে লগে একক পৰিয়ালৰ ধাৰণাই আধিপত্য বিস্তাৰ কৰিবলৈ ধৰিলে। একাকীকত্ব, লাহ-বিলাসত ডুব যোৱাৰ মানসিকতা, ভাল-বেয়াৰ চিন্তাবোধ নাইকিয়া হ'ল। ইয়াৰ বাবে আৰম্ভ হ'ল সামাজিক অৱক্ষয়। সমাজত প্ৰতিটো ক্ষেত্ৰতেই এনে অৱক্ষয়ৰ প্ৰতিফলন

ঘটিবলৈ ধৰিলে। সমান্তৰালভাৱে বৃদ্ধি পালে অপৰাধজনিত ঘটনা। হত্যা, ডকাইতি, ধৰ্ষণ, লুণ্ঠন, অপহৰণ আদি ঘটনা সঘনাই সংঘটিত হ'বলৈ ধৰে। অসামাজিক, অমানৱীয় কাণ্ড সংঘটিত কৰাটো এতিয়া একাংশ লোকৰ বাবে তেনেই সাধাৰণ ঘটনা হৈ পৰিছে।

সহজলভ্য ধন আহৰণ কৰাৰ মানসিকতাই গা কৰি উঠিল। সমাজৰ প্ৰতিটো শ্ৰেণীৰ লোকৰ মাজেৰে একাংশই এনেবোৰ অপকৰ্মত লিপ্ত হ'বলৈ সুৰঙা বিচাৰি থাকে। পৰিশ্ৰম কৰাৰ পৰিৱৰ্তে এই লোকসকলে অপহৰণ, ভাবুকি, ডকাইতি কৰি ধন আহৰণ কৰিবলৈ চেষ্টা চলায়। তদুপৰি একাংশ উশৃংখল যুৱক-যুৱতীয়ে ড্ৰাগছ আদি সেৱনৰ বাবে মাক-দেউতাকৰপৰা পইচা নাপাই অপৰাধজনিত ঘটনাত জড়িত হৈ পৰে; কিন্তু আগতে যৌথ পৰিয়াল ব্যৱস্থা থাকোতে এনে ধৰণৰ সমস্যাই গা কৰি উঠিবলৈ সুযোগ সহজে পোৱা নাছিল। অৱশ্যে এনে পৰিয়াল ব্যৱস্থাত যে সন্তানে অপহৰণ, হত্যা, ধৰ্ষণ, সহজে ধন ঘটা কাণ্ড সংঘটিত কৰা নাছিল তেনে নহয়, তেতিয়াও হৈছিল; কিন্তু ইমান বৃদ্ধি পোৱা নাছিল। কোনো সমস্যাৰ সৃষ্টি হ'লে সেইবোৰ পৰিয়ালৰ সদস্যসকলে সমাধান কৰিব পাৰিছিল; পৰিয়ালৰ জ্যেষ্ঠজনক সকলোৱে সমাধান বিচাৰি আমনি কৰিছিল। অভিজ্ঞতাৰ ওপৰত ভিত্তি কৰি তেওঁ সমাধান সূত্ৰ উলিয়াইছিল। কোনোৱে অকলশৰীয়া অনুভৱ কৰা নাছিল। ঘৰুৱা কামৰপৰা আৰম্ভ কৰি কৃষি ভূমিলৈকে সকলোবোৰ কথাতে ব্যস্ত থাকিব পাৰিছিল। কিন্তু এতিয়া প্ৰায়ভাগ একক পৰিয়ালৰ ল'ৰা-ছোৱালীৰ কৰিবলৈ যেন একো কাম নাই। তদুপৰি এতিয়া পৰিশ্ৰম কৰি কম পইচা উপাৰ্জন কৰাতকৈ অপৰাধ সংঘটিত কৰি অধিক ধন উপাৰ্জন কৰিব পাৰে।

শেহতীয়াভাৱে মহানগৰীত সংঘটিত শিশু অপহৰণ ঘটনাটো বিশ্লেষণ কৰিলে এটা কথা স্পষ্ট হৈ পৰে যে একক পৰিয়াল হোৱা বাবে কাম কৰা মহিলা, ল'ৰাই সহজে অপহৰণ, খাদ্যত নিচাজাতীয় দ্ৰব্য মিহলাই গৃহস্থৰপৰা ধন-সম্পদ লুট কৰিব পাৰিছে। আজিকালি মহানগৰীত দিনৰ দিনটো তলা ওলমি থকা ঘৰৰ সংখ্যাই অধিক। ঘৰত ককা-আইতাক বা যৌথ পৰিয়াল থাকিলে পিতৃ-মাতৃয়ে সন্তানক ঘৰত থৈ নিশ্চিন্তমনে কৰ্মক্ষেত্ৰলৈ যাব পাৰিলেহেঁতেন। এতিয়া একাকীত্বই যেন সকলোৱে সংগী হৈ পৰিছে।

# সোপাধৰা, পিছল মানুহ ডাইনী আৰু অন্ধবিশ্বাস

২০১৬ত তিনিচুকীয়া জিলাৰ ফিল'বাৰী চাহ বাগিচাৰ তিনিআলি বজাৰৰ সমীপত একাংশ ৰাইজে এজন লোকক সোপাধৰাৰ সন্দেহত হত্যা কৰিছিল। নৱগঠিত বিশ্বনাথ জিলাৰ এখন ভিতৰুৱা অঞ্চলত স্বামীৰ সন্মুখত এগৰাকী মহিলাক একাংশ গঞাই মৰিয়াই মৰিয়াই হত্যাৰ চেষ্টা চলাইছিল। কেইমাহমান পূৰ্বে কোকৰাঝাৰ জিলাৰ এখন অতি ভিতৰুৱা গাঁৱৰ ৰাইজে এজন যুৱকক অমানুষিক অত্যাচাৰ চলাই হত্যা কৰিছিল। যুৱকজনৰ মাতৃক একাংশ গঞাই ডাইনী সজাই অত্যাচাৰ চলোৱা বাবে মহিলাগৰাকীয়ে আন এঠাইত থাকিবলৈ লৈছিল। মাতৃ আঁতৰি যোৱা বাবে একাংশ লোকে এই যুৱকজনকে হত্যা কৰিছিল বুলি বাতৰি প্ৰকাশ পাইছিল। যোৱা ২৮ ছেপ্টেম্বৰত যোগীঘোপাতো এগৰাকী মহিলাসহ তিনিগৰাকী লোকক একাংশ গঞাই আবদ্ধ কৰি অত্যাচাৰ চলাই যদিও উপযুক্ত সময়ত আৰক্ষী ঘটনাস্থলীত উপস্থিত হোৱাত আটাই কেইজনৰে

প্ৰাণ ৰক্ষা পৰে। ডিগবৈত পিছল মানুহৰ সন্দেহত গাঁওৰক্ষী বাহিনীয়ে দুজন শ্ৰমিকক প্ৰহাৰ কৰা ঘটনা সংঘটিত হয় যোৱা ১২ ছেপ্টেম্বৰৰ নিশা ৰাজ্যখনৰ বিভিন্ন ঠাইত সঘনাই এনেধৰণৰ ঘটনা সংঘটিত হৈ আহিছে যদিও কোনোৱে প্ৰতিৰোধ কৰিব পৰা নাই। জিলা প্ৰশাসন, আৰক্ষী প্ৰশাসনৰ লগতে সচেতন ৰাইজে এইক্ষেত্ৰত ৰাইজক সজাগ কৰিবলৈ চেষ্টা চলাইছে যদিও আশাব্যঞ্জক সাফল্য অৰ্জনত ব্যৰ্থ হৈছে।

আমি যদি ৰাজ্যখনত সংঘটিত ঘটনাৰাজি বিশ্লেষণ কৰো তেতিয়াহ'লে এটা কথা স্পষ্ট হৈ পৰে যে সচৰাচৰ অনুন্নত অঞ্চলসমূহত ইয়াৰ প্ৰভাৱ অধিক। বিশেষকৈ জনজাতীয় অধ্যুষিত অঞ্চলত এনে ঘটনা সঘনাই সংঘটিত হৈ থাকে। চাহ বাগিচা অঞ্চলৰ লগতে সীমান্তৱৰ্তী অঞ্চলটো সঘনাই ডাইনীৰ সন্দেহ, পিচলা মানুহ, দেও লম্ভা, ভূত লম্ভা আদি ঘটনা ঘটে। অন্ধবিশ্বাসৰ বলি হোৱা লোকৰ মনত সাধাৰণতে এনে ঘটনা সংঘটিত কৰিবলৈ এক অজান শক্তিয়ে ক্ৰিয়া কৰে।

মানৱ সভ্যতাই চৰম শিখৰত উপনীত হ'লেও কিছুমান অঞ্চলৰ লোক অন্ধবিশ্বাসৰ পৰিসীমাৰ পৰা ওলাই আহিব পৰা নাই। অৰ্থাৎ পুৰণিকলীয়া বা মান্ধাতা যুগৰ চিন্তা ধাৰণাৰ পৰিৱৰ্তন কৰিবলৈ নোৱাৰিলে। বৰং এনে পৰিসীমাৰ মাজত থাকিয়ে ভাল পায়। আধুনিকতাই যেন এই লোকসকলক স্পৰ্শ কৰিব পৰা নাই। কিন্তু ইয়াৰ বাবে দায়ী কোন তেওঁলোক নিজে নে আমাৰ সমাজ ব্যৱস্থা এই প্ৰশ্নটোৰ উত্তৰ কোনো লোকে তপৰাই দিব নোৱাৰে। কাৰণ ইয়াৰ আঁৰত বহুতো কাৰক থাকে।

যদিও একেবাৰে ঘটনা অনুন্নত অঞ্চলত সংঘটিত হয়, তথাপি ইয়াৰ স'তে জড়িত থাকে উচ্চ শিক্ষিত লোক। ৰীতি-নীতিক লৈ কৰা ভদ্ৰলোকৰ পৰিকল্পনা, মাটিৰ দালালৰ চক্ৰান্ত, কাৰোবাৰ প্ৰতি থকা আক্ৰোশ। লোকচক্ষুৰ পৰা আঁতৰি থাকিবলৈ অথবা আইনৰ দৃষ্টিৰ পৰা আঁৰত থাকিবলৈ ডাইনী, সোপাধৰা, পিছল মানুহৰ ঘটনাৰ ৰূপ দি স্বাৰ্থ সিদ্ধি কৰে। সাধাৰণতে এনে ধৰণৰ ঘটনাৰ সাক্ষী দিবলৈ কোনো আগ বাঢ়ি নাহে। প্ৰমাণ নিঃশেষ কৰিবলৈ এটা ঘটনাৰ পাছত সংঘটিত হয় আন এক হত্যাকাণ্ড।

বিজ্ঞানে প্ৰতিটো বিষয়ৰে বৈজ্ঞানিক বিশ্লেষণ আগবঢ়াইছে। বিশ্বব্ৰহ্মাণ্ডৰ

সৃষ্টিৰ পৰা আৰম্ভ কৰি মানৱ দেহৰ প্ৰতিটো অংগ-প্ৰত্যংগৰ ব্যাখ্যা আগ বঢ়াইছে। তেনেস্থলত মন্ত্ৰৰে ৰোগৰ চিকিৎসা বা অপায়-অমঙ্গল দূৰ কৰিবলৈ চেষ্টা চলোৱাৰ কিবা যুক্তি আছে জানো। সমস্যাৰ সৃষ্টি হ'লে সমাধান কৰিবই লাগিব। ইয়াৰ বাবে লাগিব ধৈৰ্য, সাহস, পৰিকল্পনা। ইয়াক নকৰি ভণ্ড বাবা, বেজ-বেজালিৰ শৰণাপন্ন হ'লে কেতিয়াও সমাধান সূত্ৰ উলিয়াব নোৱাৰে।

যিখন সমাজ ব্যৱস্থাত সংস্কাৰ নাই তাত কু-সংস্কাৰে ঘেৰি থকাটো কোনো অস্বভাৱিক বিষয় নহয়। এনে কু-সংস্কাৰৰ পৰা সমাজখনক মুক্ত কৰিবলৈ হ'লে ৰাইজৰ মাজত ইয়াৰ নেতিবাচক প্ৰভাৱ সম্পৰ্কে সচেতনতা বৃদ্ধি কৰিবই লাগিব। যাক আমি ডাইনী, সোপাধৰা, পিচলা মানুহ বুলি সন্দেহ কৰো তেওঁলোকৰ বিষয়ে আমি জানো কেতিয়াও জানিবলৈ ইচ্ছা কৰো? তেওঁলোকো আন দহজন লোকৰ দৰেই মানুহ, তেজ-মঙহৰ মানুহ, সমাজৰেই অংগ। মাথোঁ তেওঁলোকৰ ওপৰত অপবাদ জাপি দি একাংশ সমাজবিৰোধী চক্ৰই মুনাফা লুটিছে। আমি সকলোৱে মাৰবান্ধি কু-সংস্কাৰৰ বিৰুদ্ধে থিয় দিব লাগিব। তেতিয়াহে আমি এখন সুস্থ সমাজৰ বাসিন্দা হ'ব পাৰিম।

# শৰতৰ শেৱালিৰ সুৱাস

যান্ত্রিক যুগ। আজি যেন চৌদিশে যান্ত্রিকতাই বিৰাজ কৰিছে। যান্ত্রিকতাই মানুহক ক'ৰ পৰা ক'লৈ নিছে তাৰ হিচাপ নাই। ইয়াৰ আচোৰ পৰিল পৰম্পৰা, প্রকৃতিৰ নিয়মত। সকলোৱে কয় প্রকৃতিয়ে হেনো নিজৰ প্রকৃতি সলনি নকৰে। কিন্তু আধুনিকতাৰ ধামখুমীয়াৰ মাজত যেন হেৰাই যাবলৈ ধৰিছে প্রকৃতিৰ সুৱাস।

এতিয়া নোহোৱা হ'ল শেৱালিৰ সুৱাস। শেৱালিৰ সুৱাস বিচৰা লোকৰো যেন সম্প্রতি অভাৱ। গছ থাকিলেহে শেৱালি ফুলিব। পদূলিৰ সন্মুখত কিছুমানৰ যি সৰু-সুৰা শেৱালি গছ আছিল সৌন্দর্য বর্ধনৰ নামত সেইবোৰো কাটি খান্তাং কৰিছে। কোনোৱে ভাবি নাচায়— এদিন সৌন্দর্য বর্ধনৰ নামত কাটি পেলোৱা গছডালৰ পৰা সুৱাস বিয়পি পৰিছিল। এইবোৰ যেন নৱ প্রজন্মৰ বাবে অতীত

হ'ল। শেৱালিৰ ঠাইত চাৰিওফালে উঠিল প্ৰাসাদোপম অট্টালিকা। এতিয়া শেৱালিৰ সুৱাসে শৰতৰ আগমনৰ কথা নকয়। দুই-এঠাইত থকা শেৱালিয়ে যেন উচুপে মানৱৰ ধ্বংসলীলা দেখি।

শৰৎ আহিলে শেৱালি ফুলে। ই প্ৰকৃতিৰ নিয়ম। চোতালৰ একাষ শুভ্ৰ শেৱালিত নিয়ৰৰ কণাত সূৰুয দেৱতাৰ কিৰণ পৰিলে চিক্‌মিকাই উঠা দৃশ্য নেদেখাজনে অনুভৱ কৰিব নোৱাৰে। ই সৃষ্টি কৰে মুকুতা মালাৰ। সুধাকণ্ঠ ড° ভূপেন হাজৰিকাই সেয়েহে গাইছে—

কপাহ মেঘৰ অহা যোৱা
সেউজী ঘাঁহৰ হিমানী
সোণালী ৰ'দ, শৰালিৰে জাক
তুমিয়ে আনিলা কিজানি
শেৱালি কোমল হাঁহিটি মাৰি
কৰাহি সাজোন কাচোন...।

একেদৰে শৰতৰ মনোমুগ্ধকৰ পৰিৱেশত দীপলিপ ছিলঙৰ সৰল গছৰ ফাকে ফাকে উৰি ফুৰা জোনাকী পৰুৱাবোৰে প্ৰেমিক-প্ৰেমিকাক জোকোৱা দেখি সুধাকণ্ঠৰপৰা নিগৰিছিল—

দুটি মন নিজৰা জলধি হৈ
ওখকৈ সৰলৰ বননি দিলে বুৰাই
যেন উৰি উৰি ফুৰা
জোনাকী পৰুৱাই
হাঁহি হাঁহি জোকালে
আমি হেনো উৰি ফুৰা
দুটি মিঠা শৰতৰ শেৱালি।

কবি-গীতিকাৰৰ ভাষাত তলসৰা শেৱালি ফুলবোৰে যেন ফুলশয্যাৰহে দলিচা। গীতিকবি পাৰ্বতিপ্ৰসাদ বৰুৱাৰ গীততো প্ৰকাশ পাইছিল শৰতৰ বৰ্ণনা। শেৱালিৰ সুৱাস। সেয়েহে এদিন গাইছিল—

আজি ৰঙৰে দিনতে কিহৰ ঐ চিতনি
থৈ দৈ ঘৰৰে কাম

শেৱালিৰ মালা পিন্ধি নাচোহঁক
লগাই দে বিহুৰে নাম।

কবিৰ ভাষাত শৰত আহিলে হেনো— নিয়ৰ পৰে/নিয়ৰ পৰিলে হেনো/ শেৱালি সৰে/ শেৱালি সৰে। আহিন মানেই শেৱালি ফুলাৰ বতৰ। তাৰেই ব্যাখ্যা দাঙি ধৰিছে কবি তথা গীতিকাৰসকলে। এটাক বাদ দি আনটোৰ কথা কোনোৱে ভাবিব নোৱাৰে।

সকলো কথাই যেন এতিয়া অতীত হৈ গ'ল। ভৱিষ্যৎ প্ৰজন্মৰ বাবে আমি কিছুমান বিষয় এৰি যাব নোৱাৰিলো, তাৰেই অন্যতম শেৱালিৰ সুৱাস। বন ধ্বংসতে আমি ক্ষান্ত থকা নাই, এফালৰ পৰা ধ্বংস কৰি গৈছো মূল্যৱান ফুলগছ। শেৱালি ফুলৰ ঔষধি গুণ তুলনাবিহীন। আয়ুৰ্বেদ শাস্ত্ৰত এই ফুলবিধৰ ব্যৱহাৰ সম্পৰ্কে কিছু তথ্য পোৱা যায়। সেইবাবে অতীজৰে পৰা শেৱালি ফুলৰ ব্যৱহাৰত গুৰুত্ব প্ৰদান কৰি অহা হৈছে। এইবিধ ফুল দেৱতাক পূজা কৰিবলৈ ব্যৱহাৰ কৰাৰ উপৰিও শৰীৰত সৃষ্টি হোৱা বিভিন্ন ৰোগৰ পৰা উপশম লাভ কৰিবলৈ ব্যৱহাৰ কৰা হয়। এতিয়া আমি সকলোৱে যেন শেৱালিৰ সুৱাস বিচাৰি হাবাথুৰি খাবলগীয়া হৈছে।

# দুৰ্গা পূজাৰ বেলুন, পিষ্টল আৰু অভিভাৱকৰ দায়িত্ব

দুৰ্গা পূজা বুলি ক'লেই কণ কণ ল'ৰা-ছোৱালীৰ হাতত বেলুন, পিষ্টল, পুতলা, খেলনা আৰু যে কত কিমান থাকে? পূজাৰ আনন্দত সিহঁত এটা বেলুন, চকৰি, পিষ্টল আৰু বহুতো বস্তু আদিৰ প্ৰতি আকৰ্ষিত হয়। এইবোৰ নিকিনিলে যেন মনত শান্তি নাপায়। মাক-দেউতাকৰ লগতে পৰিয়ালৰ আন সদস্যসকলক এইবোৰ বস্তু আনি দিবলৈ খাটনি ধৰে। কেতিয়াবা পিতৃ-মাতৃয়ে খঙৰ ভমকতে দুচাট নিদিয়াও নহয়। কিছুমানে আকৌ অভিমান কৰি ঘৰৰ পৰা ওলাই যাব খুজিও নাযায়। ঠেহ কমিলে হাতত এটা বেলুন অথবা পিষ্টল তুলি দিয়ে। সৰু ল'ৰা-ছোৱালীয়ে পূজাৰ সময়ত এনেবোৰ বস্তু বিচৰাটো একো অস্বাভাৱিক বিষয় নহয়, বৰং নিবিচৰাটোহে অস্বাভাৱিক; কিন্তু ল'ৰা-ছোৱালীয়ে বিচাৰিলে বুলিয়ে সকলোবোৰ বস্তু হাতত তুলি দিবনে? নিশ্চয় নালাগে। বিশেষকৈ কণ কণ ল'ৰা-ছোৱালীৰ হাতত কেতিয়াও পিষ্টল তুলি দিব নালাগে।

শিশুটিৰ হাতত আপুনি কেতিয়াও পিষ্টল, বন্দুক আদি তুলি দিব নালাগে, কাৰণ এনেবোৰ মাৰণাস্ত্ৰৰ প্ৰতীকী প্লাষ্টিকে আপোনাৰ শিশুটিৰ মনত বিৰূপ প্ৰভাৱ পেলাব পাৰে। সাধাৰণতে শিশুসকলে যিকোনো বিষয় জানিবলৈ আগ্ৰহী

হয়। আজিকালি সকলোৱে টিভিৰ পৰ্দাত নাটক-চিনেমা, ছিৰিয়েল আদিত বন্দুক, পিষ্টল আদিৰ ব্যৱহাৰ প্ৰত্যক্ষ কৰে। তদুপৰি বিভিন্ন ধৰণৰ হিংসাত্মক কাৰ্য সম্পাদন কৰা লোককো অস্ত্ৰ-শস্ত্ৰসহ দেখুৱায়। এইবোৰ দেখাৰ পাছত শিশুটিয়েও এনে কৰিবলৈ মন কৰে। তদুপৰি শিশুৰ মনত ইতিবাচক প্ৰভাৱতকৈ সদায় নেতিবাচক প্ৰভাৱ সোনকালে পৰে। এয়া শিশু মনৰ প্ৰকৃতি। গতিকে যেতিয়া শিশুটিৰ হাতত পিষ্টল বা বন্দুক দিয়া হয় তেতিয়া ইয়াৰ প্ৰভাৱো নেতিবাচক হোৱাৰ আশংকাই অধিক। তেতিয়া শিশুটিয়ে লাহে লাহে অস্বাভাৱিক আচৰণ কৰিবলৈ ধৰিব। নিজৰ অজ্ঞাতেই অপৰাধমূলক কাৰ্যত সোমাই পৰিব পাৰে। আজিকালি বাতৰি কাকত মেলি অথবা বৈদ্যুতিন মাধ্যমৰ কোনো এটা চেনেল খুলিলেই এনেধৰণৰ অপৰাধীৰ বাতৰি প্ৰত্যক্ষ কৰা হয়। গতিকে পিতৃ-মাতৃৰ লগতে অভিভাৱকেও সতৰ্ক হ'ব লাগিব। খেলনা দিয়াত বাধা নাই, মাথো খেলনাৰ নামত বন্দুক-পিষ্টল আদি প্ৰতীকী মাৰণাস্ত্ৰ হাতত তুলি দিলিহে আশংকা ঘনীভূত হয়।

পূজাৰ সময়তো আপোনাৰ সন্তানটিক সৃষ্টিশীল কামত লগাব পাৰে। হুইচেল এটা কিনি দিলে তাৰ ব্যৱহাৰো শিকাব লাগে। বেলুন কিনি দিলে ইয়াৰ দ্বাৰা কেনে কাৰ্য সম্পাদন কৰিব পাৰি সেই বিষয়ে বুজাই দিয়া উচিত। তদুপৰি এইবোৰ সামগ্ৰী ব্যৱহাৰৰ পাছত যে হাত-মুখ ভালদৰে ধুব লাগে সেই বিষয়েও জনাব লাগে। বেলুনত উঠি উৰিব পাৰি। কিন্তু আপুনি শিশুটিক জনাওক কেনেধৰণৰ বেলুনত উঠিব পাৰি অথবা কোনে প্ৰথমে ইয়াৰ ব্যৱহাৰ কৰিছিল। বেলুন বেছিকৈ ফুৱালে যে শৰীৰৰ অপকাৰ হ'ব পাৰে সেই বিষয়েও জনাব লাগে। প্ৰতিটো বিষয়ৰে ইতিবাচক আৰু নেতিবাচক দুয়োটা দিশে ব্যাখ্যা কৰিব লাগে। তদুপৰি উৎসৱৰ বেলুন, ফটকা আদিৰ নামত যে অযথা অৰ্থ ব্যয় কৰিব নালাগে সেই বিষয়েও বুজনি দিয়া উচিত। এনেবোৰ বস্তু ক্ৰয়ৰ নামত ধন ব্যয় কৰাতকৈ আপোনাৰ শিশুটিক সঞ্চয়ৰ কথা শিকাওক। কেনেদৰে ধন সঞ্চয় কৰিলে পাছত যে সুখেৰে দিন অতিবাহিত কৰিব পাৰি সেই সম্পৰ্কে বুজাব পাৰিলে ভাল। সেয়েহে আমি সকলোৱে প্ৰতিজ্ঞা কৰো সন্তানক পিষ্টল, গুলী, বন্দুক আদি কিনি নিদিওঁ, তাৰ পৰিৱৰ্তে হাতত তুলি দিম শুভ্ৰ শেৱালি ফুলৰ খৰাহি।

# বিশ্বাস-অন্ধবিশ্বাসৰ দোমোজাত সূৰ্যগ্ৰহণ-চন্দ্ৰগ্ৰহণ

অনাদি অনন্ত কালৰ পৰাই বিশ্বব্ৰহ্মাণ্ড চলি আহিছে এক নিৰ্দিষ্ট গতিৰ মাজেদি। এই গতিয়ে পিছে সময়ে সময়ে হঠাৎ সলনি কৰে ক্ষন্তেক সময়ৰ বাবে। কেইটামান ছেকেণ্ড, মিনিট পাৰ হ'লে আকৌ পূৰ্বৰ নিয়মমতে আৰম্ভ হয় গতি। স্বাভাৱিকভাৱে এই গতি চলি থাকিলেও বিষয়টোত কোনেও গুৰুত্ব প্ৰদান নকৰে; কিন্তু কেনেবাকৈ যদি এই গতি ব্যতিক্ৰম হ'ব বুলি আগলি বতৰা লাভ কৰে তেনেহ'লে ইয়াক লৈ আৰম্ভ হয় চৰ্চা। গতি ক্ষন্তেক সময়ৰ বাবে সলনি হ'লে স্তব্ধ হ'ব নেকি পৃথিৱীৰ চালিকা শক্তি? প্ৰকৃতিৰ পৰিৱৰ্তন হ'ব নেকি? নে কিবা প্ৰাকৃতিক দুৰ্যোগ ঘটিব? এনেবোৰ প্ৰশ্নৰ সমিধানৰ বাবে আৰম্ভ হয় গৱেষণা। দিনে-নিশাই চৰ্চা, ভৱিষ্যদ্বাণী ইত্যাদি। বিশ্বাস-অবিশ্বাসৰ দোমোজাত থাকি যায় এনেবোৰ ঘটনা। কাৰণ কোনো এটা বিষয়ৰ ৰহস্য ভেদ নোহোৱালৈকে সেয়া বিশ্বাস-অবিশ্বাসৰ মাজত থকাটোৱে স্বাভাৱিক কথা। এনে এক বিষয় হ'ল সূৰ্যগ্ৰহণ-চন্দ্ৰগ্ৰহণ ।সূৰ্যগ্ৰহণ-চন্দ্ৰগ্ৰহণৰ ৰহস্য আজিলৈকে সম্পূৰ্ণ ভেদ হোৱা নাই। ।

সূৰ্যগ্ৰহণক কেন্দ্ৰ কৰি বিশ্বৰ বিভিন্ন দেশত কিছুমান ভ্ৰান্ত ধাৰণা আছে। এই অন্ধবিশ্বাসৰ পৰা আনকি কিছুমান বিজ্ঞানীও মুক্ত নহয়। সাধাৰণতে গ্ৰহণ চলি থকাৰ সময়ত বহুতে খাদ্য গ্ৰহণ নকৰে। এই সময়ত খাদ্য গ্ৰহণ কৰিলে হজম স্বাভাৱিক নহয় বুলি বিশ্বাস কৰে। আন এক জনবিশ্বাস মতে, গ্ৰহণৰ সময়ত যদি গৰ্ভৱতী মহিলাই খাদ্য গ্ৰহণ কৰে তেতিয়াহ'লে সন্তান বিকলাংগ হোৱাৰ আশংকা থাকে। তদুপৰি এনে সন্তানে পৰিয়ালৰ বাবে অমংগল কঢ়িয়াই আনে বুলিও বিশ্বাস কৰা লোকো আমাৰ সমাজতে আছে। কিছুমান অঞ্চলৰ লোকে গ্ৰহণৰ সময়ত খাদ্য গ্ৰহণ কৰিলে দুৰাৰোগ্য বেমাৰ হোৱাৰ আশংকা

থাকে বুলি বিশ্বাস কৰে। এনে লোকসকলৰ বিশ্বাস অনুসৰি গ্ৰহণৰ সময়ত সূৰ্যৰ পৰা বিভিন্ন ধৰণৰ ৰশ্মি নিৰ্গত হোৱা বাবে বিভিন্ন ৰোগৰ বীজাণুৱে গা কৰি উঠিবলৈ এখন উন্মুক্ত ক্ষেত্ৰ লাভ কৰে। এনে ধৰণৰ বীজাণুৰ বাবে খাদ্যবস্তু নষ্ট হয়। কিছুমানে গ্ৰহণৰ পূৰ্বে ৰন্ধা খাদ্য পেলাই দিয়াও দেখা যায়। আনকি গ্ৰামাঞ্চলৰ অশিক্ষিত লোকৰ কথাটো বাদেই এনে ধাৰণাৰ পৰা চহৰাঞ্চৰ শিক্ষিত লোকসকলো মুক্ত নহয়। সূৰ্য গ্ৰহণৰ সময়ত যিহেতু আমাৰ সকলোৰে পৰিচিত সূৰ্যটো ক্ষন্তেকৰ বাবে এখন ঢাকনিৰ আঁৰত থাকে সেইবাবে স্বাভাৱিকভাৱে সৃষ্টি হয় অন্য এক পৰিৱেশ। এনেধৰণৰ সূৰ্যৰ লুকা-ভাকুক কেন্দ্ৰ কৰি অনাদি-অনন্ত কালৰ পৰাই মানুহৰ মাজত কিছুমান কাহিনীৰ সৃষ্টি হৈ আহিছে। ইয়াৰ স'তে ধৰ্মীয় বিশ্বাসো জড়িত হৈ আছে। বিজ্ঞানৰ চৰম অগ্ৰগতিৰ সময়তো কিন্তু কোনোৱে এনে অন্ধবিশ্বাসৰ পৰা মুক্ত হোৱা নাই।

প্ৰাচীন মিছৰৰ লোকসকলে এডাল সাপে সূৰ্যটো গিলি পেলোৱাৰ ফলত গ্ৰহণ সৃষ্টি হয় বুলি ভাবিছিল। এই সময়ত সূৰ্যৰ প্ৰকৃতিৰ সলনি হোৱাৰ ফলত বিশ্বব্ৰহ্মাণ্ডৰো কিছু পৰিৱৰ্তন হয় বুলি ভাবিছিল। আনহাতে, আয়াৰলেণ্ডৰ লোকসকলে দৈত্য এটাই সূৰ্যটো গিলি দিয়ে বাবে গ্ৰহণ হয় বুলি আজিও বিশ্বাস কৰে। এই সময়ত আকাশত বিহৰ সৃষ্টি হয়, পানী দূষিত হয় বুলি ভাবিয়েই ইয়াত ঢাকনী দিয়ে। ঢাকনীৰে ঢাকি থ'লে বিহৰ সৃষ্টি নহয় বুলি ভাবিছিল। ৰেড ইণ্ডিয়ানসকলৰ অন্ধবিশ্বাস আকৌ অন্য ধৰণৰ। সূৰ্য দেৱতাৰ খং উঠিলে পৃথিৱীত উত্তাপ আৰু পোহৰ নিদিয়ে বুলি ৰেড ইণ্ডিয়ানৰ বিশ্বাস। সেইবাবে তেওঁলোকে সূৰ্য দেৱতাৰ সন্তুষ্টিৰ বাবে আৰাধনা কৰে।

এনে অন্ধবিশ্বাসৰ বিপৰীতে জ্যোতিৰ্বিজ্ঞানীসকলে ইয়াৰ প্ৰকৃত কাৰণ ব্যাখ্যা কৰিছে। পৃথিৱী, চন্দ্ৰ আৰু সূৰ্য যেতিয়া এডাল সৰলৰেখাৰে আহে তেতিয়া এটাই আনটোক আঁৰ কৰি ধৰে। সূৰ্য আৰু আৰু চন্দ্ৰৰ মাজত পৃথিৱীৰ অৱস্থান হ'লে পৃথিৱীৰ ছাঁ পৰে চন্দ্ৰৰ ওপৰত, তেতিয়া সূৰ্যৰ পোহৰ চন্দ্ৰৰ ওপৰত নপৰে, চন্দ্ৰটোক তেতিয়া জ্যোতিহীন দেখা যায়। এয়া হ'ল চন্দ্ৰগ্ৰহণ। আনহাতে, সূৰ্য আৰু পৃথিৱীৰ মাজত চন্দ্ৰ আহিলে পৃথিৱীত চন্দ্ৰৰ ছাঁ পৰে, ফলত সূৰ্যগ্ৰহণ হয়। বিজ্ঞানীসকলৰ মতে, ইয়াৰ বাহিৰে সূৰ্যগ্ৰহণ আৰু চন্দ্ৰগ্ৰহণৰ আন কোনো কাহিনী নাই।

# নিঃশব্দ ঘাতক নে প্ৰতিভা বিকাশৰ মঞ্চ ৰিয়েলিটি শ্ব’

ৰিয়েলিটি শ্ব’ —আজিকালি প্ৰায়সংখ্যক লোকৰ মুখৰ পৰা নিগৰি অহা এটি শব্দ। বৈদ্যুতিন মাধ্যমৰ দ্ৰুত প্ৰসাৰৰ সমান্তৰালভাৱে এই শব্দটোৱে মানুহৰ মনত এনেদৰে সোমাই পৰিছে যে ইয়াক মনৰ পৰা আঁতৰ কৰাটো অসম্ভৱ। মানুহৰ এনে দুৰ্বলতাৰ সুযোগ গ্ৰহণ কৰিছে একাংশ ব্যৱসায়ীয়ে। আজিকালি টি. ভি চেনেলসমূহ চালেই কোনোটো নহয় কোনোটোত দেখা পোৱা যায় ৰিয়েলিটি শ্ব’। শিশু, কিশোৰ-কিশোৰী, যুৱক-যুৱতীৰ সুপ্ত প্ৰতিভা বিকাশৰ বাবে ৰিয়েলিটি শ্ব’সমূহৰ ব্যৱস্থা কৰা হৈছে যদিও ইয়াৰ আঁৰত যে প্ৰতিভা বিকাশতকৈ ব্যৱসায়িক উদ্দেশ্য নিহিত হৈ আছে সেয়া জলজল-পটপট হৈ পৰিছে। ভোটৰ মাধ্যম বা এছ্ এম এছ্ৰ যোগেদি এটি শিশু বা কিশোৰ-কিশোৰীৰ লগতে যুৱক-যুৱতীৰ প্ৰতিভাৰ মূল্যায়ন কৰাৰ আঁৰত কি উদ্দেশ্য থাকিব পাৰে সেই কথাটোৰ স্পষ্ট ৰূপত প্ৰতিফলিত হৈছে। ৰিয়েলিটি শ্ব’ সম্পৰ্কে দুটা পক্ষই যুক্তি আগ বঢ়াইছে। বাহ্যিক দৃষ্টিভংগীৰ পৰা বিশ্লেষণ কৰিলে দুয়োটা পক্ষৰ যুক্তিয়ে বিজ্ঞানসন্মত।

ৰিয়েলিটি শ্ব'ত অংশগ্ৰহণ কৰা বহুতো ল'ৰা-ছোৱালী এতিয়া মানসিক ৰোগত আক্ৰান্ত। প্ৰায়সংখ্যক চেনেলতেই এনে ধৰণৰ শ্ব' প্ৰদৰ্শন হ'বলৈ ধৰাত শিশুৰ পৰা আৰম্ভ কৰি যুৱক-যুৱতীলৈকে সকলো আক্ৰান্ত হ'বলৈ ধৰিছে। অসহিষ্ণু পিতৃ-মাতৃয়েও তেওঁলোকৰ সন্তানক সকলো ক্ষেত্ৰতে বিশাৰদ কৰি তুলিবলৈ চেষ্টা চলাইছে। ফলত আৰম্ভ হৈছে এক অস্বাস্থ্যকৰ প্ৰতিযোগিতা। নাচ, গান, চিত্ৰ, খেলা-ধূলা আদি সকলো ক্ষেত্ৰতেই সন্তানক বিশাৰদ কৰি তুলিব খোজাৰ মানসিকতাই গঢ়ি উঠিছে। পিতৃ-মাতৃয়ে যিখিনি নাপালে অথবা যি হ'ব নোৱাৰিলে সেয়া সন্তানৰ মাজেদি প্ৰতিফলিত কৰিব খোজে। পিতৃ-মাতৃৰ আধৰুৱা সপোন সন্তানৰ মাধ্যমেদি বাস্তৱায়িত কৰিবলৈ চেষ্টা কৰাৰ ফলত বহুতো অবাঞ্ছিত পৰিস্থিতিয়ে গা কৰি উঠিছে। এনে ধৰণৰ শ্ব'ত অংশগ্ৰহণকাৰীৰ যোগ্যতাৰ সমান্তৰালভাৱে 'এছ এম এছ'ৰো প্ৰয়োজন। 'ভোট' বা এছ এম এছৰ বেলিকা দেখা যায় যে বহুতো যোগ্য প্ৰতিযোগীয়ে এইক্ষেত্ৰত পিছ পৰিলে প্ৰতিযোগিতাৰ পৰা অপ্ৰত্যাশিতভাৱে বাহিৰ হ'বলগীয়া হয়। কিছুমান বিচাৰকে আকৌ নম্বৰ দিয়াৰ ক্ষেত্ৰত পক্ষপাতিত্বমূলক সিদ্ধান্ত গ্ৰহণ কৰা দেখা যায়। এনে হ'লে প্ৰতিযোগীৰ মনত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। হতাশাত ভুগি আনকি বহুতো নল'বলগীয়া সিদ্ধান্ত গ্ৰহণ কৰে।

এইখিনিতে উল্লেখ কৰিব পাৰি যে মহান কণ্ঠশিল্পী কেতিয়াও ৰিয়েলিটি শ্ব'ত অংশগ্ৰহণ কৰা নাছিল। কোকিলকণ্ঠী লতা মাংগেশকাৰ, মহম্মদ ৰফি, কিশোৰ কুমাৰ, আশা ভোছলেই কেতিয়াও এনে শ্ব'ত অংশগ্ৰহণ কৰা নাছিল। এইসকল শিল্পীৰ পিছে কি নাই, কণ্ঠৰ পৰা আৰম্ভ কৰি জনপ্ৰিয়তালৈকে সকলো ক্ষেত্ৰতে আছে সুকীয়া দখল। সকলোৰে বাবে পূজ্য। পিছে আজিকালি ৰিয়েলিটি শ্ব'ত অংশগ্ৰহণ কৰা অথবা বিজয়ী শিল্পীসকল এবছৰ-দুবছৰমানৰ ভিতৰতে হেৰাই যায়। অধিকাংশ প্ৰতিভাৰেই যেন অপমৃত্যু হৈছে। বেলেগ নালাগে অসমৰ পৰা প্ৰতিনিধিত্ব কৰা শিল্পীসকলৰ কথাই ভাবকচোন। অনামিকা চৌধুৰী, দেৱজিত সাহা, জয়দেৱ, ডিম্পী সোণোৱাল আদি শিল্পীক লৈ এসময়ত অসমৰ ৰাইজ সৰব হৈছিল। এই শিল্পীসকলক লৈ ৰাইজে বহুতো সপোন ৰচিছিল। পিছে এতিয়া এওঁলোকৰ নাম গোন্ধেই নোহোৱা হৈছে। দুই-এখন বিহু মঞ্চ অথবা বিদ্যালয়-মহাবিদ্যালয়ৰ ৰূপালী, সোণালী জয়ন্তীৰ অনুষ্ঠানত গীত

পৰিৱেশন কৰাৰ বাহিৰে সৃষ্টি বুলিবলৈ একোৱেই নাই। আন গীত অথবা নৃত্য হুবহু নকল কৰি ৰিয়েলিটি শ্ব'ত বাঃ বাঃ লোৱাটোৱেই প্ৰতিভা বিকাশৰ মাপকাঠী নহয় বা হ'ব নোৱাৰে। প্ৰতিভা বিকাশৰ বাবে এছ এম এছো মাপকাঠী হ'ব নোৱাৰে। ৰাইজেও প্ৰতিভাধৰ শিল্পী নিৰ্বাচনৰ সময়ত আৱেগৰ বশৱৰ্তী হৈ ভোট দিয়ে। এনে আৱেগে একাংশ প্ৰতিভাধৰ শিল্পীৰ প্ৰতিভাখিনিক এক চাপৰ মাজতে সীমাবদ্ধ কৰি ৰাখে।

ৰিয়েলিটি শ্ব'ই প্ৰতিভাৰ বিকাশ কৰে বুলিও একাংশই যুক্তি দাঙি ধৰিছে। প্ৰতিভা থাকিলে তাৰ বিকাশ হ'বই। ইয়াৰ বাবে মাথোঁ প্ৰয়োজন এখন উপযুক্ত মঞ্চৰ। নিজকে যদি প্ৰমাণ কৰাৰ সুযোগেই নাপাই তেতিয়াহ'লে শিল্পীসকল কলিতে মৰহি যোৱাৰ সম্ভাৱনাই অধিক। ইয়াক বাস্তৱত স্বীকৃতি দিয়াৰ পৰীক্ষা বুলিও ক'ব পাৰি। সেয়েহে ৰিয়েলিটি শ্ব' ভাল নে বেয়া সেয়া কোনেৰে ন-দি ক'ব নোৱাৰে।

# বনজ সম্পদ ধ্বংস নকৰিবলৈ সংকল্প লওক

ব'হাগ আহে আৰু যায়। বসন্ত ঋতুৰ আগমণৰ লগে লগে অসমৰ সকলোৱে সাজু হয় ব'হাগ বিহুক আদৰিবলৈ। বাপতি সাহোন উৎসৱটিক আদৰাৰ নামত এপষেক আগৰে পৰাই আৰম্ভ হয় প্ৰস্তুতি। অসমীয়া জাতিৰ আয়ুসৰেখা ব'হাগ বিহুক বাদ দি কোনোবাই জানো আন উৎসৱ পালন কৰিব পাৰিব? নিশ্চয় নোৱাৰে। বিহুৰ ৰং-ৰহইচৰ মাজেদি পাৰ হয় এটা মাহ। দোমাহিৰ দিনাৰ পৰাই মানুহৰ মনটো উপচি পৰে আনন্দৰে। পৰম্পৰাগভাৱে বিহুৱান আদান-প্ৰদান কৰা, বিহুগীত, হুঁচৰি আদিক লৈয়ে সকলো ব্যস্ত হয়। গছৰ তল অথবা মুকলি পথাৰত বিহুৰ আয়োজন চলে। যদিও আজিকালি মঞ্চ বিহুক প্ৰাধান্য দিয়া হয় তথাপি মুকলি বিহুৰ প্ৰতিও সকলোৰে আছে এক বিশেষ আকৰ্ষণ। গছৰ তলত ঢুলীয়াৰ ঢোলৰ চেওঁ, নাচনিৰ ধৰিত্ৰী কঁপোৱা নৃত্যই সকলোকে মুখৰিত কৰে। পিছে এতিয়া এনে অনুষ্ঠানৰ আয়োজন কৰিবলে এডাল বৃহৎ গছ বিচাৰি পোৱাটো কঠিন হৈ পৰিছে। চহৰাঞ্চলৰ কংক্ৰিটৰ মাজত গছ-গছনি বিচাৰি পোৱাটো বাদেই, গ্ৰামাঞ্চলতো একেই ছবি ফুটি উঠিছে। ৰাজ্যখনত অবাধ গতিত চলি থকা বনাঞ্চল ধ্বংসই যেন পৰোক্ষভাৱে ব'হাগ বিহুতো প্ৰভাৱ পেলাইছে। কুলিৰ শব্দ এতিয়া কিমানজনে শুনিবলৈ পায়? লাজকুৰীয়া স্বভাৱৰ কুলি চৰাইবিধে গছৰ পাতৰ আঁৰত লুকাই গীত জুৰিবলৈকে গছ-গছনি নোহোৱা হৈছে। বিষয়টো কোনোৱে নাভাবে যদিও ই পিছে জটিল হৈ পৰিছে। প্ৰতি বছৰে ৰাজ্যৰ বনাঞ্চল দ্ৰুতগতিত হ্ৰাস পাইছে। চোৰাং কাঠ বেপাৰীৰ লগতে

বেদখল আৰু আন বহুতো কাৰণত বনাঞ্চল ধ্বংস হৈ আছে। সকলোৱে দেখিছে, অথচ কোনোৱে এনে কার্য প্রতিৰোধ কৰিবলৈ আগবাঢ়ি অহা নাই। সংশ্লিষ্ট কর্তৃপক্ষয়ো যেন এইক্ষেত্রত নীৰৱ দর্শকৰহে ভূমিকা গ্রহণ কৰিছে। আমি সকলোৱে দেখিছো যদিও প্রতিহত কৰিবলৈ আগ বঢ়া নাই। অসমত ১৯৮৭ত ৩০,৭০৮ বর্গ কিলোমিটাৰ বনাঞ্চল আছিল যদিও ২০১৫ত ইয়াৰ পৰিমাণ ২৭,৬২৩ বর্গ কিলোমিটাৰলৈ হ্রাস পালে। অর্থাৎ ৩,০৮৫ বর্গ কিলোমিটাৰ বনাঞ্চল ধ্বংস হৈছে। গতিকে ই এক চিন্তনীয় বিষয়। সময় থাকোতে আমি যদি এনে ধ্বংস প্রতিৰোধ কৰিব নোৱাৰো তেনেহ'লে প্রাকৃতিক ভাৰসাম্যতো ইয়াৰ প্রভাৱ নিশ্চয় পৰিব। ৰাজ্যখনৰ ২৮টা বন সংমণ্ডল, বন্যপ্রাণী উদ্যান, সংৰক্ষিত বনাঞ্চল ধ্বংস অব্যাহত আছে।

ব'হাগ মাহত গছত কুঁহিপাত ধৰে। নাঙঠ পৃথিৱীয়ে সেউজীয়া বৰণ ধৰি যৌৱনপ্রাপ্ত হয়। বৰষুণ পৰিবলৈ ধৰে। ধৰিত্রীদেৱী জীপাল হয়। মানুহৰ মনবোৰো আনন্দত মতলীয়া হৈ থাকে। এনে এক পৰিৱেশত যদি প্রতিগৰাকী ব্যক্তিয়ে ব'হাগ মাহৰ ভিতৰত এটাকৈ গছপুলি ৰোৱে তেতিয়াহ'লে নিশ্চয় নিজৰ লগতে ভবিষ্যত প্রজন্মৰ বাবেও উপকাৰত আহিব। এনে অভ্যাস সকলোৱে গঢ়ি তোলা উচিত। বছৰত অন্ততঃ এজোপা হ'লেও গছপুলি ৰুব লাগে। বহুতৰে বৃক্ষৰোপণৰ ধাউতি থাকে যদিও সমাজৰ আন লোকে হাঁহিব বুলিয়ে তেনে নকৰে। তদুপৰি বিহু আয়োজক কমিটীসমূহেও প্রতিবছৰে এজোপা গছ ৰুই তাৰ সংৰক্ষণ কৰিব পাৰে। সাধাৰণতে বিহু আয়োজক সমিতিসমূহে প্রতিবছৰে আন কার্যসূচীৰ লগতে বৃক্ষ ৰোপণো কৰে; কিন্তু হাস্যকৰ বিষয় এয়ে যে বহুতো আয়োজকে প্রতিবছৰে একে ঠাইতে একোটাকৈ গছপুলি ৰোৱাৰ পাছতো সেই ঠাইত পিছে গছপুলিডাল ডাঙৰ নহয়। আনকি কিছুমান আয়োজকে একেটা গাততেই বহুবাৰ বৃক্ষৰোপণ কৰাৰো উদাহৰণ আছে। গছপুলি ৰুলেই নহ'ব, ইয়াক উপযুক্তভাৱে সংৰক্ষণ কৰিব লাগিব। ৰোৱাতেই দায়িত্ব সামৰি থ'লে গছপুলিডাল গৰু-ছাগলীয়ে খাই পেলাব পাৰে। তদুপৰি পানী নাপালেও মৰহি যাব। দায়সৰা কাম কৰাতকৈ ভালদৰে বৃক্ষৰোপণৰহে পৰিকল্পনা কৰা উচিত। অসমৰ বিভিন্ন ঠাইত কমেও চাৰি-পাঁচ হেজাৰখন বিহু সমিতিয়ে গছপুলি ৰোৱে; কিন্তু বর্তি থাকে কিমান ডাল গছপুলি? ই পিছে চিন্তনীয় বিষয়। পাছত কোনোবাই গছপুলিটোলৈ উভতি চায়নে?

# উদ্যোক্তাসকলেও পৰিধান কৰক অসমীয়া সাজ-পোছাক

ব'হাগ বিহুক কেন্দ্ৰ কৰি শেহতীয়াভাৱে সৃষ্টি হোৱা বিতৰ্ক কোনো নতুন বিষয় নহয়। জন্মলগ্নৰে পৰাই বিহু বিতৰ্ক চলি আহিছে। বিহুগীত, বিহু নৃত্যক কেন্দ্ৰ কৰি অতীতত বিতৰ্ক হৈছিল। সম্ভ্ৰান্ত পৰিয়ালৰ ল'ৰা-ছোৱালীয়ে বিহু হুঁচৰিত অংশগ্ৰহণ কৰা নাছিল। ৰক্ষণশীল পৰিয়ালসমূহে সন্তানক এনে নৃত্যত অংশগ্ৰহণত বাধা আৰোপ কৰিছিল; কিন্তু কিয়? এই প্ৰশ্নৰ উত্তৰ বিচাৰিলে সহজেই ওলাই পৰে প্ৰকৃত কাৰণ। দৰাচলতে বিহুক কেন্দ্ৰ কৰি সৃষ্টি হোৱা এয়াই আছিল প্ৰথম বিতৰ্ক। অতীতৰ বিহুত অংশগ্ৰহণ কৰা যুৱক-যুৱতীসকলক খুব এটা ভাল দৃষ্টিৰে চোৱা নাছিল। বিশেষকৈ গাভৰুসকলক উচ্চ বংশৰ পৰিয়ালৰ লোকে গ্ৰহণ কৰিবই খোজা নাছিল। সমাজৰ তলৰ শ্ৰেণীৰ যুৱক-যুৱতীয়েহে বিহু হুঁচৰি আদিত অংশগ্ৰহণ কৰে বুলি এক ভ্ৰান্ত ধাৰণা আছিল। তেতিয়া প্ৰকাশ্যে বিদ্ৰোহ নাছিল যদিও পৰোক্ষাভাৱে যেন তাৰেই প্ৰকাশ ঘটা দেখা যায়।

যেতিয়া মুকলি পথাৰৰ পৰা মঞ্চত বিহু উঠিল তাৰ পাছত বিহুৰে স্বকীয়তা

হেৰুৱাই পেলোৱা বুলি একাংশই মত পোষণ কৰিছিল। আনকি আজিও বহুতে কিয় মঞ্চলৈ বিহুক অনা হ'ল তাক লৈ চৰ্চা চলাই আছে। ইয়াৰ সপক্ষে যিমানেই যুক্তি দাঙি ধৰিলে বিপক্ষে থিয় দিয়া লোকো কম নহ'ব। এই বিতৰ্কৰো অন্ত নাই। যদি আমি বিহুক সঁচাকৈয়ে প্ৰকৃত ৰূপত উপস্থাপন কৰিব বিচাৰো তেতিয়াহ'লে এয়া মঞ্চত সম্ভৱনে? ৰঙীন বিদ্যুতৰ মাজত বিহুৰ প্ৰকৃত মাদকতা বিচাৰি পোৱা যায় জানো? অতীতত ডেকা-ডেকেৰীসকলে প্ৰকৃতিৰ বুকুত মুক্তমনে হুঁচৰি, বিহু নৃত্য প্ৰদৰ্শন কৰিছিল। মহিলাসকলৰ আনন্দৰ বাবে আছিল জেং বিহু। বিহুৰ কিছুমান নৃত্য-গীতত পুৰুষ আছিল নিষিদ্ধ। মহিলাসকলে আওহতীয়া ঠাইত আনন্দ প্ৰকাশৰ বাবে বিহু গীত-নৃত্য প্ৰদৰ্শন কৰিছিল। পিছে এতিয়া এনে ধৰণৰ নিষিদ্ধ গীত-নৃত্যই মঞ্চত স্থান ল'লে। সংস্কৃতি ৰক্ষাৰ নামত আমি পুৰুষৰ বাবে নিষিদ্ধ বিহু মঞ্চত পৰিৱেশন কৰিবলৈ অনুমতি দিলো। বিহু মঞ্চৰ সন্মুখত কেৱল মহিলা দৰ্শকেই থাকেনে? গতিকে এনে নৃত্য-গীতকলৈও যেন বিতৰ্কৰ অন্ত নাই।

বিহু গীতক লৈ মাজতে বিতৰ্কৰ সূত্ৰপাত হ'ল। চিডিসমূহৰ আধুনিক ৰূপত দেখুওৱা নৃতকলৈও বিতৰ্ক চলিল। কেছেটত যিবোৰ বিহুগীত গায়কসকলে পৰিৱেশন কৰিবলৈ ধৰিলে সেয়া শুনিলে বিহুনীত নে হিন্দী গীতৰ নকল ধৰিবই নোৱাৰি। বাদ্য-যন্ত্ৰ বেলিকাও একেই ছবি। বিহুত ঢোল, পেঁপা, গগনা, টকা, বাঁহী আদিৰ বাহিৰে আন বাদ্য-যন্ত্ৰ পৰিৱেশন কৰাটো নিষিদ্ধ; কিন্তু এতিয়া যিবোৰ গায়কে বিহুগীত পৰিৱেশন কৰে তাত পশ্চিমীয়া গীতত ব্যৱহাৰ কৰা বাদ্যযন্ত্ৰও সততে পৰিৱেশন কৰিছে। কেছেটৰ বিহু শুনা আৰু ভিচিডিৰ বিহু নৃত্য উপভোগ কৰিলে মনত এনে ভাব হয় যে এইবোৰে বিহুক জীয়াই ৰখাৰ পৰিৱৰ্তে ধ্বংসহে কৰিছে। লংপেণ্ট, হাফপেণ্ট, ফ্ৰক পিন্ধিও বিহু নৃত্য পৰিৱেশন কৰা হৈছে। বিহুক লৈ কিছুমান অবাস্তৱ ছবি প্ৰদৰ্শন কৰাত বিহুৰ মান কোন দিশে গতি কৰিছে সেয়া চিন্তনীয় বিষয় হৈ পৰিছে। যদি কোনো বিদেশী পৰ্যটকে অসমলৈ আহি এনে গীত আৰু নৃত্য উপভোগ কৰে তেনেহ'লে বিহুগীতৰ প্ৰকৃত ছবিখন উপভোগ কৰিব পাৰিব জানো। বিহু সম্পৰ্কে এখন ভগ্ন ছবি মনত লৈ নাযাবনে? বিহুগীতত মাউথ অৰ্গেন, ইলেক্ট্ৰিক গীতাৰ, মেণ্ডোলিন, ভায়োলিন, ড্ৰাম, কেছিঅ' আদি ব্যৱহাৰ কৰাটো যুক্তিসংগত জানো? নিশ্চয়

নহয়। এইবোৰক লৈও মাজতে লিখা-মেলা আলোচনা হৈছিল। এতিয়াও মাজে-মাজে এনে বিতৰ্কই উক নিদিয়া নহয়।

এইবাৰ আকৌ পোছাক বিতৰ্কই গা কৰি উঠিছে। বিহু মঞ্চত গায়ক-গায়িকাই অসমীয়া সাজ পৰিধান কৰি গীত পৰিৱেশন কৰিব লাগিব। এনে সিদ্ধান্তৰ অধিকাংশ গায়ক-গায়িকাই বিৰোধিতা কৰিছে। বিহু মঞ্চত অসমীয়া সাজ পৰিধান কৰিবলগীয়া সিদ্ধান্তটো নিশ্চয় আদৰণীয়। কাৰণ সংস্কৃতিক বিশুদ্ধৰূপত উপস্থাপন কৰিবলৈ হ'লে আমি পৰম্পৰাক সন্মান জনাবই লাগিব। কিয় এনে পোছাক পৰিধান কৰাটো কেৱল গায়ক-গায়িকাৰ ক্ষেত্ৰত প্ৰয়োজ্য কৰা হ'ল? মঞ্চত সম্বৰ্ধিত ব্যক্তি, মঞ্চ উদ্বোধক, আলোচনা চক্ৰত অংশগ্ৰহণ কৰা বিশিষ্ট ব্যক্তিসকলৰ ক্ষেত্ৰতো প্ৰয়োজ্য হোৱা উচিত। মঞ্চত যিয়ে উঠিব তেৱেঁই চুৰিয়া-কামিজ, চাদৰ-মেখেলা পৰিধান কৰাটো বাধ্যতামূলক হ'ব লাগে। তদুপৰি উদ্যোক্তাসকলেও পৰিধান কৰক। প্ৰায়ভাগ আয়োজক সমিতিৰ সদস্যই পাটৰ পাঞ্জাবী এটাৰ লগতে জীনছৰ লংপেণ্ট পৰিধান কৰা দেখা যায়। এইটো আকৌ কেনেকুৱা অসমীয়া সংস্কৃতি। যিসকলে মঞ্চত অসমীয়া সাজ পৰিধান কৰাৰ পোষকতা কৰিছে তেওঁলোকে কেৱল গায়ক-গায়িকাৰ ক্ষেত্ৰত বলপূৰ্বক জাপি দিলে সেয়া একপক্ষীয় সিদ্ধান্তহে হ'ব। তাতকৈ বিহু উপভোগ কৰিবলৈ যোৱা সকলকো বছৰৰ অন্ততঃ এটা দিন অসমীয়া সাজ পৰিধান কৰিবলৈ আহ্বান জনোৱা বিষয়টো বহল দৃষ্টিভংগীৰ নিশ্চয় হ'লহেঁতেন। সকলোৱে মিলিজুলি কাম কৰিলেহে অসমীয়া সংস্কৃতি ৰক্ষা হ'ব, বিতৰ্কৰ মাজেদি নহয়। এনে বিতৰ্কই পৰম্পৰা ৰক্ষাৰ পৰিৱৰ্তে নৱ প্ৰজন্মক অধিক আক্ৰমণাত্মকহে কৰি তুলিব। বিষয়টো সকলোৱে ভাবিবৰ হ'ল।

# ব'হাগ বিহুত ব্যৱহৃত কেইবিধমান উদ্ভিদ

প্ৰকৃতিক কেন্দ্ৰ কৰি আৰম্ভ হয় ব'হাগ বিহু। পৃথিৱীৰ বুকুত যেতিয়া নাঙঠ গছবোৰত কুঁহিপাত ধৰে, কুলি চৰাইৰ মাতে সকলোৰে মনপ্ৰাণ হৰি নিয়ে, বৰদৈচিলাজনী মাকৰ ঘৰলৈ যায় তেতিয়াই, সকলোৱে সাজু হয় ৰঙালী বিহুটিক আদৰিবলৈ। ধৰিত্ৰীৰ বুকুৰ চিৰাল ফাটবোৰ লাহে লাহে বৰষুণৰ পানীৰে উপচি পাতল সেউজীয়া বৰণেৰে ঘাঁহনি বাঢ়িবলৈ ধৰে। তেতিয়াই মন-প্ৰাণ নাচি উঠে আনন্দত। যেন হঠাতে নোপোৱা বস্তু এটাই ওচৰত পালে। কৃষিজীৱী সমাজখনৰ স'তে অংগাংগীভাৱে জড়িত হৈ আছে বিহু। এই কথাৰ প্ৰমাণ দাঙি ধৰে বিহুত ব্যৱহৃত উপাদানসমূহে। ব'হাগ বিহুত ব্যৱহৃত বিভিন্ন গছৰ ডাল, পাত, কাণ্ড আদিয়ে আমাৰ স্বাস্থ্য ৰক্ষাত বিশেষ ভূমিকা গ্ৰহণ কৰে। ৰোগ প্ৰতিৰোধী ক্ষমতা ব্যৱহাৰ কৰে। দৰাচলতে এইবোৰ হ'ল ঔষধি গুণসম্পন্ন উদ্ভিদ। হালধি, আমৰ কলি, মাহ, দূবৰি, কাজলগৌৰী আদিৰে প্ৰস্তুত কৰা মিশ্ৰণটোৱে ছালখনৰ উজ্জ্বলতা বৃদ্ধি কৰে। তদুপৰি গৰু-ছাগলীৰ ডিঙিত পিন্ধোৱা লাও, বেঙেনাখিনিৰো কম গুণ আছেনে? গৰু-ছাগলীক ব্যৱহাৰ কৰা দীঘলতি, মাখিয়তীৰ পাতে জন্তুৰ বহুতো ৰোগ প্ৰতিৰোধ কৰে। গৰু-ছাগলী ঘৰলৈ অহাৰ আগতে চোতালৰ সন্মুখত দিয়া ধোঁৱাত ব্যৱহাৰ কৰা হয় বৰ বেহু গছ, আগ্ৰা,

খাগৰি, আদিও জীৱ-জন্তুৰ বাবে উপকাৰী। দীঘলতিৰ কীটনাশক গুণ থকা বাবে ব্যৱহাৰ কৰা হয়। গৰু-ছাগলীৰ গাত যাতে মাখি, মহ-ডাঁহ আদিয়ে আক্ৰমণ কৰিব নোৱাৰে সেই উদ্দেশ্য আগত ৰাখিয়েই উদ্ভিদবিধ ব্যৱহাৰ কৰা দেখা যায়। মাখিয়তী পাতৰো আছে এক বিশেষ গুণ। মাখিয়তী পাতেৰে গৰুক কোবোৱাৰ অৰ্থ এইটোৱে যে বছৰটোলৈ যাতে মাখি, মহে আক্ৰমণ কৰিব নোৱাৰে। এই গছৰ ঠাৰিডাল কিছুমানে গোহালিত থৈ দিয়ে। বিশ্বাস অনুসৰি ঠাৰিডাল গোহালিত ৰাখিলে মাৰি-মৰক আদি নহয়।

গৰু বিহুৰ দিনাখন ব্যৱহাৰ কৰা আন এবিধ উদ্ভিদ হ'ল তৰা গছ। তৰা পাতেৰে খাদ্য মেৰিয়াৰই ৰান্ধিলে ধুনীয়া গোন্ধ ওলোৱাৰ লগতে ই উপকাৰীও হয়। মিচিং লোকসকলে আলি-আই-লৃগাং উৎসৱত তৰা পাতত ৰন্ধা বৰা চাউলৰ ভাত খায়। তৰাৰ গজালি শাক হিচাপেও খাব পাৰি। এনে কৰিলে কৃমি নাশ হয়। জেতুকা অবিহনে ব'হাগ বিহু আধৰুৱা। জেতুকাৰে হাত বোলোৱা নাচনীৰ নৃত্যই সকলোকে আকৰ্ষণ কৰে। ইয়াত থকা 'লাউচন' নামৰ ৰঞ্জক পদাৰ্থবিধৰ বাবে হাতত লগালে ৰঙচুৱা হয়। জেতুকাৰ ৰসে ছালখনৰ কেৱল উজ্জ্বলতা বৃদ্ধিয়েই নকৰে, সমান্তৰালভাৱে চৰ্মৰোগ প্ৰতিৰোধ কৰে। জেতুকাই চুলিৰ অকালপক্কতা আৰু সৰা বন্ধ কৰে। সেইবাবে কিছুমানে জেতুকা চুলিখিনি উজ্জ্বল কৰি ৰাখিবলৈ ব্যৱহাৰ কৰে।

আজি-কালি এনে উদ্ভিদৰ সংখ্যা হ্ৰাস পাবলৈ ধৰিছে। কিছুমান অঞ্চলত এনে উদ্ভিদৰ সঁচেই নাই। যিবোৰ ঠাইত এনেধৰণৰ ঔষধি গুণসম্পন্ন উদ্ভিদ আছে তাত সংৰক্ষণৰ অভাৱতে হ্ৰাস পাইছে। পৰম্পৰাগতভাৱে পালন কৰি অহা উৎসৱত যদি আমি এনেধৰণৰ উদ্ভিদ ব্যৱহাৰ কৰিব নোৱাৰো, তেতিয়াহ'লে পৰম্পৰা ভৱিষ্যতে ৰক্ষা হ'ব জানো? নৱ প্ৰজন্মৰ বেছিভাগেই চিনি নাপায় উদ্ভিদসমূহ। এইবোৰ জংঘল, গছ-গছনি বুলি ভাবি বহুতে গুৰুত্ব নিদিয়ে। এনেধৰণৰ ঔষধি উদ্ভিদৰ সংৰক্ষণৰ ব্যৱস্থা আমি নিজেই কৰিব লাগিব। প্ৰতি বছৰে যদি এনে আপুৰুগীয়া উদ্ভিদ ৰোৱা হয় তেতিয়াহ'লে প্ৰকৃতিৰ ভাৰসাম্য ৰক্ষাৰ সমান্তৰালভাৱে ব'হাগ বিহুৰ পৰম্পৰাও ৰক্ষা হ'ব নিশ্চয়।

# বসন্তৰ বলিয়া বা

'সদ্য প্ৰৱালোদগম্ চাৰুপত্ৰে নীতি সমাপ্তিং নৱসূতবানে। নিৱেশয়ামস মধুদ্বিৰেফান নামক্ষৰাণীং মনোভৱস্য।' অৰ্থাৎ আম গছত নকৈ ওলোৱা পাতৰ সুন্দৰ কেঁচা আমৰ কুঁহি, এয়া যেন মদনৰ শৰবাণ, বসন্তই তাকে দেখি ভোমোৰাবোৰক তাত নিৱেশিত কৰিলে যেন সেয়া মদনৰ নামাক্ষৰ। মহাকবি কালিদাসৰ 'কুমাৰ সম্ভৱ' কাব্যত বসন্তৰ এনেদৰে মনোৰম বৰ্ণনা কৰি কাব্যখনৰ তৃতীয় সৰ্গত বসন্তৰ অনুপম বৰ্ণনা দাঙি ধৰিছে। বসন্তৰ আগমনৰ লগে লগে পৃথিৱীয়েও বৰণ সলায়। বট-বৃক্ষৰ পুৰণি পাত সৰি কুঁহিপাত ওলায়। ঈষৎ হৰিৎ বৰ্ণৰ কুঁহিপাতে প্ৰাণৱন্ত কৰে নাঙঠ গছজোপাক। প্ৰকৃতি দেৱীও যেন হেন্দোলিত হৈ উঠে। নতুন ৰূপত নিজকে সাঁজি-কাছি তোলা ধৰিত্ৰীৰ বুকুত এটোপ-দুটোপ বৰষুণ পৰিলেই আৰম্ভ হয় এক নতুন শিহৰণ। ঋতুৰ পৰিৱৰ্তন হয় যদিও প্ৰকৃতি দেৱীয়ে কাৰোৰে অপেক্ষা নকৰে। গাভৰুৰ দৰে প্ৰাণচঞ্চলা হৈ উঠে ধৰিত্ৰী। চঞ্চল মনটোৱে যেন বাৰে বাৰে পিছলি পৰে ডেকা-ডেকীৰ প্ৰকৃতিৰ বুকুত খেলা নিভাজ প্ৰেমত। জীৱনৰ আনন্দ বিচাৰি পোৱা যায় বসন্তত। বিষাদো থাকে বসন্তৰ আগমনত। কাৰোবাৰ জীৱনলৈ আনন্দ আৰু আন কাৰোবালৈ বিষাদ কঢ়িয়াই আনে। তথাপি সকলোৱে ভাল পায় এই ঋতু।

সুধাকণ্ঠ ড° ভূপেন হাজৰিকাই কথাৰে বসন্তৰ ব্যাখা আগ বঢ়াইছে এনেদৰে— 'এই ব'হাগতে চাওক। পৃথিৱীৰ সকলো দেশৰ লোকেই বসন্তত নতুনক আদৰে; কিন্তু অসমীয়া জাতিৰ দৰে ব'হাগত নতুনতাৰ বাবে ইমান বলিয়া হোৱা জাতি বিৰল। অসমীয়াৰ এই স্বতঃস্ফূৰ্ত নতুনতা প্ৰেমক আজি-কালি বিকেন্দ্ৰীকৰণ ৰ নকৰি কেন্দ্ৰীয়কৰণ কৰা হৈছে পেণ্ডেলত। নিৰ্মল হৈ থাকিলে, এই কেন্দ্ৰীয়কৰণ অতি ভাল। বিৰাট সামূহিক প্ৰকাশ ঘটিছে, একতা বাঢ়িছে; কিন্তু আনফালে হৈছে কি? শাসক গোষ্ঠীয়ে মিঠা মিঠা কথাৰে আৰবি তিতা তিতা ভুৱাৰে অহা নিৰ্বাচনত ক্ষমতাৰ বাবে ভালৰি বোলাবলৈ এই বিহু পেণ্ডেল। কিছুমানত বৰমতা হৈ সংস্কৃতিৰো লেকাম টনাৰ সপোন দেখিছে।' অসমৰ বিভিন্ন ঠাইত সিঁচৰতি হৈ থকা ভিন ভিন জনগোষ্ঠীয়ে নিজ নিজ ঐতিহ্য-পৰম্পৰাৰে বসন্তৰ অনাবিল আনন্দৰ মাজত নিজকে বিলীন কৰি দিয়ে। এই উৎসৱে ক্ষন্তেক সময়ৰ বাবে হ'লেও প্ৰতিগৰাকী মানুহক আগুৱাই যোৱাত সহায় কৰে।

আহোম স্বৰ্গদেউসকলৰ পৃষ্ঠপোষকতাত বিহুৱে লাভ কৰিছিল অন্য এক গতি। ৰাজকীয় পৰম্পৰাত বিহুৰ সমান্তৰালভাৱে এই সময়ত আয়োজন কৰা হৈছিল বিভিন্ন খেল-ধেমালি, বিশেষকৈ বিহু হুঁচৰি, ম'হ যুঁজ, হাতী যুঁজ, শেন কনুৱাৰ যুঁজ। এনে ধৰণৰ খেল-ধেমালি উপভোগ কৰিবলৈ মানুহৰ লানি নিছিগা সোঁত বৈছিল। বসন্তৰ আগমনৰ লগে লগে সকলোৱে এনে প্ৰতিযোগিতাৰ বাবে নিজকে প্ৰস্তুত কৰি তুলিছিল। ডেকাসকলে গাভৰুৰ মন ভুলাবলৈ কি নকৰে। বসন্তত যেন যৌৱন হেন্দোলিত হয়। পৰিৱেশেই যেন সকলোকে দিয়ে অন্য এক মাত্ৰা। চৌদিশে কেৱল বসন্তৰ ঢৌ। বসন্তক কোনোৱে বন্দী কৰি ৰাখিব নোৱাৰে। সময় হ'লেই গুচি যায় বিভিন্ন অঞ্চল অথবা ভিন দেশলৈ। অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীসমূহে যিবোৰ বসন্তকালীন উৎসৱ পালন কৰা হয় সেইবোৰৰ ভিতৰত অন্যতম ব'হাগ বিহু। মিছিংসকলৰ আলি-আয়ে-লৃগাঙৰ পৰা অসমত বসন্তৰ আগমনৰ লগে লগে বহুতো উৎসৱ পালন কৰা হয়। বড়ো, দেউৰী, ডিমাচা, কাৰ্বি আদি জনগোষ্ঠীৰ লোকসকলে বসন্তকালীন উৎসৱ-পাৰ্বন পালন কৰি আহিছে।

# তাঁতশালখন

অসমীয়া সংস্কৃতিৰ স'তে ওতপ্ৰোতভাৱে জড়িত তাঁতশাল। অসমীয়া শিপিনীসকলৰ হাতৰ চানেকিয়ে বিশ্ববাসীৰ দৃষ্টি আকৰ্ষণ কৰিছে। এই দৃষ্টিৰ আঁৰত আছে তাঁতশালখন। ভাৰত ত্যাগ আন্দোলনৰ সময়ত মহামানৱ মহাত্মা গান্ধীয়ে শুৱালকুছিলৈ আহোতে অসমীয়া শিপিনীসকলে বোৱা বস্ত্ৰ দেখি অভিভূত হৈ পৰিছিল। প্ৰতিঘৰতে এসময়ত তাঁতশালৰ মাকোৰ শব্দই খলকনি তুলিছিল। বসন্তৰ আগমনৰ লগে লগে মাকোৰ শব্দৰ গতিও বৃদ্ধি পাইছিল। কাৰণ আপোনজনক এখন মৰমৰ বিহুৱান দিবলৈ হ'লে তাঁতশালৰ মাকোৱে গতি লাভ কৰিবই লাগিব। তদুপৰি নিজ হাতেৰে বৈ দিয়া বিহুৱানখনি আনতকৈ যাতে শুৱগা হয় তাৰেই যেন অঘোষিত প্ৰতিযোগিতাত নামি পৰিছিল। মহিলাসকল ব্যস্ত হোৱাৰ মাজতে বিশেষকৈ যুৱতীসকলে ভাল পোৱাজনক এখন সুন্দৰ বিহুৱান উপহাৰ দিবলৈ দিন-নিশা একাকাৰ কৰি কাপোৰ বোৱাত ব্যস্ত হৈ পৰিছিল। এই বিহুৱানখনি পিন্ধি বিহু গাবলৈ অথবা বাহিৰলৈ ওলাই গ'লে আন দহজনে বস্ত্ৰখনি ভাল লগা বা আকৰ্ষণীয় বুলি ক'লে প্ৰেমিকেও গৰ্ববোধ কৰিছিল।

তাঁতশাল অবিহনে অসমীয়া নাৰীৰ ছবিখন অসম্পূৰ্ণ। ছাঁতে শুকোৱা, মুঠিতে লুকুওৱা বস্ত্ৰ প্ৰস্তুত কৰিব জানে অসমীয়া শিপিনীয়ে। এৰাতিৰ ভিতৰতে

সূতা কাটি, কাপোৰ বৈ গিৰিয়েকক যুদ্ধক্ষেত্ৰলৈ পঠিওৱা অসমীয়া মহিলাসকলৰ হাতৰ চানেকিয়ে বিশ্বৰ যিকোনো প্ৰান্তৰ শিপিনীয়ে প্ৰস্তুত কৰা বস্ত্ৰৰ স'তে ফেৰ মাৰিব পাৰে। এখন তাঁতশালৰ পৰা প্ৰস্তুত কৰা বস্ত্ৰ পৰিধান কৰি বিশ্ব দৰবাৰত জিলিকা অসমীয়া লোকৰ সংখ্যাও কম নহ'ব। আধুনিক দৃষ্টিভংগীৰে বিষয়টোৰ স'তে গ্লেমাৰ জড়িত থকা বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। কিছু বছৰ আগলৈকে আমাৰ সমাজত শাল ব'বলৈ নজনা মহিলাক ঘৰৰ বোৱাৰী হিচাপে কোনোৱে গ্ৰহণ কৰিব খোজা নাছিল। আজৰি সময়ত মহিলাসকল ব্যস্ত আছিল তাঁতশালত। সূতা কটা, মহুৰা লোৱাৰ পৰা আৰম্ভ কৰি বস্ত্ৰ বোৱালৈকে সকলোক্ষেত্ৰতেই পাকৈত আছিল। বিহুৰ বতৰত তাঁতশালৰ মাকোৰ শব্দই বহুতৰ টোপনি হৰিছিল। শিপিনীসকলে বিহুৱান আদি বিক্ৰী কৰি দুপইচা আয়ো কৰিছিল। মহিলাসকলৰ কৰ্মপটুতাৰ নিৰ্দৰ্শন দাঙি ধৰা তাঁতশালখনে নাৰীৰ মৰ্যাদা ৰক্ষা কৰিছিল। অসমীয়া শিপিনীৰ কৰ্মপটুতা দেখি মহাত্মা গান্ধীয়ে কৈছিল— 'অসমীয়া শিপিনীয়ে কাপোৰত পৰীৰ সাধু ৰচনা কৰে।'

তাঁতশালত প্ৰস্তুত কৰা বস্ত্ৰৰ আজিও আদৰ কমা নাই। অৱশ্যে চাহিদা অনুপাতে উৎপাদন হ্ৰাস পোৱা বাবে ইয়াৰ মূল্য অস্বাভাৱিকভাৱে বৃদ্ধি পাবলৈ ধৰিছে। সেয়েহে শালত বোৱা কাপোৰ এতিয়া আভিজাত্যৰহে প্ৰতীক হৈছে। দুখীয়া মানুহৰ বাবে এনে ধৰণৰ কাপোৰ ক্ৰয় কৰাতো এক প্ৰকাৰ অসম্ভৱ হৈ পৰা বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। দৰাচলতে অতিসম্প্ৰতি তাঁতশালৰ ব্যৱহাৰ সীমিত হৈ পৰিছে। কম দামতে পোৱা ছিন্থেটিক কাপোৰ ক্ৰয় কৰাতহে গুৰুত্ব দিয়া হৈছে। তদুপৰি আজিকালি মহিলাসকল ঘৰৰ চাৰিবেৰৰ মাজতেই সীমাবদ্ধ থাকিব নোখোজে। উচ্চ শিক্ষা-দীক্ষা লাভ কৰি চাকৰি কৰাৰ লগতে চহৰমুখী যাত্ৰাই তাঁতশালৰ প্ৰচলনত ব্যাঘাত জন্মাইছে। আধুনিকতাৰ নামত বহুতো মহিলাই পৰম্পৰাক বাদ দি পশ্চিমীয়া সংস্কৃতিক আঁকোৱালি লোৱাত তাঁতশালৰ চাৰিখুঁটি উঠিল চাঙত। আজিৰ প্ৰজন্মই তাঁতশাল মানে কি নাজানে। বহুতেই আনকি— ছবিতো দেখা নাই তাঁতশাল। ই এতিয়া আপুৰুগীয়া সম্পদ হৈছে। শিপিনীৰ শিপা বিচাৰি এতিয়া হাবাথুৰি খাবলগীয়া হয়। মৰমৰ দীঘ দি, চেনেহৰ বাণিৰে বিহুৱান ববলৈ আজি যেন চেনেহীৰ অভাৱ, অভাৱ চেনাইৰো।

# পৰিৱৰ্তিত ৰূপত বিহু

পৰিৱৰ্তন সময়ৰ আহ্বান। গতিশীল সময়ক যিদৰে কোনোৱে বাধা দিব নোৱাৰে ঠিক তেনেদৰে পৰিৱৰ্তনকো বাধা দিয়াতো অসম্ভৱ। কাৰণ পৰিৱৰ্তনেহে আনে আশাৰ বতৰা। এই পৃথিৱীত সকলো বস্তুৱেই পৰিৱৰ্তনশীল। আনহে নালাগে, আমাৰ চাৰিওফালে থকা সকলোবোৰ বস্তুৱেই পৰিৱৰ্তন হয়। পৰিৱৰ্তনৰ ঢৌ কেতিয়াবা বেছি, কেতিয়াবা কম; কিন্তু এনে পৰিৱৰ্তনত সকলোৱে তিষ্ঠি থাকিব নোৱাৰে। যাৰ মৌলিক উপাদানৰ পৰিৱৰ্তন নোহোৱাকৈ পৰিৱৰ্তনৰ মাজেদিয়ে ৰূপান্তৰ হয় তাৰেই দৰাচলতে অস্তিত্ব থকা দেখিবলৈ পোৱা যায়। এনে দৃষ্টিভংগীৰ পৰা বিশ্লেষণ কৰিলে দেখা যায়, ব'হাগ বিহু পৰিৱৰ্তনৰ মাজেদিয়ে এই ৰূপ পাইছে। গছৰ তলৰ পৰা মঞ্চলৈ ঢাপলি মৰাৰ সময়ৰে পৰা বিহুৰ কিছু পৰিৱৰ্তন হৈছে। এতিয়া গুৰুত্বপূৰ্ণ কথাটো হ'ল এনে পৰিৱৰ্তনে কোনটো দিশলৈ গতি কৰিব। ইয়াতকৈ আৰু পৰিৱৰ্তন কাম্য নহয়। এতিয়া বিহুগীতৰ পৰা আৰম্ভ কৰি বিহুনৃত্য, হুঁচৰি আদিতো সামগ্ৰিকভাৱে পৰিৱৰ্তন হোৱা দেখা যায়।

কিন্তু শেহতীয়াভাৱে যিধৰণৰ পৰিৱৰ্তন হৈছে সেয়া পিছে ইতিবাচক নহয়। আজি চহৰমুখী যান্ত্ৰিক সভ্যতাই বিহু সংস্কৃতিত কুঠাৰাঘাত কৰিছে। এতিয়া বিহুৰ নামত যিধৰণৰ সংস্কৃতিয়ে গা কৰি উঠিছে সেইবোৰ প্ৰত্যক্ষ কৰিলে জাতীয় উৎসৱটোৰ তাৎপৰ্য আৰু আদৰ্শক মষিমূৰ কৰা যেনহে অনুভৱ হয়। বিজতৰীয়া সংস্কৃতিয়ে যেন ব'হাগ বিহুৰ শৰাধহে পাতিছে। পৰিৱৰ্তনৰ নামত কোনে কি

কৰিছে তাত গুৰুত্ব দিবলৈ কাৰোৰেই যেন আহৰি নাই। অসমৰ সংস্কৃতিৰ বৰপথাৰখনক সজীৱ আৰু উজ্জীৱিত কৰি ৰখা বিহুগীত, নৃত্যৰ ছন্দ যেন মাজে মাজে স্থবিৰ হৈ পৰিছে। অসমৰ সংস্কৃতিৰ পথাৰখনত বিশেষ স্থান লাভ কৰি অহা বিহুৰ পৰিৱৰ্তনক লৈ একাংশ লোক চিন্তান্বিত হ'লেও ইয়াক কেন্দ্ৰ কৰিয়েই আকৌ আৰম্ভ হৈছে নানা বিতৰ্ক। এটা কথা স্বীকাৰ কৰিবই লাগিব যে এনে পৰিৱৰ্তন, বিতৰ্কৰ মাজতো বিহুটিয়ে সাৰ্বজনীন ৰূপ লৈছে। সাৰ্বজনীন উৎসৱ হিচাপে স্বীকৃতি লাভ কৰাৰ ফলত এতিয়া আৰু বিহুটি কেৱল অসমৰ চাৰিসীমাৰ মাজতেই আবদ্ধ থকা নাই। সাতসাগৰ তেৰ নদীৰ সিপাৰেও পালন কৰা হৈছে বিহু। জাতীয় সংস্কৃতিৰ প্ৰতীক এই ব'হাগ বিহুৰ সুখ-আনন্দৰ স্পৰ্শতেই জীৱনটোৰেও যেন সলায় সুৰ। নিৰাশাৰ মাজতেই আশা, আনন্দৰ মাজতো বিষাদ, অশান্ত পৃথিৱীখনত যেন শান্তিৰ বতাহজাক বোৱাই তোলে ব'হাগে। তথাপি পৰিৱৰ্তনৰ মাজত নিজস্বতা হেৰুৱাই অপসংস্কৃতিক আঁকোৱালি ল'ব নোৱাৰি।

পৃথিৱীত সকলো ঠাইতে কৃষিভিত্তিক উৎসৱসমূহ পৰম্পৰাগতভাৱে পালিত হৈ আহিছে। যেতিয়ালৈকে ধৰিত্ৰী দেৱীয়ে শস্য ধাৰণ কৰি থাকিব তেতিয়ালৈকে এই উৎসৱসমূহ জীয়াই থাকিব। পৃথিৱীৰ বিভিন্ন দেশত ঋতু ভেদে কৃষিভিত্তিক উৎসৱসমূহ পালন কৰা হয়। অতীতত বিহুগীত আৰু নৃত্যক অশ্লীল আৰু যৌনগন্ধী হিচাপে বিবেচনা কৰা হৈছিল বাবে সকলো শ্ৰেণীৰ লোকে গ্ৰহণ কৰাৰ পৰিৱৰ্তে একাংশইহে আদৰি লৈছিল। কিন্তু সময়ৰ গতিৰ লগে লগে মানুহৰ দৃষ্টিভংগীৰো পৰিৱৰ্তন হ'বলৈ ধৰিলে। অতীতত ব্যৱহাৰ কৰা কিছুমান যৌনগন্ধী শব্দ সমাজত লাহে লাহে গ্ৰহণযোগ্য হৈ উঠিল। নৃত্যসমূহো সহজভাৱেই লোৱা হ'ল। সমাজব্যৱস্থাৰ পৰিৱৰ্তনেই যেন এইবোৰ সকলোৰে বাবে সহজভাৱে গ্ৰহণযোগ্য কৰিলে। তাহানিৰ বিহু আজি গোটেই অসম বিচাৰিলেও নাপাম। যিখিনি নাপাওঁ তাকে লৈ মূৰ ঘমাই থকাৰ সময় নাই। যিখিনি পাইছো— তাকেই নিজৰ বুলি শুদ্ধ ৰূপত ৰাখিবলৈ আমি চেষ্টা কৰিব লাগিব। জোঁৰ পুৰি হাত পালেহি। এতিয়া আৰু বহি থকাৰ সময় নাই। আমি সকলোৰে হাতে-কামে লাগিবৰ হ'ল। আনৰ মুখলৈ চাই থকাৰ দিন কাহানিবাই উকলি গ'ল।

# ধৰ্মই সমাজত শান্তি স্থাপন কৰে, ধ্বংস নহয়

ধৰ্মীয় আৱেগক আগস্থান দিও মানুহে সমাজত শান্তি প্ৰতিষ্ঠা কৰিব পাৰে। ইয়াৰ বাবে প্ৰয়োজন ধৰ্মীয় আৱেগক অন্ধভাৱে নলৈ আমি ধৰ্মৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰাৰ। এগৰাকী ব্যক্তিয়ে সমাজত সকলোৰে পৰা সমীহ আদায় কৰিবলৈ হ'লে তেওঁ ধৰ্মক সকলো ক্ষেত্ৰতে ঢাল হিচাপে ব্যৱহাৰ নকৰাৰ মানসিকতা সম্পন্ন হ'ব লাগিব। প্ৰত্যেক ব্যক্তিৰে একোটা ধৰ্ম আছে। এই পৃথিৱীত নাস্তিক লোকৰ সংখ্যা আঙুলিৰ মূৰত লেখিবপৰা বিধৰ। আমাৰ সমাজত এনে বহুতো লোক আছে যিসকলে আনক দেখুৱাবলৈ নাস্তিক হয়। অথচ এনে ব্যক্তিয়ে গোপনে ধৰ্মীয় কাম কাজত জড়িত হৈ থাকে। এনেধৰণৰ লোকৰ পৰাই দৰাচলতে সমাজৰ ক্ষতি হয় সৰ্বাধিক। আন একাংশ লোক আছে যিয়ে নিজৰ ধৰ্মৰ বাহিৰে পৃথিৱীৰ অন্য ধৰ্মৰ লোকৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰিব নোখোজে। এগৰাকী ব্যক্তিয়ে নিজৰ ধৰ্মটোক শ্ৰেষ্ঠ বুলি ভবাটো স্বাভাৱিক কথা যদিও তেওঁ আন ধৰ্মৰ দোষ খুঁচৰি ফুৰাটো স্বাভাৱিক হ'ব নোৱাৰে। প্ৰতিটো ধৰ্মৰে উপাসনাৰ পদ্ধতি ভিন্ন। ধৰ্মীয় নীতি-নিয়মসমূহো বেলেগ বেলেগ। সেই নীতি-নিয়ম আন ধৰ্মৰ লোক এগৰাকীৰ দৃষ্টিত ত্ৰুটিপূৰ্ণ হ'ব পাৰে। প্ৰতিটো ধৰ্মৰে

দোষ-গুণ আছে। কেৱল ধৰ্ম বুলি ক'লে ভুল হ'ব। বিশ্ব ব্ৰহ্মাণ্ডৰ প্ৰতিটো পদাৰ্থৰে দোষ-গুণ আছে। এই দোষ-গুণৰ মাজেদিয়েই পৃথিৱীখন চলি আছে আৰু ভৱিষ্যতেও থাকিব। গতিকে আনৰ ধৰ্মৰ দোষ খুঁচৰি ফুৰাৰ কোনো যুক্তি থাকিব নোৱাৰে। এই দোষসমূহ একাষৰীয়াকৈ আমি যদি গুণবোৰ বিশ্লেষণ কৰো তেনেহ'লে মনৰপৰা সংকীৰ্ণ ভাব নিশ্চয় আঁতৰ হ'ব।

কোনো ধৰ্মই আনৰ ধৰ্মক ঘৃণা কৰিবলৈ শিক্ষা নিদিয়ে। প্ৰতিটো ধৰ্মই মানুহৰ মাজত শান্তি প্ৰতিষ্ঠা, ভ্ৰাতৃত্ববোধ, সহিষ্ণু হ'বলৈ শিক্ষা দিয়ে। কিন্তু ধৰ্মৰ বাণী বিশ্লেষণ কৰা লোকসকলেহে ইয়াৰ অপব্যাখ্যা আগবঢ়ায়। তদুপৰি সময়ৰ পৰিৱৰ্তনৰ লগে লগে এচাম লোকে ধৰ্মীয় ৰীতি-নীতিৰো পৰিৱৰ্তন কৰিবলৈ চেষ্টা চলায়। এনে পৰিৱৰ্তনৰ বাবে আৰম্ভ হয় ধৰ্মীয় সংঘাত। এটা ধৰ্মৰেই লোকৰ মাজত বিভাজনৰ সৃষ্টি কৰি দুয়োটা পক্ষৰ পৰা একাংশ সুবিধাবাদীয়ে সুবিধা আদায় কৰি আহিছে। এনে লোকে যে কেৱল নিজ ধৰ্মৰ মাজতেই বিভাজন আনিছে তেনে নহয়, সমান্তৰালভাৱে আন ধৰ্মৰ লোকসকলোকো ঘৃণা কৰিবলৈ বিভিন্ন প্ৰকাৰে প্ৰৰোচিত কৰে। সাধাৰণতে এনে লোকৰ লক্ষ্য হৈ পৰে অশিক্ষিত লোকৰ লগতে অতিকৈ পিছপৰা ভিতৰুৱা অঞ্চল। অশিক্ষিত লোকসকলক ঢাল হিচাপে ব্যৱহাৰ কৰি আন ধৰ্মীয় লোকৰ স'তে সংঘাতৰ সৃষ্টি কৰে। যিমানেই এই সংঘাতে চূড়ান্ত ৰূপ লয় সিমানেই সুবিধাবাদীয়ে মুনাফা লুটিব পাৰে।

সমাজখনত এতিয়া ধৰ্মৰ নামত বিভাজন কৰাৰ ৰাজনীতি চলিছে। ইতিহাসে ঢুকি নোপোৱা দিনৰে পৰাই একাংশ লোকে সমাজখনক ধৰ্মৰ ভিত্তিত বিভাজন কৰি আহিছে যদিও এতিয়া ইয়াৰ চূড়ান্ত ৰূপ প্ৰতিফলিত হৈছে। এয়া যে কেৱল পৃথিৱীৰ কোনো এটা অঞ্চলৰেই সমস্যা তেনে নহয়, বিশ্বৰ প্ৰতিখন দেশতেই ভায়াৱহ ৰূপ ধাৰণ কৰা পৰিলক্ষিত হৈছে। ধৰ্মক কেন্দ্ৰ কৰিয়েই বিশ্বজুৰি চলোৱা হৈছে সন্ত্ৰাস। সন্ত্ৰাসবাদীয়ে পিছে কোনো ধৰ্মৰ লোককেই ৰেহাই নিদিয়ে। হত্যাযজ্ঞ চলোৱাৰ সময়ত বন্দুক-বাৰুদে নাজানে ব্যক্তিসকল কোন ধৰ্মৰ। পৃথিৱীৰ কোনো ধৰ্মই কাৰো প্ৰাণ ল'বলৈ নিশিকায়। জীৱন দান, জীৱন ৰক্ষা কৰিবলৈহে শিক্ষা দিয়ে।

# মে’ দিৱস

প্ৰতি বছৰে পহিলা মে’ত সমগ্ৰ বিশ্বৰ শ্ৰমিকসকলৰ স্বাৰ্থত বিভিন্ন শ্ল’গান দিলেও আজিপৰ্যন্ত কঠোৰ পৰিশ্ৰম কৰাসকল শোষণৰ বলি হৈয়ে আছে। মাথোঁ মালিকপক্ষৰ শোষণৰ পদ্ধতিৰহে সলনি হৈছে। ঊনবিংশ শতিকাৰ আদিভাগলৈকে শ্ৰমিকসকলে সূৰ্যোদয়ৰ লগে লগে কাম আৰম্ভ কৰি সূৰ্যাস্তলৈকে হাড় ভগা পৰিশ্ৰম কৰিব লাগিছিল। পৰিশ্ৰম কৰিও পিছে দুবেলা দুমুঠি ভাত যোগাৰ কৰিব পৰা নাছিল। এতিয়া পিছে এনে শোষণ নাই যদিও বহুতো শ্ৰমিকে পেটৰ ভাতমুঠিৰ বাবে হাহাকাৰ কৰিবলগীয়া হৈছে। দেখাত মালিক পক্ষই সকলো দিয়ে; কিন্তু শ্ৰমিকৰ ঘৰতহে একো নোসোমায়। যদিহে শ্ৰমিকে মালিকপক্ষৰ এনে কাৰ্যৰ প্ৰতিবাদ জনায় তেতিয়াহ’লে তেওঁক কৌশলেৰে আঁতৰাই পঠিওৱা হয়। শ্ৰমৰ মূল্য বুজা লোকসকলৰ ক্ষেত্ৰতো এনে এখন ছবি দেখিবলৈ পোৱা যায়। আন দেশৰ কথাতো বাদেই ভাৰততেই ৯০ শতাংশ শ্ৰমিক-কৰ্মচাৰীয়ে নিতৌ ১২ৰ পৰা ১৬ ঘণ্টাপৰ্যন্ত কাম কৰি থাকিবলগীয়া হৈছে। এওঁলোকক অতিৰিক্ত সময়ৰ বাবে কোনো ধৰণৰ

পাৰিশ্ৰমিক নিদিয়ে। মাথোঁ চাকৰি বা কাম বৰ্তি ৰখাৰ স্বাৰ্থতেই শ্ৰমিক-কৰ্মীসকলে এনেদৰে গেবাৰি খাতিবলগীয়া হয়। শ্ৰমিক আইনেও এনে ধৰণৰ কাৰ্য প্ৰতিৰোধ কৰিব পৰা নাই। শ্ৰমিক আইন, কোম্পানী আইন অনুসৰি কৰ্মচাৰীক তিনি মাহৰ পাছত ভৱিষ্যনিধিৰ ধন দিব লাগে যদিও প্ৰায়ভাগ কোম্পানীৰ মালিকেই কৌশলেৰে এনে সুবিধা লাভৰ পৰা কৰ্মচাৰীক বঞ্চিত কৰি অহাৰো অভিযোগ সততে শুনিবলৈ পোৱা যায়। গতিকে কৰ্মচাৰী-শ্ৰমিকসকলক শোষণ কৰাৰ পদ্ধতিহে বাস্তৱ ক্ষেত্ৰত সলনি হৈছে। আজিও শ্ৰমিক-কৰ্মচাৰীয়ে কাম বা চাকৰিৰ নিৰাপত্তাৰ বাবে যুঁজ দি থাকিবলগীয়া হৈছে। শ্ৰমিকসকলে নিজৰ প্ৰাপ্য অধিকাৰৰ বাবে ৰাজপথত প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰিবলগীয়া হৈ আছে। যদিহে এই প্ৰতিবাদী কাৰ্যসূচী তীব্ৰতৰ কৰিবলৈ চেষ্টা চলায় তেতিয়াহ'লে আৰক্ষী বা নিৰাপত্তাৰক্ষীৰ দ্বাৰা নিয়ন্ত্ৰণ কৰা হৈছে। প্ৰতিবাদী কণ্ঠ ৰুদ্ধ কৰিবলৈ আনকি প্ৰতিবাদীৰ ওপৰত বৰ্বৰোচিতভাৱে জঁ পিয়াই পৰিছে। ভাৰতত শ্ৰমিকসকলৰ সুৰক্ষাৰ বাবে বিভিন্ন ধৰণৰ আইন প্ৰণয়ন কৰা হৈছে যদিও সেইবোৰ উপযুক্তভাৱে ব্যৱহাৰ হোৱা নাই। আইন সুৰক্ষাৰ বাবে প্ৰণয়ন কৰিলেও মালিকপক্ষই আইনৰ সুৰঙাৰেই কৰ্মচাৰী-শ্ৰমিকসকলক শোষণ কৰে। ক্ৰীতদাস প্ৰথা নাথাকিলেও কিছুমান কৰ্মী-শ্ৰমিকৰ ওপৰত এনেদৰে কামৰ বোজা জাপি দিয়া হয় যে এইবোৰ দেখিলে পুৰণা দিনবোৰৰ প্ৰতিচ্ছবিহে ফুটি উঠা যেন অনুভৱ হয়। ক্ৰীতদাস আৰু শ্ৰমিকৰ মাজত পাৰ্থক্য বিচাৰি পোৱা নাযায়।

পহিলা মে'ত শ্ৰমিকসকলৰ সুৰক্ষাৰ বাবে বিভিন্ন শ্ল'গান দি সভা-সমিতিৰ আয়োজন কৰিলেই শ্ৰমিকসকল সুৰক্ষিত হ'ব নোৱাৰে। ইয়াৰ বাবে লাগিব সচেতনতা। শ্ৰমিকসকল সচেতন হৈ প্ৰাপ্য অধিকাৰ সাব্যস্ত কৰিবলৈ উঠিপৰি লাগি একগোট হবই লাগিব। মনত ৰখা উচিত ঐক্যবদ্ধ সংগ্ৰামেহে শ্ৰমিকক সুৰক্ষা প্ৰদানৰ লগতে প্ৰাপ্য অধিকাৰ সাব্যস্ত কৰাত সহায় কৰিব। সুৰক্ষা কবচ সম্পৰ্কেও সম্যক জ্ঞান লাভ কৰা উচিত। এনে কৰিলেহে মে' দিৱস উদ্‌যাপন সফল হ'ব। নহ'লে হ'ব অশ্বডিম্ব।

# কিমান দিন চলি থাকিব ডাইনীৰ সন্দেহত হত্যা

প্ৰতিটো ঘটনাৰ আঁৰত থাকে একোটা কাৰণ। কিয়নো কাৰণ নোহোৱাকৈ কাৰ্য হ'ব নোৱাৰে; কিন্তু আমাৰ সমাজত এতিয়াও এনে কিছুমান ঘটনা সংঘটিত হৈ আছে যিবোৰৰ প্ৰকৃত কাৰণ আজিলৈকে উদ্‌ঘাটন হোৱা নাই। যদিও অন্ধবিশ্বাসকে অন্যতম কাৰণ হিচাপে চিহ্নিত কৰা হয় তথাপি এনে ধৰণা সম্পূৰ্ণ সত্য বুলি ক'ব নোৱাৰি। ইয়াৰ জ্বলন্ত উদাহৰণ হ'ল ডাইনীৰ সন্দেহত ৰাজ্যৰ বিভিন্ন ঠাইত সংঘটিত হৈ থকা হত্যাকাণ্ড। অন্ধবিশ্বাসক কেন্দ্ৰ কৰি ইয়াৰ অধিকাংশ ঘটনাই সংঘটিত হৈছে কেৱল ব্যক্তিগত স্বাৰ্থ পূৰণৰ কাৰণে। অন্ধ বিশ্বসাৰ নামত সংঘটিত হৈছে নৃশংস হত্যাকাণ্ড। ৰাজ্যখনৰ বিভিন্ন ঠাইত এনে ধৰণৰ ঘটনা সংঘটিত হৈ থকাৰ সময়তে কোকোৰাঝাৰ জিলাত ডাইনীৰ সন্দেহত হত্যা কৰি পুতি থোৱা হ'ল এজন যুৱক তথা কলেজীয়া ছাত্ৰক। জিলাখনৰ অন্তৰ্গত বিষমূৰী আৰক্ষী চকীৰ অধীনৰ কাজলগাঁৱত যোৱা ২০১৬ৰ ২২ এপ্ৰিলৰ পৰা সন্ধানহীন হৈ থকা অচিন্ত বসুমতাৰীৰ মৃতদেহ উদ্ধাৰ হোৱাৰ পাছত আকৌ এবাৰ মানৱ সমাজক কলংকিত কৰা অধ্যায় এটিৰ সৃষ্টি হ'ল। বৰ্বৰতা যেন এতিয়াও মানুহৰ সংগী হৈ আছে তাকে প্ৰমাণ কৰিলে অচিন্ত হত্যাই। ছাত্ৰ এজনক ডাইনীৰ সন্দেহত হত্যা কৰাৰ আঁৰত যে অন্ধবিশ্বাস থাকিব পাৰে সেয়া মনে নধৰে। উল্লেখ্য যে ২০১৩ চনত গাঁওখনৰ একাংশ লোকে ছাত্ৰজনৰ মাতৃক ডাইনীৰ সন্দেহত অত্যাচাৰ চলাইছিল। আনকি সেই বৰ্ষৰে ২৮ ডিচেম্বৰত গাঁওখনৰ লোকে এখন ৰাজহুৱা সভাৰ আহ্বান কৰি পৰিয়ালটোক অপবাদ জাপি দি ৫০১ টকাৰ জৰিমনা বিহিছিল। কিছুদিন পাছত পৰিয়ালটোৰ ওপৰত পুনৰ উপদ্ৰৱ চলাত মহিলাগৰাকীয়ে নিজ গৃহৰপৰা আঁতৰি থাকিবলৈ লয়। ঘটনাৰ নিশা অচিন্তৰ কাকয়েকে শহুৰৰ ঘৰলৈ যোৱাৰ সুযোগতে একাংশ

লোকে অত্যাচাৰ চলাই হত্যা কৰি পুতি থৈছিল অচিন্তক। নিশ্চয় এয়া অছিল হত্যাকাৰীসকলৰ এক পৰিকল্পিত কাণ্ড। ডাইনীৰ স'তে ছাত্ৰজনক সাঙোৰাৰ আঁৰত আছে ৰহস্য। আজি-কালি কাৰোবাৰ বিৰুদ্ধে প্ৰতিশোধ ল'বলৈ হ'লে জনজাতি অধ্যুষিত অঞ্চলসমূহত সংঘটিত কৰে ডাইনীৰ সন্দেহত হত্যা। ডাইনী হত্যা যে কেৱল জনজাতীয় লোক অধ্যুষিত অঞ্চলসমূহতে সংঘটিত হৈ আছে তেনে নহয়। উচ্চ শিক্ষিত লোকো এনে ঘটনাৰ স'তে জড়িত থাকে। তেওঁলোকৰ উদ্দেশ্য হয়তো সম্পত্তি দখল অথবা ভূমি দখল। কিছুমান আকৌ পুৰণা শত্ৰুতাৰ প্ৰতিশোধ ল'বলৈ এনে কাৰ্যৰ স'তে জড়িত হৈ পৰে। অশিক্ষিত আৰু অনগ্ৰসৰ অঞ্চলসমূহক আজিও চৰকাৰী আঁচনিসমূহে সামৰি নোলোৱাৰ ফলতো এনেধৰণ ঘটনা ঘটিবলৈ ধৰিছে তাত কোনো সন্দেহ নাই। কাৰণ এইখন অসমতে এনে বহুতো অঞ্চল আছে য'ত কোনো দিনেই এজন ডাক্তৰে প্ৰৱেশ কৰা নাই। বিদ্যালয়লৈ যাবলৈ হ'লে পাঁচ-ছয় কিলোমিটাৰ পথ অতিক্ৰমিব লাগে। চৰকাৰী চিকিৎসালয়ৰ অভাৱত বহুতো লোকে আজিও ওজা, বেজ আদি শৰণাপন্ন হয়। এনে বেজ, ওজাই আকৌ সমাজৰ একাংশ লোকৰ উচতনিত কাম কৰে। কিছুমান লোকে ব্যক্তিগত স্বাৰ্থ পূৰণৰ বাবে ওজা, বেজক অমোঘ অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰে। ওজা, বেজে অঞ্চলটোৰ একাংশ লোকৰ মনত এনে ভাব সুমুৱাই দিয়ে যেন বলি হোৱা লোকজনৰ বাবেই অঞ্চলটোত অসুখ-বিসুখ, মহামাৰীয়ে গা কৰি উঠে।

ডাইনীৰ সন্দেহত হত্যাৰ প্ৰতিৰোধৰ বাবে দাবী উত্থাপন হৈ থকাৰ সময়তে যোৰহাটতো ইয়াৰ সন্দেহতে অত্যাচাৰ চলোৱা হ'ল এগৰাকী মহিলাৰ ওপৰত। কিছুমান ঘটনা আকৌ অপ্ৰকাশিত হৈয়ে আছে। কিন্তু কিয়? ইয়াৰ উত্তৰ যেন কাৰো হাততে নাই। শিশু, যুৱক-যুৱতী আদিকো অন্ধবিশ্বাসী লোকসকলে হত্যাৰ লক্ষ্য কৰি লোৱাটো মানৱ সমাজৰ বাবে চৰম লজ্জাজনক বিষয়। এনে ঘটনাই প্ৰমাণ কৰে মানৱ সমাজখন সভ্যতাৰ চৰম শিখৰত উপনীত হ'লেও অন্ধবিশ্বাসমুক্ত হোৱা নাই। আমি সকলোৱে এনেধৰণৰ ঘটনাৰ বিৰুদ্ধে মাৰবান্ধি থিয় দিব লাগিব। অন্যথা এনে হৃদয় বিদাৰক ঘটনা সংঘটিত হৈয়ে থাকিব। সময় থাকোতেই সংকল্প গ্ৰহণ কৰিব লাগিব। ডাইনীৰ সন্দেহত হত্যা প্ৰতিৰোধ কৰিবলৈ সমাজৰ পৰা এই মহাব্যাধিটো আঁতৰ কৰিব নোৱাৰিলে উন্নতি অসম্ভৱ।

# সংস্কৃতি সংৰক্ষণ

শিৰোনামটো দেখি স্বাভাৱিকতে মনলৈ এটি প্ৰশ্ন আহে— সংস্কৃতিৰ সংৰক্ষণ কিয় কৰিব লাগে? এতিয়া আমাৰ সমাজখনত যি গতিত সংস্কৃতিৰ স্খলন হ'বলৈ ধৰিছে সেই দিশটো ক্ষুদ্ৰ দৃষ্টিকোণৰ পৰা বিশ্লেষণ কৰিলে এনে প্ৰশ্নই মনত ভুমুকি মৰাটো স্বাভাৱিক কথা। পৃথিৱীৰ প্ৰায়বোৰ দেশতেই সৃংস্কৃতিৰ অৱক্ষয় আৰম্ভ হৈছে। বিশ্বায়নৰ যুগত আনকি বহুতো সংস্কৃতি বিলুপ্তিৰ পথত। সংস্কৃতিৰ কোনো নিৰ্দিষ্ট পৰিসীমা নাই। সেইবাবে এখন দেশ বা এটা অঞ্চলৰ সংস্কৃতি সদায় আন অঞ্চলৰ লোকৰ বাবে আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ থাকে। সংস্কৃতিৰ বিনিময় হ'লেহে ইয়াৰ প্ৰসাৰ ঘটে। সেইবাবে বিভিন্ন দেশলৈ ঢাপলি মেলে সাংস্কৃতিক দল। বিভিন্ন কৃষ্টি-সংস্কৃতি প্ৰদৰ্শন কৰাটোৱে ইয়াৰ মূল উদ্দেশ্য। এনেদৰে এটা অঞ্চল বা দেশৰ সভ্যতা-সংস্কৃতিৰ স'তে আন এখন দেশ অথবা অঞ্চলৰ সংস্কৃতিৰ বিনিময় হোৱাৰ সময়ত একাংশ সংস্কৃতিৰ নামত বেপাৰ চলোৱা লোকে সংস্কৃতিক বিজতৰীয়া কৰি তুলিবলৈ অহৰহ প্ৰচেষ্টা অব্যাহত ৰাখিছে। এওঁলোকে সংস্কৃতিৰ নামত বেপাৰ কৰি বিভিন্ন ধৰণে মুনাফা লাভ

কৰে। এই লোকসকলৰ মনত সংস্কৃতিৰ মূল্য নাই। তেওঁলোকে বুজি নাপায় অথবা বুজিও নুবুজাৰ ভাও ধৰে। সংস্কৃতি অবিহনে কোনো এটা জাতি মেৰুদণ্ডহীন হৈ পৰে সেই কথা তেওঁলোকে বুজি নাপায়। সংস্কৃতিক শুদ্ধ আৰু সঠিক ৰূপত উপস্থাপন কৰিলেহে সাংস্কৃতিক বিনিময় অৰ্থবহ হৈ পৰিব।

প্ৰতিটো জাতি-জনগোষ্ঠীৰে আছে একোখন নিজা নিজা সাংস্কৃতিক ক্ষেত্ৰ। সমাজখনো এনে সংস্কৃতিৰ মাজেদিয়ে আগ বাঢ়ি যায়। সংস্কৃতি হ'ল বোৱঁতী নদীৰ দৰে প্ৰৱাহমান। ইয়াৰ গতি ৰুদ্ধ কৰিব নোৱাৰি। মাথোঁ ইয়াক কোন দিশে গতি দিয়া হয় সেইটোহে গুৰুত্বপূৰ্ণ বিষয়। যদিহে বিজতৰীয়া ৰূপত দিয়া হয় তেতিয়া নদীয়ে পাৰ ভঙাৰ লেখীয়া হ'ব। গতিকে সকলোৱে ইয়াক শুদ্ধ আৰু সঠিকভাৱে গতি দিবলৈ চেষ্টা কৰা উচিত।

সংস্কৃতিয়ে কিয় বিজতৰীয়া ৰূপ ধাৰণ কৰিছে সেয়া চিন্তনীয় বিষয়। ইয়াৰ আঁৰত কি কাৰক আছে সেইবোৰ বিশ্লেষণ কৰিব লাগিব। যিসকল মহান ব্যক্তিয়ে সাংস্কৃতিক ক্ষেত্ৰখনক এক বিশেষ ৰূপ দি আজিৰ এই পৰ্যায়ত উপনীত কৰাইছে সেইসকলৰ অশেষ কষ্ট, ত্যাগক আমি মূল্য দিবই লাগিব। নহ'লে মানৱ, সমাজক ইতিহাসে কেতিয়াও ক্ষমা নকৰে। এই মহান ব্যক্তিসকলে জীৱনৰ প্ৰতিটো মুহূৰ্তই মানৱ সমাজখনক সঠিক ৰূপত আগ বাঢ়ি যোৱাৰ মসৃণ পথৰ সৃষ্টি কৰি থৈ গৈছে। এখন সমাজৰ প্ৰচলিত সমাজব্যৱস্থা, নীতি-নিয়ম, ৰীতি-নীতি, পোছাক-পৰিচ্ছদ, খাদ্য সম্ভাৰে অঞ্চলটোৰ লোকসকলৰ সংস্কৃতিৰ ছবিখন দাঙি ধৰে। সংস্কাৰ বিষয়টোও ইয়াৰ স'তে ওতপ্ৰোতভাৱে জড়িত থাকে। সমাজখনত বসবাস কৰা লোকসকলৰ আচাৰ-ব্যৱস্থাৰো ইয়াতে সাঙোৰ খাই থাকে। এই সংস্কৃতিৰ পৰাই অঞ্চলটোৰ সাংস্কৃতিক ক্ষেত্ৰখনৰো বুনিয়াদ গঢ়ি উঠে। সাংস্কৃতিক ক্ষেত্ৰখনেও সমাজখনক প্ৰতিনিধিত্ব কৰে। কাৰণ এই সমাজখনৰ লোকসকলৰ জীৱন, সামাজিক পৰিৱেশক কেন্দ্ৰ কৰিয়েই গঢ়ি উঠে গীত-মাত, নাটক, চলচ্চিত্ৰ ইত্যাদি। সমাজ-জীৱনৰ ঘটনা-পৰিঘটনা আৰু ছবিখনক কেন্দ্ৰ কৰি ৰচিত গীত, নাট, ছবিয়েও সমাজখনকেই প্ৰতিনিধিত্ব কৰে। গতিকে সংস্কৃতিৰ নিশ্চয় সংৰক্ষণৰ প্ৰয়োজন আছে।

# অতন্দ্ৰ প্ৰহৰীৰ ভূমিকাত বিৰোধী দল

গণতন্ত্ৰৰ সাফল্য ভালেখিনি নিৰ্ভৰ কৰে চৰকাৰৰ নীতিৰ ওপৰত। দেশৰ জনসাধাৰণে প্ৰতি পাঁচ বছৰৰ মূৰে মূৰে জনপ্ৰতিনিধি নিৰ্বাচিত কৰি চৰকাৰ গঠন কৰে। সংখ্যাগৰিষ্ঠ লাভ কৰা দলটোক ৰাইজে চৰকাৰ গঠনৰ বাবে জনাদেশ দিয়ে যদিও যিবোৰ দলে চৰকাৰ গঠন কৰিব নোৱাৰে সেইবোৰৰ নিৰ্বাচিত সদস্যসকলৰো পিছে সমানেই গুৰুত্ব আছে। বিশেষকৈ গণতন্ত্ৰত বিৰোধী দলৰ ভূমিকা সদায় গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈ আহিছে। চৰকাৰৰ সাফল্যও পৰোক্ষভাৱে নিৰ্ভৰ কৰে বিৰোধীৰ ভূমিকাৰ ওপৰত। বিৰোধী দল যিমানেই শক্তিশালী হয় সিমানেই চৰকাৰৰ দোষ-ত্ৰুটিসমূহ ধৰা পৰে। সেইবাবেই বিৰোধীক অতন্দ্ৰ প্ৰহৰী বুলি কোৱা হয়। তদুপৰি চৰকাৰে যাতে স্বেচ্ছাচাৰিতাৰে যিকোনো কাম কৰিব নোৱাৰে তাৰ বাবেও শক্তিশালী বিৰোধীৰ প্ৰয়োজন। চৰকাৰে কেতিয়াবা নিজ দলৰ স্বাৰ্থ সিদ্ধিৰ বাবে কাম কৰে। তদুপৰি কিছুমান হঠকাৰী সিদ্ধান্তই ৰাইজৰ লগতে দেশ বা ৰাজ্যক ভৱিষ্যতে বিপদৰ গৰাহলৈ ঠেলি দিব পাৰে। দুৰ্নীতি, অনিয়ম আদি যাতে চৰকাৰে সংঘটিত কৰিব নোৱৰে সেই ক্ষেত্ৰতো বিৰোধীয়ে বিশেষ ভূমিকা গ্ৰহণ কৰিব পাৰে। যিখন দেশত দুৰ্নীতিৰ

স্থান আগত সেই দেশত ৰাইজৰ উন্নতি আশা কৰিব নোৱাৰি। এনে দুৰ্নীতি, অনিয়ম প্ৰতিৰোধ কৰিব পাৰে একমাত্ৰ শক্তিশালী বিৰোধীয়েহে। সেয়েহে এখন দেশৰ বাবে যিদৰে সুস্থিৰ আৰু শক্তিশালী চৰকাৰৰ প্ৰয়োজন, তেনেদৰে বিৰোধীও শক্তিশালী হ'ব লাগিব। দুৰ্বল বিৰোধী দল হ'লে জনসাধাৰণৰো সমানেই লোকচান হয়। শক্তিশালী বিৰোধী চৰকাৰৰ সমানেই শক্তিশালী, কাৰণ বিৰোধীৰ শক্তিশালী ভূমিকাই পৰৱৰ্তী সময়ত এখন চৰকাৰ ভঙা-পতাৰ ক্ষেত্ৰত পদক্ষেপ ল'ব পাৰে। ৰাইজৰ পৰা পৰৱৰ্তী পাঁচ বছৰত সমীহ আদায় কৰি চৰকাৰ গঠন কৰিব পৰা শক্তিও থাকে বাবে গণতন্ত্ৰত চৰকাৰে সদায় শক্তিশালী বিৰোধীক ভয় কৰে। আনকি কেতিয়াবা কেতিয়াবা চৰকাৰ পতনৰো অন্যতম কাৰক হিচাপে চিহ্নিত হয়। সেইবাবে জনসাধাৰণে এখন শক্তিশালী চৰকাৰৰ সমান্তৰালভাৱে শক্তিশালী বিৰোধী হোৱাতোও বিচাৰে।

অসমৰ জ্বলন্ত সমস্যাসমূহ সমাধান কৰিবলৈ হ'লে দুয়োপক্ষই শক্তিশালী হ'ব লাগিব। ৰাজ্যখনৰ উন্নয়নৰ স্বাৰ্থত বিৰোধীয়ে আগ বঢ়োৱা পৰামৰ্শ চৰকাৰেও গ্ৰহণ কৰা দেখা যায়। বিৰোধী যিমানেই সৰৱ হয়, চৰকাৰেও সিমানেই বিৰোধীক গুৰুত্ব প্ৰদান কৰে। আনকি কেতিয়াবা কেতিয়াবা কোনো জ্বলন্ত সমস্যাক কেন্দ্ৰ কৰি বিৰোধীয়ে চৰকাৰক নিশাটোৰ ভিতৰতে উফৰোৱাৰ উদাহৰণো ভাৰতৰ বিভিন্ন ৰাজ্যত আছে। বিধানসভাৰ মজিয়াত বিৰোধী পক্ষই যিমানেই বিষয়সমূহ উত্থাপন কৰিব সিমানেই ই চৰকাৰৰ দৃষ্টিগোচৰ হ'ব। দৃষ্টিগোচৰ হ'লেহে ইয়াৰ সমাধানৰ সূত্ৰ উলিয়াব পাৰি। সেইবাবে অসমৰ জ্বলন্ত সমস্যাসমূহ সমাধানৰ বাবে এখন শক্তিশালী চৰকাৰৰ লগতে শক্তিশালী বিৰোধীও হওক।

# বিশ্ব পৰিৱেশ দিৱস

পৰিৱেশৰ সুৰক্ষাৰ ক্ষেত্ৰত মহিলাসকলৰ ভূমিকা অপৰিসীম। বাহ্যিক দৃষ্টিকোণৰ পৰা বিশ্লেষণ কৰিলে পৰিৱেশৰ সুৰক্ষাত মহিলাৰ ভূমিকা গৌণ যদিও সূক্ষ্মভাৱে বিষয়টো বিচাৰ কৰিলেই ওলাই পৰে গুৰুত্ব কিমান? গছপুলি ৰোপণ কৰিয়েই মাথাই নামৰ কৃষ্ণাংগী মহিলাগৰাকী ন'বেল পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হৈছিল। তদুপৰি কে'বাটাও সংগঠনে এনে বিৰল সন্মানৰ অধিকাৰী হ'বলৈ সক্ষম হৈছে। বিশ্ববাসীক পৰিৱেশ সম্পৰ্কে সজাগ কৰিবলৈ সমগ্ৰ বিশ্বতে পাঁচ জুনৰ দিনটো বিশ্ব পৰিৱেশ দিৱস হিচাপে পালন কৰি অহা হৈছে, এই বিশেষ দিনটোত বিশ্বৰ বিভিন্ন ঠাইত পালন কৰা হয় বিভিন্ন কাৰ্যসূচী। গোলকীয় উষ্ণতাৰ বিৰুদ্ধে যুঁজ দিবলৈ এই বিশেষ দিনটোত বিশ্ববাসীক সজাগ কৰি অহা হৈছে। ২০০৯ চনত মালদ্বীপৰ ৰাজধানী মালেৰ পৰা ৪৫ মাইল সমুদ্ৰ দূৰত্বৰ গিৰিফুছি দ্বীপৰ ভাৰত মহাসাগৰত পানীৰ তলত অনুষ্ঠিত হৈছিল বিশ্বৰ প্ৰথমখন সমুদ্ৰতলিত হোৱা মন্ত্ৰীসভাৰ বৈঠক। গোলকীয় উষ্ণতাৰ ফলত সমুদ্ৰৰ জলস্তৰ ক্ৰমাৎ বৃদ্ধি হোৱাত বিপন্ন হৈ পৰিছে মালদ্বীপকে ধৰি বিশ্বৰ কে'বাখনো দেশ।

কেৱল সেয়াই নহয়, জলপৃষ্ঠ বৃদ্ধিৰ ফলত ইতিমধ্যে বিশ্বৰ ১০খন বাণিজ্যিক ব্যস্ত চহৰ ডুব যাব বুলি আশংকা প্ৰকাশ কৰি ৰাষ্ট্ৰসংঘই তালিকাভুক্ত কৰিছে। মুম্বাই, ঢাকা, ছিডনীও অন্তৰ্ভুক্ত হৈছে এই তালিকাত। সমুদ্ৰতলিত আয়োজিত মালদ্বীপৰ সেই মন্ত্ৰীসভাখনত গোলকীয় উষ্ণতা প্ৰতিৰোধৰ বাবে বিশ্বৰ আন দেশসমূহক ব্যৱস্থা গ্ৰহণ কৰিবলৈ অনুৰোধ জনোৱা হৈছিল। উন্নত দেশসমূহলৈ মালদ্বীপে এনে বাৰ্তা প্ৰেৰণ কৰাৰ পাছতো কিন্তু গোলকীয় উষ্ণতা হ্ৰাসৰ বাবে কোনো এখন দেশেই বিশেষ ব্যৱস্থা গ্ৰহণ কৰা নাই। ইতিমধ্যে অ'জন স্তৰত ছিদ্ৰ হোৱাৰ ফলত সূৰ্যৰ পৰা বিকিৰিত অতি বেঙুনীয়া ৰশ্মি পৃথিৱীৰ বুকুত পৰিবলৈ ধৰিছে। ইয়াৰ কুপ্ৰভাৱ পৰিছে মানৱ জাতিৰ ওপৰত। আগতে নোহোৱা বহুতো ৰোগে এতিয়া খোপনি পুতিবলৈ ধৰিছে। চিকিৎসা বিজ্ঞানৰ চৰম অগ্ৰগতি সত্ত্বেও । আজি মানৱ জাতি এনে বহুতো ৰোগৰ বিৰুদ্ধে যুঁজ দিবলগীয়া হৈছে যিবোৰৰ বীজাণু সম্পূৰ্ণৰূপে ধ্বংস কৰাটো সম্ভৱ হোৱা নাই। আনকি গোলকীয় উষ্ণতাৰ ফলত এতিয়া বিভিন্ন ৰোগৰ ভাইৰাছ বা বীজাণুৰ প্ৰকৃতিও সলনি হ'বলৈ ধৰিছে।

বিজ্ঞানে পৃথিৱীখনক এখন গাঁৱলৈ পৰ্যৱসিত কৰিলেও সমান্তৰালভাৱে এই গাঁওখনতে আৰম্ভ হৈছে বহুতো জটিল সমস্যা। পৃথিৱীখনৰ উত্তাপ বৃদ্ধি হৈছে। দুই দশকমান আগলৈকে থকা বিভিন্ন দেশৰ গড় উত্তাপতকৈ এতিয়া দুই-তিনি ডিগ্ৰী চেলছিয়াছ বৃদ্ধি পাইছে। আনহে নালাগে অসমৰ জলবায়ুৰ পৰিৱৰ্তন লক্ষ্য কৰিলেই এই ছবিখন স্পষ্ট হৈ পৰিব। আগতে অসমত কোনোবা এদিন যদি উত্তাপ ৩৪ ডিগ্ৰী চেলছিয়াছ হৈছিল তেনেহ'লে মানুহে গৰমত ঘৰত থাকিব নোৱাৰা অৱস্থা হৈছিল; কিন্তু এতিয়া ৩৯ ডিগ্ৰীতো মানুহে বিশেষ গুৰুত্ব প্ৰদান নকৰে। গড় তাপমাত্ৰা ৩৫ ডিগ্ৰী হোৱা সত্ত্বেও আমি কিন্তু বিশেষ গুৰুত্ব নিদিওঁ। এণ্টাৰ্কটিকা মহাদেশতো বৰফ গলিছে। এণ্টাৰ্কটিকা অভিযানকাৰীসকলে এই বিষয়ে তথ্য লাভ কৰিছে। পাঁচ বছৰমান পূৰ্বে এইখন মহাদেশলৈ যোৱা এটা দলে ছিংগাপুৰ দেশখনৰ সমান আয়তনৰ বৰফৰ টুকুৰা গলি যোৱা প্ৰত্যক্ষ কৰিছিল। ইপিনে, ই এ নাইনোৰো সৃষ্টি হৈছে।

গোলকীয় উষ্ণতা মানৱ সৃষ্ট। আজি পৃথিৱীৰ সকলোতে বিভিন্ন কাৰণত হ্ৰাস পাবলৈ ধৰিছে বনাঞ্চল। চোৰাং কাঠ বেপাৰী, কাঠ মিল, প্লাইউড উদ্যোগ

আদিৰ বাবে বনাঞ্চলসমূহ সংকুচিত হ'বলৈ ধৰিছে। বনজুইৰ বাবে বনাঞ্চল ধ্বংসও ইয়াৰ আন এক কাৰণ। প্ৰকৃতিৰ বুকুত মানুহে যিমানে অত্যাচাৰ চলাই আছে সিমানেই প্ৰকৃতিয়েও ৰুষ্ট হৈছে। পাৰমাণৱিক, বিভিন্ন ৰাসায়নিক অস্ত্ৰৰ ব্যৱহাৰে প্ৰকৃতিক ভাৰসাম্যহীন কৰি তুলিছে।

গোলকীয় উষ্ণতা প্ৰতিৰোধৰ বাবে আমি সকলোৱে সতৰ্ক হ'ব লাগিব। প্ৰাকৃতিক ভাৰসাম্যৰ বাবে কৰণীয়খিনি আমি নিষ্ঠাসহকাৰে কৰিবই লাগিব। বছৰত যদি প্ৰত্যেক ব্যক্তিয়ে একোটাকৈ হ'লেও গছপুলি ৰোৱাৰ অভ্যাস গঢ়ি তুলিব পাৰে। যদিহে প্ৰত্যেকে জন্মদিনটোত একোটাকৈ গছপুলি ৰোৱে তেনেহ'লে বনাঞ্চল বৃদ্ধি হ'ব। বনাঞ্চল বৃদ্ধি মানে বৰষুণ স্বাভাৱিকভাৱে হ'ব। খৰাং সমস্যাৰো সমাধান হ'ব। পথাৰ ভৰি পৰিব সোণালী শইচেৰে। কৃষিজাত সামগ্ৰীৰ উৎপাদন বৃদ্ধি মানে কৃষকৰ আৰ্থিক অৱস্থা টনকিয়াল হোৱা। তেতিয়া সমাজৰ উন্নতি হ'ব। ইয়াৰ বিপৰীতে যদি খৰাং অথবা খৰাংসদৃশ পৰিস্থিতিৰ সৃষ্টি হয় তেনেহ'লে সমাজৰ প্ৰতিটো ক্ষেত্ৰতেই ইয়াৰ প্ৰত্যক্ষ বা পৰোক্ষ প্ৰভাৱ পৰিব।

# শ্ৰৱণ কুমাৰৰ মাতৃভক্তি আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী

২০১৬ৰ ১৫ মে'ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মাতৃক এখন হুইল চেয়াৰত বহুৱাই তেওঁৰ চৰকাৰী বাসভৱন সাত ৰেচকৰ্ছ ৰোডত বাগিচাত ফুৰুওৱা এখন ফটো টুইটাৰযোগে প্ৰকাশ পাইছিল। দেশৰ প্ৰধানমন্ত্ৰীৰ দায়িত্ব পালন কৰি থকাৰ সময়তো মাতৃৰ প্ৰতি থকা অপত্য মৰম, শ্ৰদ্ধা তিলমানো হ্ৰাস পোৱা নাই। আনকি প্ৰধানমন্ত্ৰী হিচাপে শপতগ্ৰহণৰ পূৰ্বে মাতৃৰ পৰা আশীৰ্বাদ ল'বলৈও পাহৰা নাছিল। মাতৃয়ে দিয়া টকাখিনি লৈয়ে দিল্লীলৈ উৰা মাৰিছিল প্ৰধানমন্ত্ৰী মোদী। অহৰ্নিশে দেশৰ চিন্তাত ব্যস্ত থকা মোদীৰ এনে কাৰ্যই ভাৰতীয় সংস্কৃতিৰ নিদৰ্শন দাঙি ধৰিছে বিশ্ববাসীৰ সন্মুখত।

৮ মে'ত মাতৃ দিৱসৰ দিনাই অসমৰ প্ৰায়বোৰ সংবাদ মাধ্যমত প্ৰকাশ পাইছিল নলবাৰীত এগৰাকী বৃদ্ধাক পুত্ৰ-কন্যা আৰু আত্মীয়ই ৰাজপথত অসহায় অৱস্থাত অকলশৰে পেলাই থৈ যোৱা দৃশ্য। জন্মদাতা মাতৃক পেলনীয়া জাবৰ-জোঁথৰৰ দৰে পথৰ দাঁতিত পেলাই থৈ যোৱা ছবিখনে লজ্জানত কৰিছিল মানৱ জাতিক। মাতৃ দিৱসৰ দিনাই এগৰাকী মাতৃক পেলনীয়া দ্ৰব্য হিচাপে গণ্য কৰি

পুত্ৰ-কন্যাই পেলাই দিয়াৰ সময়ত তেওঁলোকৰ বুকু এবাৰো কঁপি নুঠিল। যিগৰাকী মাতৃয়ে ১০ মাহ ১০ দিন ১০ ভাদ্ৰ গৰ্ভত ৰাখি সন্তানক এই অনিন্দ সুন্দৰ পৃথিৱীৰ সৌন্দৰ্য উপভোগ কৰিবলৈ সুযোগ দিলে তেওঁকেই পেলাই থৈ গ'ল পথত। পুত্ৰ-কন্যাৰ পাষাণ চৰিত্ৰই প্ৰতিফলিত কৰিলে মাতৃসকল আমাৰ সমাজত কিমান সুৰক্ষিত? অৱশ্যে সমাজত মানৱ দৰদী লোক কিছুমান থকা বাবে এনে অসহায় বৃদ্ধ-বৃদ্ধাই জীয়াই থাকিব পাৰিছে। নলবাৰীত চাৰি বছৰমান পূৰ্বেও এনে এক ঘটনা সংঘটিত হৈছিল। সেইবাৰ এজন উচ্চ শিক্ষিত (পেছাত অধ্যাপক) লোকে মাতৃক সম্পত্তিৰ লোভত পৰি নিশা ৰাজপথত অকলশৰে এৰি থৈ গৈছিল অসহায় অৱস্থাত। নগাঁৱতো সংঘটিত হৈছিল অনুৰূপ ধৰণৰ ঘটনা। ৰাজ্যখনৰ বিভিন্ন ঠাইত এনেধৰণৰ ঘটনা প্ৰায়েই সংঘটিত হৈ থাকে কিছুমান ঘটনা পোহৰলৈ আহে আৰু আন কিছুমান অপ্ৰকাশিত হৈয়েই থাকে। ইয়াক আইনৰ দ্বাৰা প্ৰতিৰোধ কৰাটো সম্ভৱ নহয়। এনে ঘটনা প্ৰতিৰোধ কৰিবলৈ হ'লে প্ৰথমতে নিজেই নিজক বুজনি দিব লাগিব। আইৰ সমান এই পৃথিৱীত আন কোনো নাই। মাতৃৰ আশীৰ্বাদ অবিহনে কোনোৱে উন্নতিৰ জখলাডাল বগাব নোৱাৰে। মাতৃৰ মৰম আৰু আশীৰ্বাদ হ'ল উন্নতিৰ মূলমন্ত্ৰ মেক্সিম গৰ্কিৰ 'মা' উপন্যাসখনত এগৰাকী মাতৃক যিদৰে উপস্থাপন কৰিছে তেনেদৰে দ্বিতীয়খন কিতাপত আৰু কৰা হোৱা নাই। এইখিনিতে আকৌ প্ৰধানমন্ত্ৰী মোদীৰ প্ৰসংগটো উল্লেখ কৰিব খুজিছো। মোদীয়ে কাৰ্যভাৰ গ্ৰহণৰ পাছত পাকিস্তানৰ প্ৰধানমন্ত্ৰী নৱাজ শ্বৰিফক তেওঁৰ মাতৃৰ বাবে শ্বলকে আদি কৰি কে'বাখনো বস্ত্ৰ উপহাৰ দিছিল। প্ৰধানমন্ত্ৰী মোদীৰ এনেধৰণৰ কাৰ্যই তেওঁৰ মনত মাতৃৰ প্ৰতি থকা মনোভাৱ প্ৰকাশ কৰিছে। ব্যস্ততাৰ মাজতো সময় পালেই মাতৃৰ খবৰ লয়। অথচ আমাৰ সমাজত দৈনন্দিন কৰ্মব্যস্ততাক দোহাই দি মাতৃৰ খবৰ ল'বলৈ আহৰি নোপোৱা লোকৰ সংখ্যা এতিয়া অধিক। যদিহে পিতৃ-মাতৃয়ে তেওঁলোকৰ মা-দেউতাকক সন্মান প্ৰদৰ্শন নকৰে তেনেহ'লে সন্তানে পাছত এনে পিতৃ-মাতৃক সন্মান কৰিব নে? মৰমেৰে আঁকোৱালি ল'বনে? বৃদ্ধ পিতৃ-মাতৃ কেতিয়াও সন্তানৰ বাবে বোজা হ'ব নোৱাৰে। ভাৰতীয় পৰম্পৰাই শ্ৰৱণ কুমাৰৰ পিতৃ-মাতৃক কৰা ভক্তিৰ কথা সোঁৱৰাই দিয়ে। আমি সকলোৱে শ্ৰৱণ কুমাৰ হ'ব নোৱাৰিলেও তেওঁৰ আদৰ্শৰে নিশ্চয় অনুপ্ৰাণিত হ'ব পাৰো।

# অম্বুবাচী মেলা হওক কুম্ভমেলা

শ্ৰীশ্ৰী মা কামাখ্যা দেৱালয়ত অম্বুবাচী মেলা আৰম্ভ হোৱাৰ এপষেক পূৰ্বৰে পৰা সমাৱেশ ঘটে সাধু-সন্ন্যাসীৰ। পৃথিৱীৰ বিভিন্ন প্ৰান্তৰ পৰা অহা এইসকল সাধু-সন্ন্যাসীয়েও যেন মা কামাখ্যাৰ আশীৰ্বাদতহে মোক্ষ লাভ কৰে। ভাৰতৰ শক্তিপীঠসমূহৰ ভিতৰত শ্ৰীশ্ৰী মা কামাখ্যাক অন্যতম হিচাপে গ্ৰহণ কৰা হৈছে। হেজাৰ হেজাৰ ভক্তৰ সোঁত বয় মহাপীঠখনলৈ। বিৰ-দি-বাট নোপাৰা অৱস্থা হয়। যেনিয়ে চায় তেনিয়ে কেৱল ভক্তৰ সমাৱেশ। ৰাস্তা-পদূলিৰ চাৰিওফালে প্ৰখৰ ৰ'দ, বতাহ-বৰষুণক নেওচি মা কামাখ্যাৰ দৰ্শন লাভৰ বাবে অপেক্ষা কৰি থাকে। বছৰৰ এই সময়ছোৱাত ভাৰতৰ বিভিন্ন ৰাজ্যৰ উপৰি আন দেশসমূহৰ পৰা অহা ভক্তই পুণ্যভূমি অসমত খোজ পেলাই গৌৰৱবোধ কৰে। দুই দশক আগলৈকে অম্বুবাচী মেলাত যিমান ভক্তৰ সমাগম ঘটিছিল তাৰ তুলনাত বিগত দুবছৰত হেজাৰগুণ বেছি ভক্তই দৰ্শন লাভৰ বাবে উপস্থিত হৈছিল। বিগত দুটা দশকত এই মহাপীঠখনক লৈ চলোৱা প্ৰচাৰে ভক্তক আৰু অধিক আকৰ্ষিত কৰিলে। কামাখ্যাস্থিত নীলাচল পাহাৰেও যেন প্ৰাণ পাই উঠিল।

নীলাচল পাহাৰৰ চাৰিওফালে ঘন জনবসতি স্থাপন হোৱা সত্ত্বেও পাহাৰৰ সৌন্দৰ্য ম্লান হোৱা নাই। সেইজীয়া পাহাৰৰ ওপৰলৈ মাৰ দৰ্শনৰ বাবে খোজ কাঢ়ি উঠি গ'লেও যেন ক্লান্তিবোধ নকৰে। কিবা এটা আকৰ্ষণে যেন এই পাহাৰখন বগাবলৈ শক্তি দিয়ে। এই পাহাৰখন যদি আৰু অধিক সেউজীয়া কৰিব পৰা গ'লহেঁতেন, তেনেহ'লে আৰু সৌন্দৰ্য বৃদ্ধি পালেহেঁতেন। অম্বুবাচী মেলাৰ সময়ত হেজাৰ হেজাৰ লোকৰ থকা-মেলাৰ সুবিধা কৰাটো এক সমস্যাৰূপে থিয় দি উঠিছে। অৱশ্যে বিগত দুটা বছৰত মহানগৰীৰ ঠায়ে ঠায়ে ভক্তই জিৰণি ল'বলৈ শিবিৰ স্থাপন কৰা পৰিলক্ষিত হৈছে। প্ৰশাসন, ৰাইজ, ভক্তৰ সহযোগত অন্ততঃ জিৰণি ল'বলৈ এধানি হ'লেও ঠাই লাভ কৰিছে। এইসকল লোকে খাদ্য গ্ৰহণৰ বাবে পথৰ দুয়োফালে ৰাইজে স্বতঃস্ফূৰ্তভাৱে ওলাই আহি খিচিৰি বিতৰণ কেন্দ্ৰ স্থাপন কৰিছে। ভক্তই যাতে অতিথিপৰায়ণ অসমলৈ আহি অনাহাৰে থাকি কামাখ্যা দৰ্শন কৰিবলগীয়া নহয় তাৰ বাবে যেন সকলোৰে সাজু থাকে। খাদ্য সামগ্ৰী বিতৰণো সু-শৃংখলিতভাৱে হয়। কিন্তু ভক্তসকলে গ্ৰহণ কৰা ভোগৰ পাত্ৰসমূহ য'তে-ত'তে পেলোৱাৰ লগতে ভক্তসকলে পথৰ দাঁতিত মল ত্যাগ কৰাৰ ফলত লেতেৰা পৰিৱেশৰ সৃষ্টি হয়। যদি প্ৰশাসনে বিভিন্ন ঠাইত অস্থায়ী শৌচালয় নিৰ্মাণ কৰাৰ লগতে ডাষ্টবিন আদি স্থাপন কৰে তেতিয়াহ'লে নিশ্চয় গুৱাহাটী মহানগৰী পৰিষ্কাৰ হৈ থকাৰ লগতে দেশ-বিদেশৰ পৰা অহা ভক্ত দৰ্শনাৰ্থী তথা পৰ্যটকে অসম সম্পৰ্কে এটি ভাল ধাৰণা লৈ উভতিব। 'স্বচ্ছ ভাৰত' অসমতো সফলভাৱে ৰূপায়িত হোৱা বুলি প্ৰমাণ কৰিবলৈ এয়াও এক সোণোৱালী সুযোগ। এই সুযোগ আমি সকলোৰে মিলি গ্ৰহণ কৰিব নোৱাৰোনে? লেতেৰা পৰিৱেশে সকলোকে অস্বস্তিত পেলায়। অৱশ্যে অম্বুবাচী মেলাৰ সময়ত মহানগৰী পৰিষ্কাৰৰ নামত ব্ৰহ্মপুত্ৰত মল ত্যাগ, প্ৰস্ৰাৱ, জাবৰ-জোঁথৰ আদি পেলোৱাটো আমি সমৰ্থন কৰিব নোৱাৰো। এই অম্বুবাচী মেলাক 'মহাকুম্ভ মেলা'লৈ পৰ্যৱসিত কৰিবলৈ ৰাজ্য চৰকাৰখনে নিশ্চয় আগ-ভাগ ল'ব। কেন্দ্ৰীয় চৰকাৰেও এইক্ষেত্ৰত সহায়ৰ হাত আগ বঢ়ালে নীলাচল পাহাৰৰ পৰিসৰ আৰু অধিক বৃদ্ধি হ'ব।

# ভ্ৰাম্যমাণৰ জনকলৈ একাঁজলি শ্ৰদ্ধাঞ্জলি

ভ্ৰাম্যমাণ থিয়েটাৰৰ জনক অচ্যুত লহকৰৰ ১২ জুনত পুৱা মৃত্যু হোৱাৰ লগে লগে ইতি পৰিল এক জীৱন্ত কিংবদন্তিৰ। কাৰোৰেপৰা একো নিবিচৰা অচ্যুত লহকৰৰ প্ৰস্থানো আছিল নীৰৱ। দীৰ্ঘদিন ধৰি শয্যাগত হৈ থকা এইগৰাকী ভ্ৰাম্যমাণৰ জনক, অভিনেতা, শিল্পীয়ে অজান মুলুকলৈ গুচি যোৱাৰ লগে লগে উকা হৈ পৰিল নাটঘৰ, সংস্কৃতিৰ পথাৰ। ভ্ৰাম্যমাণ থিয়েটাৰৰ ধাৰণাক বাস্তৱত ৰূপ দি অচ্যুত লহকৰে কেৱল অসমীয়া সংস্কৃতিৰ পথাৰেই চহকী কৰা নাই, সমান্তৰালভাৱে হেজাৰ হেজাৰ স্থানীয় লোকৰ পেটৰ ভাতমুঠি মোকলোৱাৰ পথো প্ৰশস্ত কৰি থৈ গ'ল। নটৰাজ থিয়েটাৰৰ জৰিয়তে কৃতী চিৰযুগমীয়া কৰা অচ্যুত লহকৰে ভ্ৰাম্যমাণক এনে এটি পৰ্যায়লৈ নিলে— য'ত বিশ্ববাসীৰ দৃষ্টি নিবদ্ধ হৈছে। ভ্ৰাম্যমাণ থিয়েটাৰ অসমীয়া সংস্কৃতিৰ একচেটিয়া সম্পদ। ইয়াৰ মৌলিক গুণৰ বাবে প্ৰতিগৰাকী দৰ্শকৰ হৃদয়ত স্থায়ী ৰূপ ল'বলৈ সক্ষম হৈছে। এইগৰাকী মহান ব্যক্তিয়ে অসমবাসীলৈ আগ বঢ়াই যোৱা অৱদান চিৰযুগমীয়া কৰিবলৈ আমি সকলোৱে চেষ্টা কৰি উচিত।

অসমত এটি ভ্ৰাম্যমাণ থিয়েটাৰৰ গৱেষণা কেন্দ্ৰ লাগে। পৃথিৱীৰ আন ক'তো নোহোৱা ভ্ৰাম্যমাণ থিয়েটাৰ সম্পৰ্কে কোনো বিষয় জানিবলৈ হ'লে বিশেষ উৎসৰ সহায় ল'বলগীয়া হয়। কিন্তু যদি ভ্ৰাম্যমাণৰ হলীউদ পাঠশালাত অচ্যুত লহকৰৰ নামত এটা গৱেষণা কেন্দ্ৰ স্থাপন কৰা হয়, তেতিয়াহ'লে এইগৰাকী ব্যক্তিলৈ যচা হ'ব যথোচিত সন্মান। সাধাৰণতে ভ্ৰাম্যমাণত দপদপাই থকা শিল্পীসকল এসময়ত এলাগী হৈ পৰে। মঞ্চৰ পৰা আঁতৰি যোৱাৰ পাছত যেন শিল্পীগৰাকীয়ে সাংস্কৃতিক ক্ষেত্ৰখলৈ আগ বঢ়োৱা অৱদান

সকলোৱে পাহৰিবলৈ ধৰে। অচ্যুত লহকৰৰ ক্ষেত্ৰত যাতে তেনে এখন প্ৰতিচ্ছবি ফুটি নুঠে। কাৰণ আমি যদি তেওঁক পাহৰি যাওঁ তেনেহ'লে ভ্ৰাম্যমাণ থিয়েটাৰৰ সৃষ্টিক অপমান কৰাৰ লেখীয়া হ'ব। ভেটি নোহোৱাকৈ যিদৰে শক্তিশালী ঘৰ নিৰ্মাণ কৰিব নোৱাৰি তেনেদৰে অচ্যুত লহকৰক বাদ দি ভ্ৰাম্যমাণ থিয়েটাৰৰ ভেটি মজবুত কৰাটো অসম্ভৱ। এইগৰাকী মহান ব্যক্তিয়ে সৃষ্টি কৰা ভ্ৰাম্যমাণ থিয়েটাৰৰ গতি জন্মলগ্নৰে পৰাই দ্ৰুতগতিত হৈ আছে। ইয়ে অসমীয়া সংস্কৃতিক দিছে এক নতুন মাত্ৰা। লাইখুঁটাসদৃশ ভ্ৰাম্যমাণৰ জনকক বাদ দি ইয়াৰ নক্সা আঁকিব নোৱাৰি।

এক নতুন চিন্তা-চৰ্চাৰে ভ্ৰাম্যমাণক সাধাৰণ ৰাইজৰ ওচৰলৈ নিয়াৰ ক্ষেত্ৰত আগভাগ লোৱা অচ্যুত লহকৰৰ জন্ম হৈছিল ১৯৩১ৰ ৯ জুলাইত। ১৯৫২ৰ ১৫ জুনত তেওঁ কলিকতাৰ ৫৬ বেণ্টিং ষ্ট্ৰীটৰ পৰাই 'দীপাৱলী' নামৰ সচিত্ৰ মাহেকীয়া আলোচনী এখন প্ৰকাশ কৰি উলিয়াইছিল। দৰাচলতে তেওঁৰ সৃষ্টিশীল মনটোৰ কথা তেতিয়াই প্ৰতিফলিত হৈছিল। পাছত আৰ্থিক কাৰণত আলোচনীখন বন্ধ হৈ পৰে। ১৯৬৩ৰ ২ অক্টোবৰত অচ্যুত লহকৰে সকলোকে চমক দি সৃষ্টি কৰিলে নটৰাজ থিয়েটাৰৰ। প্ৰথম বৰ্ষত এইখন থিয়েটাৰে প্ৰদৰ্শন কৰা নাটকেইখন আছিল— 'জেৰেঙাৰ সতী', 'হাইদৰ আলী', 'ভোগজৰা' আৰু 'টিকেন্দ্ৰজিৎ'। অভিনয় কৰা শিল্পীসকল আছিল অনুপমা ভট্টাচাৰ্য, চন্দ্ৰ চৌধুৰী, ধৰণী বৰ্মন, সদা লহকৰ, নেত্ৰকমল বৰঠাকুৰ, নগেন শৰ্মা, ৰুদ্ৰ চৌধুৰী, কৃষ্ণ ৰয়, স্বৰ্ণ বৰা, ৰবীন দাস, জ্যোৎস্না ঘোষ আৰু অক্ষয় পাটগিৰি। বহুতো উত্থান-পতনৰ মাজেদি ভ্ৰাম্যমাণ থিয়েটাৰক অচ্যুত লহকৰে আজিৰ এই অৱস্থাত উপনীত কৰালে। ১৯৬৬-৬৭ত মঞ্চত চিনেমাস্কোপ পদ্ধতি প্ৰয়োগ কৰি দৰ্শকক চমক দিছিল। তেওঁৰ মঞ্চত পৰীক্ষা-নিৰীক্ষাৰ অন্ত নাই। ১৯৭০-৭১ত তেওঁ তিনিখন মঞ্চৰ পৰিকল্পনা কৰি সফল হৈছিল। ১৯৯০-৯১ত অলচোম অৰ্থাৎ ঘূৰণীয়া মঞ্চ সাজে। অসমৰ থিয়েটাৰক ৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰতিষ্ঠিত কৰিবলৈ অচ্যুত লহকৰে জীৱনৰ প্ৰতিটো ক্ষণতে চেষ্টা চলাইছিল। নেপালতো নটৰাজ থিয়েটাৰে নাট প্ৰদৰ্শন কৰিছিল। ১৯৭৮-৭৯ত বংগত বাংলা নাট প্ৰদৰ্শন কৰি তেওঁ ভ্ৰাম্যমাণৰ ইতিহাসত এক নতুন অধ্যায়ৰ সূচনা কৰিছিল।

# দলং, ঐতিহ্যমণ্ডিত স্থানত নামফলকত সংক্ষিপ্ত বৰ্ণনা

অসমৰ বিভিন্ন ঠাইত থকা দলংসমূহৰ ইতিমধ্যে নামকৰণ কৰা হৈছে। কিছুমান ঠাইত নামকৰণ হোৱা নাই যদিও স্থানীয়ভাৱে নৈখনৰ ওপৰত বা জানৰ ওপৰত থকা দলংখনক নদী, জানটোৰ নামেৰে চিহ্নিত কৰা হৈছে। কিছুমানত আকৌ ঠাই টুকুৰাৰ নামেৰে পৰিচিত হৈছে। ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মিত প্ৰথমখন দলং শৰাইঘাট দলং হিচাপে নামকৰণ কৰা হৈছিল। গোৱালপাৰাত নিৰ্মিত দ্বিতীয়খন দলং নৰনাৰায়ণ সেতু হিচাপে নামকৰণ কৰা হৈছিল। ঐতিহাসিক ঠাই, মঠ, মন্দিৰসমূহৰো নামকৰণ কৰা হৈছে। এইবোৰে অসমৰ ঐতিহ্য তথা গৌৰৱৰ কথা সোঁৰৰাই দিয়ে। এতিয়া কথা হ'ল এই দলং, মঠ, মন্দিৰ, মছজিদ, ঐতিহাসিক ক্ষেত্ৰসমূহৰ নামকৰণ কৰিলেও প্ৰায়ভাগতেই নাই নামফলক। কিছুমানত কেৱল নাম আৰু স্থাপিত চনটোহে উল্লেখ কৰা হৈছে। কিন্তু এইবোৰৰ বিষয়ে জানিবলৈ নাই ফলক অথবা লেখনি। কোনো ঠাইত নিৰ্মিত দলং এখনৰ বিষয়ে জানিবলৈ হ'লে কাৰোবাক সুধিব লাগিব অথবা ইতিহাসৰ পৃষ্ঠা মেলি চাব লাগিব; কিন্তু সকলোৰে বাবে এয়া সম্ভৱ নহয়। বিশেষকৈ পৰ্যটকসকলৰ বাবে কেৱল নামটো চায়েই দলং অথবা ঠাইখনৰ বিষয়ে জানিব নোৱাৰে। ইয়াৰ বাবে প্ৰয়োজন গাইডৰ। এইবোৰৰ

নাম ফলকত যদি দলংখনৰ লগতে ঠাইখিনি আৰু যাৰ নামত নামকৰণ কৰা হৈছে তেওঁৰ বিষয়ে ফলকখনত যদি সংক্ষিপ্ত বৰ্ণনা কৰা হয় তেতিয়া পৰ্যটকে নিশ্চয় ব্যক্তিগৰাকী অথবা ঠাইখনৰ বিষয়ে জানিব পাৰিব। ব্ৰহ্মপুত্ৰ, বৰাক, দিখৌ, ভোগদৈ, পাগলাদিয়া, পুঠিমাৰী, বৰলীয়া, মানাহ, আই নদীৰ ওপৰত থকা দলংসমূহৰ নামকৰণ কৰা হৈছে। ঐতিহাসিক স্থান বিশেষকৈ আহোম ৰাজত্ব, গৌৰীপুৰৰ ৰাজপৰিয়াল, তেজপুৰৰ বিভিন্ন ঠাইত স্থাপিত কীৰ্তিচিহ্নসমূহৰ নামফলকতো যদি ইয়াৰ ইতিহাস সংক্ষিপ্ত ৰূপত হ'লেও বৰ্ণনা কৰা হয় তেনেহ'লে পৰ্যটক নিশ্চয় একোটি ধৰাণা কৰিবলৈ সক্ষম হ'ব। বিদেশত এনেধৰণৰ ব্যৱস্থা আছে। প্ৰায়সংখ্যক নামফলকতে ইতিহাস সংক্ষিপ্ত ৰূপত বৰ্ণনা কৰা আছে। সেই বাবে পৰ্যটকসকলে ইয়াৰ বিষয়ে বিস্তৃতভাৱে জানিবলৈ হ'লে বিভিন্ন ধৰণৰ পুথি, আদি সংগ্ৰহ কৰিবলৈ উৎসুক হ'ব। তেতিয়া গ্ৰন্থ প্ৰকাশকসকলো পৰোক্ষভাৱে লাভান্বিত হ'ব। সাধাৰণত বিদেশত তেনেবোৰ স্থানৰ সমীপত বহুতো গ্ৰন্থ বিক্ৰেতা বিপণীও স্থাপন কৰে। গ্ৰন্থ সংগ্ৰহ কৰাটো কিছুমানৰ 'হবি'। বিশেষকৈ বিদেশলৈ গ'লে সেই ঠাইৰ সভ্যতা, সভ্যতা-সংস্কৃতি, ইতিহাস জানিবলৈ পৰ্যটকসকল উৎসুক হৈ পৰে। গ্ৰন্থ বিক্ৰী কৰি ধন উপাৰ্জন কৰাৰো ই হ'ল আন এক পথ।

বিভিন্ন বিভাগে এইক্ষেত্ৰত যদি গুৰুত্ব প্ৰদান কৰে তেনেহ'লে নিশ্চয় এইক্ষেত্ৰত সফল হ'ব পাৰিব। বিগত সময়ছোৱাত এনে ধৰণৰ পদক্ষেপ কোনো এখন চৰকাৰে লোৱা পৰিলক্ষিত হোৱা নাই। নতুন চৰকাৰে এইবোৰ বিষয়ত গুৰুত্ব প্ৰদান কৰা উচিত। কাৰণ এখন ৰাজ্যৰ ইতিহাস সম্পৰ্কে যদি শুদ্ধ আৰু সঠিকভাৱে পৰ্যটকসকলক তথ্যৰ যোগান ধৰা নহয় তেন্তে তেনেহ'লৈ অসমৰ ভুল ইতিহাসৰ তথ্য লৈ যোৱাৰো সম্ভাৱনীয়তা নুই কৰিব নোৱাৰি। এইক্ষেত্ৰত আমি সকলোৱে আগ-ভাগ ল'ব লাগিব। নিজৰ গাঁওখন, অঞ্চলটোৰ ইতিহাস সম্পৰ্কে শুদ্ধ তথ্য যোগান ধৰাটো প্ৰত্যেকৰে কৰ্তব্য। আমি যদি সকলোৱে চৰকাৰক অলপ সহায়-সহযোগিতা আগ বঢ়াওঁ তেনেহ'লে এখন সুন্দৰ আৰু মনোমুগ্ধকৰ অসম গঢ়ি পৰ্যটকক আকৰ্ষণ কৰিবলৈ সক্ষম হ'ব। যিমানেই পৰ্যটকৰ সংখ্যা বাঢ়িব, সিমানেই চৰকাৰৰ ৰাজহ বৃদ্ধি পাব। সমান্তৰালভাৱে ব্যৱসায়-বাণিজ্যতো উন্নতি হ'ব। সাংস্কৃতিক বিনিময়ো হ'ব।

# নৈশ বাছ নে ট্ৰাক

নৈশ বাছসমূহত কঢ়িওৱা অত্যধিক বোজাই যাত্ৰীৰ জীৱনলৈ সংশয় নমাই আনিছে। দিনে-নিশাই চলাচল কৰা বাছসমূহৰ প্ৰায়ভাগতে যাত্ৰীৰ লগতে বয়-বস্তুও কঢ়িয়ায়। কথাটো স্বাভাৱিক। এখন বাছত যিমান যাত্ৰীৰ আসন থাকে তেওঁলোকৰ বয়-বস্তু লগত নিয়াটো স্বাভাৱিক বিষয়; কিন্তু দূৰণীবটীয়া নৈশ বাছসমূহত যাত্ৰীৰ তুলনাত অত্যধিক হাৰত যি বয়-বস্তু, সামগ্ৰী কঢ়িওৱা হয় সেয়া আশ্চৰ্যকৰ বিষয়। কিছুমান নৈশ বাছ দেখিলে সেয়া বাছ নে বয়-বস্তু কঢ়িওৱা ট্ৰাক সন্দেহ হয়। বাছৰ 'ডিকি'ৰ উপৰি ওপৰত যিমান বয়-বস্তু নিয়ে সেয়া যাত্ৰীৰ তুলনাত অত্যধিক বোজা হৈ পৰে। বাছখনে নিৰ্দিষ্ট ওজন কঢ়িয়াব পৰা ক্ষমতাতকৈ তিনি-চাৰিগুণ অধিক কঢ়িওৱা দেখা যায়। এই অতিৰিক্ত ওজনৰ স'তে যাত্ৰীৰ জীৱনৰো সংশয় জড়িত হৈ থাকে। কিয়নো বাছ এখনে অতিৰিক্ত বোজা বা ওজন কঢ়িয়ালে যিকোনো মুহূৰ্ততে নিয়ন্ত্ৰণ হেৰুওৱাৰ আশংকা থাকে। আজি-কালি আই এছ বি টিৰ পৰা যিবোৰ নৈশ বাছ দূৰণীবটীয়া ঠাইলৈ যাত্ৰা কৰে সেইবোৰ দেখিলে মনত এনে ভাব হয় যেন বাছৰ ৰূপত ট্ৰাকতহে যাত্ৰী তুলিছে। এনে কৰাৰ ফলত কেৱল যে

যাত্ৰীৰেই জীৱনৰ সংশয় নামি আহে তেনে নহয়, সমান্তৰালভাৱে পৰিবহণ বিভাগৰো লোকচান হয়। কাৰণ এখন বাছ আৰু এখন ট্ৰাকৰ পৰিবহণ ব্যয়ৰ ক্ষেত্ৰত পাৰ্থক্য থাকে। যেতিয়া ট্ৰাকৰ বয়-বস্তু বাছৰ ওপৰত নিয়ে তেতিয়া পৰিবহণ বিভাগৰো সমানেই লোকচান হয়। এইক্ষেত্ৰত পৰিবহণ বিভাগৰ মন্ত্ৰীগৰাকীয়ে যদি গুৰুত্ব আৰোপ কৰে তেনেহ'লে যাত্ৰীৰ জীৱন কিছু পৰিমাণে সুৰক্ষিত হোৱাৰ লগতে বিভাগটোৰো পৰোক্ষভাৱে উন্নতি হ'ব।

পৰিবহণ বিভাগৰ বিষয়া-কৰ্মচাৰীয়ে যদি বিষয়টোৰ ক্ষেত্ৰত মনোনিৱেশ কৰে তেতিয়াহ'লে অতিৰিক্তভাৱে বোজা কঢ়িওৱা বাছসমূহৰ চালকেও নিয়ম মানিবলৈ বাধ্য হ'ব। বেছিভাগ নৈশ বাছৰ চালক-কৰ্মীয়ে আই এছ বি টিত গাড়ীৰ 'ডিকি'ত বয়-বস্তু ভৰোৱাৰ উপৰি খানাপাৰা আদিত বাছৰ ওপৰত বোজাই দিয়ে। বাছখন আধা ঘণ্টা-চল্লিশ মিনিট সময় পথৰ দাঁতিতেই ৰখাই থয়। এনে কৰোতে দুৰ্ঘটনা সংঘটিত হোৱাৰো নজিৰ আছে। তদুপৰি যাত্ৰীসকলো বহু সময়ত অধিক লোকচানৰ সন্মুখীন হ'বলগীয়া হয়। যিহেতু যাত্ৰী উঠা-নমা কৰোতে যদিহে উপযুক্ত ঠাইত বা নিৰ্দিষ্ট স্থানৰ পৰিৱৰ্তে আনত ৰখা হয় তেনেহ'লে দুৰ্ঘটনা হোৱাৰ আশংকাও নুই কৰিব নোৱাৰি। যান-বাহন আইন অমান্য কৰি অতিৰিক্তভাৱে বোজা কঢ়িওৱা নৈশ বাছসমূহৰ বিৰুদ্ধে আজিলৈকে বিভাগৰ লগতে প্ৰশাসনে বিশেষ ব্যৱস্থা গ্ৰহণ কৰা নাই। যাত্ৰীসকলে প্ৰায়ে এনে অভিযোগ উত্থাপন কৰি আহিছে যদিও কি কাৰণে বিভাগ অথবা প্ৰশাসনে ব্যৱস্থা গ্ৰহণ নকৰে তাক লৈহে ৰাইজৰ মাজত চৰ্চা হৈছে। এই ক্ষেত্ৰত ৰাজ্যখনৰ নতুন পৰিবহণ মন্ত্ৰীয়ে পদক্ষেপ গ্ৰহণ কৰিব বুলি ৰাইজে আশা কৰিছে। নৈশ বাছসমূহে বস্তু কঢ়িওৱাত কাৰো আপত্তি। নাই। মাথোঁ নিৰ্দিষ্ট ওজনতকৈ বেছি অৰ্থাৎ বয়-বস্তু কঢ়িওৱা কৰ দৰে। সামগ্ৰী কঢ়িওৱাতহে সকলোৰে আপত্তি। অতিৰিক্ত বোজাৰ বাবে যাতে বাছ দুৰ্ঘটনাগ্ৰস্ত হ'বলগীয়া নহয় তাৰ বাবে পৰিবহণ মন্ত্ৰীয়ে পদক্ষেপ গ্ৰহণ কৰা উচিত।

# জীৱ-জন্তুৰ সুৰক্ষাত শিশুৰ ভূমিকা

বিপদৰ সময়ত বাঘে-ছাগে এটা ঘাটতে পানী খায়। প্ৰাকৃতিক বিপৰ্যয়ৰ সময়ত সকলোৰে হিংসা, আক্ৰমণাত্মক মনোভাব পৰিহাৰ কৰি একেলগে সংগ্ৰাম আৰম্ভ কৰে। এবাৰ শিৱসাগৰৰ পৰা গাড়ীৰে আহোতে বানৰ কৱলত পৰা কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পশু-পক্ষী, জীৱ-জন্তু এক লগ হোৱাৰ দৃশ্য প্ৰত্যক্ষ কৰিলো। ইয়াৰ পূৰ্বে এনে ঘটনা কেতিয়াও দেখা মনত নপৰে। প্ৰাণৰ তাড়নাত ৰাষ্ট্ৰীয় ঘাইপথৰ দুয়োফালে গঁড়, হৰিণ, বান্দৰ, হাতী একেলগে দেখা পালো। বানৰ সময়ত বনৰীয়া জীৱ-জন্তু একেলগে থকাটো সকলোৰে জ্ঞাত। বিশেষকৈ কাজিৰঙা, মানাহ আদি ৰাষ্ট্ৰীয় উদ্যানৰ ক্ষেত্ৰত সকলোৰে এনে ঘটনা প্ৰত্যক্ষ কৰে। সাধাৰণতে পশু আদিৰ ক্ষেত্ৰত এই ছবিখন ফুটি উঠে। কাজিৰঙাত গাড়ীৰ খুন্দাত প্ৰায়ে হৰিণৰ লগতে আন জন্তুৰো মৃত্যু হয়। দ্ৰুত বেগত গাড়ী চলোৱা বাবে এনেধৰণৰ ঘটনা সংঘটিত হয়। চট্‌ফটাই পহুৰ মৃত্যু হোৱা দৃশ্য একাংশ লোকৰ বাবে অসহনীয় হৈ পৰে। স্থানীয়

লোকসকলে ৰাষ্ট্ৰীয় উদ্যানখনৰ জীৱ-জন্তুৰ সুৰক্ষাৰ বাবে যে অধিক সতৰ্ক সেয়া ৰাষ্ট্ৰীয় ঘাইপথত লাভ কৰা অভিজ্ঞতাৰ পৰা বুজিব পাৰিলো। আমাৰ গাড়ীখন কাজিৰঙা পোৱাৰ লগে লগে গতিবেগ একেবাৰে মন্থৰ কৰিছিলো। হঠাতে কেইটিমান শিশুৱে আমাৰ গাড়ীখন হাত দাঙি ৰখালে। তাৰ মাজৰে কেইজনমানে ক'লে— 'বেছি জোৰত গাড়ী নচলাব, হৰিণ আদি মৰিব পাৰে। এইকেইদিন গাড়ীৰ খুন্দাত কে'বাটাও জন্তু মৃত্যুমুখত পৰিছে। আপোনালোকে লাহে লাহে যাব।' শিশুকেইটিৰ কথা শুনি আচৰিত মানিলো। সিহঁতৰ প্ৰকৃতি প্ৰেম আৰু জীৱ-জন্তুৰ সুৰক্ষা প্ৰদানৰ মনোভাৱ দেখি ভল লাগিল। এইকেইটি শিশুৰ দৰে যদি দ্ৰুত গতিত গাড়ী চলাই যোৱা লোকসকলে এবাৰ ভাবিলেও নিশ্চয় বহুতো বন্য প্ৰাণীৰ প্ৰাণ ৰক্ষা পৰিলহেঁতেন। শিশুকেইটিয়ে ঘাইপথত গাড়ী ৰখাই সতৰ্ক কৰি দিয়াতো আদৰ্শৰ বিষয়। আমি শিশুৰ পৰাও কেতিয়াবা বহু জ্ঞান লাভ কৰিব পাৰো।

সন্মুখত বিপদ অথবা মৃত্যুৰ আশংকা ঘণীভূত হ'লে মানুহে নহয়, জীৱ-জন্তুও একেলগে থাকে। বানৰ সময়ত অৰণ্যৰ পৰা ওলাই অহা হিংস্ৰ জন্তুৱে হৰিণ, শহা, বিভিন্ন প্ৰজাতিৰ পহু আৰু মানুহে একেখন ওখ ঠাইতে আশ্ৰয় গ্ৰহণ কৰে। সেই সময়ছোৱাত সকলোৱে নিজকে নিয়ন্ত্ৰণ কৰে। মানুহৰ দৰে জন্তুয়েও নিজকে নিয়ন্ত্ৰণ কৰে। সেইবাবে জন্তুবোৰ সকলো সময়তে হিংস্ৰ হৈ নুঠে। চাৰ্কাছৰ কথাতো বাদেই বহুতে ঘৰতেই হাতী, বাঘ, ম'হ পোহে। এইবোৰে গৰাকীৰ স'তে যি আচৰণ কৰে সেয়া দেখিলে কোনোৱে ভাবিব নোৱাৰে যে জন্তুবোৰ এসময়ত হিংস্ৰ হৈ উঠি আক্ৰমণ কৰিব পাৰে। আমি কাজিৰঙাৰ ঘাইপথৰ দুয়োকাষে এনেধৰণৰ ছবি এখনেই প্ৰত্যক্ষ কৰিলো। প্ৰায়ভাগ ৰাইজেই বানৰ সময়ত জীৱ-জন্তু আদি নিজৰ ঘৰতে আশ্ৰয় দিয়ে। সন্মুখত পহু আদি দেখিলে তাক কোনো চোৰাং চিকাৰীয়ে নিধন কৰিব বুলি শংকা কৰিয়েই আনকি নিজৰ গোহালিতে স্থান দিয়ে। বানপানী শুকুওৱাৰ লগে লগে পুনৰ সেইবোৰ জংঘলত এৰি দিয়ে। আগতে শুনিছিলো, কিন্তু এইবাৰ দেখি মনত তেনে এটি ভাব হ'ল যে মানৱতা আজিও হেৰাই যোৱা নাই।

# সুধাকণ্ঠলৈ মৰণোত্তৰভাৱে আগ বঢ়াওক 'ভাৰতৰত্ন'

সুধাকণ্ঠ ড° ভূপেন হাজৰিকাই সৃষ্টিৰাজিৰ বাবে যি সন্মান লাভ কৰিব লাগিছিল জীৱনকালত তাৰ অৰ্দ্ধেকো নাপালে। ছয় বছৰ বয়সৰপৰা ওৰে জীৱনটো কেৱল সৃষ্টিকৰ্মত জড়িত ড° হাজৰিকাই আনকি মৃত্যুৰ আগলৈকে প্ৰতিটো ক্ষেত্ৰত কঠোৰ সংগ্ৰাম কৰিবলগীয়া হ'ল। সাফল্যৰ বাবে কৰা কঠোৰ শ্ৰমৰ সমান্তৰালভাৱে দেশৰ সাংস্কৃতিক জগতখনলৈ আগ বঢ়াই থৈ গ'ল অমূল্য সম্পদৰাজি। গীত ৰচনা, সুৰ দিয়া ড° হাজৰিকাই অসমৰ বাবে কি কৰা নাছিল। সাহিত্য, সমাজ-জীৱন, ৰাজনীতি আদি সকলো ক্ষেত্ৰতেই বিশেষ অৱদান আগবঢ়াই থৈ গ'ল। নিষ্পেষিত জনগণৰ মুক্তিৰ বাবে সদায় তেওঁ গীত গাইছিল। দেহ-মন এক কৰি গোৱা গীতসমূহে কেৱল শোষিত, নিষ্পেষিত জনগণৰ কথাই কোৱা নাছিল, এখন সুস্থ-সবল সমাজৰ লগতে

শক্তিশালী দেশ গঢ়িবলৈও আহ্বান জনাইছিল। গতিকে এনে এগৰাকী বৰেণ্য ব্যক্তিয়ে দেশৰ সৰ্বোচ্চ সন্মান লাভৰপৰা বঞ্চিত হৈ থাকিবলগীয়া হোৱাৰ কোনো যুক্তি থাকিব নোৱাৰে। ড° ভূপেন হাজৰিকাক আজিও কিয় মৰণোত্তৰভাৱে 'ভাৰতৰত্ন' প্ৰদান কৰা নহ'ল তাক লৈ চৰ্চা অব্যাহত আছে।

একাংশ লোকে বিশেষকৈ ৰাজনীতিকে ৰাজনৈতিক নেতাক 'ভাৰত ৰত্ন' প্ৰদানৰ বাবে পদক্ষেপ গ্ৰহণ কৰি আহিছে। অথচ এওঁলোকৰ বহুতেই শিল্পী, সাহিত্যিকক এনেধৰণৰ সন্মান প্ৰদৰ্শন কৰাতকৈ কোনো ৰাজনৈতিক দলৰ শীৰ্ষ নেতাকহে দিয়াৰ পক্ষপাতিত্ব; কিন্তু এনে ধৰণৰ নেতাই দেশ-জাতিৰ বাবে কিমান অৱদান আগবঢ়ালে সেয়াহে চৰ্চাৰ বিষয় হৈ পৰে। তাকে নকৰি যদি ড° হাজৰিকাৰ দৰে মহান গণশিল্পীক এই সন্মান প্ৰদান কৰে তেতিয়াহ'লে কাৰো দ্বিমত নাথাকিব। এইবাৰ সাহিত্যৰ ন'বেল বঁটা আগ বঢ়োৱা হ'ল মাৰ্কিন গীতিকাৰ-সুৰকাৰ বব ডিলানলৈ। এইগৰাকী গীতিকাৰ-সুৰকাৰে বিশ্বৰ সাংস্কৃতিক জগতখনলৈ যি অৱদান আগ বঢ়াইছে সেয়া সকলোৰে জ্ঞাত; কিন্তু ডিলানতকৈ বহু বেছি অৱদান আগ বঢ়োৱা ড° হাজৰিকালৈ ভাৰত চৰকাৰে 'ভাৰতৰত্ন' সন্মান প্ৰদান কৰিবলৈকে প্ৰস্তাৱ গ্ৰহণ নকৰিলে। এইগৰাকী মহান ব্যক্তি দৰাচলতে এটা বৃহৎ অনুষ্ঠানহে আছিল। অৱশ্যে এই অনুষ্ঠানটোক আমি উপযুক্তভাৱে প্ৰতিষ্ঠা কৰিব নোৱাৰা বাবে আজিও বহু ক্ষেত্ৰত উপেক্ষিত হৈ আছে।

মাৰ্কিন গীতিকাৰ-সুৰকাৰ ডিলানৰ এটা লেখনিত ড° ভূপেন হাজৰিকাৰ বিষয়ে উল্লেখ কৰিছিল। কলম্বো বিশ্ববিদ্যালয়ত ড° হাজৰিকাই গৱেষণা কৰাৰ সময়ত বিশ্ববিশ্ৰুত শিল্পীগৰাকীয়ে বিশ্বৰ বিভিন্ন দেশৰ সংগীত শিল্পীসকলক লগ পোৱাৰ সৌভাগ্য ঘটিছিল। বিশ্বৰ দিহিঙে-দিপাঙে ঘূৰি এটি যাযাবৰী জীৱন কটোৱা সুধাকণ্ঠই অসম তথা ভাৰতবাসীৰ বাবে যি অৱদান আগ বঢ়াই গ'ল তাৰ তুলনাত লাভ কৰা সন্মান তেনেই নগন্য। অসম সাহিত্য সভাৰ দৰে এটা বৃহৎ জাতীয় অনুষ্ঠানৰ সভাপতিৰ আসন শুৱনি কৰা ড° ভূপেন হাজৰিকাৰ সাহিত্যৰাজি আজিও প্ৰকৃতাৰ্থত মূল্যায়ন কৰা হোৱা নাই। এগৰাকী ন'বেল বঁটা লাভ কৰিবপৰা মহান শিল্পী-সাহিত্যিক আমি কোনো দিনেই এনে বঁটা লাভৰ বাবে যি উপাদানৰ প্ৰয়োজন তাত তিলমাত্ৰও

সহায়ৰ হাত আগবঢ়োৱা নাই। বৰং সুধাকণ্ঠই আগ বাঢ়ি যোৱাৰ সময়ত একাংশ লোকে পিছফালৰপৰাহে টানিছিল। 'দাদা চাহেব ফাল্কে' বঁটা লাভ কৰা সময়ত যিসকলে কুৎসা ৰতনা কৰিছিল সেইসকলে কিন্তু ড° হাজৰিকাই যে ন'বেল বঁটা লাভৰ যোগ্য সেই কথা ভবা নাছিল।

সুধাকণ্ঠক মৰণোত্তৰভাৱে 'ভাৰতৰত্ন' প্ৰদানৰ বাবে ৰাজ্য চৰকাৰে পদক্ষেপ লওক। সংশ্লিষ্ট কৰ্তৃপক্ষৰ ওচৰত সংগীত সূৰ্যৰ অৱদানৰ বিষয়ে উপযুক্তভাৱে উপস্থাপন কৰক। 'ভাৰতৰত্ন' পাবৰ বাবে যে এইগৰাকী মহান শিল্পী উপযুক্ত সেয়া উপস্থাপন কৰিবলৈ চৰকাৰৰ নিশ্চয় অসুবিধা নহ'ব। ড° হাজৰিকাৰ অৱদানেই ইয়াৰ ববে যথেষ্ট । কেৱল জন্মদিন অথবা মৃত্যু দিৱসত সমাধিক্ষেত্ৰত এপাহ পুষ্পাঞ্জলি অৰ্পণ কৰিলেই চৰকাৰৰ দায়িত্ব শেষ নহয়। এইবাৰ ড° হাজৰিকাক 'ভাৰতৰত্ন' প্ৰদানৰ বাবে পদক্ষেপ গ্ৰহণ কৰি চৰকাৰে মহান শিল্পীগৰাকীৰ প্ৰতি থকা দায়বদ্ধতাৰ ছবিখন ফুটাই তোলক।

# সমাজৰ চিত্ৰ অংকনত মূকাভিনয়ৰ ভূমিকা

আমি সকলোৱে মনৰ ভাব শব্দৰ মাধ্যমত প্ৰকাশ কৰোঁ। শব্দটোৱে যেতিয়া কাণৰ পৰ্দাত আঘাত কৰে তেতিয়া তাৰ সম্ভেদ মস্তিষ্কই লাভ কৰে। ঠিক তেনেদৰে কোনো এটা বস্তু প্ৰত্যক্ষ কৰাৰ লগে লগে মস্তিষ্কই ইয়াৰ ছবি এখন আঁকি লয়। গতিকে দুয়োটা বিষয়েই আমাৰ বাবে গুৰুত্বপূৰ্ণ। কেতিয়াবা বহলাই কোৱাতকৈ ছবি এখন প্ৰত্যক্ষ কৰিলেই তাৰ আঁৰত থকা গূঢ়াৰ্থ বুজি পোৱা যায়। তেনে ক্ষেত্ৰত ব্যাখ্যাৰ নিষ্প্ৰয়োজন। অভিনয়ৰ ক্ষেত্ৰতো তেনে এখন ছবি দেখিবলৈ পোৱা যায়। সংলাপে যিদৰে দৰ্শকৰ মন জয় কৰিব পাৰে তেনেদৰে শব্দবিহীনভাৱে আকৰ্ষণ কৰাটো সম্ভৱ। মূকাভিনয়কো তেনে এক মাধ্যম হিচাপে গণ্য কৰা হয়। সংলাপবিহীন অভিনয় দেখি মঞ্চৰ সন্মুখত থকা দৰ্শকে ইয়াক বিভিন্ন দৃষ্টিভংগীৰপৰা বিশ্লেষণ কৰে। তদুপৰি আমি কিছুমান কথা শুনাতকৈ তাৰ ব্যাখ্যা দৃষ্টি নিক্ষেপ কৰিয়েই লাভ কৰোঁ। মূকাভিনয়ৰ ক্ষেত্ৰতো তাৰেই প্ৰতিফলন ঘটে।

দেখাত মূকাভিনয় সহজ যেন লাগিলেও কাৰ্যতঃ ই কঠিন কাৰ্য। ইয়াৰ বাবে কঠোৰ সাধনা, পৰিশ্ৰমৰ প্ৰয়োজন। যিসকলে একান্তভাৱে এনে অভিনয়ৰ

স'তে জড়িত হৈ থাকে তেওঁলোকেহে সফল হ'ব পাৰে। কোনো এটা ঘটনা আকাৰে-ইংগিতে ৰাইজৰ সন্মুখত প্ৰদৰ্শন কৰোঁতে কিমান সফল হ'ব, সেয়া নিৰ্ভৰ কৰে অভিনেতাগৰাকীয়ে বিষয়টোৰ মাজত কিমান দূৰ সোমাই পৰিব পাৰিছে তাৰ ওপৰত। যিটো বিষয়ত অভিনয় কৰিব সেয়া হৃদয়ংগম কৰিব পাৰিলেহে সফল হ'ব পাৰি। দৰ্শকক আমোদ দিয়াটোৱেই হ'ল মূকাভিনয়ৰ প্ৰধান লক্ষ্য। সেইবাবে দৈনন্দিন জীৱনত সংঘটিত একো একোটা সৰু ঘটনাকে সুন্দৰৰূপত উপস্থাপন কৰা হয়। এনে ধৰণৰ অভিনয়েৰে সমাজৰ বহুতো ছবি প্ৰকাশ কৰা হয়। দুৰ্নীতি, ভ্ৰষ্টাচাৰ, প্ৰেম, ভালপোৱা, প্ৰকৃতি ধ্বংস, উৰাজাহাজ, ৰে'ল যাত্ৰা, খাদ্য গ্ৰহণ, মানুহৰ প্ৰকৃতি বা স্বভাৱ আদিৰ ছবি নিখুঁতভাৱে মূকাভিনয়ত ফুটি উঠে বাবে দৰ্শকেও উপভোগ কৰি আনন্দ লাভ কৰে। মূকাভিনয়ত অংশগ্ৰহণ কৰা শিল্পীসকলৰ মুখমণ্ডল বিভিন্ন ধৰণে অংকন কৰা হয় যাতে অভিনেতাগৰাকীক দৰ্শকে সহজে চিনি নাপায়।

অসমত মূকাভিনয়ৰ পৰিসৰ সীমিত। নৱ প্ৰজন্মৰ মাজত এই বিষয়টোৰ চৰ্চা এতিয়াও সীমিত। মূকাভিনয়ক লৈ মাজে-সময়ে কৰ্মশালা আদি অনুষ্ঠিত হয় যদিও সেয়া যথেষ্ট বুলি ক'ব নোৱাৰি। তদুপৰি সংবাদ মাধ্যমতো এনে ধৰণৰ বিষয়ক লৈ বিশেষ চৰ্চা হোৱা দেখা নাযায়। দৰাচলতে বহুতেই বিষয়টোত অনিহা প্ৰকাশ কৰে বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। যিকোনো বিষয় যদি সঘনাই চৰ্চা হৈ নাথাকে তেতিয়াহ'লে জনমানসৰপৰা লাহে লাহে এলাগী হ'বলৈ ধৰে। বিগত কিছু বছৰৰপৰা দুই-এগৰাকী শিল্পীয়ে অসমত মূকাভিনয়ৰ প্ৰসাৰৰ বাবে চেষ্টা অব্যাহত ৰাখিছে। এইসকলৰ ভিতৰত অন্যতম হ'ল মইনুল হক। তেওঁক অসমৰ মূকাভিনয়ৰ বাটকটীয়া বুলি কোৱা হয়। তদুপৰি আন বহুতো শিল্পীয়ে এই প্ৰচেষ্টা অব্যাহত ৰাখিছে যদিও ৰাইজৰ সঁহাৰি আশাব্যঞ্জক নহয়। অৱশ্যে অসমত ভ্ৰাম্যমান থিয়েটাৰৰ প্ৰভাৱৰ বাবেও মূকাভিনয় বিষয়টো এলাগী হৈ থাকিব পাৰে। কাৰণ অসমৰ প্ৰতিটো অঞ্চলতে নৱ-প্ৰজন্মৰ অধিকাংশই ভ্ৰাম্যমাণ থিয়েটাৰৰ নাটকৰ প্ৰতিহে আকৃষ্ট হোৱা দেখা যায়। অভিনয়ৰ লগতে মূকাভিনয়েও সমানেই গুৰুত্ব লাভ কৰিবলৈ হ'লে আমি কিছুমান পদক্ষেপ গ্ৰহণ কৰিব লাগিব। ইয়াৰ বাবে দৃষ্টিভংগী সলনিৰো প্ৰয়োজন।

# মহাবীৰ লাচিতৰ নামত দিয়া হওক ৰাষ্ট্ৰীয় পৰ্যায়ত বঁটা

লাচিত বৰফুকন অসমীয়া জাতিৰ সাহসৰ প্ৰতীক। অদম্য সাহসেৰে শত্ৰুপক্ষৰ শিবিৰত আঘাত হানিব পৰা বীৰ আছিল লাচিত। শৰাইঘাটৰ ৰণেই এই সাহসৰ উদাহৰণ। শক্তিশালী মোগলক নৰিয়া গাৰেই পৰাস্ত কৰি এগৰাকী মহান যোদ্ধাই অসমক শত্ৰুৰ পৰা ৰক্ষা কৰিছিল। যেতিয়ালৈকে অসমীয়া জাতি থাকিব তেতিয়ালৈকে বীৰ লাচিতৰ সাহস সকলোৰে বাবে হৈ থাকিব আদৰ্শৰ প্ৰতীক। ফৰাচী সেনাপতি নেপলিয়ন বোনাপাৰ্টতকৈ কোনো গুণে কম নাছিল। জুলিয়াছ ছিজাৰৰ সমকক্ষ আছিল লাচিত। এইগৰাকী মহান যোদ্ধাৰ কথা কৈ থাকিলে ওৰকে নপৰে আহোম সেনাপতি লাচিতৰ সাহসৰ কথা।

নিশাৰ ভিতৰতে গড় সাজি শত্ৰুপক্ষৰ আক্ৰমণ প্ৰতিহত কৰিবলৈ সক্ষম হোৱা লাচিত বৰফুকনৰ নামত পিছে আজিলৈকে ৰাষ্ট্ৰীয় পৰ্যায়ত কোনো বঁটা ঘোষণা কৰা নহ'ল। বিগত সময়ছোৱাত বীৰ যোদ্ধাগৰাকীৰ নামত আনকি কোনো চৰকাৰী বন্ধ ঘোষণা কৰা হোৱা নাছিল। আনকি দিৱসৰো ঘোষণা কৰা হোৱা নাছিল। অৱশ্যে বিভিন্ন দল-সংগঠনৰ হেঁচাত ২৪ নৱেম্বৰৰ দিনটো 'লাচিত দিৱস' হিচাপে ৰাজ্য চৰকাৰে ঘোষণা কৰিলে। চৰকাৰৰ দায়িত্ব এই দিৱস ঘোষণাতেই যেন সমাপ্ত হ'ল। ব্ৰহ্মপুত্ৰৰ বুকুত লাচিতৰ প্ৰতিমূৰ্তি স্থাপন কৰিলে; কিন্তু নদীৰ সমীপৰ পৰা এই মূৰ্তিটো চাবলৈ উপায় নাই।

প্ৰতিমূৰ্তিৰ সমীপত থকা উদ্যানকেইখনৰ আশে-পাশে থকা শৌচাগাৰ-প্ৰস্ৰাৱাগাৰৰ পৰা নিৰ্গত লেতেৰা পানী, দুৰ্গন্ধৰ বাবে সেই স্থানত এক মিনিট সময়ো থিয় হৈ থাকিব নোৱাৰি। লাচিতৰ প্ৰতিমূৰ্তিৰ আশে-পাশে থকা ঠাইখিনিৰ সৌন্দৰ্য বৰ্ধনৰ থল আছে। যদি কোনো পৰ্যটকে ফাঁচী বজাৰৰ এই ঠাইডোখৰৰ পৰা প্ৰতিমূৰ্তিটো প্ৰত্যক্ষ কৰিবলৈ উপস্থিত হয় তেতিয়াহ'লে স্বচ্ছ ভাৰত অথবা সেউজী অসমৰ ছবিখন কিমান পুতৌজনক সেয়া প্ৰত্যক্ষ কৰিব পাৰিব। সি যি নহওক, দল-সংগঠনৰ বহুদিনীয়া দাবীৰ অন্তত প্ৰতিমূৰ্তিটো নিৰ্মাণ হ'ল। তদুপৰি দীঘলী পুখুৰীৰ পাৰত যুদ্ধ স্মাৰকতো লাচিতৰ প্ৰতিমূৰ্তিয়ে স্থান লাভ কৰিলে। কৰাটো স্বাভাৱিক কথা। কাৰণ অসমৰ ৰজা-মহাৰজাসকলৰ যুদ্ধৰ ইতিহাস লাচিত বৰফুকনক বাদ দি অসম্পূৰ্ণ।

এনে এগৰাকী মহাযোদ্ধাক আমি যিদৰে প্ৰতিষ্ঠিত কৰিব লাগিছিল তাৰ অৰ্ধেকো কৰা হোৱা নাই। লাচিত বৰফুকনৰ নামত ৰাজ্য চৰকাৰ অথবা কেন্দ্ৰীয় চৰকাৰে প্ৰতি বছৰে এই দিনটোত এটা ৰাষ্ট্ৰীয় পৰ্যায়ৰ বঁটা ঘোষণা কৰি নোৱাৰেনে? দেশত সাহসিকতাৰে যুঁজ দিয়া লোকৰ অভাৱ নাই। প্ৰাকৃতিক দুৰ্যোগ, সংঘৰ্ষ, সন্ত্ৰাসবাদীৰ বিৰুদ্ধে যুঁজি বহুতো লোকৰ প্ৰাণ ৰক্ষা কৰা, সাহসেৰে উদ্ধাৰ কাৰ্যত নিয়োজিত আৰু নিজৰ জীৱনকো তুচ্ছ জ্ঞান কৰি বিপদৰ স'তে মোকাবিলা কৰি হেজাৰজনৰ জীৱন ৰক্ষা কৰা সাহসী লোকক এনে ৰাষ্ট্ৰীয় বঁটা আগ বঢ়োৱা হওক। তেতিয়া আন ৰাজ্যৰ লোকসকলেও এনে বঁটাৰ জৰিয়তে লাচিত বৰফুকনৰ বীৰত্বৰ কথা জানিবলৈ সুযোগ লাভ কৰিব। ৰাজ্য চৰকাৰে এইক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ লগতে সংশ্লিষ্ট বিভাগত হেঁচা প্ৰয়োগ কৰা উচিত। কেন্দ্ৰত নিজৰ দলৰ চৰকাৰ থাকোতেই ৰাজ্য চৰকাৰে এই কামখিনি সম্পাদন কৰাত নিশ্চয় বিশেষ সমস্যাৰ সন্মুখীন হ'ব নালাগিব। তদুপৰি এনে বঁটা ঘোষণাত কোনো লোকৰে আপত্তি নাথাকিব। লাচিত বৰফুকনৰ নামত ৰাষ্ট্ৰীয় পৰ্যায়ৰ বঁটা প্ৰদান কৰিলে এই দিৱসটোৰ গুৰুত্ব আৰু অধিক বৃদ্ধি পাব। তদুপৰি ব্ৰহ্মপুত্ৰৰ ওপৰত শৰাইঘাট দলঙৰ সমীপত নৱনিৰ্মিত দলখনৰ নাম মহাবীৰ লাচিত বৰফুকন সেতু হিচাপে ৰাজ্য চৰকাৰে নামকৰণ কৰক। তেতিয়া শৰাইঘাটৰ ৰণ আৰু লাচিতৰ বীৰত্বৰ বিষয়ে দুয়োখন দলঙে প্ৰতিফলিত কৰিব।

# সোণোৱালী শইচে ভৰা পথাৰখন আৰু মহিলাসকলৰ ভূমিকা

সোণোৱালী শইচে ভৰা পথাৰত ব্যস্ত থাকে খেতিয়ক। এইকেইদিন খেতিয়ক পৰিয়ালসমূহৰ ব্যস্ততাৰ অন্ত নাই। মহিলাসকলে ধান কটাৰ বিপৰীতে পুৰুষসকলে সেইবোৰ ঘৰলৈ আনি আগচোতালত দম কৰি থয়। মাজে মাজে মৰণা মৰাত ব্যস্ত হয়। কাৰণ এই সময়ত সোণগুটি কেইটা ভঁৰালত সযতনে ৰাখিব নোৱাৰিলে বছৰটোৰ আন সময়ত পেটৰ ভাতমুঠিৰ বাবে হাঁহাকাৰ কৰিবলগীয়া হ'ব। তদুপৰি খেতি কৰিবলৈ লোৱা ঋণো এই সোণগুটি বিক্ৰী কৰিয়েই পৰিশোধ কৰিব লাগিব। প্ৰাকৃতিক কাৰণৰ উপৰি হাতীৰ উপদ্ৰৱ, খৰাংসদৃশ বতৰ আদি কাৰণত খেতিডৰা নষ্ট হোৱাৰ পাছত যিখিনি থাকিল সেইখিনি ভালদৰে ভঁৰালত ৰাখিব পাৰিলে কিছু পৰিমাণে হ'লেও সকাহ পাব।

বাহ্যিক দৃষ্টিকোণৰ পৰা ধান খেতি প্ৰক্ৰিয়াত পুৰুষসকলে কষ্টকৰ কামখিনি কৰে যদিও এই ক্ষেত্ৰত মহিলাসকলৰ ভূমিকাও গুৰুত্বপূৰ্ণ। কাৰণ ভূঁই ৰোৱা, দাৱনীৰ ৰূপত অৱতীৰ্ণ হোৱাৰ পৰা আৰম্ভ কৰি পথাৰত জলপান দিয়া, মৰণা মৰাৰ সময়ত পুৰুষসকলক খাদ্য প্ৰস্তুত কৰি দিয়ালৈকে সকলোতে মহিলাসকলে বিশেষ দায়িত্ব পালন কৰে; কিন্তু বাস্তৱত তেওঁলোকে ইয়াৰ স্বীকৃতি নাপায়। কষ্ট অনুপাতে আনকি নিজৰ প্ৰাপ্যখিনিও লাভ নকৰে। এনেদৰে মহিলাসকল প্ৰাপ্যৰ পৰা বঞ্চিত হৈ আহিছে। পুৰুষসকলে কামৰ কৃতিত্ব লাভৰ বিপৰীতে মহিলাসকলক অৱহেলা কৰা হয়। মহিলাসকলেও

স্বামীৰ সমানেই পথাৰখনৰ কথা চিন্তা কৰে। কাৰণ চাউলখিনি ঘৰত নাথাকিলে বহুতৰ চৰুৰ তলত জুই নজ্বলে। ল'ৰা-ছোৱালী লঘোনে থাকিব লাগিব। এই মহিলাসকলে যিমান পাৰে সিমানেই ধান, ধন সঞ্চয় কৰিব খোজে। সন্তানৰ ভৱিষ্যতে যাতে সমস্যাৰ সৃষ্টি নহয়, তাৰ বাবে এনেদৰে সঞ্চয় কৰে। অসমীয়া সমাজত লখিমী আদৰাৰ পৰম্পৰা আজিও অব্যাহত আছে। মহিলাসকলে লখিমীক আদৰিবলৈ সদায় ঘৰখন পৰিষ্কাৰ কৰি ৰাখে। ভঁৰালঘৰ সদায় পৰিষ্কাৰ কৰাৰ লগতে চাকি-ধূপ-ধূনা জ্বলাই লক্ষ্মীদেৱীক পূজা অৰ্চনা কৰে।

ভঁৰালত লক্ষ্মীদেৱীক থোৱাৰ পাছতহে যেন মহিলাসকলে কিছুদিনৰ বাবে স্বস্তিৰ নিঃশ্বাস পেলায়। তথাপি তেওঁলোকৰ সদায় ভঁৰালৰ পিনেই চকু থাকে। ভৰালৰ ধান দুগুণ হ'বলৈ লক্ষ্মীদেৱীক প্ৰাৰ্থনা জনায়। কোনো কাৰণতে যাতে ভৰালৰ ধান হ্ৰাস নাপাই, তাৰ বাবে লক্ষ্মীদেৱীক স্তুতি কৰি থাকে। সেইবাবে ধানৰ গজালি মেলাৰপৰা আৰম্ভ কৰি ভঁৰালত সোণগুটি উপচি পৰালৈকে মহিলাসকলে সদায় গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। ভঁৰালত ধান থাকিলেহে ঢেঁকীৰ শব্দ শুনিবলৈ পোৱা যায়। অৱশ্যে আজিকালি ঢেঁকীৰ ব্যৱহাৰ নাই বুলি ক'লেও ভুল নহ'ব। আগতে মহিলসকলে ঢেঁকীৰ ব্যৱহাৰ কৰিছিল বাবে শাৰীৰিক পৰিশ্ৰমো হৈছিল। বহুতো বেমাৰৰ পৰা পৰিত্ৰাণো পাইছিল। ঢেঁকীত ধান বনা, পিঠাগুড়ি খুন্দা কাম কৰাত মহিলাসকলৰ কেলৰি ব্যয় হয়। তদুপৰি ৰক্তসঞ্চালন হোৱাতো সহায়ক। ঢেঁকীয়ে শৰীৰত এটি কম্পনৰ সৃষ্টি কৰে যিয়ে শৰীৰটোৰ বিভিন্ন অংগ-প্ৰত্যংগত উদ্দীপিত কৰে। এনে উদ্দীপনাই মনৰ পৰা চাপ আঁতৰায়। তদুপৰি দিনটোৰ বাবে শৰীৰটো কামৰ বাবে উপযুক্ত কৰি ৰাখে। শৰীৰত অতিৰিক্ত চৰ্বি জমা হোৱাতো বাধা দিয়ে। গতিকে মহিলাই ঢেঁকী দিয়াৰ কিমান উপকাৰিতা আছে ইয়াৰ পৰাই অনুমান কৰিব পাৰি। ঢেঁকীৰ শব্দৰ স'তে ভঁৰালৰ সোণগুটিও জড়িত হৈ থাকে। যিমানেই ভঁৰাল ভৰি থাকে সিমানেই কৃষকৰ লগতে তেওঁৰ ঘৰৰ মানুহগৰাকীৰ মনোবল শক্তিশালী হৈ থাকে। দুয়োৰে ওঁঠত হাঁহি বিৰিঙে। কৃষকৰ পৰিয়ালৰ সদস্যৰ মুখত হাঁহি মানে সমাজত শান্তি। শস্য নদন-বদন হ'লে কৃষকে অভাৱৰ বাবে আত্মহত্যাৰ পথ বাছি ল'বলগীয়া নহ'ব।

# প্ৰতিবন্ধী মানে সমাজৰ বোজা নহয়

৩ ডিচেম্বৰত সমগ্ৰ বিশ্বতে পালন কৰা হয় 'বিশ্ব প্ৰতিবন্ধী দিৱস'। ১৯৯২ চনৰ পৰা ৰাষ্ট্ৰসংঘই এই দিৱসৰ সূচনা কৰে। শাৰীৰিক-মানসিকভাৱে প্ৰতিবন্ধী লোকসকলক সমাজৰ আন দহগৰাকী সুস্থ ব্যক্তিৰ দৰে জীয়াই থাকিবলৈ অনুপ্ৰেৰণা যোগাবলৈ এই দিৱসৰ আয়োজন কৰি অহা হৈছে। প্ৰতিবন্ধী লোকসকল সমাজৰেই অংগ। সমাজৰ আন লোকৰ দৰে সকলো অধিকাৰ ভোগ কৰিব পাৰে, নিজৰ প্ৰাপ্যৰ বাবেও যুঁজ দিব পাৰে। এতিয়া এনে লোকে সমাজৰ আগ-ভাগ ল'বলৈ ধৰিছে। সাগৰৰ তলিত মাণিক বিচাৰি উলিয়াইছে, অলিম্পিকৰ দৰে কঠিন প্ৰতিযোগিতাখনিত স্বৰ্ণপদক লাভ কৰিবলৈ সক্ষম হৈছে। যুদ্ধক্ষেত্ৰতো সাহসেৰে যুঁজিব পাৰিছে। ছবি আঁকাৰ পৰা আৰম্ভ কৰি খেলা-ধূলা, ৰাজনৈতিক ক্ষেত্ৰলৈ সকলোতে প্ৰভাৱ বিস্তাৰ কৰিছে। এতিয়া সেইবাবে ৰাষ্ট্ৰসংঘই এনে লোকক প্ৰতিবন্ধী বুলি কোৱাৰ পৰিবৰ্তে অন্যধৰণে সক্ষম ব্যক্তি বুলিহে আখ্যা দিছে।

সাধাৰণতে সমাজত প্ৰতিবন্ধী লোকসকলক অন্য দৃষ্টিভংগীৰেহে চোৱা হয়। এই লোকসকল শাৰীৰিক-মানসিকভাৱে প্ৰতিবন্ধী হ'লেও যে সৃষ্টিৰ অফুৰন্ত উৎস হঅব পাৰে সেই বিষয়ে কোনোৱে ভাবি নাচায়। ফৰাচী বীৰ নেপোলিয়ন ব'নাপাৰ্টৰ হৃদযন্ত্ৰত এটি ফুটা আছিল। আধুনিক বিজ্ঞান জগতৰ বিস্ময় ষ্টিফেন হ'কিন্সে হুইল চকীত বহিয়েই বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টিৰ গৱেষণাত ব্যস্ত হৈ আছে। ভাৰতীয় সংগীতৰ জনপ্ৰিয় গায়ক ৰবীন্দ্ৰ জৈনৰ গান কোনে নুশুনে? অসমৰ গুণসিন্ধু দৃষ্টিহীন সত্বেও নিৰ্মাণ কৰিছে ছবি। গতিকে এই লোকসকল প্ৰতিবন্ধী মানেই শাৰীৰিক-মানসিকভাৱে অক্ষম লোক বুলি ক'ব নোৱাৰি। ৰাষ্ট্ৰসংঘই ১৯৭৬ চনত সাধাৰণ পৰিষদত ১৯৮১ বৰ্ষক 'আন্তৰ্জাতিক প্ৰতিবন্ধী বৰ্ষ' হিচাপে পালন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছিল। এই পাঁচ বছৰৰ ভিতৰত ৰাষ্ট্ৰসংঘই সমগ্ৰ বিশ্বৰ প্ৰতিবন্ধী লোকসকলৰ সমস্যা, সমভাৱে আগুৱাই নিব পৰা কৌশল বা পৰিকল্পনা, প্ৰতিবন্ধীসকলে লাভ নকৰা প্ৰাপ্য আৰু অধিকাৰৰ বিষয়ে যুঁজ দিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। তদুপৰি যি ভাইৰাছ বা ৰোগৰ বাবে প্ৰতিবন্ধীসকলে চিৰজীৱন অভিশপ্ত হৈ থাকিবলগীয়া হয়, সেইবোৰৰ বিৰুদ্ধে বিশ্ববাসীক সজাগ কৰিবলৈও পৰিকল্পনা গ্ৰহণ কৰে। ১৯৮৩ৰ পৰা ১৯৯২ৰ ভিতৰত যিবোৰ পৰিকল্পনা ৰাষ্ট্ৰসংঘই গ্ৰহণ কৰিছিল সেইবোৰ পৰৱৰ্তী সময়ত বিশ্ব প্ৰতিবন্ধী দিৱসৰ অন্তৰ্ভুক্ত হৈ পৰে। ১৯৯২ত বিশ্বৰ কেবাখনো দেশত প্ৰতিবন্ধী সম্পৰ্কে ৰাইজক সজাগ কৰিবলৈ বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰে। বিভিন্ন ঠাইত স্থানীয়ভাৱে এনে প্ৰতিবন্ধীসকলক বিভিন্ন ক্ষেত্ৰত থকা প্ৰতিভা বিকাশৰ বাবে মঞ্চ প্ৰস্তুত কৰা হয়। প্ৰতিভা বিকাশৰ বাবে এখন মঞ্চ পোৱাৰ লগে লগে মানসিক অৱসাদ বা 'ডিপ্ৰেছন'ৰ সমস্যাৰ পৰাও হাত সাৰিব পৰা হ'ল।

সমগ্ৰ বিশ্বতে এক বিলিয়নকৈও বেছি লোক যিকোনো ক্ষেত্ৰত প্ৰতিবন্ধী হিচাপে চিহ্নিত কৰা হৈছে, অৰ্থাৎ বিশ্বৰ মুঠ জনসংখ্যাৰ ১৫ শতাংশই হ'ল প্ৰতিবন্ধী। ১১০-১৯০ মিলিয়ন লোক কাম কৰাৰ ক্ষেত্ৰত সম্পূৰ্ণৰূপে অপাৰগ। এইখিনিতে উল্লেখ কৰিব লাগিব যে যদিও বিভিন্ন দেশত প্ৰতিবন্ধী লোকৰ বাবে আসন সংৰক্ষণ কৰা হৈছে তথাপি ই যথেষ্ট নহয়। কাৰণ এতিয়াও সক্ষম লোকৰ তুলনাত প্ৰতিবন্ধী নিবনুৱাৰ সংখ্যা অধিক। উন্নয়নশীল

দেশত এতিয়াও প্ৰতিবন্ধীসকলৰ ভিতৰত মাত্ৰ ৪৫ শতাংশইহে চাকৰি লাভৰ সুযোগ পাইছে। ইয়াৰ বিপৰীতে শাৰীৰিকভাৱে সক্ষমসকলৰ ৭৫ শতাংশই বিভিন্ন কামত নিয়োজিত হৈ আছে। সমগ্ৰ বিশ্বতে প্ৰতিবন্ধীসকলৰ ক্ষেত্ৰত চৰকাৰ, সমাজে কৰা বৈষম্যৰ ছবিখন ফুটি উঠে।

প্ৰতিবন্ধীসকলে যে কেৱল চাকৰি লাভতে বঞ্চিত হৈছে তেনে নহয়, স্বাস্থ্য সেৱাতো অৱহেলা কৰা হৈছে। এনে ধৰণৰ অৰ্ধেক লোকেই উপযুক্ত চিকিৎসাৰ পৰা বঞ্চিত হৈ আছে। আনকি সক্ষম লোকৰ তুলনাত চিকিৎসাও উপযুক্তভাৱে আগ নবঢ়োৱাৰ অভিযোগ উত্থাপিত হৈ আহিছে। আনহাতে, কমসংখ্যক প্ৰতিবন্ধী শিশুহে বিদ্যালয়ৰ মজিয়া গচকে। শিক্ষা সমাপ্তৰ ব্যৱধানো অধিক। বিশেষকৈ অধিক অনুন্নত দেশসমূহত এনে ধৰণৰ ছবি স্পষ্ট হৈ পৰিছে। বলিভিয়াত ৪০ শতাংশ, ইন্দোনেছিয়াত ২০ শতাংশ প্ৰতিবন্ধী শিশুৱেহে বিদ্যালয়ৰ মজিয়া গচকিবলৈ সুযোগ লাভ কৰে। তদুপৰি প্ৰতিবন্ধী লোকসকলৰ ভিতৰত বেছিভাগেই দৈনন্দিন কাৰ্য সম্পাদনৰ ক্ষেত্ৰত আনৰ সহায় ল'বলগীয়া হয়। আনকি উন্নত দেশসমূহতে ২০-৪০ শতাংশ এনে লোকে পৰিয়ালৰ আন সদস্য অথবা বন্ধুবৰ্গৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয়।

প্ৰতিবন্ধী মানেই অক্ষম নহয়। সমাজৰ আন দহজনৰ দৰে তেওঁলোকেও সমঅধিকাৰ ভোগ কৰি জীয়াই থকাৰ অধিকাৰ আছে। মাথোঁ প্ৰয়োজন সহায়, এধানি মৰম-চেনেহৰ।

# সুধাকণ্ঠৰ সৃষ্টিৰাজি শৃংখলিতভাৱে সংৰক্ষণ কৰা হওক

ড° ভূপেন হাজৰিকা অসমীয়া জাতিৰ সম্পদস্বৰূপ। এইগৰাকী মহান কৰিছে এক সুকীয়া পৰিচয়। অসমীয়া জাতিৰ সংকটপূৰ্ণ সময়ত গণশিল্পীগৰাকীয়ে অসমত বসবাস কৰা প্ৰতিটো জনগোষ্ঠী, জনজাতিৰ লোকৰ মাজত পঢ়িছিল সমন্বয়ৰ সেতু। পাহাৰ-ভৈয়ামৰ লোকসকলৰ মাজত ভ্ৰাতৃত্ববোধৰ এনাজৰীডাল সুদৃঢ় কৰাৰ ক্ষেত্ৰত শিল্পীগৰাকী সফলো হৈছিল। সকলো লোকৰে মনৰ ভাব তেওঁ বুজি পাইছিল। উপলব্ধি কৰিব পাৰিছিল প্ৰতিটো জাতি-জনগোষ্ঠী তথা জনজাতীয় লোকসকলৰ মনত জ্বলি থকা ক্ষোভৰ অগনি। উত্তৰ-পূৰ্বাঞ্চলৰ সাতভনীৰ লোকসকলৰ মাজত সমন্বয়ৰ সেতু গঢ়িবলৈ পাহাৰীয়া সহজ-সৰল লোকসকলৰ কথা গীতৰ মাজেদি প্ৰকাশ কৰিছিল। সেইবাবে তেওঁৰ গীতৰ মাজত বিচাৰি পোৱা যায় কেঁচা মাটিৰ গোন্ধ। জাতি-মাটিৰ স'তে প্ৰতিটো মুহূৰ্ততে জড়িত থকা বাবে সুধাকণ্ঠই য'লৈকে গৈছিল তাতেই সমাদৰ লাভ কৰিছিল।

আমি সকলোবোৰ আৱেগিক। কোনো এটা বিষয়ক লৈ যদি কেনেবাকৈ বিতৰ্কৰ সূত্ৰপাত হয় তেনেহ'লে ইয়াৰ আৱেগৰ ঢৌত আমি সকলোৱে মিলি যাওঁ। কেইদিনমানলৈকে সংবাদ মাধ্যমে এনেধৰণৰ বিষয়ক লৈ হৈ চৈৰ সৃষ্টি কৰে। সেইবোৰ পাছত নিজম পৰে। থুপখাই থকা বিষয়সমূহে মাজে সময়ে উক দিয়ে। পাছদিনাৰপৰা সকলো ব্যস্ত হয় নিজৰ নিজৰ কামত। দৰাচলতে আমি সকলোৱে অধিক আৱেগৰ বশৱৰ্তী হৈ যিকোনো কাম কৰো। একেধৰণৰ ঘটনাই সংঘটিত হৈছে সুধাকণ্ঠৰ ক্ষেত্ৰত। এইগৰাকী বৰেণ্য শিল্পীৰ মৃত্যুৰ পাছত বহুতেই বিভিন্ন ধৰণৰ পদক্ষেপ গ্ৰহণৰ বাবে দাবী জনাইছিল। জনোৱাতো স্বাভাৱিক বিষয়। কাৰণ সকলো মানুহে ড° ভূপেন হাজৰিকাক অসমৰ জাতীয় সম্পদৰূপে গণ্য কৰে; কিন্তু লাহে লাহে শিল্পীগৰাকীক লৈ যিবোৰ অনুষ্ঠান-প্ৰতিষ্ঠান তথা ব্যক্তিবিশেষে পৰিকল্পনা গ্ৰহণ কৰিছিল সেইবোৰ বাস্তৱায়িত হোৱাৰ কোনো সম্ভাৱনাই প্ৰকট হৈ নুঠিল। আনহে নালাগে সুধাকণ্ঠৰ চিৰ যুগমীয়া গীতসমূহ ৰাজহুৱা অনুষ্ঠানৰ লগতে ৰে'ল ষ্টেচন, প্ৰেক্ষাগৃহ আদিত নিতৌ বজোৱাৰ ব্যৱস্থা কৰিবলৈ কিছুমান সংগঠনে জনোৱা দাবী আজি অসাৰ হ'ল। সুধাকণ্ঠৰ নামত উৎসৰ্গিত মঞ্চতো উদ্দাম নৃত্য প্ৰদৰ্শন কৰিবলৈ কিছুমান উদ্যোক্তাই শিল্পীক অনুমতি দিয়াৰ নজিৰ আছে। সুধাকণ্ঠৰ গীত বিকৃত কৰা শিল্পীৰো জন্ম হৈছে। দৰাচলতে এই লোকসকলৰ লগতে নৱ-প্ৰজন্মৰ ল'ৰা-ছোৱালীৰ মাজত ভূপেন্দ্ৰ সংগীতৰ গুৰুত্ব প্ৰতিষ্ঠা কৰাত আমি ব্যৰ্থ হোৱা বাবেই এনে পৰিস্থিতিৰ সৃষ্টি হৈছে। বহুতেই নাজানে ড° ভূপেন হাজৰিকাৰ গীতসমূহকেই যে 'ভূপেন্দ্ৰ সংগীত' বুলি কোৱা হয়। অথচ 'ৰবীন্দ্ৰ সংগীত' পৰিৱেশনত যদি কোনো শিল্পীয়ে গুৰুত্ব প্ৰদান নকৰাকৈ মঞ্চত উপস্থাপন কৰে তাক লৈ বিতৰ্কৰ সৃষ্টি হয়। আনকি যিকোনো অনুষ্ঠানত 'ৰবীন্দ্ৰ সংগীত' পৰিৱেশনত বাধা আৰোপো কৰা হৈছে। অসমৰ জাতীয় সম্পদৰূপে চিহ্নিত সুধাকণ্ঠৰ গীত পৰিৱেশন আদিতো সকলোৱে সতৰ্কতা অৱলম্বন কৰা উচিত।

ড° ভূপেন হাজৰিকাৰ গীতসমূহ কোনো ৰাজহুৱা স্থানত নিতৌ এক নিৰ্দিষ্ট সময়ৰ বাবে বজালেও কাৰো একো ক্ষতি নহয়। তদুপৰি তেওঁৰ ইমান গীত আছে যে সেইবোৰ এদিনকৈ বজালেও বহু বছৰ পাছতহে সেই গীতটো

পুনৰ বজাব পাৰিব। শ্ৰোতাই একেটা গানকে সদায় শুনি থাকিবলগীয়াও নহয়। সেই দৃষ্টিকোণৰ পৰা বিশ্লেষণ কৰিলে নিতৌ ৰাজহুৱা স্থানত আধা ঘণ্টা বা এঘণ্টা সময় বজোৱাটোত কাৰো আপত্তি নাথাকিব। এনে ধৰণৰ প্ৰস্তাৱ সুধাকণ্ঠৰ মৃত্যুৰ পাছতে কে'বাটাও দল-সংগঠনে এই দাবী উত্থাপন কৰিছিল। বহুতে সমৰ্থনো জনাইছিল; কিন্তু পৰৱৰ্তী সময়ত ইয়াক কাৰ্যকৰী কৰাৰ বাবে কোনো আগ বাঢ়ি নাহিল। আনকি চৰকাৰেও এইক্ষেত্ৰত আগ্ৰহ প্ৰকাশ নকৰিলে। আমি কোনোৱেই সম্পদৰাজি সংৰক্ষণ আৰু প্ৰচাৰৰ বাবে আগ্ৰহী নহওঁ। সেইবাবে অসমৰ বুকুৰপৰা বহুতো আপুৰুগীয়া সম্পদ ধ্বংস হৈ গৈছে। ৰুদ্ৰ বৰুৱা, পাৰ্বতিপ্ৰসাদ বৰুৱাৰ গীতসমূহ এতিয়া নৱ-প্ৰজন্মৰ বাবে অতীত হ'ল। লাহে লাহে এই গীতসমূহৰ প্ৰচাৰো সীমিত হৈ পৰিল। পাৰ্বতি প্ৰসাদ বৰুৱাৰ অধিকাংশ গীতেই সুধাকণ্ঠৰপৰা নিগৰি আহিছিল। এই গীতসমূহৰো আজিলৈকে সংৰক্ষণ নোহোৱাটো সঁচাকৈয়ে পৰিতাপৰ বিষয়।

ড° ভূপেন হাজৰিকাৰ গীতসমূহ উপযুক্তভাৱে সংৰক্ষণ কৰিবলৈ বিশেষ ব্যৱস্থা কৰা নহ'ল। ব্যক্তিগতভাৱে বহুতে সংৰক্ষণৰ বাবে আগ-ভাগ লৈছে যদিও তাৰ জৰিয়তে অসমবাসী কিমান উপকৃত হ'ব সেয়া সহজেই অনুমেয়। চৰকাৰে যদি এটা উপযুক্ত স্থানত গৱেষণা কেন্দ্ৰ স্থাপন কৰি গীতসমূহ সংৰক্ষণৰ ব্যৱস্থা কৰে তেনেহ'লে সংগীতপ্ৰেমী ৰাইজৰ বাবে ই হ'ব অমূল্য সম্পদ। তদুপৰি এই গীতসমূহ একাদিক্ৰমে পুথিৰ আকাৰত কে'বাটাও খণ্ডত প্ৰকাশ কৰিলেও সকলো উপকৃত হ'ব পাৰিব। এনে ধৰণৰ কেন্দ্ৰৰ জৰিয়তে এই মহান শিল্পীগৰাকীৰ জীৱনৰ অপ্ৰকাশিত বহুতো কাহিনী উদ্ধাৰ হ'ব। তদুপৰি তেওঁৰ গীতসমূহৰো সঠিক মূল্যায়ন কৰা হ'ব। গীতৰ সুৰ, ভাষাৰ বিকৃতি যাতে কোনোৱে কৰিব নোৱাৰে তাৰ বাবে কিছুমান পদক্ষেপ ল'বলৈ চৰকাৰে এখন বিশেষজ্ঞ সমিতি গঠন কৰি দিয়া উচিত। এই সমিতিখনে সুধাকণ্ঠৰ অমৰ সৃষ্টিৰাজি প্ৰণালীবদ্ধ ৰূপত উপস্থাপন কৰিলে সেইবোৰৰ প্ৰতি ৰাইজৰ আকৰ্ষণো বৃদ্ধি পাব। আমি কেৱল ড° ভূপেন হাজৰিকাক এগৰাকী গণশিল্পী বুলি আখ্যা দিলেই নহ'ব, তেওঁৰ সৃষ্টিৰাজিকো ৰাইজে সহজে পাব পৰাকৈ উপযুক্ত স্থানত সংৰক্ষণ কৰি প্ৰচাৰ আৰু প্ৰসাৰৰ ব্যৱস্থা কৰিব লাগিব।

# বাৰ্ষিক উৎসৱ নহয়
# অভিশপ্ত ৩০ অক্টোবৰ

৩০ অক্টোবৰ। ২০০৮ৰ এই দিনটোতে অসমৰ ইতিহাসত সংঘটিত হৈছিল হত্যাযজ্ঞ। এই কঅলা দিনটোতে উগ্ৰপন্থী সংগঠনৰ ভয়াৱহ বোমা বিস্ফোৰণত ৭৭ গৰাকী লোকে প্ৰাণ হেৰুৱাবলগীয়া হৈছিল। চিৰদিনৰ বাবে পংগু হৈছিল ৪৭০ গৰাকী লোক। গুৱাহাটী, বঙাইগাঁও, বৰপেটা ৰোড আৰু কোকৰাঝাৰত ১৮ টাকৈ শক্তিশালী বোমা বিস্ফোৰণত কঁপি উঠিছিল অসম। অভিশপ্ত দিনটোত উগ্ৰপন্থীয়ে চলোৱা নৰ সংহাৰৰ ঘটনাই সমগ্ৰ দেশকে জোকাৰি গৈছিল। কাৰণ সেইদিনটো আছিল উত্তৰ-পূৰ্বাঞ্চলত উগ্ৰপন্থীয়ে সংঘটিত কৰা সবাতোকৈ ভয়াৱহ আক্ৰমণ। ঘটনাটো সংঘটিত হোৱাৰ পাছতে ইয়াৰ আঁৰত  আলফা আৰু মৌলবাদী সংগঠনৰ হাত থকা বুলি প্ৰায়ভাগ লোকে সন্দেহ প্ৰকাশ কৰিছিল যদিও পৰৱৰ্তী সময়ত এন ডি এফ বিৰ ৰঞ্জন দৈমাৰীৰ নাম সাঙোৰ খাই পৰে।

অভিশপ্ত দিনটোত প্ৰাণ হেৰুওৱা লোকসকলৰ আত্মাৰ সদ্‌গতিৰ বাবে বিগত আঠ বছৰে বিভিন্ন ঠাইত দল-সংগঠন, ব্যক্তিবিশেষে প্ৰায়ভাগ লোকেই বন্তি প্ৰজ্বলনৰ লগতে বিভিন্ন অনুষ্ঠানৰো আয়োজন কৰিছে। এনে অভিশপ্ত দিনৰ স্মৃতিচাৰণ সভা, বন্তি প্ৰজ্বলন, সৰ্বধৰ্ম প্ৰাৰ্থনা অনুষ্ঠিত কৰাটো স্বাভাৱিক

বিষয়। আমেৰিকাৰ বিশ্ব বাণিজ্য কেন্দ্ৰত নিহতৰ স্মৃতিত বিশ্বৰ বিভিন্ন প্ৰান্তৰপৰা অহা হেজাৰ হেজাৰ লোকে শ্ৰদ্ধা নিবেদন কৰি আহিছে। ১৯৬৬ত নিৰ্মাণ আৰম্ভ কৰা এই বাণিজ্য কেন্দ্ৰটোত ১৯৭৩ৰ পৰা বাণিজ্যিক কাম-কাজ আৰম্ভ হৈছিল। নিউৰ্য়ক চিটিৰ এই বাণিজ্য কেন্দ্ৰটো ২০০১ৰ ১১ ছেপ্টেম্বৰত সন্ত্ৰাসবাদীয়ে উৰাজাহাজেৰে বিস্ফোৰণ ঘটাই তাচপাতৰ দৰে খহাইছিল। এই ঘটনাত ২,৯৯৬ গৰাকী লোকে প্ৰাণ হেৰুৱাইছিল। ছহেজাৰ লোক আহত হৈছিল। ওচামা বিন লাডেনৰ অল কায়দা নামৰ সন্ত্ৰাসবাদী সংগঠনটোৰ আক্ৰমণত কমেও ১০ নিযুত ডলাৰ মূল্যৰ সা-সম্পত্তি ধ্বংস হৈছিল। ২০০৮ৰ ২৬ নৱেম্বৰত মুম্বাই-কাণ্ডত দেশ-বিদেশৰ কমেও ১৬৬ জন লোকে প্ৰাণ হেৰুৱাইছিল। পাকিস্তানস্থিত লস্কৰ-ই-তৈবাৰ ১০ জনীয়া দল এটাই মুম্বাইৰ কে'বাঠাইত সুপৰিকল্পিতভাৱে আক্ৰমণ চলাই ভাৰতৰ লগতে বিশ্ববাসীক স্তম্ভিত কৰিছিল। এই ঘটনাত নিহতসকলৰ আত্মাৰ সদ্গতিৰ বাবে আৰু আহতসকলৰ আগশু-আৰোগ্য কামনা কৰি এই দিনকেইটাত ভগৱানক প্ৰাৰ্থনা জনোৱা হয়।

৩০ অক্টোবৰৰ ঘটনাটোক লৈ সকলোৰে চকুপানী টুকিছে। কোনোবাজনে হেৰুৱাইছিল পিতৃ-মাতৃ, ভাই-ভনী, কন্যা-পুত্ৰ আৰু স্বামীক। কতজনৰ ঘৰখন থানবান হৈ গৈছিল। চৌদিশে প্ৰতিবাদৰ জোৱাৰ উঠিছিল। বিভিন্ন দল-সংগঠন, ব্যক্তি, অনুষ্ঠান-প্ৰতিষ্ঠানে উক্ত ঘটনাৰ তদন্তৰ লগতে দোষীক বিচাৰি উলিয়াই শাস্তি প্ৰদান কৰিবলৈ দাবী জনাইছিল। সেই সময়ত উঠা প্ৰতিবাদৰ ঢৌৱে সমগ্ৰ দেশতেই খলকনি তুলিছিল। আঠ বছৰ পাছত কিন্তু ইয়াৰ ছবিখন সলনি হ'ল। এই অভিশপ্ত দিনটো এতিয়া বহুতৰ বাবে এটা 'অনুষ্ঠান আয়োজন'ৰ বিশেষ দিনহে হৈ পৰিল। বিগত আঠ বছৰে এই বিশেষ দিনটোৰ বাহিৰে আন সময়ত ইয়াক লৈ কোনো চৰ্চা কৰা পৰিলক্ষিত নহ'ল। বিভিন্ন দল-সংগঠন কিম্বা সততে সৰৱ হৈ থকা ব্যক্তিসকলে ৩০ অক্টোবৰক ফল ভুলতো চৰ্চা কৰা দেখা নগ'ল। অথচ সততে মাত মাতি থকা দল-সংগঠন, ব্যক্তিসকলে ৩০ অক্টোবৰ আহিলেই বেনাৰ, পোষ্টাৰ, কেমেৰা আদি লৈ সৰৱ হৈ পৰে। নিশা দুপৰলৈকে বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰে। গীত-মাত, নৃত্য পৰিৱেশন কৰি চৰকাৰৰ বিৰুদ্ধে ক্ষোভ উজাৰি, সন্ত্ৰাসবাদীক

গালি-গালাজ কৰিলেই মৃতকৰ আত্মাই শান্তি পাব জানো? দোষীক শাস্তি দিলেহে মৃতকৰ পৰিয়াল তথা আহতসকলে শান্তি পাব। এসময়ত যি উগ্রপন্থীৰ বিৰুদ্ধে চৰকাৰে অভিযান চলাইছিল এতিয়া তেওঁলোকক বিভিন্ন গোচৰৰপৰা মুক্ত কৰিবলৈ বহুতে উঠি-পৰি লাগিছে। মানৱ অধিকাৰৰ কথা কয়; কিন্তু যি উগ্রপন্থী সংগঠনে ১৬৬ গৰাকী লোকৰ প্ৰাণ কাঢ়ি নিছিল তেতিয়া সেই পৰিয়াল কেইটাৰ মানৱ অধিকাৰ খৰ্ব কৰা নাছিলনে? জীয়াই থকাৰ অধিকাৰ কাঢ়ি নিয়াসকলক কঠোৰ শাস্তি বিহা উচিত। ৩০ অক্টোবৰৰ দিনটো উলহ-মালহেৰে উদ্‌যাপন কৰাৰ মানসিকতা সকলোৱে পৰিহাৰ কৰক। ইয়াৰ পৰিৱৰ্তে অনুষ্ঠান আয়োজনৰ নামত ব্যয় কৰা ধনৰাশি কোনোৱা আহত এজনৰ উপযুক্ত চিকিৎসাৰ বাবে আগ বঢ়াওক। মৃতকৰ আত্মাৰ সদ্‌গতিৰ বাবে এগছি বন্তি প্ৰজ্বলন, ধূপ-ধূনা, প্ৰাৰ্থনাই যথেষ্ট। ইয়াৰ গইনা লৈ আড়ম্বৰেৰে বিভিন্ন অনুষ্ঠান আয়োজন কৰি ভুক্তভোগী পৰিয়ালবোৰ মনোকষ্ট কোনোৱেই যেন বৃদ্ধি নকৰে। ৩০ অক্টোবৰ এটা অভিশপ্ত দিনহে— উৎসৱ আয়োজনৰ উপাদান নহয়।